

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ২৭৭ ■ গুৱাহাটী ■ মঙলবাৰ, ১৭ মে', ২০২২, ২ জেঠ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 277 Dainandin Barta ■ Guwahati, Tuesday ■ 17 May, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only




*নেপাল ভ্ৰমণৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঐতিহাসিক মায়াদেৱী মন্দিৰ দৰ্শনৰ সময়ত চৌহদত থকা বৌদ্ধ বৃক্ষৰ গুৰিত পানী দিয়াৰ দৃশ্য, নেপালৰ প্ৰধানমন্ত্ৰীৰ সৈতে*

## জ্ঞানবাপী মছজিদৰ গাঁথনিৰ তলত ওলাইছে শিৱলিংগ

### বাৰানসী আদালতৰ চৌহদ ছীল কৰাৰ নিৰ্দেশ




**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি,১৬ মে' ঃ** উত্তৰ প্ৰদেশৰ জ্ঞানবাপী মছজিদৰ চৌহদত এতিয়া শিৱলিংগৰ অৱস্থিতি স্পষ্ট হৈ পৰিছে। ন্যায়ালয়ৰ নিৰ্দেশত একাংশ নিৰপেক্ষ ব্যক্তি, ভাৰত চৰকাৰৰ পুৰাতত্ব জৰীপ সঞ্চালকালয়ৰ বিষয়া, ন্যায়াধীশ আদিৰ উপস্থিতিত ভিডিঅ' ৰেকৰ্ডিঙৰ জৰিয়তে চৰজমীন অধ্যয়ন চলোৱা হৈছিল। এই অধ্যয়নত পূৰ্বে সন্দেহ কৰা ধৰণে শিৱলিংগ আৰু মন্দিৰৰ ভগ্নাৱশেষ উদ্ধাৰ হৈছে। ন্যায়ালয়ে ■ ৮ পৃষ্ঠাত

### বিজেপিক উভতি ধৰিলে কেজৰিৱালে

## দিল্লী অপৰিকল্পিত, ৮০ শতাংশ নিৰ্মাণ অবৈধ

### সকলোকে উচ্ছেদ কৰিব নেকি ?



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি,১৬ মে' ঃ** দেশৰ ৰাজধানী দিল্লী প্ৰদেশ এখন অপৰিকল্পিত নগৰ। কোনে, কেতিয়া নিজৰ ইচ্ছানুসৰি বাসগৃহ, দোকান-পোহাৰ আদি নিৰ্মাণ কৰি লৈছে তাৰ কোনো নথিভুক্ত তথ্য চৰকাৰৰ ওচৰত নাই। বিভিন্নজনে অবৈধভাৱে ভূমি দখল কৰি এনে নিৰ্মাণকাৰ্য ■ ৮ পৃষ্ঠাত

## বিৰিয়ানীৰ দোকানলৈ গুলীচালনা





**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি,১৬ মে' ঃ** কলকাতাৰ বাৰাকপুৰত থকা এখন বিৰিয়ানী দোকানলৈ সোমবাৰে বিয়লিৰ ভাগত গুলীচালনা কৰা হয়। হেলমেট পিন্ধি অহা দুই বাইক আৰোহীয়ে এই ঘটনা সংঘটিত কৰিছিল। ফলত দোকানৰ কৰ্মচাৰী আৰু এজন গ্ৰাহক আহত হৈছে। এই বিৰিয়ানী বিপণীখনৰ নাম হ'ল ডি বাপী বিৰিয়ানী ষ্ট'ৰ। মূলতঃ উন্নত আৰু সোৱাদযুক্ত ■ ৮ পৃষ্ঠাত

# ত্ৰিপুৰাত ১১ কেবিনেট মন্ত্ৰীৰ শপত



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৬ মে' ঃ** বিপ্লৱ কুমাৰ দেৱৰ পদত্যাগৰ পিছতে ত্ৰিপুৰাত বিজেপিয়ে তাৎক্ষণিকভাৱে ডাঃ মাণিক সাহাক মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচিত কৰিছিল। মাণিক সাহাই ৰাজ্যখনৰ দ্বাদশ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰাৰ পিছতে আজি ১১গৰাকী বিধায়কে কেবিনেট মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী মাণিক সাহাই কাৰ্যভাৰ গ্ৰহণ কৰাৰ এদিন পিছতে ■ ৮ পৃষ্ঠাত

## এল আৰ বিষ্ণৈ মেঘালয়ৰ নতুন ডিজিপি



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৬ মে' ঃ** অসমত কৰ্মৰত হৈ থকা বিশেষ ডিজিপি তথা অসম-মেঘালয় কেডাৰৰ ১৯৯১ বৰ্ষৰ আই পি এছ বিষয়া ডঃ এল ■ ৮ পৃষ্ঠাত

## প্ৰশান্ত ৰাজগুৰুলৈ পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ মে' ঃ** মঙলবাৰে গুৱাহাটী প্ৰেছ ক্লাবত পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা-২০২২ প্ৰদান কৰা হ'ব। প্ৰয়াত সাংবাদিক পৰাগ কুমাৰ দাসৰ মৃত্যুৰ পুণ্য তিথিত এই বঁটা প্ৰদান কৰা হ'ব। এই বৰ্ষৰ এই বঁটা প্ৰাগ নিউজৰ ■ ৮ পৃষ্ঠাত

## তেজপুৰৰ বিহগুৰি আৰু বাঁহবাৰী মৌজাৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৬ মে' ঃ** তেজপুৰৰ বিভিন্ন অঞ্চলত ডিপোটা, ঘগৰা নৈৰ বাঢ়নী পানীয়ে হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। তেজপুৰৰ নিকটৱৰ্তী বাঁহবাৰী আৰু বিহগুৰি মৌজাৰ কুৰিখনৰো অধিক গাঁও প্লাৱিত কৰিছে। বিশেষকৈ মৌজা দুটাৰ ঘগৰা, বেতনিঝাৰ, ■ ৮ পৃষ্ঠাত

### চিন্তন শিবিৰ শেষ, জনতাৰ কাষলৈ যোৱাৰ বাবে কংগ্ৰেছৰ শেষ চেষ্টা

## ১ ব্যক্তি, ১ পদবী, ১ পৰিয়াল, ১ টিকট

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি,১৬ মে' ঃ** ৰাজস্থানৰ উদয়পুৰত অনুষ্ঠিত হোৱা কংগ্ৰেছৰ তিনিদিনীয়া চিন্তন বৈঠক সমাপ্ত হ'ল। সম্প্ৰতি সমগ্ৰ দেশৰ ৰাজনীতিত ধাৰাবাহিক পৰাজয়ৰ সন্মুখীন হোৱা কংগ্ৰেছে হয়তো শেষবাৰলৈ ৰাইজৰ সমৰ্থন আৰু সহানুভূতি বিচাৰি দেশজুৰি প্ৰস্তুতি চলাইছে। চিন্তন শিবিৰত গ্ৰহণ কৰা কেবাটাও সিদ্ধান্তই ইয়াকেই প্ৰতিফলিত কৰে। নৱ সংকল্প শিবিৰ নামেৰে পৰিচিত এই চিন্তন বৈঠকত কংগ্ৰেছ ৱৰ্কিং কমিটীয়ে উদয়পুৰ ঘোষণা শীৰ্ষক এলানি সিদ্ধান্ত সদৰী কৰিছে। সাধাৰণ সম্পাদক অজয় মাকেনে এই ঘোষণাসমূহ পাঠ কৰা দেখা গৈছে। দলটোৱে তিনিটা নতুন বিভাগ আৰম্ভ কৰিছে। জনতাৰ সৈতে সংযোগ ৰক্ষা কৰা, নিৰ্বাচনী ব্যৱস্থাপনা কৰা আৰু ৰাষ্ট্ৰীয় প্ৰশিক্ষণৰ বাবে বেলেগে বেলেগে এই তিনিটা নতুন বিভাগ আৰম্ভ কৰা হৈছে। ■ ৮ পৃষ্ঠাত

## ব্ৰিটেইনৰ লৌহ নেত্ৰী মাৰ্গাৰেট থেছাৰৰ প্ৰতিমূৰ্তিলৈ কণী-বিলাহী নিক্ষেপ



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি,১৬ মে' ঃ** ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে ব্ৰিটেইন অৰ্থাৎ সংযুক্ত ৰাষ্ট্ৰৰ এসময়ৰ প্ৰধানমন্ত্ৰী মাৰ্গাৰেট থেচাৰৰ প্ৰতিমূৰ্তি আক্ৰমণ কৰা ঘটনাই। দেশখনৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী হিচাপে ১৯৭৯ চনত কাৰ্যনিৰ্বাহ কৰিছিল। বিশ্বৰ অন্যতম শক্তিশালী, প্ৰভাৱশালী নেত্ৰী হিচাপে নিজকে আগুৱাই নিবলৈ সক্ষম হৈছিল। যাৰ বাবে ব্ৰিটেইনৰ নাম ■ ৮ পৃষ্ঠাত

## মহিলা বিষয়াৰে গৃহমন্ত্ৰী অমিত শ্বাহে উঠা ছবি সামাজিক মাধ্যমত শ্বেয়াৰ কৰি গ্ৰেপ্তাৰ চলচ্চিত্ৰ নিৰ্মাতা

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৬ মে' ঃ** এগৰাকী দুৰ্নীতিগ্ৰস্ত মহিলা বিষয়াৰে এটা সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উঠা ফটো শ্বেয়াৰ কৰি গ্ৰেপ্তাৰ হ'ল এজন প্ৰখ্যাত ছবি নিৰ্মাতা। ছবি নিৰ্মাতাজনে এখন ■ ৮ পৃষ্ঠাত

## ১৩ দিনত ৩৯ তীৰ্থযাত্ৰীৰ কৰুণ মৃত্যু

### চৰধাম যাত্ৰাত মৃত্যুৰ হাত বাউলি



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৬ মে' ঃ** উত্তৰাখণ্ডৰ চৰধাম যাত্ৰা এতিয়া মৃত্যুৰ হাতবাউলি হিচাপে প্ৰতিপন্ন হৈছে। বিগত দু বছৰে কৰ'না মহামাৰীৰ বাবে এই ধৰ্মীয় প্ৰতিষ্ঠানসমূহ দৰ্শনাৰ্থীৰ বাবে বন্ধ কৰি ৰখা হৈছিল। কিন্তু কেদাৰনাথ, গংগোত্ৰী, যমুনোত্ৰী আৰু বদ্ৰিনাথ দৰ্শনৰ বাবে এইবাৰ ৩ মে' তাৰিখৰ পৰা যাত্ৰা মুকলি কৰা হৈছে। দেশ-বিদেশৰ বিভিন্ন ভক্ত, ■ ৮ পৃষ্ঠাত

## ভাৰতৰ ৰপ্তানিত নিষেধাজ্ঞাৰ পিছতে আকাশলংঘী ঘেঁহুৰ মূল্য

**নতুন দিল্লী ঃ** ভাৰতে বিদেশলৈ ঘেঁহুৰ ৰপ্তানি নিষিদ্ধ কৰাৰ সিদ্ধান্ত লোৱাৰ পিছতে সোমবাৰে বিশ্বৰ বজাৰত ঘেঁহুৰ মূল্য হোৱা হাৰে বাঢ়ি যোৱা পৰিলক্ষিত হৈছে। ৰাছিয়াই ইউক্ৰেইন আক্ৰমণ কৰাৰ পিছতে বিশ্বৰ বিভিন্ন দেশত ঘেঁহুৰ মূল্য বহু গুণে বাঢ়ি গৈছিল। ইয়াৰ মাজতে ভাৰতে ঘেঁহুৰ ৰপ্তানি বন্ধ কৰাৰ সিদ্ধান্ত লোৱাৰ পিছতে ঘেঁহুৰ মূল্য পূৰ্বতকৈও বহু বেছি পৰিমাণে বৃদ্ধি পাইছে। উল্লেখ্য, খাদ্য-সামগ্ৰীকে ধৰি অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে জনতাক সৰ্বস্বান্ত কৰাৰ সময়তে ■ ৮ পৃষ্ঠাত

## বিবাহৰ এসপ্তাহৰ পিছতে বঙাইগাঁৱত বোৱাৰীৰ আত্মহত্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ১৬ মে' ঃ** বঙাইগাঁও জিলাৰ কোকিলা আৰক্ষী নিৰীক্ষণ চকীৰ অন্তৰ্গত নাম্বাৰপাৰাত এগৰাকী ন-বোৱাৰীয়ে চিপ লৈ আত্মহত্যা কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। নাম্বাৰপাৰা ■ ৮ পৃষ্ঠাত

### বড়মপুৰ দৈনিক বজাৰত চুৰি

## লুটিলে আঢ়ৈ লাখৰ সামগ্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ১৬ মে' ঃ** নগাঁও জিলাৰ ইটাচালী টাউন আৰক্ষী চকীৰ অন্তৰ্গত বড়মপুৰ দৈনিক বজাৰৰ এখন ব্যৱসায়িক প্ৰতিষ্ঠানত যোৱানিশা সংঘটিত হোৱা এক চুৰিকাণ্ডৰ ঘটনাই সমগ্ৰ ■ ৮ পৃষ্ঠাত

### ৰাংঢালী কপিলীৰ ৰুদ্ৰ ৰূপ ঃ বানত সন্ধানহীন কিশোৰ

# কামপুৰত বানৰ কবলত প্ৰায় ৫০ গাঁও



### বান পৰিস্থিতিৰ বুজ ল'লে জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৬ মে' ঃ** ৰাংঢালী কপিলীৰ এতিয়া ৰুদ্ৰ ৰূপ। কামপুৰত অপৰিৱৰ্তিত হৈ আছে বানপৰিস্থিতি। বানৰ মাজত আবদ্ধ লোকৰ আৰ্তনাদ। গৰ্ভৱতী মহিলা আৰু শিশুক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰিব লগা হৈছে কলগছৰ ভুঁৰত। জীৰ কুলৰ এতিয়া বিলাই-বিপত্তি নোহোৱা অৱস্থা। সকলো ফালে এক অবৰ্ণনীয় পৰিৱেশ। নিজৰ ঘৰ-বাৰী হেৰুৱাই এতিয়া দিশহাৰা হৈছে সকলো। কপিলী নৈৰ বাঢ়নী পানীয়ে বুৰাই পেলাইছে নগাঁও জিলাৰ ■ ৮ পৃষ্ঠাত



*জীৱিকা ঃ জীৱনৰ ভাবুকি নেওচি বাঢ়নী পানীত উটি অহা খৰি সংগ্ৰহত ব্যস্ত তেজপুৰৰ দুই কিশোৰ*

### বৰপথাৰৰ গড়কাপ্তানী পথৰ দুৰৱস্থা



**দৈনন্দিন বাৰ্তাৰ সেৱা, মায়ং, ১৬ মে' ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত বৰালিমাৰী গাঁও পঞ্চায়তৰ অধীনস্থ ১নং বৰপথাৰৰ পৰা হিন্দু জাপৰী বাছ আস্থানলৈ যোৱা একমাত্ৰ ■ ৮ পৃষ্ঠাত

### শিৱসাগৰত অব্যাহত অৰুণাচলী সুৰাৰ চোৰাং বেহা

## হালোৱাটিং আৰক্ষীয়ে পুনৰ জব্দ কৰিলে সুৰা ভৰ্তি গাড়ী

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, শিৱসাগৰ, ১৬ মে' ঃ** শিৱসাগৰ জিলাৰ হালোৱাটিং আৰু আমগুৰি অঞ্চলত অব্যাহত আছে বৈধ-অবৈধ সুৰাৰ ৰমৰমীয়া ব্যৱসায়। কেইবাটাও চক্ৰই এই অঞ্চলত অব্যাহত ৰাখিছে অৰুণাচলী সুৰাৰ অবৈধ ব্যৱসায়। শেহতীয়াভাৱে হালোৱাটিং থানাৰ আৰক্ষীয়ে এখন গাড়ী জব্দ কৰাৰ লগতে বৃহৎ পৰিমাণৰ সুৰা জব্দ কৰিবলৈ সক্ষম হয়। এক সূত্ৰৰ পৰা জানিব পৰামতে এ এচ ০৬ বি ০০১৮ নম্বৰৰ মাৰুতী গাড়ীখনৰ পৰা ৩৪২ বটল মেগদুৱেলচ ■ ৮ পৃষ্ঠাত

## মাজুলী-যোৰহাট সংযোগী দলঙৰ নিৰ্মাণ কাৰ্যত বিসংগতি

### মাজুলী জিলা ছাত্ৰ সন্থাৰ নাগৰিক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ১৬ মে' ঃ** মাজুলী-যোৰহাট সংযোগী নিৰ্মীয়মাণ দলঙৰ খুঁটাৰ বিসংগতিৰে নিৰ্মাণ কৰাৰ ফলস্বৰূপে দলঙৰ খুঁটাত বৃহৎ ফাঁট মেলাত মাজুলীত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিৰ্মীয়মাণ দলঙৰ দুটা খুঁটাত বিসংগতি দেখাৰ লগে লগে সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই তৎপৰতাৰে মাজুলীৰ সমূহ সংগঠন আৰু ৰাইজক একত্ৰিত কৰি আজি মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন নাগৰিক সভা অনুষ্ঠিত কৰে। জিলা ছাত্ৰ সন্থাৰ সভাপতি অজিত হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক বিতোপন শৰ্মাই। বক্তব্য প্ৰসংগত আছুৰ সাংগঠনিক সম্পাদক সূৰ্য কুমাৰ ভূঞাই নিৰ্মীয়মাণ দলং মাজুলীবাসীৰ প্ৰাপ্য। ■ ৮ পৃষ্ঠাত

### ভূৱা নিযুক্তি কেলেংকাৰিৰ তথ্য উদঙোৱাৰ পিছতো নিৰ্বিকাৰ স্বাস্থ্য বিভাগ

## গাৰ নোম লৰাব পৰা নাই উচ্চ বৰ্গ সহায়কৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৬ মে' ঃ** ৰাজ্য চৰকাৰে অনিয়ম-কেলেংকাৰিৰ ক্ষেত্ৰত কোনো কাৰণতে আপোচ কৰা নহ'ব বুলি নিকা ভাবমূৰ্তি দেখুৱাব বিচাৰিলেও প্ৰকৃততে পৰোক্ষভাৱে চৰকাৰে কেলেংকাৰি, দুৰ্নীতি, অনিয়মৰ সমৰ্থন কৰাহে পৰিলক্ষিত হৈছে। শিৱসাগৰ জিলা স্বাস্থ্য খণ্ডত বিগত সময়ত সংঘটিত হোৱা বিয়াগোম নিযুক্তি কেলেংকাৰিৰ তথ্য সংবাদ মাধ্যমত সবিস্তাৰে ■ ৮ পৃষ্ঠাত




*গুৱাহাটীত সংবাদ মেল সম্বোধন ইষ্টাৰ্ণ আৰ্মী কমাণ্ডাৰ লেঃ জেঃ ৰাণাপ্ৰতাপ কলিতা, সোমবাৰে*

### জয়সাগৰ আৰক্ষীৰ জালত প্ৰৱঞ্চক মাধুৰ্য বৰা ঃ জে'ললৈ প্ৰেৰণ

## ৩ ব্যক্তিৰ পৰা সৰকালে ২২ লাখ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৬ মে' ঃ** আৰক্ষী বিষয়াৰ পত্নীক সাৰথি কৰি অ'এনজিচিৰ ঠিকা প্ৰদানৰ নামত ৰাণা পাগাম নামৰ কুখ্যাত প্ৰৱঞ্চকটোৰ কু-কীৰ্তিয়ে সংবাদ শিৰোনাম দখল কৰি থকাৰ সময়তে এইবাৰ শিৱসাগৰত ৰাণা পাগামৰ আৰ্হিত প্ৰৱঞ্চনাৰ জাল পেলোৱা এটা কুখ্যাত প্ৰৱঞ্চক শিৱসাগৰ জিলাৰ জয়সাগৰ আৰক্ষীৰ জালত পৰিল। একে ডোখৰ মাটি তিনিজন ব্যক্তিক বিক্ৰী কৰাৰ নামত প্ৰায় ২২ লাখকৈ টকা প্ৰৱঞ্চনাৰে সৰকোৱা প্ৰৱঞ্চকটোক জয়সাগৰ থানাৰ অন্তৰ্গত জয়ানগৰ নিবাসী দেৱকান্ত বৰাৰ পুত্ৰ ■ ৮ পৃষ্ঠাত

## বাক্সাৰ লাবদাংগুৰিত বন্যহস্তীৰ তাণ্ডৱ

### কোনোমতেহে প্ৰাণ ৰক্ষা বৃদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ১৬ মে' ঃ** বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত লাবদাংগুৰি পথাৰত আজি পুৱতি নিশা বন্যহস্তীৰ তাণ্ডৱত বিস্তৰ ক্ষতি হয় সাধাৰণ ৰাইজৰ। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা বন্যহস্তীয়ে অঞ্চলটোত চলায় তাণ্ডৱলীলা। বন্যহস্তীটোৰ আক্ৰমণত কোনোমতেহে প্ৰাণ ৰক্ষা পৰে এগৰাকী বৃদ্ধাৰ। নিশা শুই থকা অৱস্থাতে বন্যহস্তীয়ে অতৰ্কিতে আক্ৰমণ চলায় বাসগৃহটোত। তাৰ পিছত কোনোমতেহে প্ৰাণ লৈ পলাবলৈ সক্ষম হয় লাবদাংগুৰিৰ ৰমীলা নাথ নামৰ মহিলাগৰাকী। ইয়াৰ উপৰি লক্ষেশ্বৰ নাথ, নাৰায়ণ নাথ, প্ৰয়াত স্বৰাজ নাথ আৰু পানীৰাম নাথৰ লগতে কেইবাটাও বাসগৃহ ভঙাৰ লগতে বহু পৰিমাণৰ শস্যৰো ক্ষতিসাধন কৰে ■ ৮ পৃষ্ঠাত



## গ্ৰাহকৰ অজ্ঞাতে ধন হৰলুকী চি এছ পিৰ স্বত্বাধিকাৰীৰ

# আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত গোচৰ দাখিল ভুক্তভোগী গ্ৰাহকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ১৬ মে' ঃ** দৰঙৰ দলগাঁও সমষ্টিৰ অন্তৰ্গত শিলবৰীত এছ বি আই বেংকৰ চি এছ পিৰ স্বত্বাধিকাৰীৰ বিৰুদ্ধে গ্ৰাহকৰ ধন আত্মসাৎ কৰাৰ অভিযোগ। কোপাটি এছ বি আই বেংকৰ অধীনস্থ বেছিমাৰী(ধনশিৰী) চি এছ পিৰ স্বত্বাধিকাৰী হান্নান আলীয়ে এগৰাকী মহিলা গ্ৰাহকৰ ১০ হাজাৰ টকা আত্মসাৎ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। উল্লেখ্য, যোৱা এপ্ৰিল মাহৰ ১৮ তাৰিখে এগৰাকী মহিলা গ্ৰাহকে ১০ হাজাৰ টকা উঠাবলৈ গৈছিল এছ বি আই বেংকৰ চি এছ পি খনত। চি এছ পিৰ স্বত্বাধিকাৰী হান্নান আলীয়ে গ্ৰাহকগৰাকীৰ আঙুলিৰ ছাপ লোৱাৰ পাছত লিংক নাই বুলি কৈ ওভতাই পঠোৱাৰ পিছত অইন এখন চি এছ পিৰ পৰা ৬ হাজাৰ টকা উঠাই নিজৰ কামত ব্যস্ত থাকে মহিলাগৰাকী। প্ৰায় ১ মাহ পিছত পুনৰায় টকা উঠাবলৈ যোৱাত ওলাই পৰিল ঘটনাৰ আচল ৰহস্য। ১৮ এপ্ৰিলত মহিলাগৰাকীৰ আঙুলিৰ ছাপ লৈ ওভতাই পঠোৱা মহিলাগৰাকীৰ অজ্ঞাতে চি এছ পিৰ স্বত্বাধিকাৰীজনে উলিয়াই লৈছিল ১০ হাজাৰ টকা। স্বত্বাধিকাৰী হান্নান আলীক উক্ত বিষয়টো অৱগত কৰাত মহিলাগৰাকীক দুৰ্ব্যৱহাৰ কৰাৰ লগতে অশ্লীল ভাষাৰে গালি-গালাজ কৰি খেদি দিয়াৰ অভিযোগ। ধন আত্মসাৎ কৰাৰ অভিযোগত জিলা আৰক্ষী অধীক্ষকৰ ওচৰত এখন এজাহাৰ দাখিল কৰে ভুক্তভোগী মহিলাগৰাকীয়ে। চি এছ পিৰ স্বত্বাধিকাৰী হান্নান আলীৰ ঠগ-প্ৰৱঞ্চনাৰ বলি হৈ বহু গ্ৰাহকে হেৰুৱাবলগীয়া হৈছে নিজৰ কষ্টোপাৰ্জিত ধন। এতিয়া প্ৰশ্ন হয়- বেংকতো যদি ধন সুৰক্ষিত নাথাকে, তেন্তে ক'ত সুৰক্ষিত থাকিব নিজৰ দুখীয়া দৰিদ্ৰৰ কষ্টোপাৰ্জিত ধন? গ্ৰাহকক ঠগ-প্ৰৱঞ্চনা কৰা চি এছ পিৰ স্বত্বাধিকাৰীজনক নাকী লগাব পাৰিবনে বিভাগীয় কৰ্তৃপক্ষই?



## নলবাৰীৰ পোৱাকুছিত বুদ্ধ পূৰ্ণিমা উপলক্ষে বিষ্ণু হোম-যজ্ঞ উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৬ মে' ঃ** সনাতনী সংস্কৃতিত বুদ্ধ পূৰ্ণিমা এক পবিত্ৰ দিৱস। এই শুভ দিনত আৰু ব'হাগৰ বিদায় ক্ষণত নলবাৰীৰ পোৱাকুছিস্থিত যোৰপুখুৰীপাৰ বাৰোৱাৰী শিৱ মন্দিৰত বুদ্ধ পূৰ্ণিমা উপলক্ষে ৰাজহুৱা হোম-যজ্ঞৰ আয়োজন কৰা হয়। লগতে উক্ত শিৱ মন্দিৰৰ দ্বাৰ উদ্‌ঘাটন কৰা হয়। প্ৰতিকূল বতৰকো নেওচি মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত সকলোৰে শান্তি-সমৃদ্ধি-একতাৰ বান্ধোনৰ বাবে যজ্ঞ সমাপন কৰা হয়। উক্ত যজ্ঞত পূব নলবাৰীৰ ভিন্ন প্ৰান্তৰ পৰা ৰাইজ সমৱেত হোৱা পৰিলক্ষিত হয়। এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত অনুষ্ঠানত প্ৰথম কাৰ্যসূচী সমূহীয়া চাফাইৰে আৰম্ভ হৈ কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হয়। দিনৰ ভাগত বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ ঘগ্ৰাপাৰৰ সমল ব্যক্তি সুভাষ বৰ্মন, ঘগ্ৰাপাৰ হাইস্কুলৰ সহঃ প্ৰধান শিক্ষক গিৰীশ তালুকদাৰ, কুমুদ তালুকদাৰ, ধীৰাজ বৰ্মন আদিৰ পৰিচালনাত নলবাৰীৰ বিভিন্ন প্ৰান্তৰ ল'ৰা-ছোৱালীসকলৰ মাজত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ পিছত শিৱ মন্দিৰত পুষ্পাঞ্জলি প্ৰদান আৰু ভোগ বিতৰণ কৰা হয়। সন্ধিয়া শিৱ মন্দিৰৰ দ্বাৰ মুকলি কৰে সমাজসেৱী অঞ্জন বৰ্মনে। বৰনৰ্দ্দীৰ জিতেন হাজৰিকাই প্ৰদান কৰা শিৱমূৰ্তি স্থাপন কৰে কৃতী শিক্ষক মহেশ্বৰ বৰ্মনে। লগতে অসমীয়া সংস্কৃতিৰ অন্যতম অংগ নাগাৰা নাম প্ৰদৰ্শন কৰা হয় বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

## চিৰাজুলি গাঁও পঞ্চায়তৰ সদস্যা মইনা দাসৰ অকাল মৃত্যুত মৰ্মাহত অঞ্চলবাসী

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিঙৰী, ১৬ মে' ঃ** বৰছলা বিধানসভা সমষ্টিৰ অন্তৰ্গত চিৰাজুলি গাঁও পঞ্চায়তৰ ৬ নং ৱাৰ্ডৰ সদস্যা তথা চিৰাজুলি পথাৰ গাঁৱৰ বাসিন্দা শ্যামল দাসৰ পত্নী মইনা দাসৰ ৰহস্যজনক



মৃত্যুত সকলোৱে মনত বিভিন্ন প্ৰশ্নৰ অৱতাৰণা হৈছে। দুই সন্তানৰ মাতৃ মইনা দাসৰ অনাকাংক্ষিত অকাল মৃত্যুত সমগ্ৰ অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰিছে। ইতিকে মৰমিয়াল, অমায়িক মইনা দাসৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি অঞ্চলটোৰ ৰাইজৰ লগতে ভাৰতীয় জনতা পাৰ্টীৰ কৰ্মকৰ্তাসকলে ১২ মে' তাৰিখে চিৰাজুলি পথাৰ গাঁৱত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। মইনা দাসৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত হৰিনাম সংকীৰ্তনৰ লগতে ভাগৱত পাঠৰ আয়োজন কৰে। মইনা দাসৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিজেপি বৰছলা মণ্ডলৰ উপ-সভাপতি চন্দ্ৰকুমাৰ ভূঞা, সাধাৰণ সম্পাদক জীৱন পাঠক, চিৰাজুলি গাঁও পঞ্চায়তৰ সভানেত্ৰী বামুণী দৈমাৰী, বিজেপি বৰছলা মণ্ডলৰ যুৱ মৰ্চাৰ সম্পাদক দীপাংকৰ নাগ, বিজেপি জিলা সংখ্যালঘু মৰ্চাৰ উপ-সভাপতি ৰফিকুল ইছলাম, বিজেপি বৰছলা মণ্ডলৰ প্ৰচাৰ সম্পাদক প্ৰভাত দাস, চিৰাজুলি গাঁও পঞ্চায়তৰ উপ-সভাপতি বিপ্লৱ হুছেইন, ৱাৰ্ড সদস্য ৰাজেন ৰাভা, সোমেশ্বৰ ওৰাং, সদস্যা ৰূপামণি দৈমাৰী, হালিমা খাতুন, বিজেপি চিৰাজুলি পথাৰৰ বুথ সভাপতি সুৰীৰ মৈত্ৰী, চিৰাজুলি পঞ্চায়তৰ প্ৰভাৰী কমল বিশ্বশৰ্মা উপস্থিত থাকি মইনা দাসৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি গভীৰ শ্ৰদ্ধাঞ্জলি জনায়।

## বিশ্বনাথত ৰাজ্যিক ভিত্তিক বিজ্ঞান-লেখাৰ কৰ্মশালাৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথঘাট, ১৬ মে' ঃ** আকাশ বিজ্ঞান আৰু পৰিৱেশ শিক্ষা কেন্দ্ৰৰ উদ্যোগত বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ বায়'টেক হাবত সপ্তম তীৰ্থেশ্বৰ শৰ্মা সৌৰৱণী ৰাজ্যিক ভিত্তিক বিজ্ঞান-লেখন দুদিনীয়া কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। আকাশ বিজ্ঞান আৰু পৰিৱেশ শিক্ষাকেন্দ্ৰৰ সম্পাদক বিপুঞ্জয় বৰদলৈয়ে পৰিচালনা কৰা কাৰ্যসূচীত পুৱা ৯ বজাত ন-পুৰণি বিজ্ঞান পুথিৰ প্ৰদৰ্শনীৰ দ্বাৰ উদ্বোধন কৰে বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ জেষ্ঠ অধ্যাপক ড° কে চি ডেকাই। তীৰ্থেশ্বৰ শৰ্মাৰ ফটোত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট চিকিৎসক ড° মুকুট গোস্বামীয়ে। বিশিষ্ট শিক্ষাবিদ তীৰ্থেশ্বৰ শৰ্মাক সৌৰৱণ কৰি বক্তৃতা প্ৰদান কৰে মীনাক্ষী দেৱী আৰু মুকুট গোস্বামীয়ে। বিজ্ঞান-লেখন কৰ্মশালা উদ্বোধন কৰে বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ অধ্যাপক ড° বন্ধু কিংকৰ গোস্বামীয়ে। বিশিষ্ট বিজ্ঞান-লেখক ক্ষীৰদ বৰুৱাই সঞ্চালনা কৰা কৰ্মশালাত বিশিষ্ট বিজ্ঞান-লেখক ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে বিজ্ঞান-লেখন আৰু অনুবাদ বিষয়ৰ ওপৰত অসমৰ বিভিন্ন জিলাৰ পৰা অহা ৫০ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক প্ৰশিক্ষণ প্ৰদান কৰে। কালিৰ কৰ্মশালাত প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰি ক্ষীৰদ বৰুৱাই দ্বিতীয় আৰু তৃতীয় কাৰিকৰী সত্ৰত বিজ্ঞান লেখাৰ কলা-কৌশল আৰু বিজ্ঞান লেখাৰ বিভিন্ন মাধ্যমৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। বঙাইগাঁও, কামৰূপ, মাজুলী, দৰং, ধেমাজি, লক্ষীমপুৰ, নগাঁও, শোণিতপুৰ আদি জিলাৰ পৰা অহা শিক্ষক-শিক্ষয়িত্ৰীক চেতামাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক ৰিপুঞ্জয় বৰদলৈয়ে বিজ্ঞানৰ নাটক আৰু ৰূপক লিখাৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। 'আমাৰ জীৱনত ৰসায়ন' নামৰ সুন্দৰ এখন তথ্যচিত্ৰ প্ৰদৰ্শনেৰে প্ৰথম দিনাৰ কৰ্মশালাৰ সামৰণি পৰে।

## কলিয়াবৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহৰ সামৰণী অনুষ্ঠান আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১৬ মে' ঃ** কলিয়াবৰৰ একমাত্ৰ উচ্চ শিক্ষাৰ বাটকটীয়া কলিয়াবৰ মহাবিদ্যালয়ে অতিক্ৰম কৰা গৌৰৱময় সময়ৰ স্মৃতি ৰোমন্থনৰ সোণালী জয়ন্তী সমাৰোহ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কালিৰে পৰা অনুষ্ঠিত হৈছে। পুৱা মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে সোণালী জয়ন্তী সমাৰোহৰ আনুষ্ঠানিক শুভাৰম্ভণি হয়। পতাকা উত্তোলনৰ পাছতেই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপকসকলৰ স্মৃতিচাৰণ আৰু শ্ৰদ্ধাঞ্জলি তৰ্পণ অনুষ্ঠান মুকলি কৰে কলিয়াবৰ মহকুমাৰ মহকুমাধিপতি পবিত্ৰ কুমাৰ দাসে। সোণালী জয়ন্তী তোৰণ উন্মোচন কৰে মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি পহল থাপাই। মহামানৱ মহাত্মা গান্ধীৰ জন্ম শতবৰ্ষ পালনৰ বৰ্ষতেই ১৯৬৯ চনৰ জুলাই মাহত স্থাপন হোৱা কলিয়াবৰ



মহাবিদ্যালয় স্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা ২৪ গৰাকী ভূমিদাতাৰ লগতে মহাবিদ্যালয়ৰ গৃহদাতাৰ পৰিয়ালক সম্বৰ্দ্ধনা জনোৱা হয়। এই অনুষ্ঠানতে কলিয়াবৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি আৰু প্ৰাক্তন শিক্ষক-কৰ্মচাৰীসকলকো সম্বৰ্দ্ধনা জ্ঞাপন কৰে কলিয়াবৰ মহাবিদ্যালয় সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিয়ে। অসমৰ প্ৰথিতযশা শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰীয়ে ৰচনা কৰা কলিয়াবৰ মহাবিদ্যালয় সঙ্গীতেৰে শুভাৰম্ভণি ঘটোৱা সম্বৰ্দ্ধনা অনুষ্ঠানত উপস্থিত থাকে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-শিক্ষক, স্থানীয় বিধায়ক তথা স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত। সম্বৰ্দ্ধনা সভাত সভাপতিত্ব কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বীৰেন ফুকনে। বিয়লি বেলা ছাত্ৰ-ছাত্ৰী সমাৰোহত মুখ্য অতিথি ৰূপে উপস্থিত থাকে মহাপুৰুষ শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মৃদুল হাজৰিকা। এই অনুষ্ঠানতে 'গল্প-কথা' শীৰ্ষক এক আকৰ্ষণীয় অনুষ্ঠানত অংশ লয় অতনু ভট্টাচাৰ্য আৰু মিতালী দেই। কলিয়াবৰ মহকুমা আৰক্ষী বিষয়া মৃণ্ময় দাসে উদ্বোধন কৰা কলিয়াবৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীসকলে সাংস্কৃতিক অনুষ্ঠানেৰে সোণালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচীৰ সামৰণি পৰে। কাইলৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ মহামিলন অনুষ্ঠানৰ লগতে সোণালী জয়ন্তীৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰিব বিশিষ্ট শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰীয়ে। নিশালৈ সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব জনপ্ৰিয় কণ্ঠশিল্পী জুব্‌লী বৰুৱাই।

# চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই সম্বৰ্দ্ধনা জনালে সদ্যহতে অসম চৰকাৰৰ নিযুক্তি-পত্ৰ লাভ কৰিবলৈ সক্ষম হোৱা সমষ্টিৰ যুৱক-যুৱতীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নদুৱাৰ, ১৬ মে' ঃ** চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই দেওবাৰে ঐতিহাসিক শৈৱপীঠ নাগশংকৰ দেৱালয়ত সমষ্টিটোৰ সদ্যহতে অসম চৰকাৰৰ নিযুক্তি-পত্ৰ লাভ কৰা যুৱক-যুৱতীক বিশেষভাৱে সম্বৰ্দ্ধনা জনায়। নিজ কষ্ট আৰু যোগ্যতাৰ ভিত্তিত নিযুক্তি-পত্ৰ লাভ কৰিবলৈ সক্ষম হোৱা সমষ্টিটোৰ সকলো যুৱক-যুৱতীক অভিনন্দন জ্ঞাপন কৰে। নাগশংকৰ দেৱালয়ৰ প্ৰেক্ষাগৃহত অসম চৰকাৰৰ নৱনিযুক্তি-পত্ৰপ্ৰাপ্ত যুৱক-যুৱতীক একোখনকৈ ফুলাম গামোচা আৰু এখনি অভিনন্দন-পত্ৰ প্ৰদান কৰে বিধায়কগৰাকীয়ে।



বিজেপি চৰকাৰখনে প্ৰথমটো বৰ্ষতে ৰাইজক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰি সম্পূৰ্ণ স্বচ্ছ আৰু নিকাৰে যোগ্যতাৰ ওপৰত ভিত্তি কৰি নিযুক্তি-পত্ৰ প্ৰদানক লৈ যথেষ্ট সুখী বিধায়কগৰাকী। চতিয়া সমষ্টিৰ অন্তৰ্গত চাৰিখন জিলা পৰিষদৰ ভিতৰত সমষ্টিটোৰ ১৫৪ গৰাকীয়ে ইতিমধ্যে সম্পূৰ্ণ স্বচ্ছ আৰু নিকাৰে নিজ নিজ যোগ্যতা আৰু দক্ষতাৰ ভিত্তিত অসম চৰকাৰৰ প্ৰতিশ্ৰুতি মৰ্মে নিযুক্তি-পত্ৰ লাভ কৰিবলৈ সক্ষম। গৃহ, স্বাস্থ্য, শিক্ষা বিভাগত মুঠ ১৮১ গৰাকী যুৱক-যুৱতীয়ে অসম চৰকাৰৰ নিযুক্তি-পত্ৰ লাভ কৰিবলৈ সক্ষম হয়। বিধায়কগৰাকীয়ে অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰীৰ বলিষ্ঠ পদক্ষেপেৰে এইদৰে সম্পূৰ্ণ স্বচ্ছ আৰু নিকাৰে যোগ্যতা আৰু দক্ষতাৰে নিযুক্তি লাভ কৰাৰ এই ধাৰা অব্যাহত ৰাখি অচিৰেই দেশৰ ভিতৰত পাঁচ নম্বৰ ৰাজ্য হিচাপে পৰিগণিত হ'ব বুলি মন্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানত চতিয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি লক্ষীকান্ত বৰা, নাগশংকৰ জিলা পৰিষদৰ সদস্য হিতেশ বৰুৱাৰ লগতে বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

## আৰক্ষী বিষয়া মনমোহন দাসলৈ 'আৰোহণ প্ৰশাসনিক সমন্বয় বঁটা'

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৬ মে' ঃ** দীৰ্ঘকাল ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰক্ষী বিষয়া হিচাপে কৰ্মৰত থাকি নিষ্ঠা সহকাৰে ৰাইজৰ সেৱা আগবঢ়োৱাৰ বাবে পলাশবাৰী নগৰ আৰক্ষী চকী সহকাৰী উপ-পৰিদৰ্শক মনমোহন দাসক স্বীকৃতি ৰূপে 'আৰোহণ প্ৰশাসনিক সমন্বয় বঁটা-২০২২' প্ৰদান কৰিছে। গুৱাহাটী মহানগৰীৰ উজান বজাৰস্থিত কুমাৰ ভাস্কৰ নাট্য মন্দিৰত কালি অনুষ্ঠিত ব'হাগ সামৰণি আৰু অসমীয়া জাতিৰ সাংস্কৃতিক সমাৰোহ অনুষ্ঠানত অসমৰ আগশাৰীৰ সাহিত্য-সাংস্কৃতিক, সামাজিক সংস্থা 'আৰোহণ আৰ্টিষ্ট গীল্ডে' এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰে আৰক্ষী বিষয়া মনমোহন দাসক। বঁটা লাভ কৰি দাসে উৎফুল্ল হোৱাৰ লগতে পৰৱৰ্তী সময়ত ৰাইজৰ হকে সেৱা কৰাৰ অধিক প্ৰেৰণা পাব বুলি জানিবলৈ



দি উদ্যোক্তাসকলক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য, সমাজত এচাম ব্যক্তি আছে, যাৰ সৃষ্টি, সাধনা, কষ্টসহিষ্ণুতা, বিৰল প্ৰতিভা আৰু জীৱনজোৰা সাধনাৰে শিক্ষা, সাহিত্য, সংস্কৃতি, সংবাদসেৱা, সাংবাদিক আৰু সমাজসেৱা ক্ষেত্ৰখনলৈ বিশেষ আগবঢ়াই অহা প্ৰথিতযশা ব্যক্তিসকললৈ বিগত সময়ছোৱাত এইদৰে বঁটা প্ৰদান কৰি আহিছে আৰোহণ আৰ্টিষ্ট গীল্ডে।

## কুমাৰীকাটাত বাক্সা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু পুৰুষোত্তম দাসৰ গীতৰ কৰ্মশালা আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৬ মে' ঃ** তামুলপুৰ জিলাৰ কুমাৰীকাটাত বাক্সা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কুমাৰীকাটা আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত কালিৰে পৰা তিনিদিনীয়াকৈ আৰম্ভ হৈছে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু পুৰুষোত্তম দাসৰ গীতৰ কৰ্মশালা। কুমাৰীকাটা শংকৰদেৱ শিশু নিকেতনৰ প্ৰাংগণত অনুষ্ঠিত হোৱা এই কৰ্মশালাখনি উদ্বোধন কৰি সদৌ অসম ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক পূৰ্ণ ডেকাই কয়- সাংস্কৃতিক ক্ষেত্ৰখনত পৰিশীলিত চিন্তা-চৰ্চাৰে আছুৰে সুদীৰ্ঘ সময় ধৰি কাম-কাজ কৰি আহিছে, এই কৰ্মশালাৰ দ্বাৰা বাক্সা জিলাৰ প্ৰশিক্ষাৰ্থীসকলে যথেষ্টখিনি শিকাৰ সুযোগ পাব আৰু এইখিনি ভৱিষ্যৎ প্ৰজন্মলৈ লৈ যাব পাৰিব। বিষ্ণুপ্ৰসাদ ৰাভা আৰু পুৰুষোত্তম দাসৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণেৰে আৰম্ভ হোৱা উদ্বোধনী সভাত সভাপতিত্ব কৰে সদৌ বাক্সা জিলা ছাত্ৰ সন্থাৰ সভাপতি গোবিন্দ শৰণীয়াই। বাক্সা জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ডুলুজিৎ দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম উন্নতি সভাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য সোণেশ্বৰ কলিতা, তামুলপুৰ জিলা উন্নতি সভাৰ মুখ্য সাংগঠনিক সম্পাদক হৰিনাৰায়ণ কলিতা, কুমাৰীকাটা সংগীত বিদ্যালয়ৰ অধ্যক্ষ দীপক মুদৈ, শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য গোপদেৱ ভৰালীকে আদি কৰি ভালেকেইগৰাকী অতিথি।




প্ৰশিক্ষক হিচাপে উপস্থিত থকা বৰপেটাৰ বিশিষ্ট সংগীতশিল্পী কবিন দাসৰ তত্বাৱধানত প্ৰায় ৭০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। নেৰানেপেৰা বৰষুণ সত্ত্বেও এই কৰ্মশালাত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ আছিল অভূতপূৰ্ব। প্ৰায় ১৫০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে আগতীয়া যোগাযোগ কৰা এই কৰ্মশালাত কাইলৈ সকলো প্ৰশিক্ষাৰ্থী উপস্থিত থকাৰ আশা ব্যক্ত কৰিছে ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ডুলুজিৎ দাসে।

## হিউমেন ৰাইট্‌ছ ইন্টাৰনেচনেল ফেডাৰেছনৰ উদ্যোগ ধুবুৰীত মানৱ অধিকাৰ আৰু সামূহিক বিকাশৰ ওপৰত আলোচনা-চক্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ১৬ মে' ঃ** ধুবুৰী জিলাৰ সদৰ চহৰ ধুবুৰী চহৰস্থিত টাউন হোটেলৰ সভাকক্ষত কালি 'হিউমেন ৰাইট্‌ছ ইন্টাৰনেচনেল ফেডাৰেছন'ৰ ধুবুৰী জিলা কমিটীৰ উদ্যোগত 'মানৱ অধিকাৰ আৰু সামূহিক বিকাশ'ৰ ওপৰত এখন গুৰুত্বপূৰ্ণ আলোচনা-চক্ৰ অনুষ্ঠিত হয়। হিউমেন ৰাইট্‌ছ ইন্টাৰনেচনেল ফেডাৰেছনৰ ধুবুৰী জিলা কমিটীৰ



সভাপতি মনীন্দ্ৰ নাথ ৰায়ৰ পৰিচালনাত অনুষ্ঠিত আলোচনা-চক্ৰখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি হিউমেন ৰাইট্‌ছ ইন্টাৰনেচনেল ফেডাৰেছনৰ ৰাষ্ট্ৰীয় মুখ্য সঞ্চালক ডাঃ বৰ্ণালী শৰ্মা বৰুৱাই মানৱ অধিকাৰৰ মূল তাৎপৰ্য আৰু মানৱ অধিকাৰ প্ৰয়োগৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। প্ৰতিগৰাকী নাগৰিকক ন্যায্য অধিকাৰ প্ৰদান আৰু প্ৰতিগৰাকী নাগৰিকক সঠিকভাৱে সুৰক্ষিত কৰি ৰখাৰ ক্ষেত্ৰত হিউমেন ৰাইট্‌ছ ইন্টাৰনেচনেল ফেডাৰেছনৰ গুৰুত্বপূৰ্ণ দায়িত্ব আছে বুলি ডাঃ বৰ্ণালী শৰ্মা বৰুৱাই ভাষণত কয়। ৰাষ্ট্ৰীয় মুখ্য সঞ্চালকগৰাকীয়ে আকৌ কয় যে বিভিন্ন সময়ত মানৱ অধিকাৰক লৈ বহুত আইন প্ৰণয়ন কৰা হৈ আহিছে আৰু উক্ত আইন প্ৰয়োগৰ ক্ষেত্ৰত জিলা প্ৰশাসনৰ সহায়ৰ অতি প্ৰয়োজন। আলোচনা-চক্ৰখনত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে ধুবুৰী জিলাৰ অতিৰিক্ত উপায়ুক্ত দৰ্শনা চেতিয়া। অতিৰিক্ত উপায়ুক্ত দৰ্শনা চেতিয়াই ভাষণত উল্লেখ কৰে যে ধুবুৰী জিলা প্ৰশাসনে ধুবুৰী জিলাত শিশুৰ অধিকাৰৰ ওপৰত দায়বদ্ধতাৰে কাম কৰি আছে। ইয়াৰ উপৰি নাৰীৰ সুৰক্ষাৰ বাবে 'সখী ৱান ষ্টেপ চেন্টাৰ'টো চৰকাৰৰ দ্বাৰা অধিক সক্ৰিয় কৰাৰ বাবে ধুবুৰী জিলা প্ৰশাসনে সজোৰে কাম কৰি আছে। ইয়াৰ উপৰি অতিৰিক্ত উপায়ুক্তগৰাকীয়ে ভাষণত কয়— ধুবুৰী জিলা প্ৰশাসনৰ প্ৰচেষ্টাত জিলাখনত বাল্য বিবাহ বহু পৰিমাণে বন্ধ হৈ পৰিছে। উক্ত আলোচনা-চক্ৰখনত নিমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকলৰ লগতে ধুবুৰী জিলা হিউমেন ৰাইট্‌ছ ইন্টাৰনেচনেল ফেডাৰেছনৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে।

## নন্দৈত চোতালে চোতালে অকণিৰ মেল

# মানুহে মানুহৰ বাবে গীত পৰিৱেশন

### ৰং-তুলিকাৰে ছবি আঁকা, কৌতুক অনুষ্ঠান জীপাল হৈ উঠিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, নন্দৈ, ১৬ মে' ঃ** কালি নগাঁও জিলাৰ নন্দৈ আৰু তুলসীমুখত শিশুসকলৰ বাবে নতুন মঞ্চ 'চোতালে চোতালে অকণিৰ মেল' আৰম্ভ হৈছে। নগাঁও জিলাৰ নন্দৈত অনুষ্ঠিত এই অকণিৰ মেলত শিশু সাহিত্যকৰ্মী আৰু শিশু বন্ধু দুলাল বৰা, নগাঁও জিলা কবি



সন্মিলনৰ সভাপতি দ্বিজেন্দ্ৰ নাথ হাজৰিকা, নন্দৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক শ্যামল জ্যোতি শইকীয়া, সাদৰি তগৰি বৰা আদিৰ উপস্থিতিত নন্দৈৰ অনুষ্ঠানৰ আয়োজক বিৰিঞ্চি বৰাই জানিবলৈ দিয়া মতে অকণিসকলৰ বাবে আয়োজিত এই অনুষ্ঠানটোত কেইবাখনো গাঁৱৰ অকণিয়ে অংশগ্ৰহণ কৰে। মেলৰ আৰম্ভণিত জাতীয় সংগীত বিস্তীৰ্ণ বৰাই আৰম্ভ কৰাৰ বিপৰীতে অনুষ্ঠানৰ সামৰণিত শিশুশিল্পী দৰিশ শইকীয়াই 'মানুহে মানুহৰ বাবে' গীতটি পৰিৱেশন কৰে। ইফালে একে সময়তে তুলসীমুখ আৰু জখলাবন্ধাত ডাঃ সমৰ লোচন শইকীয়া আৰু ডাঃ স্বৰ্ণলতা দেৱীৰ দ্বাৰা আয়োজিত অনুষ্ঠানতো অঞ্চলটোৰ বিভিন্ন শিল্পীয়ে ছবি আঁকা, গীত গোৱা, কৌতুক ইত্যাদিৰে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আয়োজক বিৰিঞ্চি বৰা, নয়নজ্যোতি ভূঞা, ডাঃ সমৰ লোচন শইকীয়া আৰু ডাঃ স্বৰ্ণলতা দেৱীয়ে কালিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰা শিশু অভিজ্ঞান, ডৰিশ, লিজা, গাৰ্গী, বিস্তীৰ্ণ, দ্বিপাঞ্চি, কৃতিকা, কুঁৱলী, ভাৰতীনন্দা, ভাস্কৰকে আদি কৰি সকলো শিশুৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰাৰ লগতে সমাজৰ সকলো সমৰ্থৱান লোকক নিজ নিজ চোতালত শিশুসকলৰ মানসিক, বৌদ্ধিক বিকাশৰ বাবে গঢ়ি তোলা 'চোতালে চোতালে অকণিৰ মেল' নামৰ অভিনৱ অনুষ্ঠানটোৰ আয়োজন কৰি শিশুসকলক ভৱিষ্যতে একোজন ভাল মানুহ হিচাপে গঢ় দিয়াত সহায় কৰিবলৈ অনুৰোধ জনায়।

## কপিলী শিক্ষাখণ্ডত গুণোৎসৱৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৬ মে' ঃ** অসমৰ শিক্ষাব্যৱস্থাৰ গুণগত মান উন্নত কৰিবলৈ অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশ মৰ্মে সমগ্ৰ অসমৰ শ শ বিদ্যালয়ত চলি থকা গুণোৎসৱ সফলভাৱে সামৰণি পৰে ৰহাৰ কপিলী শিক্ষাখণ্ডত। নগাঁও জিলাৰ অন্তৰ্গত কপিলী শিক্ষা খণ্ডত যোৱা ১১, ১২, ১৩, ১৪ তাৰিখৰ পৰা অনুষ্ঠিত হোৱা গুণোৎসৱৰ কালি শেষৰ দিনা কপিলী শিক্ষাখণ্ডৰ শিক্ষা বিষয়া সমৰ বৰুৱা, এম আই এছ নেকিবুৰ ৰহমান, বি আৰ পি বিজয়ানন্দ লস্কৰ, ই ডি পি জ্যোতিৰেখা দাস, গাণনিক হেমন্ত ভূঞা, এছ এ লক্ষ্যদেৱ বড়ো, আই ই এ আৰ পি হিতেশ্বৰ বৰুৱাসহ বহুকেইজন কাৰ্যালয়টোৰ কৰ্মচাৰীৰ লগতে শিক্ষক, চি আৰ চি চিসকলক নিশা প্ৰায় এঘাৰ বজালৈকে কাৰ্যালয়টোত ব্যস্ত থকা দেখা গৈছিল। এই শিক্ষাখণ্ডৰ অন্তৰ্গত ২৬৬ খন বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ ২৭,১৫১জন বিদ্যাৰ্থীক সামৰি লোৱা হৈছিল বুলি শিক্ষা বিষয়া সমৰ বৰুৱাই জানিবলৈ দিয়ে।

## ৰাশিফলত কালিৰ দিনটো

**২ জেঠ, মঙলবাৰ, ১৭ মে', ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ কৃষ্ণা প্ৰতিপদ, নক্ষত্ৰ ঃ অনুৰাধা, জন্ম ৰাশি ঃ বৃশ্চিক**
**সূৰ্যোদয়- ৪-৩৮-৩৪ সূৰ্যাস্ত- ৫-৫৬-১৬**



■ **মেষ** ঃ অযথা ব্যয় ■ **বৃষ** ঃ বিদ্যাৰ্থীৰ শুভ ■ **মিথুন** ঃ পিতৃবিৰোধ ■ **কৰ্কট** ঃ কৰ্মদক্ষতা ■ **সিংহ** ঃ বন্ধুৰ সহায় ■ **কন্যা** ঃ ব্যৱসায়ত লাভ ■ **তুলা** ঃ উৎসৱত যোগদান ■ **বৃশ্চিক** ঃ শৰীৰ পীড়া ■ **ধনু** ঃ প্ৰেমত শুভ ■ **মকৰ** ঃ কাৰ্য সিদ্ধি ■ **কুম্ভ** ঃ শুভ সংবাদ ■ **মীন** ঃ মনত ভয়।

## মোৰাঝাৰৰ ৰৌৱাৰপাৰ হত্যাকাণ্ডৰ চাৰি অভিযুক্তক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ১৬ মে' ঃ** হোজাইৰ মোৰাঝাৰ থানাৰ অন্তৰ্গত ৰৌৱাৰপাৰ গাঁৱত ১২ মে'ত সংঘটিত চাঞ্চল্যকৰ হত্যাকাণ্ডৰ চাৰি অভিযুক্তক গ্ৰেপ্তাৰ কৰে মোৰাঝাৰ আৰক্ষীয়ে। চাৰি অভিযুক্তই মিলি আব্দুল মন্নান নামৰ এজন লোকক হত্যা কৰি পলায়ন কৰিছিল ডিমাপুৰলৈ। কালি ডিমাপুৰৰ পৰা হোজাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি লৈ হোজাইলৈ আহি আছে। এডোখৰ ভূমিৰ বাবেই দুই পুত্ৰ, কন্যা আৰু পত্নীয়ে হত্যা কৰিছিল আব্দুল মন্নানক। গ্ৰেপ্তাৰ দুই পুত্ৰ নজৰুল ইছলাম, চাইদুল ইছলাম, কন্যা চাফিনা বেগম আৰু পত্নী চাইৰা বেগম। আৰক্ষীয়ে ক্ষিপ্ৰতাৰে অপৰাধীক কৰায়ত্ত কৰাত ৰাইজে প্ৰশংসা কৰিছে।



## নগাঁৱত আম আদমী পাৰ্টীৰ সাংগঠনিক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৬ মে' ঃ** নগাঁও শ্বহীদ ভৱনত কালি আম আদমী পাৰ্টীৰ এখন সাংগঠনিক সভা অনুষ্ঠিত হয়। সভাত আম আদমী পাৰ্টীৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰা হয়। জিলা সমন্বয়ক ৰূপম শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত দলটোৰ কেইবাজনো জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰে। জিলা সম্পাদক যুগান্ত বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ সন্দৰ্ভতো আলোচনা কৰা হয়। সমাগত পঞ্চায়ত নিৰ্বাচনত নগাঁও জিলাৰ প্ৰতিটো পঞ্চায়ততে আম আদমী পাৰ্টীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কালি এই সভাত বিভিন্ন দলৰ ২০জন লোকে আম আদমী পাৰ্টীত যোগদান কৰে। সভাত ৰাজনৈতিক দলটোৰ নেতাসকল ক্ৰমে মোহিত শইকীয়া, অধিবক্তা নুৰুল হুছেইন, জামাল উদ্দিন চৌধুৰী আদিয়ে অংশগ্ৰহণ কৰি আম আদমী পাৰ্টীৰ সংগঠন শক্তিশালী কৰি তুলিবৰ বাবে দলীয় কাৰ্যকৰ্তাসকলক আহ্বান জনায়। আনহাতে আম আদমী পাৰ্টীয়ে দুৰ্নীতিমুক্ত অসম গঢ়াৰ লক্ষ্যৰে অসমত সাংগঠনিক কাম-কাজ চলাই থকা বুলি দলটোৰ নেতাসকলে মত ব্যক্ত কৰে।

# টংলাত বৰষুণৰ পানীত কৃত্ৰিম বানপানী, অৱৰ্ণনীয় পৰিৱেশ সৃষ্টি



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ১৬ মে' ঃ** ওদালগুৰি জিলাৰ টংলা থানাৰ অন্তৰ্গত বহু ঠাইত আজি নেৰানেপেৰা বৰষুণ দিয়াৰ ফলত পানীত হাঁহ নচৰা অৱস্থা হৈছে জনসাধাৰণৰ। নদী, দোং আদিৰ পৰা বৈ অহা এক কঁকাল পানীৰে বুৰাই পেলাইছে ৰাস্তা-ঘাট, বাট-পথ। আনহাতে বহু লোকৰ গৃহত পানী প্ৰৱেশ কৰি ৰন্ধা-বঢ়াৰ কামত অসুবিধা হৈছে। আনহাতে বৰজলাহ আদৰ্শ গাঁৱৰ ভিতৰতো কৃত্ৰিম বানপানীয়ে অৱৰ্ণনীয় পৰিৱেশৰ সৃষ্টি কৰে। ঘৰৰ ভিতৰত, পথত এক আঁঠু পানী। নলা-নৰ্দমা নোহোৱাৰ ফলত স্থানীয় ৰাইজৰ ভীষণ ক্ষতি হৈছে। আনহাতে টংলা নগৰৰ চাৰিটা ৱাৰ্ডত আৰু বানচেৰীয়া, আলিকাষ, জংঘলপাৰাত কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে টংলা সাগৰপৃষ্ঠতকৈ প্ৰায় ৮৫ মিটাৰ উচ্চতাত অৱস্থিত। তিনিখন নৈ-উপনৈৰ মাজত। গতিকে ইয়াত পানী বেছি সময় বৈ থাকিব নালাগে। কিন্তু পৰিকল্পনাহীনভাৱে বসতি গঢ় লৈ উঠা বাবে মানুহৰ দুৰ্গতি হৈছে। ই নগৰ সমিতিৰ দায়িত্বহীনতাৰ কথাকে কয়। এই সন্দৰ্ভত সচেতন ৰাইজে অসম চৰকাৰ, স্থানীয় প্ৰশাসনক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে।

## ন-মাটি শ্ৰীশ্ৰী শংকৰদেৱ পুথিভঁৰাল আৰু সামূহিক কেন্দ্ৰৰ সৌজন্যত ব'হাগী বিদায় উৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ১৬ মে' ঃ** নগাঁও জিলাৰ বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত ন-মাটি শ্ৰীশ্ৰী শংকৰদেৱ পুথিভঁৰাল আৰু সামূহিক কেন্দ্ৰৰ সৌজন্যত ৰঙালী বিহুৰ উৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত কালিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে ব'হাগী বিদায় উৎসৱ। কাৰ্যসূচী অনুসৰি কালি ১৫ মে'ৰ পুৱা ৮ বজাত পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, ৯ বজাৰ পৰা চিত্ৰাংকণ প্ৰতিযোগিতা, কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়, ২ বজাৰ পৰা অঞ্চলটোৰ ২০০ গৰাকী যুৱতী-বোৱাৰীয়ে একেলগে বিহুনৃত্য পৰিৱেশন কৰে। সন্ধ্যা বন্তি প্ৰজ্বলন, মঞ্চ উদ্বোধন, সম্বৰ্ধনা অনুষ্ঠানৰ পাছতে অনুষ্ঠিত হয় আকৰ্ষণীয় ডিজিটেল কুইজ অনুষ্ঠান। কুইজ প্ৰতিযোগিতাখনি পৰিচালনা কৰে দিব্যজ্যোতি বৰুৱাই। তাৰ পাছতে উদ্‌যাপন সমিতিৰ তৰফৰ পৰা আন্তৰ্জাতিক খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক কৃপাল কলিতাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। নিশা বাৰেৰহণীয়া বিচিত্ৰানুষ্ঠান অনুষ্ঠিত হয়। আজি পুৱা চাফাই অভিযানৰ পাছত বিয়লি বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। নিশা ৮ বজাত অঞ্চলটোৰ ন-পুৰণি শিল্পীসকলৰ দ্বাৰা পৰিৱেশিত হয় 'কাল অমাৱস্যা' শীৰ্ষক সামাজিক নাটক।

শিৱসাগৰত বৌদ্ধিক আড্ডাৰে জীপাল হ'ল অৱসৰপ্ৰাপ্ত শিক্ষকৰ বাসগৃহ

# 'সম্প্ৰীতিৰ মিলনভূমি অসম' শীৰ্ষক অনুষ্ঠানত গীত-নৃত্য, কবিতা-গল্পৰে উজ্জীৱিত হ'ল শুকানপুখুৰী অঞ্চল

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৬ মে' ঃ** ঐতিহাসিক শিৱসাগৰ নগৰৰ সমীপৰ বেতবাৰী মৌজাৰ অন্তৰ্গত শুকান পুখুৰী অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক চুনাববা আলীৰ বাসগৃহত কালি আবেলি 'বাঘ হাজৰিকা জাগৰণ মঞ্চ', শিৱসাগৰ জিলা সমিতিৰ মাহেকীয়া 'বৌদ্ধিক আড্ডা' বৰ্ণিল কাৰ্যসূচীৰে সম্পন্ন হৈ যায়। বৌদ্ধিক আড্ডাৰ আলোচ্য বিষয়টি আছিল 'সম্প্ৰীতিৰ মিলনভূমি অসম'। জিলা সভাপতি আতিকুৰ ৰহমানৰ সঞ্চালনাত অনুষ্ঠিত হোৱা আড্ডাৰ উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষক চফিক হাজৰিকাই। অনুষ্ঠানত জাতি-বৰ্ণ নিৰ্বিশেষে অংশগ্ৰহণ কৰা সকলোৱে নিজ নিজ প্ৰতিভা প্ৰদৰ্শনে সকলোকে আপ্লুত কৰে। আড্ডাত পঠিত গল্প, কবিতা, প্ৰবন্ধ আদিৰ পৰ্যালোচনা আগবঢ়ায় নিবন্ধকাৰ আছাদ উল্লাহ আৰু কবি আনছাৰউদ্দিন বৰাই। মুখ্য অনুষ্ঠানটিৰ আঁত ধৰে সমালোচক, নিবন্ধকাৰ চামচুল বাৰিকে। বিষয়বস্তুৰ সন্দৰ্ভত বিনু মজিন্দাৰ বৰুৱা, আলমগীৰ আলী, বিদ্যুৎ গগৈ, দুলু ভূএগ, আনছাৰউদ্দিন বৰা, ৰাহিদুৰ হাজৰিকা, নবিউৰ ৰহমান, আছাদ উল্লাহ আদি বিশিষ্ট ব্যক্তিসকলে এটি সুন্দৰ বিশ্লেষণ দাঙি ধৰে। ইয়াৰোপৰি বহুজনে নিজ নিজ অভিজ্ঞতা তথা স্মৃতিৰে আৰবা বহু কথা বৰ্ণনা কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ইফালে অনুষ্ঠানত ডা: প্ৰবুদ্ধ প্ৰসাদ চেতিয়া, শিল্পী কৰুণাভ দত্ত, লক্ষীমা ফুকন, অৱন্তী বৰগোহাঁই, দুলু ভূএগ, আচফিকুৰ ৰহমান, ঘনশ্যাম গগৈ, আফচানা বেগম, ৰিজৱানা বেগম, ফাৰনাজ বেগম, মীতাক্ষী চিৰিং, চয়নিকা বাৰিক, নেহা বেগম, চামচুল বাৰিক, ডা: আমিনুৰ ৰহমান, মনচমিকা বৰা, দুলু ভূএগ, আচফিকুৰ ৰহমান শইকীয়া আৰু স্থানীয় বহু শিল্পীয়ে গীত পৰিৱেশন কৰাৰ লগতে শিক্ষয়িত্ৰী ইলি শইকীয়াৰ পৰিচালনাত জয়ৰাপাৰ এম ভি স্কুলৰ এটি হুঁচৰি দল আৰু এটি ঝুমুৰ দলে সুন্দৰ পৰিৱেশন কৰে। অনুষ্ঠানত ৰাজু উল্লাকে প্ৰমুখ্য কৰি ইলি শইকীয়া, মোচাদ্দিক আহমেদ, চফিক হাজৰিকা, চিমৰান বেগম, দীক্ষিতা দত্তকে ধৰি কেইবাগৰাকীয়েও স্ব-ৰচিত কবিতা আবৃত্তি কৰে। ইয়াৰ লগতে চামচুল বাৰিকে গল্প পাঠ কৰে। বহুকেইজন স্থানীয় শিল্পী ক্ৰমে চাকিদ আচাদ, চামিম বেগম, তামৰীন ফাৰজিয়া, চাবৰীন আহমেদ, কমৰুজা বেগম, আৰচাদ আলী, মুচফিকা বেগমে নৃত্য আৰু মাটিআখৰা পৰিৱেশন কৰি বৌদ্ধিক আড্ডাক দিয়ে এক অনন্য মাত্ৰা। আনহাতে জ্ঞানম শইকীয়া আৰু বৰ্ণিল বৰ্ণম শইকীয়াই জিকিৰ পৰিৱেশন কৰা অনুষ্ঠানৰ আদৰণী ভাষণ প্ৰদান কৰে অৱসৰপ্ৰাপ্ত শিক্ষক চোনাববা আলীয়ে। একক ভাৱে আৰোহণ বৰগোহাঁয়ে সুৰ-সমলয়েৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা অনুষ্ঠানত প্ৰায় তিনি শতাধিক ব্যক্তি উপস্থিত আছিল।

## দৈয়াঙত জাতীয় শ্বহীদ পৰাগ কুমাৰ দাসৰ স্মৃতি দিৱসৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১৬ মে' ঃ** সমগ্ৰ ৰাজ্যৰ লগতে গোলাঘাট জিলাৰ বৃহত্তৰ দৈয়াং অঞ্চলৰ মেৰাপানী জাতীয় বিদ্যালয়ৰ ছাত্ৰ সংসদৰ উদ্যোগত, বৰ্ণালী বাল্য বিদ্যাপীঠ, উত্তৰ নেঘেৰী যুৱ সংঘ, গণচিন্তা সাহিত্য গোষ্ঠী, নতুন সমাজ অসম আৰু স্থানীয় অঞ্চলবাসী ৰাইজৰ সহযোগত ১৭ মে'ত দিনজোৰা কাৰ্যক্ৰমণিকাৰে বৰ্ণালী বাল্য বিদ্যাপীঠৰ সভাকক্ষত জাতীয় ছহিদ পৰাগ কুমাৰ দাসৰ ২৬ সংখ্যক মৃত্যু দিৱসৰ আয়োজন কৰা হৈছে। প্ৰস্তাৱিত কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ, বৃক্ষ ৰোপণ, জাতীয় ছহিদগৰাকীৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ, মঞ্চ উদ্বোধন আৰু সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা। বিয়লিৰ ভাগত দৈয়াংৰত্ন মহেন বৰুৱা আৰু উমাকান্ত শইকীয়াই সঞ্চালনা কৰিবলগীয়া সভাত বিশিষ্ট অতিথি হিচাপে বিশিষ্ট চিন্তাবিদ শংকৰ শইকীয়া, মানৱ অধিকাৰ কৰ্মী জ্ঞানেন চক্ৰৱৰ্তী, জ্যেষ্ঠ সাংবাদিক ৰাধিকা বল্লৱ গোস্বামী প্ৰমুখ্যে ভালেকেইগৰাকী মানৱ অধিকাৰ কৰ্মী উপস্থিত থাকিব। উল্লেখ্য যে উক্ত সভাত 'প্ৰয়াস' নামৰ বাৰ্ষিক আলোচনী উন্মোচন কৰিব।

## বঙাইগাঁৱত ৰাষ্ট্ৰীয় ডেংগো দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৬ মে' ঃ** বঙাইগাঁও জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ সহযোগত জিলাখনত সোমবাৰে ৰাষ্ট্ৰীয় ডেংগো দিৱস পালন কৰা হয়। এই উপলক্ষে বঙাইগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ পৰেশ কুমাৰ ৰয়ৰ সভাপতিত্বত বঙাইগাঁও অসামৰিক চিকিৎসালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থকা জিলাখনৰ বিভিন্ন এলেকাৰ আশাকৰ্মীসকলক যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক পৰেশ কুমাৰ ৰয়ে কয় যে আশাকৰ্মীসকলেই তৃণমূল পৰ্যায়ত ৰাইজক ডেংগো জ্বৰ সম্পৰ্কে সজাগ কৰিব লাগিব। যিহেতু প্ৰতিগৰাকী আশাকৰ্মী নিজৰ নিজৰ এলেকাৰ লোকসকলক ব্যক্তিগতভাৱে চিনি পায়, গতিকে তেওঁলোকেই লোকসকলক এই বাৰিষাৰ সময়ত জ্বৰ হ'লে স্বাস্থ্য পৰীক্ষা কৰিবলৈ উৎসাহিত কৰিব লাগিব। কিয়নো যদি জ্বৰ হোৱা মানুহজনৰ স্বাস্থ্য পৰীক্ষা কৰি গম পোৱা যায় যে তেওঁৰ ডেংগো জ্বৰ হৈছে, তেতিয়া উপযুক্ত চিকিৎসাৰ বাবে ৰোগীজনক চিকিৎসালয়লৈ আনিব লাগিব




আশাকৰ্মীসকলেই। তদুপৰি ডেংগো জ্বৰ যে সংক্ৰামক ৰোগ নহয়, ই ডেংগো ম'হে কামুৰিলেহে হয় সেয়াও আশাকৰ্মীসকলে জনসাধাৰণক বুজাব লাগিব। লগতে ডেংগো নহ'বলৈ ৰাইজে কি কি কৰিব লাগে আৰু কি কি কৰিব নালাগে সেয়াও আশাকৰ্মীসকলে জনাব লাগিব। সভাত বঙাইগাঁও অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডা: নাজিৰুল ইছলাম, জিলা নিৰীক্ষণ বিষয়া ডা: বাদল সৰকাৰ, জিলা আঁচনি প্ৰবন্ধক কৰুণা ব্ৰহ্ম আৰু জিলা মিডিয়া বিশেষজ্ঞ জ্যোতিষা শইকীয়ায়ো বক্তব্য ৰাখে। সভাত জিলা মেলেৰিয়া বিষয়া ডা: ইমদাদুল ইছলাম খান, জিলা বাহকজনিত ৰোগ পৰামৰ্শদাতা ধ্ৰুৱ চৌধুৰীৰ লগতে আন আন বিষয়ববীয়া আৰু সাধাৰণ ৰাইজ উপস্থিত থাকে। উক্ত সভাৰ পিছতে বঙাইগাঁও অসামৰিক চিকিৎসালয়ৰ সন্মুখৰ পৰা আশাকৰ্মী তথা সাধাৰণ ৰাইজৰ অংশগ্ৰহণেৰে এটি সজাগতা ৰেলীও উলিওৱা হয়। উল্লেখ থাকে যে জিলাখনৰ স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰসমূহতো ডেংগো জ্বৰ সম্পৰ্কত অনুৰূপ সজাগতা সভা অনুষ্ঠিত কৰা হয়। এই সজাগতাৰ লগত সংগতি ৰাখি এখন অনলাইন কুইজ প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে, যাৰ জৰিয়তে সাধাৰণ ৰাইজে লাভ কৰিব একোখন অনলাইন প্ৰমাণপত্ৰ। উল্লেখ্য যে ১৬ মে'ৰ পৰা ৩১ মে'লৈ ডেংগো জ্বৰ সম্পৰ্কত পষেকজোৰা কাৰ্যসূচী হাতত লোৱা হৈছে। জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ স্থিৰ অনুভাষ যন্ত্ৰযোগে ডেংগো জ্বৰ সম্পৰ্কত কি কি কৰিব লাগে আৰু কি কি কৰিব নালাগে সেইবোৰ প্ৰচাৰ কৰি ৰাইজক সজাগ কৰাৰ প্ৰয়াস কৰা হৈছে। অনুষ্ঠানত জিলা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়া বিনুৰাণী ৰাজবংশীও উপস্থিত থাকে।

**BIJOY HANS LIMITED**
Regd Office: H P Brahmachari Road, Rehabari, Guwahati-781 008 (Assam) Tel: 0361-2512373
Email: ash_ashim@yahoo.co.in
Website: www.bijoyhans.net
CIN No.: L51909AS1985PLC002323

**NOTICE**

Notice is hereby given that pursuant to Regulation 29 read with Regulation 47 of SEBI (Listing Obligation and Disclosure Requirements) Regulations, 2015 that a meeting of the Board of Directors of the Company will be held on 30th May, 2022 to consider and approve audited financial results for the quarter and year ended 31st March, 2022.

The information contained in this notice is also available on the Company's website at www.bijoyhans.net and on the website of BSE www.bseindia.com

For BIJOY HANS LIMITED
Date : 16.05.2022 Manisha Agarwala
Place: Guwahati Company Secretary

## আজাদী কা অমৃত মহোৎসৱ উপলক্ষে ডিব্ৰুগড়ৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীৰ সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৬ মে' ঃ** আজাদী কা অমৃত মহোৎসৱ উপলক্ষে আজি ডিব্ৰুগড় জিলা ডিব্ৰুগড় সমষ্টিৰ প্ৰায় ৭৫জন সমাজকৰ্মী ব্যক্তি, শিল্পী আৰু লেখকক কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে সম্বৰ্ধনা জনায়। বিশিষ্ট ব্যক্তিসকলক ফুলাম গামোচা, নামঘোষা আৰু সঁফুৰাৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানতেই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা অসহায় ৫০জন ব্যক্তিক দহ হাজাৰ টকাকৈ চেক প্ৰদান কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। ডিব্ৰুগড় পৌৰ সভাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই অনুষ্ঠানত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, ডিব্ৰুগড় পৌৰ সভাৰ নৱ-নিৰ্বাচিত পৌৰপতি চৈকত পাত্ৰ, উপ-পৌৰপতি উজ্জ্বল ফুকন উপস্থিত থাকি হিতাধিকাৰীক সম্বৰ্ধনা জনোৱাৰ লগতে চেক প্ৰদান কৰে। উল্লেখ্য যে- ইতিমধ্যে ডিগবৈ, দুলীয়াজান, লাহোৱাল আৰু ডিব্ৰুগড় সমষ্টিত এই সম্বৰ্ধনা জ্ঞাপন কৰিছে সাংসদ তথা মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে। পৰৱৰ্তী সময়ত বাকীকেইটা সমষ্টিত সম্বৰ্ধনা জ্ঞাপন কৰিব বুলি জানিবলৈ দিয়ে। আনহাতে, আলফা স্বাধীনৰ অধ্যক্ষ পৰেশ বৰুৱাক মূলসুঁতিলৈ ঘূৰি আহিবলৈ আহ্বান জনাইছে কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে। মন্ত্ৰী সঞ্জয় কিষাণে আলফাৰ ওচৰত ক্ষমা খোজাক লৈ বিধায়ক প্ৰশান্ত ফুকনে কয়—আলফাৰ ওচৰত হয়তো সঞ্জয় কৃষাণে ভুল কৰিছিল এতিয়া উপলব্ধি কৰিছে আৰু সেই বাবে ক্ষমা বিচাৰিছে।



## শ্ৰীশ্ৰীনলেশ্বৰ থানত আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে ভাগৱত পাঠ আৰু ধৰ্মালোচনী সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৬ মে' ঃ** তেজপুৰৰ নিকটৱৰ্তী দ-বেছেৰীয়াৰ মাহাত্ম্যৰে পূৰ্ণ শ্ৰীশ্ৰী নলেশ্বৰ থানত আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে ভাগৱত পাঠ আৰু ধৰ্মালোচনী সভা। প্ৰতিকূল বতৰকো নেওচি কেবা সহস্ৰাধিক ভক্তপ্ৰাণ ৰাইজৰ সমাৰেশে সমগ্ৰ অঞ্চলটো যেন বৈকুণ্ঠনগৰীত পৰিণত কৰিছে। প্ৰথম দিনটোত ভাগৱত পৰিভ্ৰমণ আৰু হৰিধ্বনিৰে মুখৰিত হৈ পৰে তেজপুৰৰ এই পশ্চিমাঞ্চলটি। উল্লেখ্য যে প্ৰতিকূল বতৰকো নেওচি তেজপুৰৰ পশ্চিমাঞ্চলৰ বৃহত্তৰ বেছেৰীয়াৰ তিনি সহস্ৰাধিক ভক্তপ্ৰাণ ৰাইজৰ অংশগ্ৰহণে উৎসৱমুখৰ পৰিৱেশৰ সূচনা কৰে। কাৰ্যসূচী অনুসৰি পুৱা জলাৰোহণ আৰু প্ৰাত:প্ৰসংগৰ পিছত ধৰ্মধ্বজা উত্তোলন কৰে শ্ৰীশ্ৰী নলেশ্বৰ থানৰ মূল পৰিচালক বানেশ্বৰ শইকীয়াই। পুৱা ১০ মান বজাত ভাগৱত পৰিভ্ৰমণ কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে স্থানীয় বৈষ্ণৱ আচাৰ্য যতীন বৰাই। দুটাকৈ হাতীসহ উলিওৱা এই ভাগৱত পৰিভ্ৰমণ কাৰ্যসূচীত অগণন ভক্তপ্ৰাণ পুৰুষ-মহিলাই অংশগ্ৰহণ কৰি হৰিধ্বনিৰে বৃহত্তৰ বেছেৰীয়া অঞ্চল মুখৰিত কৰি তোলে। নেৰানেপেৰা বৰষুণৰ মাজতো ভক্তপ্ৰাণ ৰাইজে অংশ গ্ৰহণ কৰা ভাগৱত শোভাযাত্ৰাৰ দৃষ্টিনন্দন দৃশ্য। বিয়লি মহাশাস্ত্ৰ ভাগৱত পাঠৰ শুভাৰম্ভ কৰে বিশিষ্ট পাঠক ভুবন দাসে।

## মাজবাট চাহ বাগিচাত কেঁকো সাপ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ১৬ মে' ঃ** ওদালগুৰি জিলাৰ মাজবাট চাহ বাগিচাত আজি ১৬ মে'ত উদ্ধাৰ হয় এটা কেঁকো সাপ। বানপানীৰ বাবে ওলাই অহাত মাজবাট চাহ বাগিচাৰ কৰ্মচাৰী ৰাজীৱ লোচন গোস্বামীয়ে প্ৰথমে সম্ভেদ পায়। ইয়াৰ পাছত স্থানীয় ৰাইজে মাজবাট আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ত বিষয়টো অৱগত কৰে। তেতিয়া লগে লগে মাজবাট আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ বন বিষয়া মন্টু বড়োৰ নেতৃত্বত বন বিভাগৰ কৰ্মচাৰীৰ দল ঘটনাস্থলীত আহি উপস্থিত হয় আৰু কেঁকো সাপটো কাৰ্যালয়লৈ আনে বুলি জানিব পৰা গৈছে।

GNRC Quality • Value • Trust — Affordable Health Mission
স্বাস্থ্য-বাৰ্তা
নগাঁৱত জিএনআৰচিৰ অ'পিডি সেৱা
১৯ মে'
ষ্টাৰলেব ডায়েগ্নষ্টিক চেণ্টাৰ, নগাঁও
Dr. Naba J Borah
(Senior Neurosurgeon)
স্নায়ু ৰোগৰ লক্ষণবোৰ ঃ ব্ৰেইন টিউমাৰ, মূৰৰ বিষ, টোপনিৰ অসুবিধা, মৃগীৰোগ, কঁকালৰ বিষ, ডিঙিৰ বিষ, চলাফুৰাৰ অসুবিধা, হঠাৎ অজ্ঞান হোৱা, আঁঠুৰ বিষ।
যোগাযোগৰ নম্বৰ
7002770765
info@gnrchospitals.com www.gnrchospitals.com

গ্ৰীণপ্লাই ইণ্ডাষ্ট্ৰিজ লিমিটেড
Greenply Industries Limited
পঞ্জীয়ন কাৰ্যালয় ঃ মাকুম ৰোড, তিনিচুকীয়া, অসম-৭৮৬ ১২৫
কৰ্পৰেট কাৰ্যালয় ঃ মাদগুল লাউঞ্জছ, ষষ্ঠ মহলা, ২৩, চেতিয়া চেণ্ট্ৰেল ৰোড, কলকাতা - ৭০০ ০২৭
ক'ৰ্পোৰেট আইডেনটিটি নম্বৰ ঃ এল২০২১১ এএছ ১৯৯০ পিএলচি০০৩৪৮৪
ফোন নং +৯১ ৩৩ ৩০৫১ ৫০০০, ফেক্স নং +৯১ ৩৩ ৩০৫১ ৫০১০
ৱেবছাইট ঃ www.greenply.com ই-মেইল ঃ investors@greenply.com

**৩১ মাৰ্চ ২০২২ত সমাপ্ত ত্ৰৈমাসিক আৰু বাৰ্ষিক ষ্টেণ্ডালোন বিত্তীয় ফলাফলসমূহৰ বিৱৰণ**

(লাখৰ হিচাপত)

| ক্ৰ নং | বিষয়বস্তু | ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২২ (অডিটেড) | পূৰ্বৰ ত্ৰৈমাসিক সমাপ্তি ৩১-১২-২০২১ (আন-অডিটেড) | সম্পৰ্কীত ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২১ পূৰ্বৰ বৰ্ষৰ (অডিটেড) | বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২২ (অডিটেড) | বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২১ (অডিটেড) |
|---|---|---|---|---|---|---|
| ১ | লেনদেনৰ পৰা মুঠ আয় | ৪১,৮৬০.৮৭ | ৩৭,৬৬০.৪৭ | ৩৬,৩৮৫.০৪ | ১,৩৯,০০৫.৯৪ | ১,০২,৪৪৮.৭১ |
| ২ | উক্ত সময়ৰ মুঠ লাভ (কৰৰ পূৰ্বে, এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | ৩,৮১২.৭১ | ৩,৫৫৭.৩৭ | ৩,৯৩৫.৫৪ | ১১,৯১৭.২৫ | ৭,৮৪০.২৫ |
| ৩ | এক্সছেপচনেল আইটেমছ | - | - | - | - | - |
| ৪ | উক্ত সময়ৰ মুঠ লাভ কৰৰ পূৰ্বে (পিছত এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | ৩,৮১২.৭১ | ৩,৫৫৭.৩৭ | ৩,৯৩৫.৫৪ | ১১,৯১৭.২৫ | ৭,৮৪০.২৫ |
| ৫ | উক্ত সময়ৰ মুঠ লাভ কৰৰ পিছত (পিছত এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | ২,৮৫১.৬৭ | ২,৬৫৩.৫৫ | ২,৮৮২.৫২ | ৮,৮৮১.৩৩ | ৫,৭৯৩.১২ |
| ৬ | উক্ত সময়ৰ মুঠ সামগ্ৰীক (মুঠ লাভসহ উক্ত সময়ৰ (কৰৰ পিছত) আৰু অন্যান্য সামগ্ৰীক আয়সমূহ (কৰৰ পিছত)) | ২,৮৭৫.১১ | ২,৬৬২.৩৬ | ২,৮৮৬.৭১ | ৮,৯১১.৩৪ | ৫,৮২২.৩৩ |
| ৭ | ইকুইটি শ্বেয়াৰ কেপিটেল | ১,২২৬.২৭ | ১,২২৬.২৭ | ১,২২৬.২৭ | ১,২২৬.২৭ | ১,২২৬.২৭ |
| ৮ | ইকুইটি শ্বেয়াৰৰ পৰা আয় (১/- টকা মূল্য প্ৰতিটোতে) | | | | | |
| | বেছিক (টকা) | ২.৩৩* | ২.১৬* | ২.৩৫* | ৭.২৪ | ৪.৭২ |
| | ডাইলোটেড (টকা) | ২.৩২* | ২.১৬* | ২.৩৫* | ৭.২৪ | ৪.৭২ |

* নট এনুৱেলাইজড

**৩১ মাৰ্চ ২০২২ত সমাপ্ত ত্ৰৈমাসিক আৰু বাৰ্ষিক কনছলিডেটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ**

(লাখৰ হিচাপত)

| ক্ৰ নং | বিষয়বস্তু | ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২২ (অডিটেড) | পূৰ্বৰ ত্ৰৈমাসিক সমাপ্তি ৩১-১২-২০২১ (আন-অডিটেড) | সম্পৰ্কীত ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২১ পূৰ্বৰ বৰ্ষৰ (অডিটেড) | বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২২ (অডিটেড) | বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২১ (অডিটেড) |
|---|---|---|---|---|---|---|
| ১ | লেনদেনৰ পৰা মুঠ আয় | ৪৫,১৬৬.৫৬ | ৪২,৩৭৫.৭৭ | ৪০,০৫৯.০২ | ১,৫৭,২৭০.৫৮ | ১,১৭,২১১.৩৬ |
| ২ | উক্ত সময়ৰ মুঠ লাভ (কৰৰ পূৰ্বে, এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | ৩,৮৪২.২৬ | ৩,৬৩৮.০৬ | ৩,৯২৪.৩৯ | ১২,২৩৮.৬২ | ৮,৩৭৪.৮৮ |
| ৩ | এক্সছেপচনেল আইটেমছ | - | - | - | - | - |
| ৪ | লাভ/ (লোকচান)ৰ অংশ যুটীয়াভাৱে | ৬.৪৭ | ২৫৯.৮৪ | (৭.৬৬) | ২৬০.২৭ | (২৩৬.৫৩) |
| ৫ | উক্ত সময়ৰ মুঠ লাভ কৰৰ পূৰ্বে (পিছত এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | ৩,৮৪৮.৭৩ | ৩,৮৯৭.৯০ | ৩,৯১৬.৭৩ | ১২,৪৯৮.৮৯ | ৮,১৩৮.৩৫ |
| ৬ | উক্ত সময়ৰ মুঠ লাভ কৰৰ পিছত (পিছত এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | ২,৮৯৭.১৫ | ২,৯৮২.৩০ | ২.৮৬৩.৭১ | ৯,৪৭২.৫৭ | ৬,০৯১.২২ |
| ৭ | উক্ত সময়ৰ মুঠ সামগ্ৰীক (মুঠ লাভসহ উক্ত সময়ৰ (কৰৰ পিছত) আৰু অন্যান্য সামগ্ৰীক আয়সমূহ (কৰৰ পিছত)) | ২,৮৭২.৪৪ | ২,৮৬৩.২৪ | ২,৬০৯.৯৬ | ৯,৩২৬.৪১ | ৬,৩২৩.৫৩ |
| ৮ | ইকুইটি শ্বেয়াৰ কেপিটেল | ১,২২৬.২৭ | ১,২২৬.২৭ | ১,২২৬.২৭ | ১,২২৬.২৭ | ১,২২৬.২৭ |
| ৯ | ইকুইটি শ্বেয়াৰৰ পৰা আয় (১/- টকা মূল্য প্ৰতিটোতে) | | | | | |
| | বেছিক (টকা) | ২.৩৬* | ২.৪৩* | ২.৩৪* | ৭.৭২ | ৪.৯৭ |
| | ডাইলোটেড (টকা) | ২.৩৫* | ২.৪২* | ২.৩৪* | ৭.৭২ | ৪.৯৭ |

* নট এনুৱেলাইজড

টোকা ঃ

১। ওপৰোক্ত বিৱৰণসমূহ ৩১ মাৰ্চ, ২০২২ত সমাপ্ত ত্ৰৈমাসিক আৰু বাৰ্ষিক ষ্টেণ্ডালোন আৰু কনচলিডেটেড বিত্তীয় ফলাফল, যিসমূহ ষ্টক এক্সছেঞ্জত দাখিল কৰা হৈছে ছেবি (লিষ্টিং অব্লিগেছনছ এণ্ড ডিছক্লজাৰ ৰিকুৱায়াৰমেনছ) বিধি- ২০১৫ ৰ ভিত্তিত আৰু বিধি-৩৩ ৰ অধীনত। ইয়াৰ সম্পূৰ্ণ ষ্টেণ্ডালোন আৰু কনচলিডেটেড বিত্তীয় ফলাফলসমূহ ৩১ মাৰ্চ, ২০২২ত সমাপ্ত ত্ৰৈমাসিক আৰু বাৰ্ষিক, উপলব্ধ আছে বিএছই লিমিটেড (বিএছই)ৰ ৱেবছাইট (URL : www.bseindia.com/corporates), নেচনেল ষ্টক এক্সছেঞ্জ অব ইণ্ডিয়া লিমিটেড (এনএছই) ৱেবছাইট (URL : www.nseindia.com/corporates) আৰু কোম্পানীৰ ৱেবছাইট (URL: www.greenply.com/investors)

সঞ্চালক মণ্ডলীৰ আদেশ অনুযায়ী
ৰাজেশ মিত্তাল
অধ্যক্ষ আৰু পৰিচালন সঞ্চালক
(ডি আই এন ঃ ০০২৪০৯০০)

স্থান ঃ কলকাতা
তাৰিখ ঃ ১৬ মে', ২০২২

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১৭ মে’ ■ ২০২২ ■ ২ জেঠ ■ গুৱাহাটী

# অসম সাহিত্য সভাৰ কৃতিত্ব ঃ গুগলত অসমীয়া

সংবাদ মাধ্যমত প্ৰকাশিত এটা বাতৰিয়ে অসমীয়াভাষী তথা অসম প্ৰেমীৰ বাবে আনন্দৰ বাৰ্তা কঢ়িয়াই আনিছে। গুগল অনুবাদত সংযোজিত হ’ল অসমীয়া ভাষা অৰ্থাৎ গুগলে আনুষ্ঠানিভাৱে অসমীয়া ভাষাক স্বীকৃতি প্ৰদান কৰিলে। ইয়াৰ বাবে অন্যান্য ভাষাৰ পৰা অসমীয়া আৰু অসমীয়াৰ পৰা অন্যান্য ভাষালৈ অনুবাদ কৰাটো সম্ভৱ কৰি তুলিব। অসমৰ তথা প্ৰৱাসী অসমীয়াৰ কেইবাগৰাকী লোকে দীৰ্ঘদিন ধৰি গুগলত অসমীয়া শব্দৰ অন্তৰ্ভুক্তিৰ বাবে প্ৰচেষ্টা চলাই আছিল। অসম সাহিত্য সভাই ড° পৰমানন্দ ৰাজবংশীৰ সভাপতিত্বৰ দিনত বিশেষ উদ্যোগ গ্ৰহণ কৰিছিল। অসমীয়াকে ধৰি সাতটা অন্য ভাৰতীয় ভাষাও শেহতীয়াকৈ গুগল অনুবাদত সংযোজিত হৈছে। গুগল অনুবাদত অসমীয়া ভাষাই স্বকীয় ভাষা হিচাপে স্বীকৃতি লাভ কৰাটো অসমবাসী তথা প্ৰৱাসী অসমীয়াসকলৰ বাবে নিতান্তই গৌৰৱ আৰু আনন্দৰ কথা। অৱশ্যে অসমীয়াৰ লগতে উত্তৰ-পূবৰ মেইটেই (মণিপুৰী) আৰু মিজো ভাষাই এই স্বীকৃতি লাভ কৰিছে। মন কৰিবলগীয়া যে, অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা দুই কোটি ৫০ লাখ। তাৰ বিপৰীতে মিজোভাষী লোক আঠ লাখ ২০ হাজাৰ আৰু মেইটেই মণিপুৰী ভাষা কোৱা লোকৰ সংখ্যা ২০ লাখ। তৎসত্ত্বেও সমৃদ্ধিশালী উন্নত মানৰ সাহিত্যৰ অধিকাৰী হোৱা স্বত্বেও গুগল অনুবাদত অসমীয়াৰ অন্তৰ্ভুক্তি নোহোৱাত ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলে শব্দ আৰু অৰ্থৰ বাবে ইমানদিনে বাংলা আৰু হিন্দী আদি ভাষাৰ সহায় ল’বলগীয়া হৈছিল। কিন্তু এতিয়া গুগল অন্তৰ্ভুক্তিৰ বাবে সেই সমস্যাৰ সন্মুখীন হ’ব নালাগিব। ইণ্টাৰনেট ব্যৱহাৰকাৰীয়ে পোনপটীয়াকৈ অসমীয়া শব্দ বিচাৰি পাব। বিশেষকৈ ছাত্ৰ-ছাত্ৰী, গৱেষক, শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা ইণ্টাৰনেট ব্যৱহাৰ কৰি যিকোনো লোক ইয়াৰ বাবে উপকৃত হ’ব আৰু এই সুবিধাই ভাষাটোক জনপ্ৰিয় কৰিব বুলি আশা কৰিব পাৰি। অসমীয়া ভাষা-সাহিত্যক বিশ্বৰ আন ভাষাত পৰিচিত কৰোৱাৰ সুবিধা আগবঢ়ালে গুগল অনুবাদে। উল্লেখযোগ্য যে যি ২৪টা ভাষা গুগল অনুবাদত অন্তৰ্ভুক্ত হৈছে। সেই ভাষাসমূহ ৩০ কোটি লোকে ব্যৱহাৰ কৰে। এইবাৰ অসমীয়াকে ধৰি ভাৰতৰ যি আঠটা ভাষাই গুগল অনুবাদত অন্তৰ্ভুক্তি লাভ কৰিছে সেইসমূহৰ ভিতৰত অসমীয়া ভাষা নিশ্চয় অধিক সমৃদ্ধ হ’ল। সমগ্ৰ বিশ্বৰ বাবে অসমীয়া এতিয়া সহজবোধ, সহজলভ্য হ’ব। এইক্ষেত্ৰত অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়াৰ বৰঙণি যথেষ্ট। তেওঁৰ উদ্যোগতে নৱ-প্ৰজন্মৰ যুৱক-যুৱতীকো অসমীয়া ভাষাৰ স্বাভিমান ৰক্ষাৰ বাবে আগবঢ়াবলৈ আহ্বান জনোৱা হয়। যি কি নহওক এটা দীৰ্ঘদিনীয়া সপোন আৰু প্ৰচেষ্টা সফল হ’ল। গুগলে ইয়াক লৈ যাব বিশ্বৰ অন্যান্য ভাষা-ভাষী লোকৰ কাষলৈ। অৱশ্যে যিমান বেছি ভাষা গুগলে ইয়াৰ গুগল অনুবাদত অন্তৰ্ভুক্ত কৰিব সিমানেই গুগলো অধিক সমৃদ্ধ হয়। একাংশ ভাষা-ভাষীক বাদ দি গুগল সম্পূৰ্ণ হ’ব নোৱাৰে। অৱশ্যে ইয়াৰ যোগেদি গুগল ব্যৱসায়িকভাৱেও অধিক সফল নোহোৱাকৈ নাথাকিব। আনহাতে, ইণ্টাৰনেট নিৰ্ভৰ সমাজৰ বাবে গুগল অনুবাদ সকলো ভাষাৰ লোকৰ বাবে অত্যাৱশ্যকীয়, সেয়েহে এইক্ষেত্ৰত অসম সাহিত্য সভা, প্ৰৱাসী অসমীয়া আৰু যুৱক-যুৱতীৰ ভূমিকা গুগল অনুবাদত অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ। তেওঁলোকৰ প্ৰচেষ্টাৰ বাবেই অসমীয়া গুগল অনুবাদত অন্তৰ্ভুক্ত হৈছে। বাতৰিত প্ৰকাশ পোৱা মতে তেওঁলোকে পাঁচ লাখ ৫০ হাজাৰ অসমীয়া শব্দৰ বৰঙণি আগবঢ়োৱাৰ কথা প্ৰকাশ পাইছে। মুঠতে অসমীয়া ভাষাতো গুগলৰ অনুবাদক্ষম হোৱাত বিশ্বৰ এটা প্ৰভাৱশালী ভাষা হিচাপে মান্যতা লাভ কৰিলে। আমাৰ আশা— ভাষা চৰ্চা, গৱেষণাৰ ক্ষেত্ৰত গুগলত অন্তৰ্ভুক্তিয়ে ভাষাটোক আৰু এখোজ আগবঢ়াই নিব। এইক্ষেত্ৰত সাহিত্য সভাক ধন্যবাদ দিবই লাগিব।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### মাছ ধৰাৰ আগতে এবাৰ চিন্তা কৰক

ব’হাগ মিলনৰ উৎসৱ। ব’হাগে আনে নতুনৰ জোৱাৰ, সৃষ্টিৰ বাতৰি। আকাশ আৰু পৃথিৱীৰ মিলনত পৃথিৱী হয় শস্যসম্ভৱা। শীতত ঠেৰেঙা লাগি থকা গছ-বিৰিযে ব’হাগৰ বৰষুণত শক্তি লাভ কৰি নতুনকৈ ঠন ধৰি উঠে। কুলি-কেতেকীয়ে সেউজীয়া পাতৰ মাজে মাজে প্ৰিয়জনক কাষত বিচাৰে। বৰষুণে জীপাল কৰা পথাৰখনত কৃষকে সপোন দেখে। ব’হাগক বিদায় দি জেঠ আহে। ধাৰাসাৰ বৰষুণত খাল, বিল, নদ-নদী, জান-জুৰি আদি পানীৰে পৰিপূৰ্ণ হয়। নতুন বছৰৰ নতুন পানী পাই মাছ-কাছ আদি জলচৰ প্ৰাণীসমূহেও আনন্দত আত্মহাৰা হৈ মুক্তমনে বিচৰণ কৰি ফুৰে। মাছৰ এই সময়খিনি প্ৰজননৰ সময়। বিভিন্ন মাছে এই সময়তে কণী দিয়ে আৰু পোৱালি জগায়। কিন্তু, অতিকৈ দুখৰ বিষয় এয়ে যে এই সময়খিনিত আমি লোভৰ বশৱৰ্তী হৈ বিভিন্ন উপায় অৱলম্বন কৰি এই মাছসমূহ ধৰো। দুপইচাৰ আশাত আমি বিচাৰ-বিবেচনা কৰা শক্তি হেৰুৱাই পেলাও। আমি এবাৰো ভাবি নাচাওঁ যে এই সন্তানসম্ভৱা মাছবোৰ নতুবা নতুনকৈ জগা পোনা মাছবোৰ ধৰি আমি নিজৰেই বৃহৎ ক্ষতি কৰি আছো। যিটো মাছ বজাৰত বিক্ৰী কৰি আজি মাত্ৰ কেইটামান টকাহে পাবলৈ সক্ষম হ’ম সেই মাছটো জীয়াই থাকিলে আমাক আজিতকৈ বহু বেছি পৰিমাণে লাভৱান্বিত কৰিব। তদুপৰি এই মাছবোৰ যদি আমি গৰ্ভাৱস্থাতেই হত্যা কৰো তেতিয়াহ’লে অনাগত দিনত এই মাছবোৰৰ অস্তিত্ব লাহে লাহে বিপদাপন্ন নহ’বনে? ভগৱানৰ সৃষ্টি এই বিনন্দীয়া পৃথিৱীখনৰ ভাৰসমতা ৰক্ষাৰ ক্ষেত্ৰত সকলো ক্ষুদ্ৰ জীৱ, প্ৰাণীৰে গুৰুত্বপূৰ্ণ ভূমিকা আছে। অকল আমাৰ স্বাৰ্থৰ বাবে কোনো জীৱ-জন্তু, প্ৰাণী, কীট-পতংগকে নিঃশেষ কৰি দিয়াৰ অধিকাৰ নিশ্চয় আমাৰ নাই। তদুপৰি ভৱিষ্যৎ প্ৰজন্মৰ বাবেও আমি চিন্তা চৰ্চা কৰিব লাগিব। আমাৰ ভুলৰ শাস্তি যাতে আমাৰ পৰৱৰ্তী প্ৰজন্মই ভোগ কৰিব নালাগে তাৰ ওপৰতো আমি দৃষ্টি ৰাখিব লাগিব। ভৱিষ্যৎ প্ৰজন্মই মাছ কি হয় চাবৰ বাবে, মাছৰ সুস্বাদু সোৱাদ ল’বৰ বাবে আমি মাছসমূহ ধৰোতে সাৱধান হ’ব লাগিব। বিচাৰ-বিবেচনা থকাৰ বাবেই আমি জীৱ শ্ৰেষ্ঠ, আন আন প্ৰাণীতকৈ পৃথক। অৱশ্যে এয়া আমি নিজে দি লোৱা উপাধিহে।

মাছৰ প্ৰজননৰ এই অতি গুৰুত্বপূৰ্ণ সময়ছোৱাত বিভিন্ন মাছৰ সংৰক্ষণৰ লক্ষ্য আগত ৰাখি লগতে অবাধ মাছ চিকাৰ বন্ধ কৰাৰ উদ্দেশ্যে মীন বিভাগৰ ফালৰ পৰা কেতবোৰ নিৰ্দিষ্ট বাধা নিষেধ আৰোপ কৰা হয়। ৰাজ্যত এই সম্পৰ্কীয় আইনো বলৱৎ হৈ আছে। যি আইন ভংগ কৰিলে শাস্তি হিচাপে ছমাহ পৰ্যন্ত কাৰাগাৰৰ বিধানো আছে। কিন্তু, কাৰ্যতঃ এই আইন থকা-নথকা একেই হৈছে। মৎস্য ব্যৱসায়ী তথা বিভিন্ন ব্যক্তিয়ে এই আইনক বুঢ়া আঙুলি দেখুৱাই অবাধে মাছ চিকাৰ কৰি থকা দেখা যায়। যেনেকৈ হেলমেট জৰিমনাৰ ভয়ত নহয়, নিজৰ সুৰক্ষাৰ বাবেহে পৰিধান কৰা উচিত। সেইদৰে আইনৰ ভয়ত নহয় আমাৰ ভৱিষ্যতৰ কথা চিন্তা কৰিহে আমি এই সময়ছোৱাত মাছ ধৰা উচিত। মাত্ৰ কেইটামান দিনৰ বাবে আমি ধৈৰ্য ধৰি মানৱীয়তাৰ পৰিচয় দিব নোৱাৰোঁনে?

■ ৰাতুল শৰ্মা

*ফোন ঃ ৭০০২১-৭২৯১৮*

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে ‘দৈনন্দিন বাৰ্তা’ৰ ‘সম্পাদকীয় পৃষ্ঠা’ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ’লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ’ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা ‘দৈনন্দিন বাৰ্তা’ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

‘দৈনন্দিন বাৰ্তা’
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

## ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ এবছৰ

# এবছৰীয়া কাৰ্যকালত কিমান সফল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

**ভূপেন মহন্ত**

চাওঁতে চাওঁতে অসমত বিজেপি দলৰ দ্বিতীয় কাৰ্যকালৰ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ এটা বছৰ সম্পূৰ্ণ হ’ল। সেই উপলক্ষে ১০ মে’ তাৰিখে বৰ ধুমধামেৰে আৰু সকলোৰে চকুত লগাকৈ জাক-জমকতাৰে আয়োজন কৰিলে হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ এবছৰীয়া বৰ্ষপূৰ্তি অনুষ্ঠান। এই ৰাজকীয় অনুষ্ঠানত উপস্থিত থাকিল ভাৰতবৰ্ষৰ গৃহমন্ত্ৰী অমিত শ্বাহ। মূল্যবৃদ্ধিৰ তীব্ৰ জুইৰ মাজত জৰ্জৰিত হৈ থকা অসমৰ ৰাইজক দেখুৱাই যিমান জাক-জমকতাৰে বৰ্ষপূৰ্তি পাতিলে, সমগ্ৰ মহানগৰ আলোকসজ্জাৰে আলোকিত কৰি তুলিলে, এইবোৰৰ মাজত জনসাধাৰণৰ সকলো দুখ-যন্ত্ৰণা, সমস্যা যেন ঢাকি থৈ দিলে। বৰ্ষপূৰ্তিৰ চমকত এনে অনুভৱ হ’ল যেন অসমত কোনো ধৰণৰ সমস্যাই নাই। বৰ্ষপূৰ্তিৰ আলোকসজ্জাৰ চমকত সৰ্বসাধাৰণ লোকে হয়তো পাহৰিয়েই পেলালে মূল্যবৃদ্ধিৰ জুইকুৰাৰ কথা। কিন্তু অসমৰ এই মূল্যবৃদ্ধিৰ জ্বলন্ত সমস্যাটোৰ কথা ঘূণাক্ষৰেও নোলাল বৰ্ষপূৰ্তিৰ চকু চাট্ মৰা সভাত। এইখিনিতেই আমাৰ দুৰ্বলতা। আমি চৰকাৰী চমকত সকলো ভোল যাওঁ। আৰু তাৰেই সুযোগ লয় শাসক পক্ষই।

অৱশ্যে আজিৰ বিষয়টো হ’ল ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ এবছৰীয়া কাৰ্যকালৰ কিছু খতিয়ান। অসমৰ ৰাইজে এই এবছৰত চৰকাৰখনৰ পৰানো কি পালে এবাৰ উভতি চাব বিচাৰিছোঁ। এষাৰ কথা আছে— কথাৰে নহয় বন্ধু কামত পৰিচয়...। গতিকে এখন চৰকাৰৰ এবছৰেই পূৰ্ণ হওক বা পাঁচ বছৰেই পূৰ্ণ হওক সেইটো বিচাৰ্যৰ বিষয়, মুখ্যমন্ত্ৰী হিচাপে ড° হিমন্ত বিশ্ব শৰ্মা কিমান সফল, এই সময়ছোৱাত এইখন চৰকাৰে জনসাধাৰণৰ বাবে কি কি কৰিলে সেইটোহে বিচাৰ্যৰ বিষয়। সময় মূল্যহীন হৈ পৰে যেতিয়া সেই সময়খিনিৰ ভিতৰত জনসাধাৰণৰ হিতৰ বাবে জনসাধাৰণে ভবা ধৰণে বা বিচৰা ধৰণে কাম কৰিব নোৱাৰে বা কামবোৰ নহয়। ৰাইজে কিন্তু পৰৱৰ্তী সময়ত বছৰৰ হিচাব ল’ব এৰি কামৰহে হিচাব বিচাৰিব চৰকাৰখনৰ পৰা। চৰকাৰ এখনৰ সফলতা-বিফলতাৰ প্ৰকৃত মূল্যাংকন চৰকাৰখনৰ কাৰ্যকাল শেষ হোৱাৰ পিছতহে কৰাটো সম্ভৱ। ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে বৰ্তমান এটা বছৰ পূৰ্ণ কৰিলে। সমস্যাৰে ভাৰাক্ৰান্ত ৰাজ্যখনৰ সমস্যাসমূহ সমাধান কৰাৰ বাবে এটা বছৰ যথেষ্ট নহয়। অৱশ্যে সামগ্ৰিকভাৱে সৰ্বানন্দ সোণোৱালৰ পাঁচবছৰীয়া শাসনকাল ধৰিলে অসমত বিজেপি চৰকাৰৰ শাসনকাল ছবছৰেই হ’ল। গতিকে ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে এবছৰত কি কৰিলে বুলি প্ৰশ্নটো মনলৈ অহাৰ লগে লগে ছবছৰীয়া বিজেপিৰ শাসন কাল অসমৰ কাৰণে বিজেপি চৰকাৰখনে কি কি কৰিলে বুলিও সততে প্ৰশ্ন উত্থাপিত হ’ব। এটা দলে নতুনকৈ এখন চৰকাৰ কৰাৰ লগে লগে কিছুমান কাম স্বাভাৱিকভাৱে সলনি হয়। সেয়া বিজেপি চৰকাৰৰ দিনতো দেখিবলৈ পোৱা গৈছে। ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ শাসনভাৰ লোৱাৰ পিছতে অসমত ড্ৰাগ্ছকে ধৰি বিভিন্ন অসামাজিক কামত জড়িত অপশক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি, এনকাউণ্টাৰৰ দৰে এক নতুন অধ্যায়ৰ সূচনা কৰি ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰখনে এই এবছৰীয়া কাৰ্যকালত এক উল্লেখনীয় চমক দিছে। ড্ৰাগ্ছৰ দৰে এই বৰবিহৰ বিৰুদ্ধে লোৱা পদক্ষেপৰ বাবে হিমন্ত বিশ্ব শৰ্মাক অসমৰ জনসাধাৰণে প্ৰশংসা কৰাৰ লগতে যি কোনো এটা অজুহাত লৈ এনকাউণ্টাৰ কৰাটোত বহুতে সমালোচনা কৰাও পৰিলক্ষিত হৈছে। নিশ্চয় এইক্ষেত্ৰত সমালোচনা কৰাৰ যুক্তিযুক্ততা নথকাও নহয়। ই যেন শৰ্মা চৰকাৰৰ এবছৰীয়া কাৰ্যকালৰ নব্য ধাৰা। আনহাতে, এই এবছৰীয়া সময়খিনিত চৰকাৰে মাইক্ৰ’ফাইনেন্সৰ ঋণ ৰেহাই ঘোষণা কৰি ইয়াক কাৰ্যকাৰী কৰাৰ ফলতো জনসমৰ্থন আদায় কৰিবলৈ সক্ষম হৈছে ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। ইয়াৰ উপৰি অৰুণোদয় আঁচনি, মিছন বসুন্ধৰা আঁচনি আদিৰ ফলতো চৰকাৰে চমক সৃষ্টি কৰিবলৈ সক্ষম হৈছে। আনহাতে, অসমৰ পৰা গৰুৰ এখন বৃহৎ চোৰাং বজাৰ তথা ব্যৱসায় বন্ধ কৰাৰ বাবেও এই এবছৰে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। যিটো সকলোৰে দৃষ্টিগোচৰ হৈছে আৰু এই চোৰাং বজাৰখন বন্ধ হোৱাটো সকলোৰে কামনাও কৰিছে। এইক্ষেত্ৰত অসমৰ জনসাধাৰণৰ সমৰ্থন আদায় কৰিবলৈও সমৰ্থ হৈছে। চৰকাৰী ভূমিত হৈ থকা বে-দখল মুক্ত কৰিবলৈও হিমন্ত বিশ্ব শৰ্মা চৰকাৰখনে এই এবছৰীয়া কাৰ্যকালত নিৰন্তৰ প্ৰচেষ্টা চলাই আছে। ইয়াৰ উদাহৰণ ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত গৰুখুঁটিত হোৱা উচ্ছেদ অভিযানৰ কথাকে প্ৰধানকৈ ক’ব পাৰি। এই গৰুখুঁটিৰ উচ্ছেদিত ভূমিত অসমৰ নিবনুৱা যুৱক-যুৱতীসকলক সংস্থাপিত কৰাৰ বাবে চৰকাৰে লোৱা বিভিন্ন উদ্যোগৰ বাবে চৰকাৰখন প্ৰশংসিত হৈছে। যদিও উচ্ছেদ কাৰ্যৰ যিটো ব্যৱস্থা সেইটো আছিল বৰ অসহনীয়। অপৰাধ আৰু অপৰাধী নিৰ্মূলৰ বাবে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে বিগত এবছৰীয়া কাৰ্যকালত চেষ্টা অব্যাহত ৰাখিছে। সেয়া সকলোৰে দৃষ্টিগোচৰ হৈছে। কিন্তু সমাজত সংঘটিত বহুতো অপৰাধৰ আঁৰত থাকে শোষণ, বঞ্চনা, বৈষম্য আৰু দৰিদ্ৰতা। গতিকে চৰকাৰে যদি অপৰাধ কাৰ্যৰ আঁৰত থকা এই কাৰকসমূহ দূৰ কৰিব নোৱাৰে তেনেহ’লে সমাজৰ পৰা অপৰাধ, অপৰাধী নিৰ্মূল হোৱাটো অসম্ভৱ। গতিকে চৰকাৰে মানুহক অভাৱ-অনাটন, শোষণ-বঞ্চনাৰ পৰা মুক্ত হোৱাৰ পথ দেখুৱাব লাগিব। তেনে কৰিব নোৱাৰিলে এখন অপৰাধমুক্ত সমাজ গঢ়াৰ কথাও কল্পনা কৰিব নোৱাৰি। চৰকাৰ আৰু আলফাৰ (স্বা) মাজত শান্তি আলোচনাৰ কথা ওলাই থাকোতেই, একপক্ষীয়ভাৱে আলফাই যুদ্ধবিৰতি ঘোষণা কৰাৰ পিছতো একাংশ যুৱক-যুৱতী পুনৰ আলফালৈ ঢাপলি মেলা দেখিবলৈ পোৱা গৈছে। বৰ্তমান সেই কথাই সকলোকে আচৰিত কৰি তুলিছে। সেয়া চৰকাৰখনৰ নিশ্চয়কৈ সফলতা নহয়। কৰ্মসংস্থাপন আৰু নিয়োগৰ অভাৱতে হয়তো চৰকাৰখনৰ প্ৰতি একাংশৰ মোহভংগ হৈছে। আৰু সেয়ে হয়তো একাংশ যুৱক-যুৱতীৰ এনেদৰে নিষিদ্ধ সংগঠনলৈ যোৱাৰ মানসিকতা বৃদ্ধি পাইছে। পৰৱৰ্তী সময়ত চৰকাৰে এই বিষয়টো অধিক চিন্তা কৰিবলগীয়া থকিব। সেইদৰে চোৰাংচোৱাৰ সন্দেহত বাইহাটাৰ সঞ্জীৱ শৰ্মা আৰু বৰপেটাৰ যুৱক ধনজিৎ দাসক আলফাই সিদিনা মৃত্যুদ্বন্দ্বৰে দ্বন্দ্বিত কৰিলে। এই বাতৰিয়ে স্বাভাৱিকতেই সকলোকে উদ্বিগ্ন কৰি তুলিছে। যদি সঁচাকৈয়ে এই দুগৰাকী যুৱকক চৰকাৰৰ ফালৰ পৰা আলফাৰ শিবিৰলৈ চোৰাংচোৱাগিৰি কৰাৰ বাবে পঠোৱা হৈছিল। তেনেহ’লে ই চৰকাৰৰ বাবে দুৰ্বলতাৰ দিশটোকেই প্ৰতিপন্ন কৰিব। দুই ম’হৰ যুঁজত বিৰিণাৰ মৰণ হোৱাৰ দৰে এই দুই যুৱকৰ মৃত্যু হ’ল চৰকাৰ আৰু আলফাৰ ভুল সিদ্ধান্তৰ বাবে। এয়া নিশ্চয় এবছৰীয়া কাৰ্যকালৰ বিফলতাৰে এক দৃষ্টান্ত। আনহাতে, আলফাৰ (স্বা) ক্ষেত্ৰত চৰকাৰে আগবঢ়াই নিয়া আলোচনাও বৰ্তমান সময়ত স্থৱিৰ হৈ পৰা দেখা গৈছে। আনকি অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰতো চৰকাৰখনৰ স্থিতি একেবাৰে অস্পষ্ট। এইক্ষেত্ৰত চৰকাৰে কি কৰিবলৈ গৈ আছে জনসাধাৰণে এতিয়ালৈ একো বুজিব পৰা নাই। মিছন বসুন্ধৰাই দুখীয়া, দুৰ্বল লোকসকলক নিজৰ মাটি-সম্পত্তিৰ ওপৰত অধিকাৰ আৰু ৰক্ষণাবেক্ষণৰ পথ সুচল কৰিব বুলি সকলোৱে ভাবিছিল যদিও আজিও সেয়া কাৰ্যতঃ ফলপ্ৰসু হৈ নুঠিল। আজিও বিভিন্ন প্ৰান্তত মাটিৰ দালালে ভয়-ভাবুকিৰে মাটিৰ গৰাকীক সন্ত্ৰাসিত কৰিয়েই আহিছে। এবছৰীয়া কাৰ্যকালৰ সফলতাকে প্ৰচাৰ কৰিবলৈ বৃহৎ পৰিমাণৰ ধন ব্যয় কৰি পতা সভাত কিন্তু সেইবোৰ কথাৰ কোনো ধৰণৰ বিশ্লেষণ কৰা নহ’ল। পিছে সেইবোৰ কথাৰ খবৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মনত পেলাব লাগিব। মুখ্যমন্ত্ৰী শৰ্মাই এখনৰ পিছত এখনকৈ অভিলাষী আঁচনি সৃষ্টি কৰি অভিলেখ গঢ়িলেও সেই আঁচনিসমূহে যে সাধাৰণ ৰাইজৰ স্বাৰ্থ সুৰক্ষিত কৰিব পৰা নাই সেই কথা অপ্ৰিয় হ’লেও সত্য। আনহাতে, দাড়ি-কমা সংশোধন নকৰাকৈ অসম চুক্তি কাৰ্যকৰী কৰিম বুলি কোৱা হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ যোৱা এটা বছৰত অসম চুক্তি ৰূপায়ণেৰে অসমীয়া জাতি-মাটি-ভেটি ৰক্ষা কৰিবৰ বাবে কোনো পদক্ষেপেই নল’লে। মুখ্যমন্ত্ৰীৰ দায়িত্ব লৈয়েই হিমন্ত বিশ্ব শৰ্মাই এক লাখ নিবনুৱাক নিযুক্তি দিব বুলি প্ৰতিশ্ৰুতি দিয়াৰ পিছতো সৌ সিদিনা অৰ্থাৎ দহ মে’ত বৰ্ষপূৰ্তি অনুষ্ঠানত ২৩ হাজাৰ যুৱক-যুৱতীকহে চাকৰি দিয়া হ’ল বুলি তেওঁ স্বীকাৰ কৰিলে। হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ প্ৰথম বৰ্ষটোত ভয়াৱহভাৱে বৃদ্ধি পোৱা মূল্যবৃদ্ধিৰ ক্ষেত্ৰত কোনো পদক্ষেপেই লোৱা দেখা নগ’ল। যিটো হ’ব লাগিছিল এইখন চৰকাৰৰ প্ৰথম কাম। বৰ্তমান যেন চৰকাৰৰ কোনো নিয়ন্ত্ৰণেই নাই মূল্যবৃদ্ধিৰ দৰে এই ভয়াৱহ সমস্যা ৰোধৰ ক্ষেত্ৰত। বৰ্তমান বস্তুৰ দাম নিৰ্ধাৰণ কৰে বণিক গোষ্ঠীয়ে। যদি আমি ভালদৰে চাওঁ, দেখিম চাৰিওফালে হাহাকাৰময় পৰিৱেশ। বিধ্বস্ত অৰ্থনৈতিক অৱস্থা। জোৱা-টাপলি মাৰি ‘গোবৰৰ পাচিত পিতলৰ বাও’ লগোৱা কথাৰ ফুলজাৰিৰে সকলো সমস্যা ঢাকি থৈ চৰকাৰে জনতাক আভুৱা-ভাঁৰাৰ চেষ্টাহে অব্যাহত ৰাখিছে।

পৰিৱৰ্তনৰ শ্ল’গান আওৰোৱা ড° হিমন্ত বিশ্ব শৰ্মাৰ এবছৰীয়া কাৰ্যকালৰ সফলতা-বিফলতা এদিন ৰাইজে সু-স্পষ্টৰূপত বিচাৰ-বিবেচনা কৰিব। পাঁচবছৰীয়া কাৰ্যকালৰ এটা বছৰতে কৰ্ম খতিয়ান জোখাটো বৰ বেছি যুগুত নহ’লেও তেওঁৰ পৰা অসমৰ ৰাইজে বহু আশা কৰি আছে। দল-মত নিৰ্বিশেষে, জাতি-ধৰ্ম নিৰ্বিশেষে তেওঁ যেন সকলোৰে বাবে মুখ্যমন্ত্ৰী হৈ থাকি অসমৰ স্বাৰ্থত কাম কৰি যায় তাৰ বাবে তেওঁলৈ শেষত শুভেচ্ছা জনালোঁ আৰু অসমৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সমস্যাসমূহ সমাধান কৰি জাতীয় দায়বদ্ধতাৰে আগবাঢ়ি যায়।

*ফোন ঃ ৭৮৯৬১-৩৭২৬৪*

# উচ্চ ৰক্তচাপ

■ **ডাঃ প্ৰণৱ কুমাৰ চক্ৰৱৰ্তী**

ৰক্তচাপ দেহৰ এক স্বাভাৱিক প্ৰক্ৰিয়া। এক নিৰ্দিষ্ট সীমা অতিক্ৰম কৰিলে আমি উচ্চ ৰক্তচাপ বুলি কওঁ। উচ্চ ৰক্তচাপ আজিৰ তাৰিখত এক চিন্তনীয় বিষয় হৈ ধৰা দিছে। অনুমান কৰা হয়, বিশ্বৰ প্ৰতি চাৰিজন পুৰুষৰ এজন আৰু প্ৰতি পাঁচগৰাকী মহিলাৰ এগৰাকী উচ্চ ৰক্তচাপত আক্ৰান্ত। শেহতীয়া তথ্য মতে ভাৰতৰ ৩৩ শতাংশ নগৰৰ বাসিন্দা আৰু ২৫ শতাংশ গ্ৰামাঞ্চলৰ বাসিন্দা উচ্চ ৰক্তচাপৰ স্বীকাৰ হৈ আছে। নিয়ন্ত্ৰণ নকৰিলে উচ্চ ৰক্তচাপৰ ফলত শৰীৰত ঠাই লোৱা বিভিন্ন ৰোগে মানুহৰ জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। এই ৰোগ সম্বন্ধে সজাগতা সৃষ্টিৰ উদ্দেশ্যে ২০০৬ চনৰ পৰাই ৱৰ্ল্ড হাইপাৰটেনচন লীগৰ আহ্বানত ১৭ মে’ তাৰিখটো বিশ্ব উচ্চ ৰক্তচাপ দিৱসৰূপে পালন কৰি অহা হৈছে।

ৰক্তচাপ কেনেকৈ সৃষ্টি হয় জানো আহক- আমাৰ বাঁওফালৰ বুকুৰ কামিহাড়ৰ ভিতৰ ভাগত থকা হাৰ্ট বা হৃদপিণ্ডই এটা পাম্পৰ দৰে কাম কৰে আৰু ই জন্মৰ পৰা মৃত্যুলৈ অনবৰত সংকোচন আৰু সম্প্ৰসাৰণ হৈ থাকে। সুস্থ-সবল প্ৰাপ্তবয়স্ক মানুহৰ প্ৰতি মিনিটত ৬০ৰ পৰা ১০০বাৰ এই প্ৰক্ৰিয়া চলি থাকে যাক হৃদস্পন্দন বা হাৰ্টবীট বোলা হয়। হৃদপিণ্ডই প্ৰতিবাৰ সংকোচন হওঁতে খুব জোৰেৰে ধমনীসমূহলৈ তেজ ঠেলি পঠিয়ায় আৰু তেতিয়াই ই আমাৰ বিভিন্ন অংগ-প্ৰত্যংগ (মগজু, হাত, ভৰি ইত্যাদি) লৈ তেজ প্ৰৱাহিত হয়। এই তেজ প্ৰৱাহিত হওঁতে ধমনীসমূহৰ বেৰত যি চাপ উৎপন্ন হয় তাকে ৰক্তচাপ বোলা হয়। আনহাতে, হৃদপিণ্ডৰ সম্প্ৰসাৰণৰ ফলত এই ধমনীসমূহত এই চাপ কমি যায়। চিকিৎসা বিজ্ঞানত এটা বিশেষ যন্ত্ৰৰ সহায়ত এই দুয়োটা চাপ জোখা হয়, যাক স্পিগম’মেন’মিটাৰ বোলা হয়। হৃদপিণ্ডৰ সংকোচনৰ ফলত ধমনীসমূহৰ বেৰত উৎপন্ন হোৱা চাপক ছিষ্ট’লিক আৰু সম্প্ৰসাৰণৰ ফলত ধমনীসমূহৰ বেৰত উৎপত্তি হোৱা চাপক ডায়’ষ্ট’লিক ৰক্তচাপ বোলা হয়। সেয়েহে এই ছিষ্ট’লিক আৰু ডায়’ষ্ট’লিক ৰক্তচাপ সদায় হৰণ চিনৰ দৰে লিখা হয় আৰু ইয়াক মাৰ্কাৰী স্তম্ভৰ মিলিমিটাৰ এককত লিখা হয়। চিকিৎসকৰ ব্যৱস্থা-পত্ৰ ভালদৰে লক্ষ্য কৰিলে যদি দেখা যায় যে চিকিৎসকজনে 120/80 mm of Hg বুলি লিখিছে তেন্তে বুজিব লাগিব যে সেই ব্যক্তিগৰাকীৰ ছিষ্ট’লিক ৰক্তচাপ মাৰ্কাৰী স্তম্ভৰ ১২০ আৰু ডায়ষ্ট’লিক ৰক্তচাপ মাৰ্কাৰী স্তম্ভৰ ৮০ মিলিমিটাৰত আছে। (Hg মানে মাৰ্কাৰী স্তম্ভক বুজায়) সাধাৰণতে মানুহৰ ৰক্তচাপ হাতৰ কিলাকুটিৰ (এলব’জইণ্ট) কিছু ওপৰৰ বাহুত লোৱা হয় কাৰণ এলব’জইণ্টৰ ওপৰ অংশৰ ঠিক মাজ ভাগেৰে ব্ৰেকিয়েল নামৰ এক ধমনীয়ে হৃদপিণ্ডৰ পৰা তেজ পৰিবহণ কৰে। সেয়েহে এই ধমনীত ৰক্তচাপৰ জোখ লোৱা হয়।

ৰক্তচাপ জোখা যন্ত্ৰৰ বিষয়ে অলপমান-মানৱ দেহৰ ৰক্তচাপ এটা বিশেষ যন্ত্ৰৰে জোখ লোৱা হয়, যাক স্পিগম’মেন’মিটাৰ বোলা হয়।

স্পিগম’মেন’মিটাৰ যন্ত্ৰ প্ৰধানকৈ তিনি প্ৰকাৰৰ ঃ

১) মাৰ্কাৰী কলমন্ স্পিগম’মেন’মিটাৰ
২) ডায়েল টাইপ এনেৰয়ড স্পিগম’মেন’মিটাৰ
৩) ইলেক্ট্ৰনিক বা ডিজিটেল স্পিগম’মেন’মিটাৰ

১৮৮১ চনত অষ্ট্ৰেলিয়াৰ ছেমুৱেল ছিগফ্ৰেইড কাৰ্ল ৰিটাৰ ভ’ন ব’স্ক (Samuel siegfried karl Ritter Von Basch) নামৰ চিকিৎসা বিজ্ঞানীয়ে ৰক্তচাপ জুখিবলৈ স্পিগম’মেন’মিটাৰ যন্ত্ৰৰ (যাক আমি সাধাৰণ ভাষাত বিপি মেচিন বুলি কওঁ) আৱিষ্কাৰৰ লগে লগে বিশ্বত এক নতুন যুগৰ সূচনা হয়। কাৰণ ই বহুতো ৰোগীৰ জীৱন বচাবলৈ সক্ষম হ’ল।

**ৰক্তচাপৰ পৰিসৰ ঃ** এজন মানুহৰ স্বাভাৱিক ৰক্তচাপৰ জোখ কিমান হ’ব লাগে বা কেতিয়া উচ্চ ৰক্তচাপত ভোগা বুলি ক’ব পৰা যায় সেই বিষয়ে সময়ে সময়ে বিভিন্ন তথ্য পোৱা যায়। আমেৰিকান হাৰ্ট এছ’চিয়েশ্বনৰ শেহতীয়া তথ্য এনেধৰণৰ—

১) যদিহে এজন ব্যক্তিৰ ছিষ্ট’লিক বি পি (ব্লাড প্ৰেছাৰ বা ৰক্তচাপ) মাৰ্কাৰী স্তম্ভৰ ১২০ মিঃমিঃতকৈ কম আৰু ডায়’ষ্ট’লিক বি পি ৮০ মিঃ মিঃকৈ কম থাকে তেন্তে স্বাভাৱিক ৰক্তচাপ বুলি গণ্য কৰা হয়।
২) যদি ছিষ্ট’লিক বি পি মাৰ্কাৰী স্তম্ভৰ ১২০ৰ পৰা ১২৯ মিঃমিঃৰ ভিতৰত থাকে বা ডায়’ষ্ট’লিক বি পি ৮০ মিঃমিঃৰ তলত থাকে তেন্তে সামান্যভাৱে উচ্চ ৰক্তচাপ (যাক ইৰাজীত Eleveted বোলা হয়) থকা বুলি গণ্য কৰা হয়।
৩) যদি ছিষ্ট’লিক বি পি মাৰ্কাৰী স্তম্ভৰ ১৩০ৰ পৰা ১৩৯ মিঃমিঃৰ ভিতৰত থাকে আৰু ডায়ষ্ট’লিক বি পি ৮০-৮৯ মিঃমিঃৰ ভিতৰত থাকে তেন্তে উচ্চ ৰক্তচাপৰ প্ৰথম স্তৰ বুলি গণ্য কৰা হয়।
৪) ঠিক তেনেদৰে যদি ছিষ্ট’লিক বি পি মাৰ্কাৰী স্তম্ভৰ ১৪০ বা তাতোকৈ বেছি আৰু ডায়’ষ্ট’লিক বি পি ৯০ মিঃমিঃ বা তাতোকৈ বেছি পোৱা যায় তেন্তে উচ্চ ৰক্তচাপৰ দ্বিতীয় স্তৰ বুলি গণ্য কৰা হয়।
৫) যদি কোনো ব্যক্তিৰ ছিষ্ট’লিক বি পি ১৮০ মিঃমিঃতকৈ বেছি আৰু ডায়’ষ্ট’লিক বি পি ১২০তকৈ বেছি পোৱা যায় তেন্তে উচ্চ ৰক্তচাপৰ সংকটকালীন অৱস্থা (যাক Hypertensive crisis) বুলি গণ্য কৰা হয়। এনে অৱস্থাত শীঘ্ৰেই চিকিৎসকৰ লগত যোগাযোগ কৰা দৰকাৰ। ওপৰত উল্লিখিত ৰক্তচাপ শিশু, কিশোৰ, বৃদ্ধাৱস্থা আৰু গৰ্ভৱতী নাৰীৰ ক্ষেত্ৰত কিছু তাৰতম্য হ’ব পাৰে। ইয়াৰ উপৰি শাৰীৰিক পৰিশ্ৰম কৰি থকা ব্যক্তি, খাদ্য গ্ৰহণ বা চাহ, কফী, মদ্যপান কৰি অহা ব্যক্তিৰ লগে লগে ৰক্তচাপৰ জোখ ল’লে স্বাভাৱিকতকৈ বেছি পোৱা যায়। আনহাতে, ৰক্তচাপ জোখা যন্ত্ৰৰ বেমেজালি বা পৰীক্ষকৰ ভুলৰ বাবেও ৰক্তচাপৰ তাৰতম্য হ’ব পাৰে। সেয়েহে ৰক্তচাপ স্বাভাৱিকতকৈ বেছি পোৱা যেন লাগিলে তৎক্ষণাৎ ৰোগীক উচ্চ ৰক্তচাপত ভোগা বুলি ক’ব পৰা নাযায়। ৰক্তচাপৰ সঠিক জোখৰ বাবে ৰোগীক আগমুহূৰ্তত কিছু সময় জিৰণি ল’বলৈ দি চাব লাগে। উচ্চ ৰক্তচাপ ধৰা পৰিলে ৫ মিনিটৰ মূৰত পুনৰ এবাৰ চাই লৈহে উচ্চ ৰক্তচাপ বুলি সিদ্ধান্তত আহিব লাগে। কিছুসংখ্যক ৰোগীৰ ক্ষেত্ৰত দেখা যায় (প্ৰায় ২০ শতাংশ) যে ৰোগীসমূহ চিকিৎসালয়লৈ আহি চিকিৎসক বা চিকিৎসাকৰ্মীৰ ওচৰত ৰক্তচাপৰ জোখ ল’লে উচ্চ ৰক্তচাপ পোৱা যায় যদিও ঘৰত জোখ ল’লে স্বাভাৱিক পোৱা যায়। ইয়াক ‘হোৱাইট কোট হাইপাৰটেনচন’ বোলা হয়। ৰক্তচাপৰ সঠিক জোখ লোৱাৰ ক্ষেত্ৰত এইবোৰ কথা যথেষ্ট গুৰুত্বপূৰ্ণ।

উচ্চৰক্তচাপৰ কাৰণ অনুসৰি দুই ভাগত ভগাব পাৰি। সেয়া হ’ল ঃ

১) প্ৰাইমাৰী বা এছেনচিয়েল হাইপাৰটেনচন ঃ প্ৰায় ৮০ৰ পৰা ৯৫ শতাংশ উচ্চ ৰক্তচাপৰ ৰোগীৰ ক্ষেত্ৰত কোনো বিশেষ কাৰণ দেখা পোৱা নাযায়। কোনো বিশেষ কাৰণ অবিহনে দেখা পোৱা এই প্ৰকাৰৰ উচ্চ ৰক্তচাপক প্ৰাইমাৰী বা এছেনচিয়েল হাইপাৰটেনচন বোলা হয়। কোনো বিশেষ কাৰণ নাথাকিলেও বংশগত (বা জেনেটিক) আৰু পৰিৱেশজনিত কাৰণ ইয়াৰ লগত জড়িত হৈ থাকে। দেখা যায় যে আমেৰিকাৰ কৃষ্ণাংগসকলৰ শ্বেতাংগসকলতকৈ উচ্চ ৰক্তচাপৰ হাৰ বেছি। ঠিক তেনেদৰে খাদ্যত নিমখৰ পৰিমাণ বেছি খোৱা বা শকত-আৱত মানুহৰ বা মদ্যপান কৰা ব্যক্তিৰ উচ্চ ৰক্তচাপৰ হাৰ বেছি হয়।

২) ছেকেণ্ডাৰী হাইপাৰটেনচন ঃ ৫ৰ পৰা ২০ শতাংশ উচ্চ ৰক্তচাপ ৰোগীৰ ক্ষেত্ৰত কিছুমান বিশেষ কাৰণ পৰিলক্ষিত হয়। এনে ধৰণৰ বিভিন্ন কাৰণযুক্ত উচ্চ ৰক্তচাপক ছেকেণ্ডাৰী হাইপাৰটেনচন বোলা হয়। কাৰণবোৰ আলোচনা কৰো আহক।

উচ্চ ৰক্তচাপৰ কাৰণ ঃ

১) ৰক্তবাহী নলিকাৰ ৰোগ ঃ
আৰেটেৰিঅ’স্কেলৰ’ছিছ,
এথেৰ’স্কেলৰ’ছিছ, এঅ’ৰটিক কোৱাকটেজচন (Aortic coarctation)
২) কিডনী বা বৃক্কৰ বিভিন্ন ৰোগ ঃ
ৰিনেল পেৰেনকাইমেল ডিজিজ যেনে— glumerolonephritis (বৃক্কৰ তেজ সংশোধন কৰা গ্লুমেৰুলু নামৰ অংশত হোৱা প্ৰদাহজনিত ৰোগ), ৰিনেল’ছিষ্ট (বা পলিছিষ্টিক কিডনী ডিজিজ)
ৰিনেল টিউমাৰ আদি
৩) এক্ৰাইন গ্ৰন্থি বা হৰম’ন নিঃসৰণ কৰা গ্ৰন্থিৰ বিসংগতি ঃ কুচিং ছিনড্ৰম (cushing syndrome), ফিঅ’ক্ৰম’চাইট’মা (pheochromocytoma) হাই পাৰথাইৰ’ডিজিম, হাই প’থাইৰ’ডিজিম, এক্ৰ’মেগালী।
৪) নিউৰ’জেনিক পলিনিউৰাইটিচ (neurogenic polyneuritis)- ই এবিধ স্নায়ুজনিত বিকাৰ।
৫) লেড ধাতুৰ বিষক্ৰিয়া
৬) মানসিক চাপ, উদ্বিগ্নতা, চিন্তা, শোক আদি
৭) বিভিন্ন ঔষধিৰ পাৰ্শ্বক্ৰিয়া ঃ অত্যধিক পৰিমাণৰ ইষ্ট্ৰ’জেন, কৰটিক’ষ্টেৰয়ড, এনাব’লিকষ্টেৰ’য়ড, ডিকনজিষ্টেণ্ট, এণ্টিডিপ্ৰেচেণ্ট, ক’কেইন, NSAID আদি
৮) গৰ্ভৱতী মাতৃৰ বিশেষ ৰোগ যেনে প্ৰিএকলেমছিয়া, একলেমছিয়া আদি। উচ্চ ৰক্তচাপৰ লক্ষণ- উচ্চ ৰক্তচাপত ভোগা অধিকাংশ ৰোগীৰে প্ৰথমতে বিশেষ একো লক্ষণ দেখা নাযায়। সেয়েহে উচ্চ ৰক্তচাপক ‘চাইলেণ্ট কিলাৰ ডিজিজ’ (নীৰৱ ঘাতক) বুলিও অভিহিত কৰা হয়। তথাপি অত্যন্ত মূৰৰ বিষ হৈছে উচ্চ ৰক্তচাপৰ এটা বিশেষ লক্ষণ। এই মূৰৰ বিষ মূৰৰ পিছফালে আৰু ৰাতিপুৱাৰ সময়ত বেছিকৈ দেখা পোৱা যায়। ইয়াৰ উপৰি অন্য কিছুমান লক্ষণ হ’ল ঃ

১) মূৰঘূৰণি
২) বুকুৰ ঢপঢপনি
৩) উশাহ-নিশাহত কষ্ট অনুভৱ
৪) নাকেৰে তেজ ওলোৱা
৫) অৱসাদ বা ভাগৰ ভাগৰ লগা। এইবোৰ লক্ষণ দেখিলে ততালিকে চিকিৎসকৰ কাষ চপা উচিত।

উচ্চ ৰক্তচাপৰ উপসৰ্গ- উচ্চ ৰক্তচাপ হোৱাত মূলতঃ এথেৰোস্কেলেৰ’ছিছে ইন্ধন যোগায়। এথেৰোস্কেলেৰ’ছিছ হৈছে ৰক্তবাহী নলিকাসমূহত কলেষ্ট’ৰেল উৎপত্তি হোৱা প্ৰক্ৰিয়া, যাৰ ফলত নলিকাসমূহ ঠেক হৈ যায়। উচ্চ ৰক্তচাপে আমাৰ হাৰ্ট, মস্তিষ্ক, কিডনী, চকু, ৰক্তবাহী নলিকা আদিত সাংঘাতিক প্ৰভাৱ পেলায়। ইয়াৰ প্ৰভাৱতে হাৰ্ট ফেইলৰ, লেফ্‌ট ভেনট্ৰিকুলাৰ হাৰপাৰ্ট্ৰফী, ব্ৰেইন ষ্ট্ৰ’ক, কিডনীৰ বিকলতা, চকুৰ ৰে’টিনা অংশ ধ্বংসপ্ৰাপ্ত হৈ অন্ধতা, ধমনীসমূহৰ ভিতৰৰ বেৰত হোৱা বিসংগতি ইত্যাদি।

**উচ্চ ৰক্তচাপৰ নিয়ন্ত্ৰণৰ উপায় ঃ** ইয়াৰ বাবে গুৰুত্বপূৰ্ণ ৰোগসমূহ নিৰ্ধাৰণ কৰা খুবেই দৰকাৰ। তাৰ বাবে বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজন হয়। তেজৰ শৰ্কৰা, ইউৰিক এচিদ, ক্ৰিয়েটেনিন, ইলেক্ট্ৰ’লাইট, লিপিড প্ৰফাইল, ই চি জি আদি পৰীক্ষা কৰাটো দৰকাৰ। উচ্চ ৰক্তচাপজনিত ৰোগীৰ ক্ষেত্ৰত ল’বলগীয়া কিছুমান ব্যৱস্থা তলত উল্লেখ কৰা হ’ল ঃ ৰোগীয়ে খাদ্যত তেল, ঘী, বনস্পতি ঘী বা অন্য স্নেহজাতীয় খাদ্য যেনে ৰেডমিট (চাৰিঠেঙীয়া জন্তুৰ মাংস, যেনে ছাগলী,গাহৰি, গৰুৰ মাংস), গাখীৰ বা গাখীৰৰ পৰা উৎপাদিত খাদ্য (যেনে চীজ বাটাৰ, ক্ৰীম), পেকেট বা বটলৰ খাদ্য বা পানীয় (যেনে চিপছ, কুৰকুৰে, নুডলছ, চছ, আচাৰ, ক’ল্ড ড্ৰিংকছ), ফাষ্ট ফুড আদি কমকৈ খোৱা উচিত বা এৰিব পাৰিলে ভাল। অৱশ্যে সেউজীয়া শাক-পাছলি, ফল-মূল, মাহজাতীয় শস্য (মটৰ, বীন আদি), আঁহজাতীয় খাদ্য, শুকান ফল (বাদাম, এলমণ্ড), লীন ফেট থকা মাছ, মাংস (যেনে ছালৰহিত চিকেন), স্কীমড মিল্ক (চৰ্বিৰহিত গাখীৰ) আদি হিতকাৰী। খাদ্যত নিমখৰ পৰিমাণ হ্ৰাস কৰিব লাগে। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে দৈনিক ৫ গ্ৰাম (এচামুচ) নিমখতকৈ বেছি হ’ব নালাগে। চিগাৰেট, বিড়ি, তামোল, ধঁপাত, গুট্খা সেৱন আৰু মদ্যপান ত্যাগ কৰা উচিত। মেদবহুলতাৰ ৰোগীয়ে শৰীৰৰ ওজন হ্ৰাস কৰাত গুৰুত্ব দিব লাগে, উচ্চ ৰক্তচাপ ৰোগীয়ে দৈনিক কমেও আধা ঘণ্টা খোজকঢ়া উচিত। সদায় ভাল টোপনিৰ আৱশ্যক। নিতৌ ৬ৰ পৰা ৮ ঘণ্টা ভাল টোপনি হ’ব লাগে। নিদ্ৰাহীনতাৰ ফলত ৰক্তচাপ বৃদ্ধি পায়। উচ্চ ৰক্তচাপত আক্ৰান্ত লোকে নিয়মীয়াকৈ ব্যায়াম কৰিব লাগে। ৰক্তচাপৰ নিয়মিত জোখ ল’ব লাগে। ৰক্তচাপ অধিক হ’লে ৰক্তচাপ কমোৱা দৰব নিয়ম মতে খাব লাগে। ইয়াৰ বাবে খাদ্যাভ্যাস আৰু জীৱনশৈলীৰ পৰিৱৰ্তন কৰা আৰু চিকিৎসকৰ পৰামৰ্শ লোৱা অতি জৰুৰী।

(সহায় লৈ লিখা)

*ফোন ঃ ৯৮৬৪১-৪৯৬৬৪*

# মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ জীৱন আৰু নাম-ধৰ্মৰ প্ৰচাৰ

■ **সাগৰিকা কলিতা**


যাদৱ যদুনন্দন মাধৱ মধুসূদন
তুমি নিত্য নিৰঞ্জন নাৰায়ণ
তোমাত লৈলো শৰণ।।

মহাপুৰুষ মাধৱদেৱৰ কথা কোৱাৰ আগত বৈষ্ণৱ সাহিত্যৰ কিছু কথা অৱগত কৰিছো। অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ পথ দেখুৱাইছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে। গুৰুজনাৰ আৱিৰ্ভাৱৰ আগতে যদিও অসমত বৈষ্ণৱ ধৰ্মৰ সোঁত প্ৰৱাহিত হৈছিল তথাপি শাক্ত ধৰ্মৰ লগতে বিভিন্ন ধৰ্মৰ খেলি-মেলিত সমাজত নানা বিশৃংখলা আৰু ব্যভিচাৰৰ সৃষ্টি হৈছিল। মানুহবোৰৰ মনবোৰ সুস্থ সনাতন ধৰ্মৰ পৰা আঁতৰলৈ গৈছিল। তেনেতে ধৰ্ম ৰক্ষাৰ বাবে মহাপুৰুষ গুৰু শংকৰদেৱৰ আৱিৰ্ভাৱ হ’ল। তেখেতে ভাৰতৰ বহু তীৰ্থস্থান ঘূৰি অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ বীজ ৰোপণ কৰিলে। বহু দেৱ-দেৱীৰ পূজা বা বলি-বিধান আঁতৰাই একশৰণ নামধৰ্ম প্ৰচাৰ কৰিলে। একশৰণ নামধৰ্মৰ গুৰিতেই হ’ল ‘নাম’ (নামধৰ্ম), ‘দেও’ (এজনহে (বিষ্ণু) উপাস্য দেৱ), ‘গুৰু’ (শৰণ দিওঁতা), ‘ভকত’ (সৎ সংগ) এই তত্ত্বকেইটা ভক্তি সাধনাৰ প্ৰধান অংগ আৰু বৈষ্ণৱ ধৰ্মৰ ‘চাৰিবস্তু’ বুলি খ্যাত। এই ধৰ্ম মতে বিষ্ণুৱেই হ’ল ‘মহাপুৰুষ’ (একমাত্ৰ পূজাৰ্হ দেৱতা)। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱ আছিল বহুমুখী প্ৰতিভাসম্পন্ন মহাপুৰুষ। গুৰুজনাৰ নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত সহায়ক আছিল মহাপুৰুষ মাধৱদেৱ। মহাপুৰুষ মাধৱদেৱৰ জন্ম হয় উত্তৰ লখিমপুৰৰ নাৰায়ণপুৰ অঞ্চলত (১৪৮৯ খ্ৰীঃ) মহাপুৰুষ মাধৱদেৱে প্ৰথমে শাক্ত আছিল যদিও ১৫২২ খ্ৰীঃত বেলগুৰিত শংকৰদেৱৰ সংস্পৰ্শলৈ আহি বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰে। আৰু গুৰু দুজনাৰ প্ৰথম মিলনকে মণি-কাঞ্চন সংযোগ বোলে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰু তেৱাঁৰ প্ৰাপন্ন শিষ্য মাধৱদেৱে এক শৰণ নামধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোধানৰ পিছত এক শৰণ নামধৰ্মক আগুৱাই লৈ যায়। মহাপুৰুষ মাধৱদেৱে তেখেতে সাহিত্যৰ ৰূপ অনুসৰি তেখেতৰ ৰচনাৰাজিক বিভিন্ন ভাগত ভাগ কৰিব পাৰি। তেখেতৰ আখ্যানমূলক গ্ৰন্থসমূহৰ ভিতৰত আদিকাণ্ড ৰামায়ণ আৰু ৰাজসূয় কাব্য। তত্ত্বমূলক গ্ৰন্থসমূহৰ ভিতৰত নামঘোষা, জন্ম-ৰহস্য, ভক্তি-ৰত্নাৱলী আৰু নাম-মালিকা। তেখেতৰ ৰচিত নাটসমূহ হ’ল— অৰ্জুন ভঞ্জন, চোৰধৰা, পিম্পৰা গুচোৱা, ভূমি লেটোৱা, ভোজন বিহাৰ, ব্ৰহ্মামোহন, ৰাস-ঝুমুৰা, ভূষণ হৰণ আৰু কোটোৰা খেলা। গীতৰ ভিতৰত ৰচনা কৰিছিল বৰগীত আৰু ভটিমা। ইয়াৰ উপৰি তেখেতৰ বিভিন্ন ধৰণৰ নট-ভাওনা পোৱা যায়। ভক্তিৰ ভিতৰত গুৰুজনাই শ্ৰৱণ-কীৰ্তনৰ শ্ৰেষ্ঠত্ব, ব্যভিচাৰী ভক্তিৰ নিন্দা আৰু কবিৰ ব্যক্তিগত কৰুণ্য, খেদ, কাকুতি, প্ৰাৰ্থনা আদি প্ৰকাশ পাইছে। খেদ অধ্যয়নত কবিয়ে আলাপ কথাৰ মাজেৰে অন্তৰৰ আকুলতাৰে জনাইছে-

মোৰ প্ৰভু নাৰায়ণ এ
নাচাৰিবা ইবাৰ মুৰাৰি
হৰি হৰি লয়ো মোক মায়াক নিবাৰি।।

মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ বিভিন্ন সময়ত বিভিন্ন ৰচনাৰ মাজেৰে একশৰণ নামধৰ্মক বিশেষ গুৰুত্ব দিছে। মহাপুৰুষ মাধৱদেৱ গুৰুজনাৰ জন্ম-জয়ন্তীৰ শুভেচ্ছা জনালোঁ, কৃষ্ণ। মহাপুৰুষ গুৰু শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে প্ৰচাৰ কৰা এক শৰণ হৰি নামধৰ্মৰ প্ৰতি জনসাধাৰণক আকৃষ্ট কৰিবৰ বাবে গীত-বাদ্য-নৃত্য-নাট্য আদিৰ সৃষ্টি কৰি ভগৱানৰ গুণ-যশ-লীলা-চৰিত্ৰ প্ৰচাৰ কৰা যি আৰ্হি সেই আৰ্হিৰে অনুপ্ৰাণিত হৈ পৰৱৰ্তী সময়ত সৃষ্টি হোৱা লোক-সংগীতৰ ধাৰাৰ ভিতৰত দিহানাম হৈছে অন্যতম এটা জনপ্ৰিয় লোক-সংগীত। এই দিহানামৰ আৰ্হিৰে অনুপ্ৰাণিত হৈ আমি গুৰুজনাৰ নামধৰ্মৰ বিষয়ে লিখাৰ কৰিছো এক ক্ষুদ্ৰতম প্ৰয়াস। কৃষ্ণ।

# ভাৰতৰ অতিকেন্দ্ৰিক চৰিত্ৰৰ বিৰুদ্ধে জাতীয় অগ্নিস্ফুলিংগ ঃ পৰাগ কুমাৰ দাস



■ সুশান্ত দাস

অসমৰ জাতীয় সমাজ-ৰাজনৈতিক ক্ষেত্ৰত প্ৰয়াত পৰাগ কুমাৰ দাসৰ আত্মপ্ৰকাশ এক অতি উল্লেখযোগ্য বিষয়। যাক উপেক্ষা কৰি অসমৰ সমাজ-ৰাজনৈতিক ইতিহাস অসম্পূৰ্ণ। আশীৰ দশকৰ অসম আন্দোলনৰ সময়ছোৱাত আত্মপ্ৰকাশ কৰি অসমীয়া সংবাদ জগতত এক প্ৰকাৰৰ নতুন গণমুখী সাংবাদিকতাৰ ধাৰা প্ৰৱৰ্তন কৰা এজন অতি নিৰ্ভীক সাংবাদিক আছিল পৰাগ কুমাৰ দাস। পৰাগ কুমাৰ দাসৰ জন্ম হৈছিল শিলঙত, ১৯৬১ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে। গুৱাহাটীৰ চেনিকুঠী বালক বিদ্যালয়, এম চি এম ই স্কুল আৰু কটন কলেজিয়েট স্কুলৰ পৰা এখেতে ক্ৰমে প্ৰাথমিক, মাধ্যমিক আৰু হাইস্কুলীয়া শিক্ষা সম্পন্ন কৰে। ১৯৭৭ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰত চতুৰ্থ স্থান লাভ কৰে। কটন কলেজৰ পৰা বিজ্ঞান শাখাত প্ৰাক-বিশ্ববিদ্যালয় পৰীক্ষাত অসমৰ ভিতৰত চতুৰ্থ স্থান অৰ্জন কৰে। দিল্লীৰ ছেইণ্ট ষ্টিফেন্স কলেজৰ পৰা অৰ্থনীতি বিভাগত সন্মানসহ প্ৰথম শ্ৰেণীৰ স্নাতক ডিগ্ৰী উপাধি লয় আৰু দিল্লীৰ 'স্কুল অৱ ইকনমিক্স'ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। অত্যন্ত মেধাৱী আৰু কৰ্মোদ্যোগী পৰাগ কুমাৰ দাসে আশীৰ দশকত অসমীয়া আলোচনী 'প্ৰান্তিক' আৰু 'দ্য ছেণ্টিনেল' কাকতৰ নিয়মীয়া স্তম্ভ লেখক হিচাপে সাংবাদিক জীৱন আৰম্ভ কৰিছিল। সাংবাদিকতাত একনিষ্ঠভাৱে নিজকে উছৰ্গা কৰাৰ পূৰ্বে প্ৰথমে তেওঁ আছিল বেংকৰ বিষয়া আৰু তাৰ পাছতে গুৱাহাটীৰ ষ্টক এক্সচেঞ্জৰ মহাপ্ৰবন্ধক। কিন্তু তেনে চাকৰিও ত্যাগ কৰি পৰাগ কুমাৰ দাসে ১৯৮৯ চনৰ পৰা সাপ্তাহিক 'বুধবাৰ' কাকতৰ সম্পাদক হিচাপে সাংবাদিকতাৰ জগতত সক্ৰিয়ভাৱে প্ৰৱেশ কৰিছিল। তাৰ পাছত ক্ৰমে ১৯৯৪ চনত 'আগান' আৰু 1995 চনত 'অসমীয়া প্ৰতিদিন' কাকতৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। এজন নিৰ্ভীক আৰু সত্যনিষ্ঠ সাংবাদিক হিচাপে পৰাগ কুমাৰ দাসে অসমৰ সংবাদ জগতলৈ আগবঢ়োৱা অৱদানৰ তাৎপৰ্য আৰু সাম্প্ৰতিক কালত সিবিলাকৰ প্ৰাসংগিকতাও যথেষ্ট আছে। কাৰণ, অসমৰ অৰ্থনীতি, কেন্দ্ৰৰ ঔপনিবেশিক শোষণ, জনগোষ্ঠীয় গাঁথনি, বহিৰাগত সমস্যা আদিৰ বিষয়ে সততে চিন্তিত হৈ থকা পৰাগ কুমাৰ দাসে আশীৰ দশকৰ অসম আন্দোলন তথা আলফাৰ উত্থানৰ বিষয়টোক সূক্ষ্মভাৱে নিৰীক্ষণ কৰিছিল আৰু তেওঁলোকৰ লক্ষ্য, নীতি, আদৰ্শ, কাৰ্যাৱলী আদিৰ সম্পৰ্কত সূক্ষ্ম আৰু নিৰ্মোহ সমালোচনা আগবঢ়াই অসমীয়া জাতীয় চেতনাক সঠিক গতিপথৰ সন্ধান দিবলৈ নিৰন্তৰ চেষ্টা কৰি গৈছিল। অসম আন্দোলনৰ প্ৰেক্ষাপটলৈ লক্ষ্য কৰিলে দেখা যায় যে ব্ৰিটিছৰ শাসন কালৰ পৰা আৰম্ভ কৰি স্বৰাজোত্তৰ কালত বিভিন্ন চৰকাৰৰ সময়লৈকে অসমৰ খনিজ সম্পদৰ ওপৰত কেন্দ্ৰৰ ঔপনিবেশিক শোষণ চলি আহিছিল। অসমৰ পৰা বহিঃৰাজ্যলৈ যোৱা কয়লা, খাৰুৱা তেল, গেছ, পেট্ৰ'লিয়াম, চাহপাত আদিৰ বিনিময়ত দিবলগীয়া ন্যায্য ৰয়েলিটীৰ প্ৰাপ্যৰ পৰা অসমক যুগ যুগ ধৰি বঞ্চিত কৰি অহা হৈছিল। তদুপৰি পূৰ্ববংগৰ পৰা চলি থকা অবৈধ বাংলাদেশী প্ৰব্ৰজনে অসমৰ আৰ্থ-সামাজিক ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সৃষ্টি কৰিছিল। এনে এক প্ৰেক্ষাপটতে অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে অসম আন্দোলনৰ সূচনা হৈছিল আৰু আন্দোলনে ৰাজপথ কঁপাই তুলিছিল। তাৰ পাছতে নব্বৈৰ দশকত উত্থান ঘটিছিল আলফাৰ দৰে সশস্ত্ৰ বিদ্ৰোহী সংগঠনৰ। আলফাৰ উত্থানে দুৰ্নীতিগ্ৰস্ত চৰকাৰৰ ভেটি কঁপাই তুলিছিল। ফলত আলফাক দমন কৰাৰ নামত নিৰপৰাধী ৰাইজৰ ওপৰত পুলিচ-মিলিটেৰীৰ অত্যাচাৰ বৃদ্ধি পাইছিল। পৰাগ কুমাৰ দাসে এই সমস্ত ঘটনাৱলীক সূক্ষ্মভাৱে নিৰীক্ষণ কৰিছিল আৰু তেওঁ উপলব্ধি কৰিছিল যে অসমত ঔপনিবেশিক শাসন-শোষণ চলি থকালৈকে অসম আৰু অসমীয়া জাতিৰ সাৰ্বিক বিকাশ কেতিয়াও সম্ভৱপৰ নহয়। বিশেষকৈ আলফাৰ চিন্তা-চৰ্চা আৰু কৰ্মপদ্ধতিৰ সূক্ষ্ম পৰ্যবেক্ষণৰ অন্তত তেওঁ বিভিন্ন লেখাৰ জৰিয়তে আলফাৰ প্ৰতি থকা তেওঁৰ সমৰ্থন মুকলিকৈ প্ৰকাশো কৰিছিল। আলফাৰ চিন্তা-চৰ্চা আৰু কৰ্মপদ্ধতিৰ সৈতে তেওঁৰ কিছুমান মৌলিক পাৰ্থক্য থকা সত্ত্বেও আলফাৰ স্বাধীন অসমৰ বিতৰ্কিত দাবীটোক ন্যায্য বুলি প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। বিভিন্ন কাকতত প্ৰকাশিত সংবাদধৰ্মী লেখাসমূহৰ উপৰি পৰাগ কুমাৰ দাসে অসমৰ আৰ্থ-সামাজিক সমস্যাৱলীক লৈ কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল। তেওঁৰ প্ৰকাশিত গ্ৰন্থকেইখন আছিল- ছাংলট ফেনলা, স্বাধীনতাৰ প্ৰস্তাৱ, নিষিদ্ধ কলম আৰু অন্যান্য, আমি যি কথা কৈছিলোঁ, ৰাষ্ট্ৰদ্ৰোহীৰ দিনলিপি, মোক স্বাধীনতা লাগে, স্বাধীন অসমৰ অৰ্থনীতি আদি। তেওঁৰ 'স্বাধীন অসমৰ অৰ্থনীতি' এনে এখন গ্ৰন্থ, য'ত অসমৰ খনুৱা পুঁজিৰ তথ্যসমূহ ইতিহাসৰ উপৰি এই পুঁজিৰ পুনৰ গঠন, বিকাশ আৰু প্ৰচুৰ সম্ভাবনীয়তাৰ বিষয়ে যুক্তিনিষ্ঠভাৱে তেওঁ আলোচনা কৰিছে। সেইদৰে 'ছাংলট ফেনলা' নামৰ জনপ্ৰিয় উপন্যাসখনৰ মাজেৰে তেওঁ সংযুক্ত মুক্তি বাহিনী, অসম অৰ্থাৎ আলফাৰ উত্থান আৰু অৱক্ষয়, অসমৰ সমাজ জীৱনত সংগঠনটোৰ প্ৰভাৱ আদিৰ নিৰ্মোহ চিত্ৰ অংকন কৰাৰ লগতে আলফাৰ সংগ্ৰামৰ যুক্তিযুক্ততাও ব্যক্ত কৰিছিল। সাংবাদিক পৰাগ কুমাৰ দাস আছিল ন্যায়, সততা আৰু মানৱতাৰ একনিষ্ঠ সেৱক। পৰাগ কুমাৰ দাসে আলফাৰ সশস্ত্ৰ সংগ্ৰাম পদ্ধতি আৰু বিশেষকৈ হত্যা কাৰ্যক কেতিয়াও সমৰ্থন কৰিব পৰা নাছিল। 'ছাংলট ফেনলা' উপন্যাসৰ জৰিয়তে সেয়ে তেওঁ আলফাৰ সশস্ত্ৰ সংগ্ৰামৰ বিৰোধিতা কৰিছিল আৰু বিভিন্ন লেখা-মেলাৰ জৰিয়তে আলফাৰ সংগ্ৰাম-পদ্ধতিৰ পৰিবৰ্তনৰ বাবে চেষ্টা কৰিছিল। কিন্তু আলফাৰ হিংসাত্মক কাৰ্যকলাপসমূহক তেওঁ কঠোৰভাৱে সমালোচনা কৰাৰ পাছতো অসমৰ দুৰ্যোগপূৰ্ণ জাতীয় সংকটৰ সময়ত আলফাৰ বিকল্প নাই বুলিও বাবে বাৰে উল্লেখ কৰিছিল আৰু এই কথাৰ বাবেই এচাম বুদ্ধিজীৱীয়ে তেওঁক আলফাৰ সৈতে যুক্ত কৰিছিল। প্ৰকৃততে পৰাগ কুমাৰ দাস আছিল মানৱ-অধিকাৰ উলংঘন কৰা শক্তিসমূহৰ ঘোৰ বিৰোধী। অসম আন্দোলন আৰু আলফাৰ উত্থানক নিৰ্মূল কৰিবলৈ কেন্দ্ৰ চৰকাৰে চেষ্টা কৰাৰ ফলস্বৰূপে সৰ্বসাধাৰণ নাগৰিকৰ নিৰাপত্তা নোহোৱা অৱস্থাত জনসাধাৰণৰ নিৰাপত্তা আৰু গণতান্ত্ৰিক অধিকাৰৰ কথা চিন্তা কৰি সেয়ে তেওঁ অসমৰ বুদ্ধিজীৱীসকলক ঐক্যবদ্ধ কৰি ১৯৯১ চনত 'মানৱ অধিকাৰ সংগ্ৰাম সমিতি' (মাছ) গঠন কৰি অতিকেন্দ্ৰিক ৰাষ্ট্ৰব্যৱস্থা আৰু অন্ধচক্ৰান্তৰ বিৰুদ্ধে সংগ্ৰামত অৱতীৰ্ণ হৈছিল। মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ মঞ্চৰ পৰা তেওঁ সাধাৰণ নাগৰিকৰ নিৰাপত্তা আৰু গণতান্ত্ৰিক অধিকাৰৰ দাবী জনাইছিল আৰু সেনাৰ বৰ্বৰ অত্যাচাৰৰ প্ৰতিবাদ কৰিছিল। সামৰিক নিৰ্যাতন ছল-চাতুৰিৰে আলফাক ধ্বংস কৰাৰ চুক্তিপথ লগে লগে এই গণতান্ত্ৰিক সংগ্ৰামখনকো তাৰ গঠন লৈ শেষ কৰাৰ যড়যন্ত্ৰ চলিছিল। যাৰ বাবে একাধিক বাৰ কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছিল জাতীয় শ্বহীদ পৰাগ কুমাৰ দাসক। কাৰণ একমাত্ৰ পৰাগ কুমাৰ দাসেই হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন ভ্ৰষ্টাচাৰী কংগ্ৰেছ নেতৃত্বৰ বিৰুদ্ধে অসমৰ জাতীয় বুদ্ধিজীৱীসকলক ঐক্যবদ্ধ কৰি গণতান্ত্ৰিক অধিকাৰ সংগ্ৰাম সমিতি(গছ) গঠন কৰি অতিকেন্দ্ৰিক ৰাষ্ট্ৰ ব্যৱস্থা আৰু অন্ধচক্ৰান্তৰ বিৰুদ্ধে সংগ্ৰামৰ বিকাশ সাধন কৰিছিল। মানৱ অধিকাৰ সংগ্ৰাম সমিতি গঠনেৰে বৰ্বৰ সেনা অভিযান, নিৰ্যাতন, ৰাষ্ট্ৰৰ ভেৰোণীয়া বাহিনীৰ দ্বাৰা হত্যা-ধৰ্ষণ আদিৰ প্ৰতিবাদ কৰি অসমবাসীৰ মনত মানৱ অধিকাৰৰ চেতনাৰ বিকাশ কৰা মূল হোতাজন আছিল পৰাগ কুমাৰ দাস। কেৱল চেতনাৰ বিকাশ কৰাই নহয়, অসমৰ জাতীয় বুদ্ধিজীৱী-সাহিত্যিক-সাংবাদিক-ক্ৰীড়াবিদ সকলোকে একেখন মঞ্চত থিয় কৰাই মানৱ অধিকাৰৰ বাবে সংগ্ৰামৰ নেতৃত্ব দিব পাৰিছিল। পৰাগ দাসৰ আহ্বানত সঁহাৰি জনাই হাজাৰ হাজাৰ জনতাই ৰাজপথ উত্তাল কৰি দিল্লীৰ বুকুত কঁপনি তুলিবলৈ সক্ষম হৈছিল। সেনাবাহিনীৰ বধ্যভূমিৰ পৰা বেকেনেই উভতাই আনিবলৈও বাধ্য হৈছিল চৰকাৰ। অসমৰ জাতীয় ইতিহাসত এয়া এক অতি উল্লেখযোগ্য ঘটনা। তেওঁৰ প্ৰতি আগবঢ়োৱা মতামতসমূহ অলপ অৱলোকন কৰিছো— হীৰেন গোহাঁইৰ মতে, 'পৰাগ কুমাৰ দাসে ৰাষ্ট্ৰৰ দৰ্পবীৰ বাহিনীৰ অসমৰ জাতীয় উন্নয়নৰ কথা চিন্তিল, আমাৰ সম্পদৰ ভিত্তিত আমাৰ নিয়ন্ত্ৰণত অসমৰ উন্নয়ন ঘটোৱাৰ কথা কৈছিল। তেওঁ নিজৰ চিন্তা আৰু কৰ্মৰ যি পৰিবেশ তৈয়াৰ কৰিছিল, অসমৰ যুৱ সমাজক যেনেদৰে আলোড়িত কৰিছিল, আজি তাৰ কণমাত্ৰ অৱশেষ বিচাৰিও হাবাথুৰি খাব লাগে।' পৰাগ কুমাৰ দাস আছিল নাছিল, তেওঁ আছিল এক জীৱন্ত শক্তি। বঞ্চিত, শোষিত অসমৰ সৃষ্টিকামী সত্তাৰ মূৰ্ত প্ৰকাশ আৰু মহৎ আত্মপ্ৰতিষ্ঠাৰ আকাংক্ষাৰ তেওঁ মুখপাত্ৰ আছিল।' ময়ূখ বৰাৰ মতে, 'পৰাগ কুমাৰ দাসৰ কলম অসম আৰু অসমীয়াবিৰোধী শক্তিবোৰৰ বাবে ত্ৰাসৰ কাৰণ হৈ পৰিছিল। ষ্টক এক্সচেঞ্জৰ মহাপ্ৰবন্ধকৰ দৰে লোভনীয় চাকৰি ইস্তফা দি দাসে কথা আৰু কামৰ জৰিয়তে আমাক মানুহক অন্যায়ৰ বিৰুদ্ধে একত্ৰিত কৰিছিল। অতিকেন্দ্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাৰ শোষণকাৰী চৰিত্ৰ উন্মোচন কৰি অসমৰ অৰ্থনৈতিক উন্নয়নৰ নতুন জীৱন-দৃষ্টি আৰু বিশ্ব বীক্ষণৰে তেওঁ দাঙি ধৰিছিল।' অজিত কুমাৰ ভূঞাৰ মতে পৰাগ কুমাৰ দাসৰ মৃত্যুত 'পৰিবৰ্তনৰ এটা ঐতিহাসিক সমাপ্তি', মনোৰম গগৈৰ মতে, 'পৰাগদা প্ৰকৃততে আছিল সত্য, ন্যায় আৰু মানৱতাৰ একনিষ্ঠ পূজাৰী। সুতীক্ষ্ণ মেধা আৰু প্ৰচণ্ড কৰ্মশক্তিৰ অধিকাৰী এই মানুহজনৰ সকলো চিন্তা কেন্দ্ৰীভূত হৈছিল স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা গভীৰ ভালপোৱাত, মানুহ আৰু সমাজৰ প্ৰতি থকা সীমাহীন দায়বদ্ধতাত।' টুনুজ্যোতি গগৈৰ মতে, 'পৰাগ কুমাৰ দাসৰ জীৱনাদৰ্শৰ সৰ্বাটোকে অনুকৰণীয় আৰু ইতিবাচক দিশটো আছিল নিভাঁজ অসম প্ৰেম আৰু আপোচহীন প্ৰতিবাদী সত্তা।' তেওঁৰ 'স্বাধীনতাৰ প্ৰস্তাৱ' নামৰ কিতাপখনক অসম চৰকাৰে বাজেয়াপ্ত কৰিছিল। ১৯৯২ আৰু ১৯৯৩ চনত পৰাগ কুমাৰ দাসক দুটা 'ৰাষ্ট্ৰীয় নিৰাপত্তা আইন' আৰু 'টাডা আইন'ৰ অধীনত গ্ৰেপ্তাৰ কৰা হয়। তেখেতৰ ৰচিত 'স্বাধীনতাৰ প্ৰস্তাৱ' নামৰ কিতাপখনক চৰকাৰে নিষিদ্ধ ঘোষণা কৰি বাজেয়াপ্ত কৰে। ১৯৯১ চনৰ পৰা পৰাগ কুমাৰ দাসে 'মানৱ অধিকাৰ সংগ্ৰাম সমিতি'ৰ আহ্বায়ক আৰু পিছলৈ সচিবপ্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। 'উত্তৰ-পূৱ মানৱ অধিকাৰ সমন্বয়ৰক্ষী সমিতি'ৰ সচিবপ্ৰধান আছিল। ক্ৰমে ১৯৯২ আৰু ১৯৯৪ চনত গঠিত 'বাক্-স্বাধীনতা সংগ্ৰাম সমিতি' আৰু 'গণতান্ত্ৰিক অধিকাৰ উদ্ধাৰ সংগ্ৰাম সমিতি'ৰ সক্ৰিয় নেতা আছিল। বিগত বহু বছৰ ধৰি এটা অমীমাংসিত প্ৰশ্ন হিচাপে থৈ যোৱা চৰৰ বাসিন্দাৰ সমস্যাটোক দেখা দিয়া অবৈধ বাংলাদেশী প্ৰব্ৰজনৰ সমস্যাটোৰ সন্দৰ্ভত পৰাগ কুমাৰ দাসৰ নিজস্ব চিন্তা-দৰ্শন আৰু মত আছিল সেই বিষয়েও আলোচনা কৰাৰ প্ৰয়োজনীয়তা নিশ্চয় আছে। এই কথা সত্য যে, বহু বছৰ ধৰি অসমৰ চলি থকা অবৈধ প্ৰব্ৰজনৰ ফলস্বৰূপে অসমৰ আৰ্থ-সামাজিক, ভাষিক-শৈক্ষিক, ৰাজনৈতিক আদি সকলোবোৰ ক্ষেত্ৰতে ব্যাপক প্ৰভাৱ পৰিব বুলি বিশ্বাস কৰা সত্ত্বেও কিন্তু তেওঁ তথাকথিত অন্য উগ্ৰ জাতীয়তাবাদীসকলৰ দৰে চৰ অঞ্চলত যুগ যুগ ধৰি বসবাস কৰি থকা অভিভাষী মুছলমানসকলক অযথা হাৰাশাস্তি কৰাৰ পক্ষপাতী নাছিল। যি সময়ত অসমৰ জাতীয়তাবাদী শিবিৰে চৰ-চাপৰিৰ লোকসকলৰ সৈতে মানসিকভাৱে যুক্ত হ'ব পৰা নাছিল, সেই সময়তো পৰাগ কুমাৰ দাসে চৰ-চাপৰিৰ অভিভাষী মুছলমানৰ সৈতে সহমৰ্মিতাৰে তেওঁলোকক জাতীয় সংগ্ৰামৰ সৈতে যুক্ত কৰাৰ প্ৰচেষ্টা কৰিছিল। পৰাগ কুমাৰ দাসে তেওঁৰ 'চৰ অঞ্চলৰ বাস্তৱ চিত্ৰ আৰু বিদেশী সমস্যাৰ মূল্যায়ন' শীৰ্ষক এটি লেখাত লিখিছে যে ছবছৰীয়া অসম আন্দোলনৰ জাতীয় আন্দোলনটোৰ মূলতে কেৱল বিদেশী নাগৰিকৰ সমস্যা নাছিল, আছিল স্বৰাজোত্তৰ কালছোৱাত কেন্দ্ৰ চৰকাৰে অসমৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰি অহা অৱহেলা আৰু অসমৰ খনিজ সম্পদৰ ওপৰত চলাই অহা ঔপনিবেশিক শোষণ। সেইদৰে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ পৰা অবাধ গতিত হোৱা প্ৰব্ৰজনৰ ফলস্বৰূপে ৰাজ্যখনত ক্ৰমান্বয়ে বৃদ্ধি পাই অহা জনসংখ্যাৰ বিষয়টোৰেও অসমৰ খিলঞ্জীয়া লোকসকলক চিন্তিত কৰি তুলিছিল। গতিকে এই 'বহিৰাগত'সকলক বহিষ্কাৰ কৰাৰ দাবী তোলা হৈছিল। কিন্তু পাছলৈ আন্দোলনটোক সংবিধানৰ গণ্ডীৰ ভিতৰলৈ আনিবৰ বাবেই 'বহিৰাগত'ৰ পৰিৱৰ্তে নেপাল, বাংলাদেশ আদিৰ পৰা অবৈধভাৱে আহি অসমত প্ৰৱেশ কৰা বিদেশী নাগৰিকৰ সমস্যাৰ ওপৰতহে অত্যধিক গুৰুত্ব আৰোপ কৰা হ'ল আৰু অইন সমস্যাবোৰ তল পৰি গ'ল। তেওঁৰ পক্ষে বহুতৰ ভিন্ন মত, কিন্তু তেওঁৰ জাতীয় অৱদানবোৰ কোনেও নুই কৰিব নোৱাৰে। পৰাগ কুমাৰ দাসৰ মতে, 'বিদেশী নাগৰিকৰ সংখ্যাৰ কোনো চৰকাৰী তথ্য-পাতি নথকাত, আন্দোলনটোৰ যুক্তিযুক্ততা সুদৃঢ় কৰিবৰ নিমিত্তেই আমি অবৈধ প্ৰব্ৰজনকাৰীৰ আনুমানিক হিচাপ ক্ৰমান্বয়ে বঢ়াই নিলো আৰু ফলস্বৰূপে অনেক স্থায়ী বাসিন্দাকো আমি বিদেশীৰ শাৰীত পেলাবলগীয়া হ'ল। এবাৰ আন্দোলনটো আৰম্ভ কৰাৰ পাছত পিছ হোঁহকাৰ প্ৰশ্ন আৰু যিহেতু নুঠে, গতিকে চক্ৰবৃদ্ধি হাৰত সেই ভুলবোৰ ক্ৰমান্বয়ে বাঢ়িহে গ'ল, ন-পুৰণি প্ৰব্ৰজনকাৰী সকলোকে একে পৰ্যায়লৈ লৈ যোৱাৰ ফলত তেওঁলোকক এক গোট হ'বলৈহে বাধ্য কৰি বহুতো ক্ষেত্ৰত বিদেশী নাগৰিকৰ সমস্যাৰ গভীৰতা আমি নিজেই বৃদ্ধি কৰিলো।'

পৰাগ কুমাৰ দাসে লিখা মতে, ১৮৪৭ চনত পাইনা জাহাজৰ (ভাপৰ জাহাজ) চলাচল আৰম্ভ হোৱাৰ পাছৰে পৰা পূৰ্ববংগৰ বহুতো ভূমিহীন কৃষকে অসমলৈ আহি ব্ৰহ্মপুত্ৰ নৈৰ পাৰে পাৰে বাস কৰিবলৈ আৰম্ভ কৰিছিল। ১৮৯২ চনত আছাম-বেংগল ৰে'ল লাইন স্থাপিত হোৱাৰ পাছত ৰে'লেৰেও এনেকুৱা বহুতো মানুহ অসমলৈ আহিছিল। স্থানীয় অসমীয়া মানুহবিলাকে তেতিয়া মেলেৰিয়াৰ প্ৰকোপ আৰু বন্যজন্তুৰ পৰা ৰক্ষা পাবৰ নিমিত্তে ওচৰৰ অটব্য বন-জংঘলবোৰ পৰিষ্কাৰ কৰি এনেকুৱা মানুহ বহাত উৎসাহহে যোগাইছিল। ১৯১২ আৰু ১৯৪৩ চনত পূৰ্ববংগত হোৱা আকাল আৰু ভূমিকম্পৰ সময়ত অসমলৈ অহা এনেকুৱা মানুহৰ সংখ্যা যথেষ্ট বৃদ্ধি পায়। তাৰ পাছৰে পৰা শাসক দলটোৱেও সস্তীয়া ভোট বেংকৰ আশাত এওঁলোক অহাত উদগনি জনাইছিল। তেওঁৰ মতে, স্বাধীনতাৰ পাছৰে পৰাই পমুৱা মুছলমান মানুহখিনিৰ নিৰক্ষৰতাৰ সুযোগ লৈ স্থানীয় মাতব্বৰবিলাকক অৰ্থৰ প্ৰলোভনেৰে হাত কৰি কংগ্ৰেছে দীৰ্ঘদিন ধৰি ভোট বেংকৰ ৰাজনীতি কৰি আহিছিল আৰু তাৰ দ্বাৰা অসমৰ সৰ্বসাধাৰণ ৰাইজ ৰাজনৈতিক দিশত সদায়ে ক্ষতিগ্ৰস্ত হৈ আহিছিল। এই ভোট বেংকবোৰৰ সহায়তে কংগ্ৰেছে সংখ্যাগৰিষ্ঠ ৰাইজৰ সমৰ্থন নোহোৱাকৈয়ে দিছপুৰত চৰকাৰ চলাই আছিল। এই ভোট বেংকবোৰ ভাঙিবৰ বাবেই অনেকেই বিদেশী বহিষ্কাৰৰ বাবে ১৯৫১ চনক ভিত্তিবৰ্ষ হিচাপে দাবী কৰিছিল।' পৰাগ কুমাৰ দাসে পমুৱা মুছলমান বসতিপ্ৰধান চৰ অঞ্চলসমূহ ভ্ৰমণ কৰি লিখিছিল যে সমস্ত চৰ অঞ্চলত তেওঁ এখনো বাঙালী মাধ্যমৰ স্কুল দেখা পোৱা নাছিল। একেবাৰে ভিতৰুৱা 'বিদেশী-অধ্যুষিত অঞ্চল'ৰূপে খ্যাত চৰতো তেওঁ ত্ৰিশ-চল্লিশ বছৰ পুৰণি অসমীয়া মাধ্যমৰ স্কুলহে দেখা পাইছিল। সেই ঠাইৰ মানুহে ঘৰুৱাভাৱে অসমীয়া-বাঙালী মিহলি ভাষা এটাত কথা পাতিছিল যদিও বাহিৰত সলসলীয়াকৈ অসমীয়া কথা কৈছিল। এম ইলিমউদ্দিন দেৱান নামৰ লোক এজনৰ প্ৰসংগত তেওঁ লিখিছে— চৰ অঞ্চলত ডাঙৰ-দীঘল হোৱা 'ন-অসমীয়া' এইগৰাকী লোক ১৯৬৪ চনৰে পৰা অসম সাহিত্য সভাৰ সৈতে সক্ৰিয়ভাৱে জড়িত আৰু তেওঁ ইতিমধ্যে অসমীয়া ভাষাত আঠাইশখনমান কিতাপ লিখিছে। কিন্তু দুই পুৰুষ ধৰি অসমতে বাস কৰা এইগৰাকী ব্যক্তিৰ বিৰুদ্ধে ভোটাৰ তালিকা সংশোধনৰ সময়ত 'বিদেশী' বুলি অভিযোগ তৰা হৈছে আৰু তেওঁ যে ১৯৭১ চনৰ পাছত অসমলৈ অহা নাই, সেই কথা প্ৰমাণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এনে ধৰণৰ উদাহৰণ আৰু বহুতো আছে। অসমত কেইবা পুৰুষো ধৰি বসবাস কৰি নিজৰ ভাষা-সংস্কৃতি ত্যাগ কৰি অসমতে জীন যোৱাৰ পাছতো এইসকল মানুহ 'বিদেশী' বুলি অভিযুক্ত হোৱাৰ বেদনা কেনে অসহনীয় সেয়া কেৱল ভুক্তভোগীয়েহে উপলব্ধি কৰিব পাৰিব। অত্যন্ত দুখেৰে পৰাগ কুমাৰ দাসে লিখিছে— 'হাড়ে-হিমজুৰে অসমীয়া হৈ পৰা এই মানুহখিনিক হোৱাই-নোহোৱাই হাৰাশাস্তি কৰি ইচ্ছাকৃতভাৱে আজি আমি তেওঁলোকক মূলসুঁতিৰ পৰা আঁতৰাই পঠিয়াইছো। চৰ অঞ্চলত যে বিদেশী নাই সেইটো আমি ক'ব খোজা নাই, কিন্তু সেই বুলিয়ে অসমীয়া জাতি গঠনৰ কোনো সম্যক জ্ঞান নথকা উতনুৱা চাম এটাই এইবোৰ অঞ্চলৰ পুৰণি বাসিন্দাসকলৰ ওপৰতো যি মানসিক অত্যাচাৰ আৰম্ভ কৰিছে, সি একোটা সমস্যা সমাধান কৰাৰ পৰিৱৰ্তে তাক আৰু অধিক জটিলহে কৰি তুলিছে। আৰু তাৰ ফলত লাভ হৈছে অসমবিৰোধী শক্তিবোৰৰ। নিৰাপত্তা বিচাৰি এই ন-অসমীয়া মানুহখিনি এতিয়া কাৰোবাৰ শৰণাপন্ন হ'বলৈ বাধ্য হৈছে আৰু তেনেকুৱা সুবিধাকে বিচাৰি ফুৰা ৰাজনৈতিক শক্তিবোৰে এতিয়া সেইবোৰ অঞ্চলত সুন্দৰ সংগঠন আৰম্ভ কৰি দিছে। যোৱা নিৰ্বাচনত অসমবিৰোধী সাম্প্ৰদায়িক শক্তি কিছুমানে 'অসমীয়া' অঞ্চলবোৰতো অভূতপূৰ্ব সফলতা লাভ কৰাৰ মূলতে আছিল ছবছৰে আমি কৰি অহা কিছুমান ভুল। সেই ভুলবোৰৰ এতিয়া শুধৰণি নকৰিলে অচিৰেই এনেকুৱা এটা দিন আহিব যে, বাংলাদেশ সীমান্ত সুৰক্ষিত হোৱাৰ পাছতো অসমত 'বিদেশী'ৰ সংখ্যা বাঢ়িহে যাব আৰু 'অসমীয়া'ৰ সংখ্যা কমি আহিব।' পৰাগ দাসে ৰাষ্ট্ৰযন্ত্ৰৰ বিৰুদ্ধে কলম তুলি লোৱাৰ বাবেই তেওঁক দুবাৰকৈ ৰাষ্ট্ৰই গ্ৰেপ্তাৰ কৰিছিল। ১৯৯২ আৰু ১৯৯৩ চনত ৰাষ্ট্ৰ নিৰাপত্তা আইন আৰু টাডা আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা হৈছিল তেওঁক। কিন্তু ৰাষ্ট্ৰযন্ত্ৰই ৰঙা চকু দেখুৱালেও সেই চকুলৈ তেওঁ ভয় কৰা নাছিল। লিখি গৈছিল ইখনৰ পাছত সিখন গ্ৰন্থ। 'স্বাধীনতাৰ প্ৰস্তাৱ' নামৰ পৰাগ দাসৰ গ্ৰন্থখন চৰকাৰে নিষিদ্ধ কৰাৰ লগতে এই গ্ৰন্থৰ কপীসমূহ জব্দ কৰিছিল। 'ৰাষ্ট্ৰদ্ৰোহৰ দিনলিপি' বিচাৰি পাঠকে হাহাকাৰ লগাইছিল। পৰাগ কুমাৰ দাসে বুজিছিল— জাতি-জনগোষ্ঠীসমূহৰ স্বাধিকাৰ অবিহনে প্ৰকৃত স্বাধীনতা সম্ভৱ নহয়। তেওঁ বিদ্ৰোহী সংগঠনসমূহৰ বিৰুদ্ধেও কলম তুলি লৈছিল। সাংবাদিকতাৰ দিশত কোনোদিনে আপোচ কৰা নাছিল পৰাগ কুমাৰ দাসে। ৰাজ্যৰ সম্পদৰ প্ৰকৃত ব্যৱহাৰৰ হৈ তেওঁ মাত মাতিছিল। সাংবাদিকৰ হকে মানৱ অধিকাৰৰ বাবে যুঁজিবলৈ তেওঁ লোভনীয় ষ্টক এক্সচেঞ্জৰ চাকৰিও বাদ দিছিল। পৰাগ দাসে সাহস আৰু যুক্তি তথা তথ্যৰে বাতৰি পৰিৱেশনত গুৰুত্ব দিছিল। সাংবাদিকতাক তেওঁ নতুন ধাৰাৰে আগুৱাই নিব খুজিছিল। সাংবাদিকৰ উদ্দেশ্য কেৱল খবৰ দিয়াই নহয়। ৰাষ্ট্ৰযন্ত্ৰৰ বিৰুদ্ধে তেওঁৰ কলম চলিছিল অহৰহ। কেন্দ্ৰৰ দমন নীতিৰ বিৰুদ্ধে প্ৰতিবাদ, অসমৰ সম্পদৰ ওপৰত অসমবাসীৰ অধিকাৰৰ হকে জনসাধাৰণক জাগ্ৰত কৰা আদি কাম পৰাগ দাসে কৰিছিল। তেওঁ দেখিছিল স্বাভিমানেৰে অসমীয়া জাতি জীয়াই থকাৰ সপোন।

ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ প্ৰয়োজনীয়তা সম্পৰ্কত তেওঁ লিখিছিল— প্ৰকৃত নাগৰিকসকলৰ আটাইবোৰ তথ্য-পাতি যদি কম্পিউটাৰত ৰাখিব পৰা যায়, তেন্তে একোজন সন্দেহযুক্ত ব্যক্তিৰ নাগৰিকত্বৰ প্ৰমাণৰ নিমিত্তে ইমানবোৰ মেৰপাকৰ প্ৰয়োজন নহ'ব। আমাৰ এই প্ৰস্তাৱ প্ৰচুৰ ব্যয় সাপেক্ষ হ'ব সঁচা, কিন্তু ৰাজ্য চৰকাৰে এতিয়া এইখিনি ব্যয় বহন কৰিবলৈ সাজু নহ'লে তাৰ ফলত ভৱিষ্যতে যিমানবোৰ জটিল সমস্যাৰ উদ্ভৱ হ'ব, সেইবিলাকৰ সমাধানত হয়তো ইয়াতকৈ কেইবাগুণে অধিক ধন ব্যয় কৰিবলগীয়া হ'ব। আৰু ৰাজ্য চৰকাৰৰ ৰাজহত এই কামৰ নিমিত্তে যদি সঁচাকৈয়ে ৰাজহৰ অভাৱ বুলি ভৱা হয়, তেন্তে ৰাইজৰ ওপৰতে অতিৰিক্ত কৰ বহুওৱা হওক, বিদেশী সমস্যাৰ সমাধানৰ নিমিত্তে প্ৰাণ পৰ্যন্ত দিবলৈ কুণ্ঠাবোধ নকৰা অসমৰ ৰাইজে এই উদ্দেশ্যত অতিৰিক্ত কিছু কৰৰ বোজা বহন কৰিবলৈ বোধকৰো কুণ্ঠাবোধ নকৰিব। বিভিন্ন পুৰণি নথি-পত্ৰৰ সহায়ত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীখন সংশোধন কৰি ৰাজ্যখনত অবৈধভাৱে বাস কৰি থকা বিদেশী নাগৰিকৰ প্ৰকৃত সংখ্যা এটা উলিয়াব পাৰিলে এই সমস্যাৰ আতিশয্যৰ যথাৰ্থ আভাস এটা পোৱা যাব আৰু তেতিয়া হ'লে সমস্যাটোক অতিৰঞ্জিত কৰি ৰাজনীতি খেলি অহাসকলৰ কু-চক্ৰান্তৰো মুদা মৰিব। ৰাজ্য চৰকাৰে যদি এতিয়া এইখিনি কাম কৰিবলৈকো গাত নলয়, তেন্তে এনেবোৰ ৰাজনৈতিক কু-চক্ৰান্তৰ তেওঁলোকো অংশীদাৰ বুলি ভাবিবলৈ ৰাইজ বাধ্য হ'ব। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীখন আজিলৈকে সংশোধন নকৰাৰ ফলত এপিনে যিদৰে বিদেশী নাগৰিকৰ চিনাক্তকৰণত অসুবিধা হৈছে; আনপিনে তেনেদৰে অনেক খিলঞ্জীয়া মানুহে হাৰাশাস্তি ভুগিবলগীয়া হৈছে বুলি তেওঁ আশী আৰু নব্বৈৰ দশকতে লিখিছিল। তেওঁৰ মতে, 'ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীখনৰ সংশোধনৰ নিমিত্তে কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতা বা অনুমতি, কোনোটোৰে আৱশ্যক নাই। পুৰণি ভোটাৰ তালিকা আৰু বিভিন্ন বৈধ নথি-পত্ৰ সংগ্ৰহ কৰি ৰাজ্য চৰকাৰে নিজৰববীয়াকৈয়ে এই কাম আৰম্ভ কৰিব পাৰে। জনসাংখ্যিক গাঁথনিৰ পিনৰ পৰা যিবোৰ অঞ্চল এতিয়া আমাৰ নিমিত্তে ভয়ৰ কাৰণ হৈ পৰিছে সেইবোৰ অঞ্চলৰ পুৰণি বাসিন্দাৰ হাতত এতিয়াও অনেক মূল্যৱান নথি-পত্ৰ পোৱা যাব; কাৰণ, নিজৰ নিৰাপত্তাৰ বাবেই এওঁলোকে এই নথি-পত্ৰবোৰ সযতনে সংগ্ৰহ কৰি আহিছিল। আমি পৰিভ্ৰমণ কৰা চৰ অঞ্চল কিছুমানত পুৰণা বাসিন্দাৰ হাতত ১৯৫৫, ১৯৬৬ চনৰ ভোটাৰ তালিকাও সযতনে ৰখা অৱস্থাত পাইছো।' ১৯৯৬ চনৰ ১৭ মে' তাৰিখে নিজৰ পুত্ৰক গুৱাহাটী চানমাৰিৰ অসম জাতীয় বিদ্যালয়ৰ পৰা আনি থকা সময়ত পৰাগ কুমাৰ দাসক হত্যা কৰা হয়। এই কাৰ্যত চাৰিজন ছালফা সদস্যক অভিযুক্ত কৰা হৈছিল- মৃদুল ফুকন ওৰফে সমৰ তাঁতী, দিগন্ত বৰুৱা, তপন দত্ত ওৰফে বিশ্বজিত শইকীয়া আৰু নয়ন দাস ওৰফে গুলী। তেওঁৰ মুকলি হত্যাই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে প্ৰতিবাদৰ ঢৌ তোলে। সাম্প্ৰতিক কালৰ পৰিপ্ৰেক্ষিতত পৰাগ কুমাৰ দাসৰ এই ধৰণৰ প্ৰগতিশীল চিন্তা-দৰ্শনৰ যথেষ্ট তাৎপৰ্য আৰু প্ৰাসংগিকতা আছে। অবৈধ বাংলাদেশীৰ অবাধ প্ৰব্ৰজনৰ পৰিপ্ৰেক্ষিতত পৰাগ কুমাৰ দাসৰ চিন্তা-চৰ্চা আৰু দৰ্শনৰ পুনৰ্মূল্যায়ন নকৰাকৈ কেৱল ধৰ্মীয় দৃষ্টিকোণেৰে চৰ অঞ্চলৰ সকলো লোকক বিদেশী বা বাংলাদেশী মুছলিম বুলি গণ্য কৰা মানসিকতা ত্যাগ কৰিব নোৱাৰিলে সমস্যাবোৰ জটিল হৈ গৈ থাকিব। তেখেতৰ মৃত্যু অসমৰ জাতীয় জীৱনৰ কাৰণে বৃহৎ ক্ষতি। তেখেতৰ হত্যাকাৰীয়ে যে কেতিয়াবালৈ শাস্তি পাব সেয়া সুদূৰপৰাহত। কিন্তু আৰু যেন কোনো পৰাগ দাসৰ হত্যা নহয় তাৰ বাবে অসমবাসী চকু-কাণ মেলি ৰখা প্ৰয়োজন। পৰাগ কুমাৰ দাসৰ দৰে এজন প্ৰতিভাৱান সাংবাদিক-ঔপন্যাসিক-অৰ্থনীতিত দখল থকা জাতীয়বোধসম্পন্ন অসমীয়াৰ জন্ম হ'বলৈ হয়তো আমি আৰু শতাধিক বছৰ অপেক্ষা কৰিব লাগিব। তেখেতৰ আদৰ্শই আমাক অনুপ্ৰাণিত কৰিব। আজি অৰ্থাৎ ১৭ মে'ত তেওঁৰ মৃত্যু তিথিত সুঁৱৰিছো।।

ফোন ঃ ৯১২৭২-৪৭৫১৯

# এক নিৰ্ভয়ী সাংবাদিকতাৰ প্ৰতীক পৰাগ কুমাৰ দাস

■ জনাৰ্দন তালুকদাৰ

বৰ্তমান সময়ত সংবিধানৰ চতুৰ্থ স্তম্ভ সাংবাদিকতাৰ ওপৰত প্ৰায়ভাগ সচেতন নাগৰিকৰে ক'ৰবাত নহয় ক'ৰবাত সন্দিহান ভাৱৰ প্ৰশ্নবোধক এডাল ৰৈ যায়। বিশ্বৰ বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰ ভাৰতবৰ্ষত গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। সংবাদ মাধ্যমে সমাজৰ জাগ্ৰত প্ৰহৰী হৈ সদায় জনগণক পোহৰৰ বাট দেখুৱাই আহিছে। গণতন্ত্ৰত সংবাদ মাধ্যমে শাসক গোষ্ঠী আৰু জনসাধাৰণৰ মাজৰ সেতুৰ দৰে কাম কৰে। শাসক পক্ষৰ সকলো কাৰ্যাৱলীৰ নিৰপেক্ষ আৰু জনকল্যাণকামী দৃষ্টি-ভংগীৰে বিশ্লেষণ কৰাৰ লগতে জনসাধাৰণক সঠিক সিদ্ধান্ত গ্ৰহণ কৰাত সহায় কৰে সংবাদ মাধ্যমে। ভাৰতবৰ্ষ তথা অসমো ইয়াৰ ব্যতিক্ৰম নহয়। এইখন অসম মুলুকতেই জন্মগ্ৰহণ কৰিছিল এনে এজন আপোচবিহীন, মানৱতাবাদী সাংবাদিকে, যিয়ে কেৱল অসমৰ সংবাদ জগততেই নহয়, অসমীয়া সমাজ জীৱনতো এক আলোড়নৰ সৃষ্টি কৰিছিল। তেখেতৰ দৰ্শন, তেখেতৰ আদৰ্শ আজিও অসমীয়া জাতিৰ পথপ্ৰদৰ্শক। তেখেত আন কোনো নহয়, এইখন অসমৰে সংগ্ৰামী সত্তা পৰাগ কুমাৰ দাস। শ্বহীদ পৰাগ কুমাৰ দাস আছিল একেধাৰে এজন স্পষ্টবাদী সাংবাদিক, সাহসী লেখক তথা এজন সুনিপুণ অৰ্থনীতিবিদ। তেখেতৰ দৰে হাড়ে-হিমজুৰে নিজৰ জাতিক ভাল পাবলৈ শিকা লোক অসমত হয়তো দ্বিতীয়জন নোলাব। তেখেতে কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৭৭ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰত তেওঁ চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। তাৰ পাছত তেওঁ কটন কলেজৰ পৰা বিজ্ঞান শাখাত প্ৰাক বিশ্ববিদ্যালয় পৰীক্ষাত অৱতীৰ্ণ হৈ অসমৰ ভিতৰতে চতুৰ্থ স্থান লাভ কৰি উচ্চ শিক্ষাৰ বাবে দিল্লীৰ ছেইণ্ট ষ্টিফেন কলেজলৈ বুলি ৰাওনা হৈছিল। তাত তেওঁ অৰ্থনীতি বিভাগত সন্মানসহ প্ৰথম শ্ৰেণীত স্নাতক ডিগ্ৰী গ্ৰহণ কৰে। তাৰ পাছত স্কুল অৱ ইক'নমিকছৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী ল'লে। দিল্লীৰ পৰা উভতি আহি তেখেতে পঞ্জাব নেশ্বনেল বেংকৰ বিষয়া হিচাপে নিযুক্ত হৈ কৰ্মজীৱনৰ পাতনি মেলিছিল। তাৰ পাছত তেখেতে নিজৰ কৰ্মনিপুণতাৰ বাবে ইউনিট ষ্ট্ৰাষ্ট আৰু গুৱাহাটী ষ্টক এক্সচেঞ্জত মহাপ্ৰবন্ধকৰ পদ লাভ কৰে। চাকৰি কৰি থকাৰ সময়তে তেখেতে চাকৰি কৰি লাভ কৰা ধনৰে স্কুলীয়া বন্ধুৰ স'তে লগ লাগি 'বুধবাৰ' নামৰ বাতৰি কাকতখন প্ৰকাশ কৰি প্ৰচলন আৰম্ভ কৰে, সেই সময়ত এই বাতৰি কাকতখনে জনগণৰ মাজত তুমুল আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ সমসাময়িকভাৱে তেখেতে প্ৰান্তিক আৰু ইংৰাজী কাকত দ্য ছেণ্টিনেলত নিয়মীয়া স্তম্ভ লেখক হিচাপেও খ্যাতি অৰ্জন কৰিছিল। আৰু শেষত তেখেতে ষ্টক এক্সচেঞ্জৰ প্ৰবন্ধকৰ দৰে লোভনীয় চৰকাৰী চাকৰি ত্যাগ কৰি মৃত্যু পৰ্যন্ত 'অসমীয়া প্ৰতিদিন'ৰ কাৰ্যবাহী সম্পাদকৰূপে দায়িত্ব বহন কৰে। তাৰ মাজতে শাসক গোষ্ঠীৰ কু-দৃষ্টিত পৰি দুবাৰকৈ কাৰাগাৰলৈও যাব লগা হৈছিল। কিন্তু তাৰ পিছতো তেওঁৰ কলমক, তেওঁৰ স্বাধীনতাৰ চিন্তাক কোনোৱে বশ কৰিব পৰা নাছিল। বিশিষ্ট কথা শিল্পী সদ্যপ্ৰয়াত হোমেন বৰগোহাঞিদেৱৰ ভাষাত 'বিৰাট পৰিৱৰ্তনৰ পৰিকল্পনা কৰিব পৰা আৰু তাৰ কাৰণে জীৱনৰ সকলো সুখ-স্বাচ্ছন্দ্য ত্যাগ কৰিব পৰা এজন সাহসী, চিন্তাশীল মানুহ' পৰাগ কুমাৰ দাসে আশীৰ দশকত অসমীয়া আলোচনী 'প্ৰান্তিক' আৰু 'দ্য ছেণ্টিনেল' ইংৰাজী কাকতৰ নিয়মীয়া স্তম্ভ লেখক হিচাপে সাংবাদিক জীৱন আৰম্ভ কৰিছিল। ১৯৮৯ চনৰ মাৰ্চ মাহৰ পৰা প্ৰকাশিত 'বুধবাৰ' নামৰ সাপ্তাহিক কাকতৰ তেওঁ সম্পাদক আছিল। ১৯৯৪ চনৰ পৰা তেখেতে নিজাববীয়াকৈ 'আগান' আলোচনী প্ৰকাশ কৰি তাৰ সম্পাদকৰ দায়িত্ব পালন কৰে। তাৰ পাছত তেখেতে 'অসমীয়া প্ৰতিদিন' কাকতৰ কাৰ্যবাহী সম্পাদকৰূপে দায়িত্ব গ্ৰহণ কৰে। মৃত্যুৰ সময়লৈ তেখেত প্ৰতিদিনৰ সম্পাদক হিচাপে কৰ্মৰত আছিল। নিৰ্ভীকতা আৰু নিৰপেক্ষতাই আছিল পৰাগ কুমাৰ দাসৰ সাংবাদিকতাৰ আধাৰ। অত্যাচাৰ-উৎপীড়নৰ বিৰুদ্ধে আৰু অসমীয়া জাতিৰ হকে নিৰন্তৰ কলম চলাই গৈছিল এইজন সাহসী সাংবাদিকে। ৰাজ্যৰ পিছপৰা জাতি-জনজাতি, সৰ্বসাধাৰণ জনতা, কৃষক, শ্ৰমিকৰ শোষণৰ বিপৰীতে শাসক গোষ্ঠীৰ গণস্বাৰ্থবিৰোধী নীতিক সমালোচনা কৰি অসমৰ সংবাদ জগতত এক নতুন ধাৰাৰ সূচনা কৰিছিল পৰাগ কুমাৰ দাসে। সেই সময়ৰ অসমৰ ভয়াৱহ পৰিস্থিতিতো তেওঁ নিৰন্তৰভাৱে কলম চলাই গৈছিল। জাতীয়তাবাদী পৰাগ কুমাৰ দাসে উপলব্ধি কৰিছিল যে ভাৰতীয় ৰাষ্ট্ৰ ব্যৱস্থাত স্বেচ্ছাচাৰিতাৰ চৰিত্ৰই সদায় জাতীয়তাবাদক গ্ৰাস কৰি আহিছে আৰু সেই স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে তেওঁ মাত মাতিছিল। অসমৰ ৰাইজৰ ওপৰত চলা সেনাৰ অত্যাচাৰৰ বিৰুদ্ধে তেওঁৰ কলম চলিছিল। এখন গণতান্ত্ৰিক দেশত বাক-স্বাধীনতা তথা মত প্ৰকাশৰ অধিকাৰৰ এনে দুৰৱস্থাই তেওঁক উদ্বিগ্ন কৰি তুলিছিল। অসমৰ আত্মনিয়ন্ত্ৰণৰ বাবে তেওঁ সংগ্ৰাম কৰিছিল। অপাৰেশ্বন ৰাইন'ৰ সময়ত সাধাৰণ জনতা ৰাষ্ট্ৰসন্ত্ৰাসৰ বলি হ'ব বুলি তেওঁ আগতীয়াকৈ ভৱিষ্যদ্বাণী কৰি এই বিষয়ে বাতৰি পৰিৱেশন কৰিছিল। প্ৰয়োজনত সকলোকে জবাবদিহি কৰিব পৰা শক্তি আছিল তেওঁৰ কলমত। তেওঁ পুঁজিবাদীক আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। তেওঁ বৃহৎ পুঁজিবাদী গোষ্ঠীৰ আগ্ৰাসন-শোষণৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল আৰু এই আগ্ৰাসন ৰোধৰ বাবে সকলো অসমীয়াক হাতে-কামে লাগিবলৈ আহ্বান জনাইছিল। তেওঁ চাহ খেতি আৰু বাঁহ খেতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। কাৰণ অসমৰ চাহ খেতি পুঁজিবাদীৰ নিয়ন্ত্ৰণত আছিল। এনেদৰেই তেওঁ অৰ্থনৈতিক স্বাৱলম্বিতাৰ কথা কৈছিল। বৰ্তমান প্ৰধানমন্ত্ৰীয়ে যি 'আত্মনিৰ্ভৰ ভাৰত'ৰ কথা কৈছে, পৰাগ কুমাৰ দাসে তেনে এক ধাৰণা আজিৰ পৰা প্ৰায় তিনি দশক পূৰ্বেই অৱতাৰণা কৰিছিল। কেৱল কাকতত লিখিয়েই যে তেওঁ নিজৰ দায়িত্ব সামৰিছিল তেনে নহয়। অসমৰ মানৱ অধিকাৰ সংগ্ৰামৰ তেওঁ নেতৃত্ব দিছিল। ১৯৯১ চনৰ পৰা পৰাগ কুমাৰ দাসে 'মানৱ অধিকাৰ সংগ্ৰাম সমিতি'ৰ আহ্বায়ক আৰু পিছলৈ সচিবপ্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ 'উত্তৰ-পূব মানৱ অধিকাৰ সমন্বয়ৰক্ষী সমিতি'ৰ সচিবপ্ৰধান আছিল। তেওঁ ১৯৯২ চনৰ 'বাক্ স্বাধীনতা সংগ্ৰাম সমিতি' আৰু ১৯৯৪ চনত গঠিত আৰু 'গণতান্ত্ৰিক অধিকাৰ সংগ্ৰাম সমিতি'ৰ সক্ৰিয় নেতা আছিল। জাতীয় সমস্যাবোৰক ৰাইজৰ সমুখত তুলি ধৰি তাৰ সপক্ষে জনমত সৃষ্টি কৰাৰ বাবে আগভাগ লৈছিল তেওঁ। ১৯৯২ চনত ৰাষ্ট্ৰীয় নিৰাপত্তা আইন আৰু ১৯৯৩ চনত টাডা আইনৰ অধীনত তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল। কিয়নো সাংবাদিকতাৰ জৰিয়তে ৮০ দশকৰ পৰা মৃত্যুৰ সময়লৈকে সমাজৰ সজাগ প্ৰহৰীৰূপে চৰকাৰী পক্ষক তেওঁ জবাবদিহি কৰিবলৈ সক্ষম হৈছিল। কিন্তু পৰাগ দাস আছিল নিজৰ স্থিতিত অটল আৰু এই স্থিতিৰ বাবেই তেওঁ শাসক গোষ্ঠীৰ চকুৰ কূটা হৈ পৰিছিল। তেওঁ ৰচিত 'স্বাধীনতাৰ প্ৰস্তাৱ' গ্ৰন্থখন চৰকাৰে নিষিদ্ধঘোষণা কৰিছিল। অসমবাসীৰ অধিকাৰৰ বাবে মাত মাতিবলৈ গৈ দিল্লী-দিছপুৰৰ ষড়যন্ত্ৰৰ মাজত সোমাই পৰিছিল পৰাগ কুমাৰ দাস আৰু হয়তো এই ষড়যন্ত্ৰৰ বলি হৈয়েই তেওঁ বন্দুকৰ গুলীত প্ৰাণ দিব লগা হয়। কিন্তু বন্দুকৰ গুলীয়ে মচি নিব নোৱাৰে তেওঁৰ আদৰ্শ, তেওঁৰ প্ৰতিবাদী সত্তা। মৃত্যুৰ পূৰ্বেই তেওঁ লিখি গৈছে- 'কোনোবাই যদি ভাবিছে বন্দুক-বেয়নেট বা শাৰীৰিক অত্যাচাৰৰ ভয়ত আমি কলম নমাই থ'ম, তেনেহ'লে তেওঁ মূৰ্খৰ স্বৰ্গত বাস কৰিছে।' পৰাগ কুমাৰ দাসৰ মৃত্যুৱে অসমৰ জাতীয়তাবাদী আন্দোলনত মোক্ষম আঘাত হানে যদিও তেখেতৰ আদৰ্শ, তেখেতৰ সৃষ্টিৰাজিয়ে অসমৰ সংবাদ জগতত নতুন দিগন্তৰ সন্ধান দিয়ে। তেখেতৰ সৃষ্টি 'ছাংলট ফেন্‌লা', 'স্বাধীনতাৰ প্ৰস্তাৱ', 'নিষিদ্ধ কলম আৰু অন্যান্য', 'স্বাধীন অসমৰ অৰ্থনীতি', 'ৰাষ্ট্ৰদ্ৰোহীৰ দিনলিপি' আদিকে ধৰি গ্ৰন্থৰাজি আৰু অন্যান্য লেখাসমূহ বৰ্তমানৰ অসম আৰু অসমীয়াৰ বাবে অতি প্ৰাসংগিক। কিন্তু এয়া হয়তো অসমবাসীৰেই দুৰ্ভাগ্য যে আজি অসমত সঁচা সাংবাদিকতাৰ অভাৱ ঘটিছে। সংখ্যাগত দিশৰ পৰা অসমত বাতৰি কাকত, নিউজ চেনেল অথবা পৰ্টেলৰ অভাৱ নাই যদিও গুণগত মানৰ ফালৰ পৰা চাবলৈ গ'লে অসমত এতিয়া নিৰপেক্ষ আৰু নিৰ্ভীক সাংবাদিকতাৰ কিছু অভাৱ যেন অনুভৱ হয়। নতুন নতুন কৌশল আৰু তথ্য-প্ৰযুক্তিৰ ব্যৱহাৰেৰে সংবাদ ক্ষেত্ৰখন আগুৱাই গৈছে যদিও বহু ক্ষেত্ৰত ইয়াৰ কিছু ঋণাত্মক দিশো দেখা যায়। বৰ্তমান কিছুমান নিউজ চেনেলে কেৱল সস্তীয়া জনপ্ৰিয়তা তথা টি আৰ পিৰ পাছত দৌৰি স্বকীয়তা আৰু সামাজিক দায়বদ্ধতা পাহৰি পেলাইছে যেন অনুভৱ হয়। হালধীয়া সাংবাদিকতাৰ কথাও সততেই শুনা যায়। আনহাতে, শুদ্ধ ভাষা জ্ঞান নথকা কিছুসংখ্যক তথাকথিত সাংবাদিকে অসমীয়া ভাষাটোক বিকৃত কৰি পেলোৱা পৰিলক্ষিত হৈছে। নতুনকৈ গঠিত হোৱা একাংশ 'পাবত গজা' নিউজ পৰ্টেলৰো এইক্ষেত্ৰত অৰিহণা আছে। সাংবাদিকতাৰ ন্যূনতম জ্ঞানখিনিও নথকা কিছুমান লোকে কেৱল 'ভাইৰেল' হোৱাৰ তাড়নাতেই বিভিন্ন পক্ষপাতী বাতৰি প্ৰচাৰ কৰি আহিছে আৰু কোনো অনুসন্ধান নকৰাকৈ কিছুমান উৰাবাতৰি প্ৰচাৰ কৰি জনসাধাৰণক বিপথে পৰিচালিত কৰিছে। সংবাদ মাধ্যমৰ কাম হৈছে চৰকাৰৰ ভাল কামৰ প্ৰশংসা কৰা আৰু ভুল-ত্ৰুটিসমূহ আঙুলিয়াই দেখুওৱা। কিন্তু দুখৰ বিষয় যে বৰ্তমান সময়ত ভাৰতবৰ্ষ তথা অসমত কিছুমান সংবাদ মাধ্যমৰ জন্ম হৈছে যিসমূহ কেৱল শাসক গোষ্ঠীৰ মুখপাত্ৰ যেন ভাব হয়। এই স্তাৱকসকলে কেতিয়াও চৰকাৰক প্ৰশ্ন উত্থাপন নকৰে বা তেওঁলোকে জনসাধাৰণৰ কোনো সমস্যা শাসনাধিষ্ঠিত দলৰ সমুখত তুলি নধৰে। তেওঁলোকৰ কাম কেৱল চৰকাৰক তোষামোদ কৰা, নিৰপেক্ষ আৰু বস্তুনিষ্ঠ বাতৰি পৰিৱেশনৰ পৰা তেওঁলোক বহু দূৰৈত।

বৰ্তমান অসমৰ বহুসংখ্যক সংবাদ মাধ্যমেই নিৰপেক্ষ আৰু সুস্থ সাংবাদিকতাতকৈ ব্যৱসায়িক লাভালাভৰ অংকতহে ব্যস্ত যেন অনুভৱ হয়। ব্যৱসায়িক মুনাফা অৰ্জনৰ বাবে তেওঁলোকে বিভিন্ন ধৰণৰ বিজ্ঞাপন প্ৰচাৰ কৰে। কিন্তু বিজ্ঞাপনসমূহ প্ৰচাৰৰ ক্ষেত্ৰত তেওঁলোকে মনত ৰখা উচিত যে শিশুৰ পৰা বৃদ্ধলৈ সকলো বয়সৰ লোকেই বাতৰি কাকত এখন বা নিউজ চেনেল এটাৰ পাঠক বা দৰ্শক হ'ব পাৰে। গতিকে বিজ্ঞাপন হওক বা বাতৰি সকলো বয়সৰ লোকৰ বাবে গ্ৰহণযোগ্য হ'ব লাগে। আনহাতে, কিছুমান বাতৰি যেনে- ধৰ্ষণ, যৌন নিৰ্যাতন, গোষ্ঠীগত সংঘৰ্ষ, ডাইনী হত্যাৰ দৰে ঘটনাৰ প্ৰকাশ আৰু প্ৰচাৰে সমাজত কু-প্ৰভাৱ পেলাব পাৰে। এইবোৰ হ'ল একোটা সামাজিক ব্যাধি আৰু এই ব্যাধিৰ বিষবাষ্প বিয়পোৱাৰ পৰা সংবাদ মাধ্যমসমূহ পৰাপক্ষত বিৰত থাকিব লাগে। কিন্তু সুখৰ কথা যে আজিৰ যুগতো এনে একাংশ নিস্বাৰ্থ, নিৰপেক্ষ আৰু জনহিতকৰ সংবাদ মাধ্যম তথা সাংবাদিক আছে যিসকলে উন্নত মানৰ আৰু জনসাধাৰণৰ বাবে উপযোগী বাতৰি পৰিৱেশনৰ জৰিয়তে সাংবাদিকতাৰ ক্ষেত্ৰখনত সুস্থ পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। যোৱা বছৰ লকডাউনৰ সময়ত দেখিছিলোঁ সাংবাদিকসকলে নিজৰ জীৱনৰ কথাও নভবাকৈ সকলো খবৰ নিৰন্তৰে জনসাধাৰণক যোগান ধৰিছিল। আনহাতে, বহুতো সংবাদ মাধ্যমে জনসাধাৰণৰ সমস্যা চৰকাৰৰ দৃষ্টিগোচৰ কৰি সমাধান কৰাত অৰিহণা যোগাইছে। এয়া কেৱল অসমৰ সংবাদ জগতৰ বাবেই নহয়, অসমীয়া জাতিটোৰ বাবেও এটা শুভ লক্ষণ। সংবাদ মাধ্যমক সমাজৰ দাপোণ বুলি কোৱা হয়। কিন্তু অসমত সংবাদ মাধ্যমৰ অধিকাৰ ভংগৰ ঘটনা সততেই পৰিলক্ষিত হয়। সাংবাদিকৰ ওপৰত আক্ৰমণ আৰু সাংবাদিক হত্যাৰ ঘটনাও বৰ্তমান সুলভ হৈ পৰিছে। উল্লেখ্য যে ২০১৮ চনত সাংবাদিকৰ হত্যা হোৱা দেশসমূহৰ তালিকাত ভাৰত পঞ্চম স্থানত আছিল। ই নিশ্চয়কৈ এখন গণতান্ত্ৰিক দেশৰ বাবে শুভ লক্ষণ নহয়। যি দেশৰ সাংবাদিকসকল সুৰক্ষিত নহয়, সেই দেশৰ গণতন্ত্ৰ কেতিয়াও সুৰক্ষিত হ'ব নোৱাৰে। আনহাতে, অধিকাৰৰ সমান্তৰালভাৱে সাংবাদিকসকলৰ দায়িত্বও গধুৰ। সমাজখনত ঘটি থকা ঘটনাপ্ৰবাহক চালি-জাৰি চাই জনসাধাৰণৰ আগত পুংখানুপুংখ ৰূপত দাঙি ধৰাৰ দায়িত্ব সংবাদ মাধ্যমৰ। গতিকে সংবাদ মাধ্যমসমূহে নিজৰ ভুলবোৰ সংশোধন কৰি সমাজ আৰু জনসাধাৰণৰ প্ৰতি থকা তেওঁলোকৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাটো অতি প্ৰয়োজনীয়। আৰু অসমবাসীৰ সৌভাগ্য যে এই ক্ষেত্ৰত পথপ্ৰদৰ্শন কৰিবলৈ পৰাগ কুমাৰ দাসৰ দৰে স্বনামধন্য সাংবাদিকৰ আদৰ্শ আৰু আশীৰ্বাদ সদায় অসমবাসীৰ লগত আছে।

ফোন ঃ ৬৯০০৭-৮৮৮৭০

### বিধায়ক পৰমাই দিমীলা নদীৰ বানে ছিঙা মথাউৰি পৰিদৰ্শন কৰি যোৱাৰ পিছতো এতিয়ালৈ নহ'ল একো

# ধাৰাসাৰ বৰষুণে টোপনি হৰিছে দুৰদুৰীয়াবাসীৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৬ মে'** ঃ দৰং জিলাৰ পশ্চিমাঞ্চলৰ মাজেৰে বৈ যোৱা দিমীলা নদীৰ বাঢ়নী পানীয়ে ২০০৪ চনতে দুৰদুৰীয়াৰ সমীপত পূব দিশৰ মথাউৰিটোৰ প্ৰায় পঞ্চাশ মিটাৰ দৈৰ্ঘ্যজুৰি ছিঙি পেলায়। যাৰ পাছত কালি সুদীৰ্ঘ সোতৰটা বছৰে বিভাগে মেৰামতি নকৰাকৈয়ে পেলাই থোৱাত দুৰদুৰীয়া, নাওপোটা, চমুখা, বগাচলা, বাঘমাৰা, ঘোপেলী, গোপালপুৰ, পাটগিৰি চুবা, সোণাপুৰকে ধৰি প্ৰায় পোন্ধৰখন ৰাজহ গাঁৱৰ কৃষক ৰাইজৰ খেতিপথাৰ বাৰিষা সময়ত নদীখনৰ ওভতনি পানীৰ সোঁতে বিস্তৰ ক্ষতিসাধন কৰি আহিছে। মূলতঃ বাৰিষা সময়ত পানীয়ে মাৰি থকাৰ পৰিপ্ৰেক্ষিতত তিনি-চাৰিবাৰকৈ কঠীয়া ৰুয়ো শস্য গোটাব নোৱাৰাৰ বাবে অঞ্চলটোৰ ৯৫ শতাংশ কৃষক ৰাইজ অৰ্থনৈতিকভাৱে দুৰ্বল হৈ পৰিছে। খৰালি কালতো কৃষক ৰাইজে কৃষি বিভাগৰ পৰা বীজ-সাৰ আদি একো নোপোৱাত বজাৰৰ অত্যধিক মূল্যত ৰবি শস্যৰ বীজ-সাৰ কিনিব নোৱাৰি ঘৰৰ পোহনীয়া হাঁহ-কুকুৰা বিক্ৰী কৰি যি পাৰে তাকৰীয়াভাৱে সৰিয়হ, মটৰ, মচুৰ, মাটিমাহ আদিৰ খেতি কৰি কিবা কৰি পৰিয়ালক পোহপাল দি আহিছে। উল্লেখ্য যে প্ৰতিবছৰে মথাউৰিৰ ছিগা অংশৰে বাৰিষা সময়ত নদীৰ বাঢ়নী পানী সোমাই কৃষিজীৱী ৰাইজক নাজল-নাথল কৰি অহা ছিগা মথাউৰিৰ অংশখিনি মেৰামতি কৰাৰ বাবে ৰাইজে বিধায়ক, সাংসদ, বিভাগৰ ওচৰত বাৰম্বাৰ আবেদন-নিবেদন, অনুৰোধ কৰি ভাগৰি পৰি বাদ দিবলৈ বাধ্য হৈছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে ২০১৯ চনত তেতিয়াৰ তদানীন্তন বিত্তমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা চেঙেলীয়াঝাৰত নৈনে নদীৰ বানে ছিগা মথাউৰি পৰিদৰ্শনৰ সময়ত দুৰদুৰীয়া গাঁৱৰ গাঁওবুঢ়াগৰাকীয়ে বিষয়টো মন্ত্ৰীগৰাকীৰ ওচৰত অৱগত কৰাত তেওঁ তাত উপস্থিত থকা মঙলদৈ সংমণ্ডল জলসম্পদ বিভাগৰ অভিযন্তাক ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছিল। ৰাইজে ভাবিছিল যে স্বয়ং হিমন্ত বিশ্ব শৰ্মাই নিৰ্দেশ দিলে যেতিয়া এইবাৰ মেৰামতি হ'বই। পিছে কালি দুটা বছৰ পাৰ হৈ যোৱাৰ পিছতো তেনেদৰেই নিৰ্দেশ নিৰ্দেশে হৈ থাকিল। ইফালে বিগত বৰ্ষত ৰাজ্যৰ বহু মথাউৰি মেৰামতি হ'ল যদিও বাদ পৰি ৰ'ল মাত্ৰ দুৰদুৰীয়াৰ দিমীলা নদীৰ ছিগা মথাউৰি। ইফালে কালি ওঠৰ বছৰে মথাউৰিৰ ছিগা অংশত বাঁহৰ সাঁকো দি ৰাইজে যাতায়াত অব্যাহত ৰাখিবলগীয়া হৈছে। বিগত পোন্ধৰটা বছৰত তদানীন্তন ছিপাঝাৰৰ বিধায়ক বিনন্দ কুমাৰ শইকীয়াই ৰাইজৰ মুখ্য সমস্যাটোক লৈ কোনো ব্যৱস্থা গ্ৰহণ নকৰি ৰামঠগন দি বিদায় লোৱাৰ পাছত বৰ্তমানৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে প্ৰায় তিনি মাহ আগতে দুৰদুৰীয়াৰ দিমীলা নদীৰ বানে ছিঙা মথাউৰি পৰিদৰ্শন কৰিছিল। ৰাইজে ভাবিছিল অন্যবোৰতকৈ কথা আৰু কামত বিকল্প বুলি চৰ্চিত বিধায়কগৰাকীয়ে পৰিদৰ্শন কৰিছে যেতিয়া অন্ততঃ এইবাৰ কিবা এটা হ'ব। ওঠৰ বছৰৰ পিছত হ'লেও বাৰিষা খেতিখিনি কৰাৰ লগতে সুচল হ'ব য়াতায়াতৰ পথ। কিন্তু আশ্চৰ্যজনকভাৱে কালিও ৰাইজে মথাউৰি মেৰামতিৰ একো কাৰ্যব্যৱস্থা দেখা নোপোৱাৰ পিছত সম্প্ৰতি যোৱা দুদিন ধৰি ধাৰাসাৰভাৱে বৰষুণ হৈ থকাত নদীখনৰ পানী বাঢ়ি উঠিছে আৰু এনেদৰে থাকিলে কোন সময়ত পানীয়ে বুৰাই পেলায় তাৰ নিশ্চয়তা নথকাত দুৰদুৰীয়াবাসী ৰাইজৰ টোপনি হৰিছে। কিয়নো বৰষুণ দিলে নদীখনৰ পানী বাঢ়িলেই মথাউৰিৰ ভগা অংশৰে নদীৰ ওভতনি পানী সোমাই দুৰদুৰীয়াকে ধৰি চাৰি-পাঁচখন গাঁৱৰ খেতিপথাৰ সাগৰসদৃশভাৱে পানীয়ে বুৰাই পেলায়।

## বাক্সাৰ নিকাছিত অসম গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় অধিৱেশন আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১৬ মে'** ঃ মুষলধাৰ বৰষুণৰ মাজতে বাক্সা জিলাৰ নিকাছিত কালিৰে পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অসম গোৰ্খা সন্মিলনৰ ২৭ সংখ্যক কেন্দ্ৰীয় অধিৱেশন অনুষ্ঠিত হয়। নিকাছিৰ জ্ঞানপীঠ মহাবিদ্যালয় খেলপথাৰ প্ৰাংগণত অনুষ্ঠিত হোৱা এই অধিৱেশনৰ প্ৰথম কাৰ্যসূচী অনুসৰি পুৱা ৭ বজাত প্ৰতিনিধি পঞ্জীয়নৰ পিছত মুখ্য প্ৰৱেশদ্বাৰ উদ্বোধন কৰা হয়। মুখ্য প্ৰৱেশদ্বাৰ উদ্বোধন কৰে অসম গোৰ্খা সন্মিলনৰ সভাপতি তথা প্ৰাক্তন সাংসদ ৰামপ্ৰসাদ শৰ্মাই। ইয়াৰ পিছত ক্ৰমে স্বেচ্ছাসেৱক বাহিনীৰ কাৰ্যালয় উদ্বোধন কৰে বিশিষ্ট সমাজসেৱক জয়লাল পোখ্ৰেলে, অস্থায়ী কেন্দ্ৰীয় কাৰ্যালয় উদ্বোধন কৰে অসম গোৰ্খা সন্মিলনৰ প্ৰাক্তন সভাপতি পদুম বাহাদুৰ চৌহানে, ভোজনালয় উদ্বোধন কৰে অসম গোৰ্খা সন্মিলনৰ বাক্সা জিলাৰ প্ৰাক্তন সভাপতি টিকাৰাম শৰ্মাই, প্ৰতিনিধি শিবিৰ উদ্বোধন কৰে ইন্দ্ৰলাল পাঠক বালিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নাৰায়ণ পাঠকে। মুখ্য ইয়াৰ পিছতে পুৱা ৯ বজাত পতাকা উত্তোলন কৰি অসম গোৰ্খা সন্মিলনৰ সভাপতি ৰামপ্ৰসাদ শৰ্মাই স্বেচ্ছাসেৱকৰ অভিবাদন গ্ৰহণ কৰে। পতাকা উত্তোলনস্থলীত মূল পতাকাৰ সমান্তৰালভাৱে আন ২৬খন পতাকাও উত্তোলন কৰা হয়। ইয়াৰ পিছতে স্মৃতি তৰ্পণ কৰে অসম গোৰ্খা সন্মিলনৰ সাধাৰণ সম্পাদক চিবি ৰায়ে। প্ৰদৰ্শনীৰ দ্বাৰ উদ্বোধন কৰে জ্ঞানপীঠ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ গুণজিত পাঠকে। মূল মঞ্চ উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী ইন্দ্ৰপ্ৰসাদ উপাধ্যায়ে। দিনৰ ১২ বজাৰ পৰা প্ৰতিনিধি সভাৰ বৈঠক অনুষ্ঠিত হয়। উল্লেখ্য যে এই অধিৱেশনৰ বাবে অসম গোৰ্খা সন্মিলনৰ মুঠ ৩৩খন জিলা সমিতিৰ তিনি সহস্ৰাধিক প্ৰতিনিধি ইতিমধ্যে অধিৱেশন স্থলীত উপস্থিত হৈছে।

## নাহৰকটীয়াত তাই আহোম জাতীয় পৰিষদৰ প্ৰতিষ্ঠা দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিংখাং, ১৬ মে'** ঃ গড়গাঁৱৰ শিমলুগুৰি নাট্যমন্দিৰত ২০০৫ বৰ্ষত তাই আহোম সংগঠনসমূহৰ যৌথ উদ্যোগত গঠিত জনগোষ্ঠীটোৰ উমৈহতীয়া মঞ্চ তাই আহোম জাতীয় পৰিষদৰ ১৭ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি নাহৰকটীয়া চুকাফা সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা জাতীয় পৰিষদৰ পতাকা উত্তোলন কৰে ভাৰপ্ৰাপ্ত পূৰ্ণ গগৈয়া আৰু মৈদাম তৰ্পণ কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি নিৰণ গগৈয়ে। ইয়াৰ পাছত স্থানীয় মহিলাসকলে তাই নৃত্য পৰিৱেশন কৰে। ইয়াৰ পাছত পৰিষদৰ ভাৰপ্ৰাপ্ত সভাপতি পূৰ্ণ গগৈয়াৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। বিশিষ্ট শিক্ষাবিদ প্ৰিয়বৰ কোঁৱৰে উদ্বোধন কৰা সভাখনত সমাজকৰ্মী প্ৰদীপ বুঢ়াগোহাঁই, সদৌ ফুলাবাং সংঘৰ সভাপতি চিদানন্দ গগৈ, নাহৰকটীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি নৰেন চাংমাই, সদৌ তাই আহোম ছাত্ৰ সন্থাৰ উপসভাপতি দেবজিৎ গগৈ, সমাজকৰ্মী যোগেশ বিকাশ চেতিয়া, নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ চিত্ৰ বৰুৱা, তাই আহোম জাতীয় পৰিষদৰ সহকাৰী সম্পাদক হীৰালাল বৰফুকন, তাই আহোম যুৱ পৰিষদৰ দিগন্ত তামুলী, মু চুং খাম নীলাম্বৰ গগৈ, অভ্যৰ্থনা সমিতিৰ ফালৰ পৰা মোহন কোঁৱৰে অংশ গ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। সভাত তাই আহোম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক অমৰজ্যোতি আনন্দৰা, উপসভাপতি কনক নেওগ প্ৰমুখ্যে কেবাগৰাকী নেতৃবৰ্গ উপস্থিত থাকে। প্ৰতিষ্ঠা দিৱসত শিৱসাগৰ, চৰাইদেউ, ধেমাজি, মাজুলী আদি জিলাৰ পৰিষদৰ সভাপতি সম্পাদক ক্ৰমে মণ্টু চেতিয়া পাটৰ, নৃপন ফুকন, ৰাজকুমাৰ চেতিয়া, তিলেশ্বৰ বড়া, সুৰেন গগৈ প্ৰমুখ্যে বহুসংখ্যক কৰ্মীয়ে অংশগ্ৰহণ কৰে।

## যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ন্যাস বৃত্তি পৰীক্ষা

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাঁহচৰা, ১৫ মে'** ঃ ছাত্ৰ-ছাত্ৰীসকলক বৌদ্ধিক আৰু মানসিক বিকাশ তথা চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহলৈ ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰিবলৈ কালি যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত অনুষ্ঠিত হয় যোৰহাট জিলা ভিত্তিক পঞ্চম শ্ৰেণীৰ বাবে ন্যাস বৃত্তি পৰীক্ষা। শিক্ষক প্ৰাণ তৰুণ চন্দ্ৰ চাংকাকতি আৰু শিক্ষক বন্ধু কমল দুৱৰাৰ ন্যাস বৃত্তি পৰীক্ষাত কালি যোৰহাট জিলাৰ অন্তৰ্গত ১৩টা পৰীক্ষা কেন্দ্ৰত মুঠ ১৩৭০ পৰীক্ষাৰ্থীৰ ভিতৰত ১২৭৫ গৰাকী পৰীক্ষাৰ্থীয়ে এই পৰীক্ষাত অৱতীৰ্ণ হয়।



## দক্ষিণ শৰণীয়াত উদ্দীপন ফাউণ্ডেচনৰ বিনামূলীয়া চকু পৰীক্ষা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ মে'** ঃ উদ্দীপন ফাউণ্ডেচনৰ উদ্যোগত এ এছ জি আই হাস্পতালৰ সহযোগত কালি মহানগৰীৰ দক্ষিণ শৰণীয়া প্ৰাথমিক বিদ্যালয়ত এক বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। দিনৰ ১০ বজাত অনুষ্ঠিত হোৱা চকু পৰীক্ষা শিবিৰ মুকলি কৰে মেয়ৰ মৃগেন শৰণীয়াই। তেওঁ নিজৰ ভাষণ প্ৰদান কৰি কয় যে এনেকুৱা প্ৰচেষ্টাই সমাজৰ দুখীয়া পৰিয়ালৰ ৰোগীক যথেষ্ট সহায় কৰে। লগতে উদ্দীপন ফাউণ্ডেচনক ধন্যবাদ জনোৱাৰ লগতে হাস্পতাল কৰ্তৃপক্ষক দুখীয়া ৰোগীক বিনামূলীয়া চিকিৎসা প্ৰদান কৰাৰ বাবে আহ্বান জনায় শৰণীয়াই। তেওঁ কয় যে অতিশীঘ্ৰেই দক্ষিণ শৰণীয়া-লাচিত নগৰৰ লগতে মহানগৰীৰ বিভিন্ন অঞ্চলত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰা হ'ব বুলি উল্লেখ কৰে। ইপিনে চকু পৰীক্ষা শিবিৰ মুকলি অনুষ্ঠানত বিশিষ্ট ব্যক্তি হিচাপে এ এছ জি আই হাস্পতালতৰ জ্যেষ্ঠ চকু ৰোগ বিশেষজ্ঞ ডাঃ গীতুমণি শৰ্মাই চকুৰ বিভিন্ন ৰোগ সন্দৰ্ভত সজাগতামূলক ভাষণ প্ৰদান কৰে। ইয়াৰ উপৰি সমল ব্যক্তি হিচাপে উদ্দীপন ফাউণ্ডেচনৰ মুখ্য উপদেষ্টা ৰাজীৱ দাস, দক্ষিণ শৰণীয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী হিৰণ গোস্বামী, ৩৬ নং ৱাৰ্ডৰ নৱ-নিৰ্বাচিত পাৰিষদ মেঘনা হাজৰিকা, উদ্দীপন ফাউণ্ডেচনৰ সভাপতি মনোজ ডেকা উপস্থিত থাকে। উল্লেখ্য, চকু পৰীক্ষা শিবিৰত প্ৰায় শতাধিক ব্যক্তিৰ চকু পৰীক্ষা কৰা হয়।

## বৰপেটাৰোড নাট্য সন্মিলনৰ অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ১৬ মে'** ঃ অসম নাট্য সন্মিলনৰ বৰপেটাৰোড সমিতিৰ কালি অধিৱেশনখনি অনুষ্ঠিত হয়। বৰপেটাৰোড শংকৰদেৱ শিশু নিকেতনৰ সভাগৃহত অনুষ্ঠিত অধিৱেশনখনিৰ সভাত সভাপতিত্ব কৰে বৰপেটা জিলা নাট্য সন্মিলনৰ সভাপতি তথা বৰপেটাৰোড নাট্য সন্মিলনৰ বিদায়ী সভাপতি জয়ন্ত কুমাৰ দাসে। সাধাৰণ সম্পাদক ৰাধেশ্যাম কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিত অসম নাট্য সন্মিলনৰ উদ্দেশ্য আৰু ইয়াৰ কাৰ্য পৰিসৰৰ ওপৰত বহলাই ব্যাখ্যা কৰে অসম নাট্য সন্মিলনৰ ৰত্নপীঠ মণ্ডলৰ উপসভাপতি দীপক শৰ্মা আৰু বৰপেটা জিলা নাট্য সন্মিলনৰ সম্পাদক নিকুঞ্জ মজুমদাৰে। উল্লেখ্য যে অসম নাট্য সন্মিলনৰ পৰৱৰ্তী অধিৱেশনখনি এইবাৰ অহা জানুৱাৰী মাহত বৰপেটাৰোডত অনুষ্ঠিত হ'ব। সভাত বৰপেটাৰোড নাট্য সন্মিলনৰ সমিতিখন নতুনকৈ গঠন কৰা হয়। সমিতিখনত অৰূপ কুমাৰ বায়নক সভাপতি, ৰেজাউল কৰিম আহমেদক কাৰ্যকৰী সভাপতি, পুলক চৌধুৰী, প্ৰণৱজ্যোতি ভূঞা, জয়মতী তালুকদাৰ আৰু বিজয় বৰ্মনক উপ-সভাপতি, ৰাধেশ্যাম কলিতা আৰু ৰণজিৎ তালুকদাৰক সাধাৰণ সম্পাদক, গৌতম চৌধুৰী, বিৰজা কাকতি আৰু ৰেখা ৰয়ক সহকাৰী সম্পাদক, ববিতা বৰগোহাঁই, বুবুল ডেকা, ৰমেন শৰ্মা আৰু মামণি তালুকদাৰক সাংগঠনিক সম্পাদক, দীপক কুমাৰ দাসক কোষাধ্যক্ষ, জয়ন্ত দাস আৰু ৰমেন কলিতাক কাৰ্যালয় সম্পাদক, অলকেশ বায়ন আৰু হিমাংশু দাসক প্ৰচাৰ সম্পাদক আৰু মুনীন্দ্ৰ কুমাৰ দাসক হিচাব পৰীক্ষক হিচাবে লৈ এখনি ৩১ জনীয়া সমিতি গঠন কৰা হয়। সভাই লগতে কুলেন চৌধুৰীক জিলা প্ৰতিনিধি আৰু অৰূপ বায়নক জিলা সমিতিৰ প্ৰচাৰ সম্পাদক হিচাবে নিৰ্বাচিত কৰে।



*চকুৱাখনাৰ কপৌহুৱা গাঁও সংযোগী গৰৈমাৰীত থকা বাঁহৰ দলংখন বানপানীয়ে উটুৱাই নিয়াৰ দৃশ্য*

## বানেইকুছিৰ ৰূপকোঁৱৰ বাগিচাত ঔষধি উদ্ভিদ ৰোপণ




**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৬ মে'** ঃ ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বানেইকুছিত শিশুসকলৰ সামগ্ৰিক কল্যাণৰ উদ্দেশ্যে গঠিত শিশু কল্যাণমূলক কেন্দ্ৰৰ উদ্যোগত স্থাপিত ৰূপকোঁৱৰ বাগিচাত যোৱা ১৫ মে'ত ঔষধি উদ্ভিদ ৰোপণৰ এখন আঁচনিৰ শুভ উদ্বোধন কৰে ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে। এই উপলক্ষে বানেইকুছি মাতৃ সেৱা সংঘ প্ৰাঙ্গণত অনুষ্ঠিত এখন ৰাজহুৱা সভাত বিধায়কগৰাকীয়ে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত এনে বৃক্ষ ৰোপণ তথা প্ৰকৃতভাৱে সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এনে এখন অভিলাষী আঁচনি গ্ৰহণ কৰা বাবে তেওঁ আয়োজকসকলৰ শলাগ লোৱাৰ লগতে প্ৰয়োজনীয় সহযোগ আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। শিশু কল্যাণমূলক কেন্দ্ৰৰ সভাপতি দেৱেন্দ্ৰ কুমাৰ কলিতাই আঁত ধৰা সভাত ছিপাঝাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা বিশিষ্ট সাহিত্যিক ডঃ ৰামচন্দ্ৰ ডেকা, দৰং জিলা সাহিত্য সভাৰ সভাপতি শৈলেন্দ্ৰ কুমাৰ ৰাজবংশী, দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ কুমাৰ ডেকা, ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ বিষয় শিক্ষক তথা সাহিত্যসেৱী পৱন কুমাৰ কলিতা আৰু ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী তথা সাহিত্যসেৱী দীপালী ডেকাই ভাষণ প্ৰদান কৰে। সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে বৰমপুৰ আৰু বুঢ়ীনগৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী যথাক্ৰমে নিৰুপমা হাজৰিকা, মামণি ডেকা আৰু আঞ্চলিক পঞ্চায়তৰ সদস্যা নীলিমা কলিতা। উল্লেখযোগ্য যে ৰূপকোঁৱৰ বাগিচাত বৃক্ষ ৰোপণৰ উপৰি শিশু উদ্যান, শিশু ওমলা গৃহ, মুকলি ব্যায়াম কেন্দ্ৰ, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিমূৰ্তি স্থাপনৰ উপৰি ঔষধি উদ্ভিদৰ বিষয়ে সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে উদ্ভিদ অধ্যয়ন কেন্দ্ৰ স্থাপনৰ আঁচনি গ্ৰহণ কৰিছে।

## সদ্য নিযুক্তিপ্ৰাপ্ত সমষ্টিৰ ১৮১গৰাকী যুৱক-যুৱতীক অভিনন্দন জনালে বিধায়ক পদ্মই

### মুখ্যমন্ত্ৰীৰ বলিষ্ঠ পদক্ষেপৰ বাবেই সম্পূৰ্ণ স্বচ্ছ-নিকাকৈ বৃহৎ নিযুক্তি দিবলৈ সক্ষম হৈছে চৰকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৬ মে'** ঃ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনক সকলো দিশতে আগুৱাই নিবৰ কাৰণে দিনে-নিশাই কষ্ট কৰিছে, ৰাজ্যখনক দেশৰ ৫খন ৰাজ্যৰ ভিতৰত এখন ৰাজ্য কৰি তোলাৰ চিন্তাৰে কাম-কাজ কৰি আছে। চৰকাৰ আৰু জনসাধাৰণৰ মাজৰ সাঁকোস্বৰূপ বিষয়া-কৰ্মচাৰীসকলে যদি ভালকৈ কাম কৰে এখন ৰাজ্যৰ সৰ্বাংগীণ উন্নতি হ'ব। --এই মন্তব্য চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ। অসম চৰকাৰৰ শিক্ষা-স্বাস্থ্য আৰু গৃহ বিভাগত সদ্য নিযুক্তিপ্ৰাপ্ত চতিয়া সমষ্টিৰ প্ৰায় ১৮১ গৰাকী যুৱক-যুৱতীক কালি বিশেষভাৱে সম্বৰ্ধনা জনাই এইদৰে কয় বিধায়ক পদ্ম হাজৰিকাই। সম্পূৰ্ণ স্বচ্ছ আৰু নিকাকৈ যোগ্যতাৰ ভিত্তিত নিযুক্তি লাভ কৰা সমষ্টিটোৰ প্ৰতিগৰাকী যুৱক-যুৱতীক একোখনকৈ ফুলাম গামোচা আৰু অভিনন্দন-পত্ৰৰে অভিনন্দন জনায় বিধায়কগৰাকীয়ে। সমষ্টিটোৰ নাগশংকৰ শৈৰপীঠ, জামুগুৰিহাটৰ বাপুজী ভৱন, ধলাইবিল সাহিত্য সভা ভৱন আৰু চাৰিদুৱাৰত পৃথকে পৃথকে সদ্য নিযুক্তিপ্ৰাপ্ত যুৱক-যুৱতীসকলক অভিনন্দন জনাই বিধায়ক পদ্ম হাজৰিকাই প্ৰতিগৰাকী যুৱক-যুৱতীক সততা আৰু নিষ্ঠাৰে নিজ নিজ কৰ্তব্য পালন কৰি সমষ্টিটোৰ নাম উজলাই তুলিবলৈও আহবান জনায়। মুখ্যমন্ত্ৰীৰ বলিষ্ঠ পদক্ষেপৰ বাবেই এইদৰে সম্পূৰ্ণ স্বচ্ছ আৰু নিকাকৈ যোগ্যতা আৰু দক্ষতাৰ ভিত্তিত বৃহৎ নিযুক্তি দিবলৈ চৰকাৰখন সক্ষম হৈছে বুলিও উল্লেখ কৰে বিধায়ক পদ্ম হাজৰিকাই। মুখ্যমন্ত্ৰীৰ নেতৃত্বত অচিৰেই দেশৰ পাঁচ ৰাজ্যৰ ভিতৰত অসমে স্থান লাভ কৰিবলৈ সক্ষম হ'বই বুলিও উল্লেখ কৰি নিযুক্তি লাভ কৰিবলৈ সক্ষম নোহোৱা আনসকল যুৱক-যুৱতীকো অনাগত দিনত উৎসাহ যোগাবলৈ আহবান জনায় বিধায়কগৰাকীয়ে। কালিৰ অনুষ্ঠানকেইটাত নাগশংকৰত চতিয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি লক্ষীকান্ত বৰা, নাগশংকৰ জিলা পৰিষদৰ সদস্য হিতেশ বৰুৱা, জামুগুৰিহাটত বৰভগীয়া জিলা পৰিষদৰ সদস্যা পলী চুতীয়া বৰা, জামুগুৰি পৌৰসভাৰ পৌৰপতি পল্লৱিতা শৰ্মা মহন্ত, উপ-পৌৰপতি অঞ্জন কলিতা আৰু পৌৰসভাৰ মেম্বাৰসকল, গোৰ্খা উন্নয়ন পৰিষদৰ কাৰ্যবাহী সদস্য মতি কুমাৰ নেৱাৰ, ধলাইবিলত মূঢ়াদল জিলা পৰিষদৰ সদস্য কিশোৰ দাহাল, দক্ষিণ মূঢ়াদল গাঁও পঞ্চায়তৰ সভাপতি দিলীপ সেনাপতি, পূব মূঢ়াদল গাঁও পঞ্চায়তৰ সভানেত্ৰী মেঘালী কলিতা, নদুৱাৰ মহিলা মৰ্চাৰ সভানেত্ৰী ৰূপালী বৰুৱা, নদুৱাৰ যুৱ মৰ্চাৰ সভাপতি ভাস্কৰ শইকীয়া, বিজেপি নদুৱাৰ মণ্ডল সামাজিক মাধ্যম কোষৰ আহ্বায়ক জগত বৰাসহ আহ্বায়ক ৰিতুৰাজ শৰ্মা, শোণিতপুৰ জিলা সামাজিক মাধ্যম কোষৰ সদস্য জ্ঞান নাথ, নদুৱাৰ মণ্ডলৰ সদস্য দীপক হাজৰিকাকে ধৰি দলীয় বিষয়ববীয়াসকলো উপস্থিত আছিল।

## হাঁহচৰা গণস্বৰ্ণ শঙ্কৰদেৱ শিশু নিকেতনত ব'হাগী উৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাঁহচৰা, ১৬ মে'** ঃ কালি যোৰহাট জিলাৰ জাঁজী হাঁহচৰাস্থিত গণস্বৰ্ণ শঙ্কৰদেৱ শিশু নিকেতনত উঠি অহা প্ৰজন্মক লোক-সংস্কৃতিৰে চিনাকি কৰোৱাৰ উদ্দেশ্যে কালি উদ্‌যাপন কৰেব'হাগী বিদায়। উল্লেখ্য যে বিদ্যালয়খনৰ উচ্চ মানৰ শিক্ষা ব্যৱস্থাৰ লগতে অসমৰবাপতি-সাহোন বিহু তথা অসমীয়া সংস্কৃতি শিশুসকলৰ মাজত চিনাকি কৰোৱাৰ উদ্দেশ্যে কৰা বিদ্যালয়খনৰ এই প্ৰচেষ্টাৰ স্থানীয় ৰাইজে যথেষ্ট শলাগ লৈছে। কালি ব'হাগী বিদায় শীৰ্ষক অনুষ্ঠানটোৰ আঁত ধৰে জ্যেষ্ঠ সংবাদ কৰ্মী ধ্ৰুৱজ্যোতি ভট্টাচাৰ্যই। বিদ্যালয়খনৰ প্ৰধান আচাৰ্যা বাসন্তী বৰঠাকুৰে সঞ্চালনা কৰা অনুষ্ঠানটোত পৰিচালনা সমিতিৰ সভাপতি ৰাজীৱ গোস্বামী, সম্পাদক প্ৰশান্তবৰা, চেলেংহাট প্ৰেছক্লাবৰ সভাপতি মদন মোহন পাগবন্ধা, সংবাদ কৰ্মী দেৱবিকাশ দত্তকে ধৰি বহুকেইজন গণ্যমান্য ব্যক্তি আৰু অভিভাৱক-অভিভাৱিকা উপস্থিত থাকে।

## মহুৰামুখৰ অফলাত মিচিং লোকনৃত্য প্ৰশিক্ষণৰ শুভাৰম্ভণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৬ মে'** ঃ বোকাখাত মহকুমাৰ মহুৰামুখ প্ৰেছ ক্লাব আৰু শিক্ষা আৰু সামাজিক উন্নয়ন ফ'ৰামৰ উদ্যোগত সঁজাল কুটীৰ আৰু স্থানীয় দল-সংগঠন আৰু ৰাইজৰ সহযোগত মহুৰামুখৰ অফলা ৰংগমঞ্চত গুমৰাগ, চেল্লয়া আৰু লেৰেলি মিচিং লোকনৃত্যৰ কালি শুভ উদ্বোধন কৰে মিচিং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য পুৰুষোত্তম দলেই। উদ্বোধনী ভাষণত দলেই কয় যে 'শুদ্ধ প্ৰশিক্ষণৰ অভাৱত মিচিং সমাজৰ লোকনৃত্যসমূহ বিভিন্ন সময়ত বিকৃত ৰূপত বিভিন্ন স্থানত উপস্থাপন আৰু প্ৰদৰ্শন কৰি আহিছে। মহুৰামুখ প্ৰেছ ক্লাবে কালিৰ পৰা আৰম্ভ কৰা মিচিং লোকনৃত্যৰ প্ৰশিক্ষণৰ দ্বাৰা মিচিঙৰ সাংস্কৃতিক দিশটো আগবঢ়াই নিয়াৰ ক্ষেত্ৰত যি ভূমিকা পালন কৰিছে সেয়া প্ৰশংসনীয়।' মহুৰামুখ প্ৰেছ ক্লাবৰ পদক্ষেপক প্ৰশংসা কৰাৰ লগতে মিচিং স্বায়ত্তশাসিত পৰিষদৰ যোগেও পৰৱৰ্তী সময়ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব বুলি উল্লেখ কৰে দলেই। অনুষ্ঠানত উপস্থিত থাকি অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক ডঃ পবিত্ৰ পেগু আৰু মিচিং দৌৰবু কেবাঙৰ প্ৰাক্তন সভাপতি সূৰুয কুমাৰ পাতিৰি, প্ৰশিক্ষক বিনন্দ য়েইন আৰু দীপ্তিৰাণী পেগু উপস্থিত থাকি মিচিং লোকনৃত্যৰ নিয়মাৱলী তথা নীতি-নিয়মৰ ওপৰত বক্তব্য দাঙি ধৰে। সভাত মিচিং স্বায়ত্তশাসিত পৰিষদৰ ধনশিৰি দিচৈ সমষ্টিৰ সাধাৰণ সদস্য সুধীৰ চন্দ্ৰ মৰাং আৰু বহুকেইটা স্থানীয় দল-সংগঠনৰ বিষয়ববীয়া উপস্থিত থাকে।

## তেজপুৰ আৰু বালিপৰাত ছিগিল পথ দলঙত সৃষ্টি হ'ল প্ৰকাণ্ড গাঁতৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৬ মে'** ঃ ধাৰাবাহিক বৰষুণৰ পৰিণতিত শোণিতপুৰৰ একাধিক অঞ্চলত বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল বুৰাই পেলোৱাৰ লগতে পথ আৰু পকী দলঙৰ ক্ষতিসাধন কৰিছে। উল্লেখযোগ্য যে তেজপুৰৰ নিকটৱৰ্তী অঞ্চল বেটনিঝাৰ আৰু কুকুৰবস্তি ঘগৰা আৰু ডিপোটা নৈৰ বানত বুৰ গৈছে। কালি পুৱা ঘগৰা নৈৰ বানে বেটনিঝাৰ পঞ্চায়তে নিৰ্মাণ কৰা বিন্দুকুৰি সংযোগী পথৰ এছোৱা কুকুৰবস্তি অঞ্চলত ছিঙি নিয়ে। ইয়াৰ পাছতে সমগ্ৰ অঞ্চলটো বানৰ কবলত পৰে। অঞ্চলটোৰ ৬৮টা পৰিয়ালৰ বাসগৃহ বৰ্তমান পানীৰ তলত। আনহাতে বেটনি অঞ্চলতো বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল বুৰাই পেলোৱাৰ উপৰি বৰ্তমান ইয়াৰ ২৮টা পৰিয়াল বানৰ কবলত পৰিছে। এই বানত বৃহত্তৰ অঞ্চলৰ বাম খেতি নষ্ট হোৱা বুলি ৰাইজে প্ৰকাশ কৰিছে। ইপিনে, কেইবাদিনো ধৰি অব্যাহত থকা নেৰানেপেৰা বৰষুণৰ ফলত তেজপুৰৰ নিকটৱৰ্তী বালিপৰাৰ জৰাসৰ নৈৰ ওপৰত থকা দলংখনত সৃষ্টি হৈছে এক বৃহৎ গাঁত। বালিপৰা-চাৰিদুৱাৰ-টাৱাং সংযোগী পথৰ ঢেকেৰীগাঁৱৰ সমীপত থকা জৰাসৰ দলঙত কালি হঠাতে দলঙৰ তলৰ মাটি খহি দলংখনৰ বালিপৰা দিশৰ ফালে সৃষ্টি হয় এটা বৃহৎ গাঁত। দলংখনত এনেদৰে এটা ভয়ংকৰ গাঁত সৃষ্টি হোৱাৰ ফলত দীৰ্ঘসময় যানবাহনৰ চলাচল বন্ধ হৈ যানজঁটৰ সৃষ্টি হয়। অৱশ্যে পাছত সীমান্ত পথ নিৰ্মাণকাৰী সন্থাৰ বিষয়ববীয়া, শ্ৰমিক উপস্থিত হৈ গাঁতটো মেৰামতি কৰে যদিও দলংখনৰ এনে অৱস্থাই ৰাইজক শংকিত কৰিছে। ইপিনে ৰাজ্যৰ লগতে অৰুণাচল প্ৰদেশত অব্যাহত ধাৰাসাৰ বৰষুণৰ ফলত তেজপুৰ তথা শোণিতপুৰত ব্ৰহ্মপুত্ৰৰ লগতে জীয়াভৰলী, গাভৰু, জৰাসৰকে ধৰি সকলো নদ-নদী তথা উপনৈসমূহৰ জলস্তৰ ক্ৰমান্বয়ে বৃদ্ধি পাইছে আৰু পৰিস্থিতি এনেদৰে থাকিলে শোণিতপুৰৰ আৰু অধিক অঞ্চল প্লাৱিত হোৱাৰ আশংকাও বৃদ্ধি পাইছে।



*বুদ্ধ পূৰ্ণিমা উপলক্ষে বামুণীমৈদামৰ বৌদ্ধ বিহাৰত ধৰ্মীয় প্ৰাৰ্থনাৰ দৃশ্য*

# বকো আঞ্চলিক বড়ো জাতীয় পৰিষদৰ ৩৮ সংখ্যক বাৰ্ষিক অধিৱেশন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৬ মে'** ঃ ৰাজ্যৰ থলগিৰি জনগোষ্ঠীৰ অন্যতম জনগোষ্ঠী বড়োসকলৰ স্বকীয় বৈশিষ্ট্যৰ বিধিব্যৱস্থাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে জনগোষ্ঠীটোৰ সামগ্ৰিক বিকাশৰ হকে কাম কৰি অহা সংগঠন বড়ো জাতীয় পৰিষদৰ বকো আঞ্চলিক সমিতিৰ কালি অধিৱেশন সম্পন্ন হয়। বড়ো সম্প্ৰদায়ৰ সামাজিক বিধিব্যৱস্থাৰ ওপৰত কাম-কাজ কৰি জনগোষ্ঠীটোৰ সৰ্বাংগীণ উন্নতিৰ স্বাৰ্থত অহৰহ চেষ্টা চলাই থকা সংগঠনটোৰ দুদিনীয়াকৈ আয়োজন কৰা অধিৱেশনৰ কালি সামৰণি পৰে। বকো আঞ্চলিক বড়ো জাতীয় পৰিষদৰ সভাপতি বিষ্ণু বসুমতাৰী আৰু সাধাৰণ সম্পাদক কমল চন্দ্ৰ বড়োৰে জনোৱা মতে বড়ো জনগোষ্ঠীৰ সমূহীয়া স্বাৰ্থৰ বাবে কাম কৰা সকলো সংগঠনৰ নেতৃবৃন্দৰ সহযোগত আয়োজন কৰা হৈছে বকো আঞ্চলিক বড়ো জাতীয় পৰিষদৰ অধিৱেশনখন। অধিৱেশনৰ প্ৰথম দিনা অৰ্থাৎ ১৪ মে'ৰ দিনা বড়ো সমাজৰ সামাজিক ৰীতি-নীতিৰ ওপৰত প্ৰচলিত ধৰ্মীয় পৰম্পৰা বাথৌ পূজাৰে আৰম্ভ কৰা অধিৱেশনত ভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানত ধৰ্মীয় আলোচনা-চক্ৰৰো আয়োজন কৰা হয়। প্ৰথম দিনা অনুষ্ঠিত হয় বাৰ্ষিক প্ৰতিনিধি সভা। বকো আঞ্চলিক বড়ো জাতীয় পৰিষদৰ অধিৱেশনৰ লগত সংগতি ৰাখি সংগঠনটোৰ বড়ো সামাজিক সংবিধান আনুষ্ঠানিকভাৱে উন্মোচন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ টংকেশ্বৰ ৰাভাই। লগতে বড়ো জাতীয় পৰিষদৰ মুখপত্ৰ 'বখাস্থি'খন আনুষ্ঠানিকভাৱে উন্মোচন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ নগৰমল স্বৰ্গীয়াৰীয়ে। ইফালে কালি সংগঠনটোৰ মূল অধিৱেশন। ৩৮ সংখ্যক বৰ্ষৰ বাবে আয়োজন কৰা অধিৱেশনৰ কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন; স্মৃতি তৰ্পণ; বৃক্ষ ৰোপণ। ইয়াৰ পিছতে আয়োজন কৰা হয় ২য় প্ৰতিনিধি সভা। আনহাতে অধিৱেশনৰ মূল কাৰ্যসূচী মুকলি সভা দিনৰ এক বজাত আয়োজন কৰা হয়। মুকলি সভাত পৌৰোহিত্য কৰে সভাপতি বিষ্ণু বসুমতাৰীয়ে। সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্য অনিল বসুমতাৰীয়ে। মুকলি সভাৰ আঁত ধৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ তথা বকো আঞ্চলিক বড়ো জাতীয় পৰিষদৰ উপ-সভাপতি নগৰমল স্বৰ্গীয়াৰীয়ে। বড়ো জাতীয় নৃত্য-গীতেৰে মুখৰিত হোৱা মুকলি সভাত উপস্থিত থাকে মুখ্য অতিথি হিচাপে বড়ো সাহিত্য সভাৰ সভাপতি তৰেন বড়ো; বড়ো সাহিত্য সভাৰ বকো আঞ্চলিক সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক তথা বড়ো, জনগোষ্ঠীৰ নেতা স্বাধীন বড়ো নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে। মুকলি সভাত আই ডি টি পিৰ অধ্যক্ষা লাৱণ্য বড়ো; বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ বহুকেইজন কাৰ্যবাহী সদস্য আৰু ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ বহুকেইজন কাৰ্যবাহী তথা সাধাৰণ পাৰিষদৰ উপৰি বড়ো সমাজৰ জ্যেষ্ঠ সমাজ সংগঠক প্ৰফুল্ল বড়ো। বিশিষ্ট সমাজকৰ্মী তথা উদ্যোগপতি শান্তি কুমাৰ জৈনৰ লগতে বড়ো কৃষ্টি সন্মিলনীৰ সভাপতি নিৰণ খাখলাৰী আদিকে ধৰি বহুসংখ্যক বড়ো জাতীয় নেতা আৰু বহুসংখ্যক প্ৰাথমিক শাখাৰ সভাপতি আৰু সম্পাদকসকল। আনহাতে বকো আঞ্চলিক বড়ো জাতীয় পৰিষদৰ সভাপতি বিষ্ণু বসুমতাৰী আৰু সাধাৰণ সম্পাদক কমল চন্দ্ৰ বড়োৰে জনোৱা মতে অধিৱেশনৰ লগত সংগতি ৰাখি আয়োজন কৰা প্ৰতিনিধি সভাত আগন্তুক তিনিটা বৰ্ষৰ বাবে পুনৰ বিষ্ণু বসুমতাৰীক সভাপতি আৰু সম্পাদক হিচাপে নিৰণ খাখলাৰী মনোনীত হৈছে। ইফালে বকো আঞ্চলিক বড়ো জাতীয় পৰিষদৰ অধিৱেশনত জনগোষ্ঠীটোৰ সামগ্ৰিক বিকাশৰ ওপৰত আলোকপাত কৰি জনগোষ্ঠীটোৰ সমস্যাৰ সমাধান কল্পে বিহিত ব্যৱস্থা গ্ৰহণৰ আলোকপাত কৰে।

# নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ নৱনিৰ্মিত গৃহ-তোৰণ মুকলি

## বিধায়ক জিতু গোস্বামী আৰু ৰূপক শৰ্মাৰ অংশগ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ১৬ মে' ঃ** অসম ব্ৰাহ্মণ সমাজৰ অধীৰ নগাঁও জিলা ব্ৰাহ্মণ সমাজ নতুন বাদল গাঁৱত থকা জিলা কাৰ্যালয়ৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱা গৃহ আৰু তোৰণৰ উদ্বোধন উপলক্ষে কালি এখন মুকলি সভা অনুষ্ঠিত হয়। জিলা কাৰ্যালয়টোৰ অস্থায়ী প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা মুকলি সভাত সভাপতিত্ব কৰে নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি ৰবীন্দ্ৰ নাথ শৰ্মাই। জিলা সম্পাদক নৰেন্দ্ৰ নাথ শৰ্মাই আঁত ধৰা সভাত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা উপস্থিত থকাৰ উপৰি নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ প্ৰাক্তন সভাপতি লক্ষ্মীনাৰায়ণ শৰ্মা, অসম ব্ৰাহ্মণ সমাজৰ প্ৰধান সম্পাদক গণেশ শৰ্মা, শিক্ষা বিষয়া প্ৰবীণ চন্দ্ৰ শৰ্মা, অসম মহিলা ব্ৰাহ্মণ সমাজৰ সম্পাদিকা সবিতা দেৱী, উপ-সভানেত্ৰী লাৱণ্য ভট্টাচাৰ্যৰ উপৰি নগাঁও মহিলা ব্ৰাহ্মণ সমাজৰ বিষয়ববীয়াসকলৰ উপৰি নগাঁও আৰু হোজাই জিলাৰ প্ৰায় তিনি শতাধিক কৰ্মকৰ্তা উপস্থিত থাকে। সভাত বিধায়ক জিতু গোস্বামী উপস্থিত থাকি সমষ্টিৰ বিভিন্ন স্থানত থকা ধৰ্মীয় উপাসনাস্থলীসমূহৰ উন্নয়নৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি বিধায়ক হোৱাৰ পিছত বিধায়ক পুঁজিৰ প্ৰথম ধন এই কাৰ্যালয়টো নিৰ্মাণৰ ক্ষেত্ৰত দিয়া হৈছে। এই বিধায়ক পুঁজিৰ পাঁচ লাখ টকা ইতিমধ্যে কাম কৰি সম্পূৰ্ণ কৰাৰ পিছত কালি বিধায়কগৰাকীয়ে নিজে ফিতা কাটি কাৰ্যালয়টো উদ্বোধন কৰাৰ লগতে সমাজৰ উন্নয়নৰ দিশটো লক্ষ্য ৰাখি সুতাৰগাঁও পঞ্চায়তৰ সভানেত্ৰীৰ সহযোগত আৰু পাঁচ লাখ টকা দিয়াৰ কথা ঘোষণা কৰে। ইফালে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত থাকি ব্ৰাহ্মণ সমাজক সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। ইফালে ব্ৰাহ্মণ পৰিয়ালৰ শিক্ষিত যুৱকসকলে বৈদিক ক্ৰিয়া-কৰ্মৰ প্ৰতি আকৃষ্ট হোৱা উচিত বুলি উল্লেখ কৰি এই ক্ৰিয়া-কৰ্মৰ জৰিয়তে নিজকে সংস্থাপিত কৰিব পাৰে বুলি উল্লেখ কৰে। বৈদিক কৰ্মৰ প্ৰতি যিসকল লোক আগ্ৰহী সেইসকল লোকে বহু সময়ত উপযুক্ত পুৰোহিতৰ অভাৱ অনুভৱ কৰে। এই ক্ষেত্ৰত ব্ৰাহ্মণৰ যুৱকসকলে বৈদিক গ্ৰন্থসমূহ অধ্যয়ন কৰি নিজকে সমাজত এজন পুৰোহিত হিচাপে প্ৰতিষ্ঠা কৰাৰ সময় আহি পৰিছে বুলি উল্লেখ কৰে। সভাত অসম ব্ৰাহ্মণ সমাজৰ প্ৰধান সম্পাদক গণেশ শৰ্মাৰ উপৰি নগাঁও জিলা সমাজৰ প্ৰাক্তন সভাপতি লক্ষ্মীনাৰায়ণ শৰ্মাই সমাজৰ উন্নয়নৰ ওপৰত দীঘলীয়া ভাষণ আগবঢ়ায়। সভাত অসম মহিলা ব্ৰাহ্মণ সমাজৰ উপ-সভানেত্ৰী লাৱণ্য ভট্টাচাৰ্য উপস্থিত থাকি ভাষণ প্ৰসংগত ব্ৰাহ্মণ মহিলাসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ ওপৰত ভাষণ আগবঢ়ায়। নাৰীয়ে সকলো কৰিব পাৰে বুলি উল্লেখ কৰি তেওঁ ল'ৰা-ছোৱালীক সংস্কাৰ দিয়াৰ ক্ষেত্ৰত ঘৰৰ মহিলাগৰাকীয়ে উল্লেখযোগ্য ভূমিকা পালন কৰিব পাৰে। নিজৰ কৃষ্টি-সংস্কৃতি জীয়াই ৰখাৰ ক্ষেত্ৰত নিজৰ ল'ৰা-ছোৱালীক মাকে বহু কথাৰ শিক্ষা দি সমাজত সু-নাগৰিক হিচাপে গঢ় দিব পাৰে। সভাত অসম মহিলা ব্ৰাহ্মণ সমাজৰ প্ৰধান সম্পাদিকা সবিতা দেৱীয়ে ভাষণ প্ৰসংগত সমাজৰ উন্নয়নৰ দিশত আলোকপাত কৰে। সভাৰ শেষত সভাপতি ৰবীন্দ্ৰ নাথ শৰ্মাই নগাঁও জিলাত থকা সকলো ব্ৰাহ্মণ পৰিয়ালক ওলাই আহি সমাজখনক আগবঢ়াই নিবলৈ আহ্বান জনায়। বিশেষকৈ ১৯৭৩ চনতে স্থাপিত নগাঁও জিলা ব্ৰাহ্মণ সমাজে পূৰ্বৰ তুলনাত যথেষ্ট আগবাঢ়ি গৈছে বুলি উল্লেখ কৰি সমাজৰ এটা নিজা গৃহ হৈছে আৰু ভূমিদাতাসকলৰ জৰিয়তে লাভ কৰা ভূমিত নিজা গৃহৰ কাষতে থকা মাটিত আন কেইবাটাও আঁচনি হাতত লৈ সমাজখনক আগবঢ়াই নিয়াৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰে। ভাষণ প্ৰসংগত তেওঁ কয় নে অবিভক্ত নগাঁও জিলাত বৃহৎসংখ্যক ব্ৰাহ্মণ পৰিয়াল আছে। এই সকলো ব্ৰাহ্মণ পৰিয়াল আগবাঢ়ি আহিলে অসম ব্ৰাহ্মণ সমাজ বহুদূৰ আগবাঢ়ি যাব বুলি উল্লেখ কৰে। সভাৰ আৰম্ভণিতে শিৱ শ্লোক পাঠ কৰে শশাংক শেখৰ শৰ্মা আৰু তেওঁৰ জীয়াৰীয়ে। ইয়াৰ পিছতে গীতা শ্লোক আৰু গণেশ বন্দনা পাঠ কৰে ৰামচন্দ্ৰ গোস্বামীয়ে। কালি এই মুকলি সভা অনুষ্ঠিত হোৱাৰ পূৰ্বে পুৱা ৯.৩০ বজাত সমাজৰ পতাকা উত্তোলন কৰে জিলা সভাপতি ৰবীন্দ্ৰ নাথ শৰ্মাই, ইয়াৰ পিছতে প্ৰয়াত যোগেন শৰ্মাৰ স্মৃতিত দীপ্তি শৰ্মাই আগবঢ়োৱা তোৰণ উন্মোচন কৰা হয়। সম্পূৰ্ণ বৈদিক পৰম্পৰাৰে তোৰণ উন্মোচন কৰাৰ পিছতে ১০ বজাত স্মৃতি তৰ্পণ কৰে বিপুল চন্দ্ৰ শৰ্মাই। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি সমাজৰ কাৰ্যালয়ৰ লগতে থকা শিৱ মন্দিৰত শিৱ হোম, বিষ্ণু হোম আৰু বেদ পাঠ কাৰ্যসূচী অনুষ্ঠিত হয়। কালিৰ দিনজোৰাকৈ অনুষ্ঠিত হোৱা কাৰ্যসূচীত ভূমি দাতা, কাৰ্যালয়ৰ চৌহদৰ বেৰৰ দাতা, কাৰ্যালয়ৰ গৃহৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱা দাতাসকলৰ লগতে সমাজত সততে বুজন পৰিমাণৰ আৰ্থিক অনুদান দি সমাজখনক আগবঢ়াই নিয়া দাতাসকলক বিশেষভাৱে আদৰণি জনোৱা হয়।



জামুগুৰিহাটৰ টুপীয়াত সোণালী জয়ন্তী বৰ্ষ উপলক্ষে সদৌ অসম ভিত্তিত ভৰলীপৰীয়া বিহুৱতী প্ৰতিযোগিতাৰ আয়োজন

# বৰ্তমানৰ নৱপ্ৰজন্মই নিজৰ জাতিক সন্মান দিলেহে কলা-সংস্কৃতি জীয়াই থাকিব ঃ সোমনাথ বৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নদুৱাৰ, ১৬ মে' ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ উত্তৰাঞ্চলৰ টুপীয়াত সোণালী জয়ন্তী সমাৰোহ উপলক্ষে বছৰজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা এই বৰ্ষৰ প্ৰথম কাৰ্যসূচী সদৌ অসম ভিত্তিত ভৰলীপৰীয়া বিহুৱতী প্ৰতিযোগিতাৰ প্ৰয়াত অনুপমা ভাগৱতী সোঁৱৰণী মঞ্চভাগৰ শুভ উদ্বোধন কৰে জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জীৱন বৰাই আৰু চতিয়া বিধানসভা সমষ্টিৰ বিধায়ক তথা টুপীয়া পাঁচগাঁও ব'হাগী মেলাৰ সোণালী জয়ন্তী সমাৰোহভাগৰ সভাপতি পদ্ম হাজৰিকাই আদৰণী ভাষণ প্ৰদান কৰি অনুষ্ঠানভাগৰ শুভাৰম্ভ কৰে। উক্ত বিহুৱতী প্ৰতিযোগিতাখনিত মুখ্য অতিথি তথা বিচাৰক হিচাপে উপস্থিত থাকে অসমৰ প্ৰখ্যাত ঢোলৰ ওজা হিচাপে খ্যাত সোমনাথ বৰা, লতাশিল বিহুৰ ২০০৫ বৰ্ষৰ বিহু সম্ৰাজ্ঞী সংগীতা কাকতি গোস্বামী আৰু অসমৰ অন্যতম বিহুৱা স্নিগ্ধ শইকীয়া। অসমৰ ঢোলৰ ওজা সোমনাথ বৰাই কয়- 'বৰ্তমানৰ নৱপ্ৰজন্মসকলে নিজৰ জাতিক সন্মান কৰিব শিকিলেহে ভৱিষ্যতলৈ জাতিটোৰ কলা-সংস্কৃতি জীয়াই থাকিব।' সদৌ অসম ভিত্তিত ভৰলীপৰীয়া বিহুৱতী প্ৰতিযোগিতাখনত অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ২৫গৰাকীকৈ বিহুৱতীয়ে অংশগ্ৰহণ কৰে। অংশগ্ৰহণ কৰা বিহুৱতী প্ৰতিযোগীসকলক এখনি ফুলাম গামোচা, এখনি প্ৰশংসা-পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে উদ্‌যাপন কমিটীয়ে।

# কস্তুৰবা গান্ধী আশ্ৰমত সবিতা দত্ত গোস্বামীৰ গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ১৬ মে' ঃ** কালি উলুবাৰী শৰণীয়া পাহাৰত অৱস্থিত কস্তুৰবা গান্ধী আশ্ৰমত এক অনাড়ম্বৰ অনুষ্ঠানত সবিতা দত্ত গোস্বামীৰ 'এৰি অহা দিন মোৰ সোণালী সুদিন' শীৰ্ষক গ্ৰন্থ এখন উন্মোচন কৰা হয়। আশ্ৰমৰ গান্ধীঘৰত জ্যেষ্ঠ-কনিষ্ঠ সকলো গ্ৰামসেৱিকাৰ উপস্থিতিত বিষ্ণু সহস্ৰনাম পাঠ কৰি গ্ৰন্থখন উন্মোচন কৰে বৰ্তমান আশ্ৰমৰ তত্ত্বাৱধায়ক তথা কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক নিধিৰ সদস্যা কুসুম বৰা মোকাশী আৰু আশ্ৰমৰ প্ৰতিনিধি বিউটি বৰুৱাই। উন্মোচনী ভাষণত কুসুম বৰা মোকাশীয়ে কয় যে এতিয়ালৈকে এই প্ৰতিষ্ঠানৰ গ্ৰামসেৱিকা প্ৰশিক্ষণ গ্ৰহণ কৰি যিসকল মহিলাই অসমৰ বিভিন্ন ঠাইত সেৱা আগবঢ়াই আছে বা অনেকেই হয়তো ইতিমধ্যে অৱসৰো গ্ৰহণ কৰিছে, সেইসকলৰ কোনেও কস্তুৰবা আশ্ৰমৰ বিষয়ে বা আশ্ৰমৰ কাম-কাজৰ বিষয়ে লিখি গ্ৰন্থ প্ৰকাশ কৰা আমাৰ চকুত পৰা নাই। সবিতা দত্ত গোস্বামীয়ে আশ্ৰমৰ বিভিন্ন দিশ সামৰি যুগুত কৰা এই গ্ৰন্থখনৰ বাবে তেওঁ ধন্যবাদৰ পাত্ৰ। এই অনুষ্ঠানটোৰ প্ৰতি তেওঁৰ অন্তৰত গভীৰ শ্ৰদ্ধাৰ ভাব নাথাকিলে এয়া হয়তো সম্ভৱ নহ'লহেঁতেন। অনুষ্ঠানত বিউটি বৰুৱায়ো দুআষাৰ কয়। উল্লেখ্য যে সবিতা দত্ত গোস্বামী কস্তুৰবা গান্ধী আশ্ৰমৰ প্ৰাক্তন গ্ৰামসেৱিকা। অনুষ্ঠানত জ্যেষ্ঠ সেৱিকা দময়ন্তী দেৱী আৰু নবীন লেখিকা কৰবী দত্তও উপস্থিত আছিল। গ্ৰন্থখনৰ লেখিকা সবিতা দত্ত গোস্বামীয়ে গ্ৰামসেৱিকা হিচাপে আৰু তাৰ পাছত আজাৰাত থকা এছ অ' এছ শিশুগ্ৰামত প্ৰতিষ্ঠা কালৰ শিশু পৰিচৰ্যাকাৰী হিচাপে আৰু বামুণীমৈদামৰ ইষ্ট এণ্ড নাৰ্ছিং হোমত নাৰ্ছ প্ৰশিক্ষাৰ্থী হিচাপে সেৱা আগবঢ়োৱাৰ অভিজ্ঞতা বৰ্ণাই গ্ৰন্থখন যুগুত কৰা হৈছে বুলি জনায়। সেই সূত্ৰে কালি আজাৰাৰ শিশুগ্ৰামত উপস্থিত হৈ বৰ্তমানৰ সঞ্চালক সুবোধ দাসক গ্ৰন্থখনৰ দুটা কপি দিয়া হয় আৰু নতুন দিল্লীৰ এছ অ' এছ শিশুগ্ৰামৰ মুখ্য কাৰ্যালয়লৈও পঠোৱাৰ বাবে তেওঁৰ হাতত দুকপি গ্ৰন্থ জমা দিয়া হয় বুলি প্ৰকাশকে জনাইছে।

# নগাঁৱৰ এডিপি কলেজত আন্তৰ্জাতিক কৰ্মশালা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৬ মে' ঃ** নগাঁৱৰ অগ্ৰণী শিক্ষানুষ্ঠান এডিপি কলেজত কালি 'বেছিক এপ্লিকেচন অৱ ৰিমট ছেন্সিং এণ্ড জিআইএছ' শীৰ্ষক এখনি আন্তৰ্জাতিক কৰ্মশালা সম্পন্ন হয়। জিঅ'ইনফৰমেটিক চেণ্টাৰ, এছিয়ান ইনষ্টিটিউট অৱ টেকনোলজী, বেংকক, থাইলেণ্ডৰ সহযোগত অনুষ্ঠিত উক্ত কৰ্মশালাত জিআইটি, এআইটি বেংককৰ সঞ্চালক ডঃ মঞ্জুল কুমাৰ হাজৰিকাই সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে। কৰ্মশালাত তেখেতে বেছিক এপ্লিকেচন অৱ ৰিমট ছেন্সিং এণ্ড জিআইএছৰ ওপৰত এটা মনোজ্ঞ আলোচনা আগবঢ়ায়। বৰ্তমান সময়ত ৰিমট ছেন্সিঙৰ গুৰুত্ব, ইয়াৰ উপকাৰিতা সম্পৰ্কে আলোকপাত কৰি ডঃ হাজৰিকাই অংশগ্ৰহণকাৰী গৱেষক ছাত্ৰ-ছাত্ৰী, শিক্ষকসকলৰ লগত আন্তৰিকতাৰে মত বিনিময় কৰে। কলেজৰ ভূগোল বিভাগৰ উদ্যোগত অনুষ্ঠিত কৰ্মশালাত ডঃ লক্ষ্মীকুমাৰী সিং আৰু অধ্যাপিকা হিনা খানে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ অন্তত কলেজৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ অধ্যাপক জয় কুমাৰ সিংহদেৱে সমল ব্যক্তি, ডঃ মঞ্জুল হাজৰিকা আৰু অংশগ্ৰহণকৰী সকলোকে কৃতজ্ঞতা জনোৱাৰ লগতে এনেধৰণৰ আন্তৰ্জাতিক পৰ্যায়ৰ কৰ্মশালাসমূহে ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাসকলৰ বিদ্যায়তনিক দিশটোক আগুৱাই নিয়াত যথেষ্ট সহায়ক হ'ব বুলি মন্তব্য কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষগৰাকীয়ে পৰৱৰ্তী সময়তো এনেকুৱা আলোচনা-চক্ৰ অনুষ্ঠিত কৰা বুলি জানিবলৈ দিয়ে।

# অসম আৰক্ষীত নিযুক্তি লাভ কৰা তিনিগৰাকীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ১৬ মে' ঃ** অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰখনে এটা বছৰৰ ভিতৰত এক লাখ নিবনুৱাক চাকৰি দিয়াৰ কথা ঘোষণা কৰিছিল। তাৰে এটা অংশ প্ৰায় ২৩ হাজাৰ নিবনুৱাক শনিবাৰে প্ৰদান কৰে নিযুক্তি। উক্ত নিযুক্তিত গৃহ বিভাগৰ অসম আৰক্ষীৰ চাকৰিত মকৰল লাভ কৰিছিল তিনিচুকীয়া জিলাৰ ফিল'বাৰী ৰংপুৰ আৰু ৰবৰগুৰি গাঁৱৰ তিনিজন যুৱকে। এই যুৱককেইজনক কালি সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ ৰংপুৰ আৰু ৰবৰগুৰি শাখা সমিতিৰ উদ্যোগত ভানুভক্ত যুৱক সংঘৰ কাৰ্যালয়ত অনুষ্ঠিত এক অভিনন্দন অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। ফিল'বাৰী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক দিল্লীৰাম কাৰ্কীয়ে সভাপতিত্ব কৰা অভিনন্দন অনুষ্ঠানৰ আঁত ধৰে ৰংপুৰ শাখা সমিতিৰ সভাপতি যুৱৰাজ লিম্বুৱে। অভিনন্দন অনুষ্ঠানত উপস্থিত থাকি বক্তব্য আগবঢ়ায় ফিল'বাৰী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি ঘনশ্যাম চেত্ৰী, সহকাৰী সম্পাদক প্ৰদীপ কাৰ্কী, প্ৰাক্তন আলোচনী সম্পাদক কুলদীপ লিম্বু, সাংস্কৃতিক সম্পাদক ৰাজ থাপাই। অভিনন্দন অনুষ্ঠানত অসম আৰক্ষী বিভাগত নিযুক্তি লাভ কৰা গোৰ্খা ছাত্ৰ সন্থাৰ ফিল'বাৰী আঞ্চলিক সমিতিৰ প্ৰচাৰ সম্পাদক প্ৰবীণ (গোপাল) চেত্ৰী, ৰংপুৰ শাখা সমিতিৰ শিক্ষা সম্পাদক সুৰজ লিম্বু আৰু ৰবৰগুৰি শাখা সমিতিৰ উপ-সভাপতি ৰাজ লিম্বুক সম্বৰ্ধনা জনায়। তিনিগৰাকী নিযুক্তি লাভ কৰা যুৱকে গোৰ্খা ছাত্ৰ সন্থাক প্ৰতিনিধিত্ব কৰি নিজৰ দায়িত্ব নিয়মীয়াকৈ চলাই নিয়াৰ লগতে ২০১৮ চনৰ পৰাই অসম আৰক্ষীত নিযুক্তিৰ বাবে শৰীৰ চৰ্চা কৰি আহিছিল। উক্ত সম্বৰ্ধনা অনুষ্ঠানতেই ভানুভক্ত যুৱক সংঘ আৰু ৰাধা-কৃষ্ণ যুৱক সংঘই ফুলাম গামোচাৰে অভিনন্দন জনায়। সম্বৰ্ধনা কাৰ্যসূচীত ভানুভক্ত যুৱক সংঘৰ সম্পাদক জিটুল থাপা, ৰাধা-কৃষ্ণ যুৱক সংঘৰ সভাপতি অজয় (বিশাল) চেত্ৰী আৰু সম্পাদক বিকু নিৰলা উপস্থিত থাকে।

### বঙাইগাঁও চেম্বাৰ অৱ কমাৰ্চৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা

# স্মৰণিকা উন্মোচন, নাককাটিৰ বিশিষ্ট উদ্যমী উদ্যোক্তা প্ৰহ্লাদ সিংহক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৬ মে' ঃ** বৃহত্তৰ বঙাইগাঁও চেম্বাৰ অৱ কমাৰ্চৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখন দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে বঙাইগাঁৱৰ অ'ল্ড কলনীস্থিত ৰে'লৱে ইনষ্টিটিউট প্ৰাংগণত অনুষ্ঠিত হৈ যায়। বৃহত্তৰ বঙাইগাঁও চেম্বাৰ অৱ কমাৰ্চৰ সভাপতি নিৰ্মল কুমাৰ বৈদে পতাকা উত্তোলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে বন্তিপ্ৰজ্বলন কৰে বঙাইগাঁও সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰীয়ে। অনুষ্ঠানত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ গোকুল বৰ্মন, বঙাইগাঁও পৌৰসভাৰ পৌৰপতি সুবোধ কুমাৰ দাস, বঙাইগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক লুনা সোণোৱাল, বিশিষ্ট শিশুৰোগ বিশেষজ্ঞ ডা: আই বৰদলৈসহ কেবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। একেটা অনুষ্ঠানতে প্ৰশান্ত ৰায়ৰ সম্পাদনাত প্ৰকাশিত 'চেম্বাৰ্ছ ডায়লগ' নামৰ এখনি স্মৰণিকা উন্মোচন কৰা হয়। স্মৰণিকাখন উন্মোচন কৰে বঙাইগাঁও পৌৰসভাৰ পৌৰপতি সুবোধ চন্দ্ৰ দাসে। উল্লেখ্য, বঙাইগাঁও জিলাৰ নাককাটিৰ বিশিষ্ট উদ্যমী উদ্যোক্তা প্ৰ াদ সিংহক অনুষ্ঠানত সম্বৰ্ধনা জনোৱাৰ লগতে মানপত্ৰ প্ৰদান কৰা হয় আৰু তেওঁলৈ ১১ হেজাৰ টকাৰ চেক প্ৰদান কৰা হয়। বিশিষ্ট সমাজকৰ্মী প্ৰবীণ বৈশ্যই আঁত ধৰা অনুষ্ঠানত অভয়াপুৰীৰ শুক্লধ্বজ দলে লোকবাদ্য আৰু লোককৃষ্টি প্ৰদৰ্শন কৰাৰ লগতে ৰাজস্থানী লোককৃষ্টি প্ৰদৰ্শন কৰে। শেষত অনুষ্ঠিত সাধাৰণ সভাত বিগত দিনত বঙাইগাঁও চেম্বাৰ অৱ কমাৰ্চে কৰি অহা সাংগঠনিক কাম-কাজৰ খতিয়ান দাঙি ধৰাৰ লগতে সভাত বঙাইগাঁও চহৰ তথা চহৰখনৰ ব্যৱসায়ীসকলৰ বিভিন্ন সমস্যাসমূহক লৈ বিস্তৃত আলোচনা কৰা হয়।

### নগৰবেৰাৰ টুপামাৰী চ'কবজাৰত নিশা চাঞ্চল্যকৰ চুৰিকাণ্ড

# চাৰিখনকৈ দোকানৰ পৰা নগধ ধনসহ চোৰে লুটি নিয়ে চাৰি লক্ষাধিক টকাৰ সা-সামগ্ৰী



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৬ মে' ঃ** কামৰূপৰ বকো সমষ্টিৰ টুপামাৰী আৰক্ষী চকীৰ অন্তৰ্গত ২ নং টুপামাৰী চ'কবজাৰত যোৱানিশা সংঘটিত হয় এক চাঞ্চল্যকৰ চুৰিকাণ্ড। জানিব পৰা মতে নিশাৰ ভিতৰতে চাৰিটাখনকৈ দোকানত চোৰে চলায় লুটপাত। ৰাতিৰ এন্ধাৰৰ সুযোগ লৈ বজাৰখনৰ চাৰিখনকৈ দোকানঘৰৰ দুৱাৰৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰি লুটি নিয়ে নগদ ধনসহ সা-সামগ্ৰী। বজাৰখনৰ আমিনুল হকৰ ফাৰ্মাচী দোকান, মুন্নাফ আলী, ময়নুল হক আৰু ছফিকুল ইছলামৰ গেলামালৰ দোকানত সংঘটিত হয় এই চাঞ্চল্যকৰ চুৰিকাণ্ড। দীৰ্ঘদিনৰে পৰা অঞ্চলটোত অব্যাহত আছে ড্ৰাগ্‌ছ আৰু জুৱাখেলৰ আড্ডা আৰু এনে অবৈধ জুৱাখেলৰ বাবেই এই চুৰিকাণ্ড সংঘটিত হোৱা বুলি ধাৰণা কৰিছে অঞ্চলটোৰ ৰাইজে। সমগ্ৰ চুৰিকাণ্ড সন্দৰ্ভত ন্যায় বিচাৰি টুপামাৰী আৰক্ষীৰ কাষ চাপিছে ভুক্তভোগী দোকানীকেইজন। ইতিমধ্যে টুপামাৰী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ চুৰিকাণ্ড সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে কিছুদিন পূৰ্বে অনুৰূপ ধৰণে বজাৰখনত সংঘটিত হৈছিল চুৰিকাণ্ড কিন্তু আৰক্ষীয়ে কোনো চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই। সেয়ে স্থানীয় সচেতন ৰাইজে শীঘ্ৰে তদন্ত কৰি চুৰিকাণ্ডৰ লগত জড়িত থকা চোৰক কৰায়ত্ত কৰি কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে জিলা প্ৰশাসনৰ লগতে স্থানীয় আৰক্ষীক দাবী জনাইছে।

# অসম প্ৰাদেশিক যোগী সন্মিলনীৰ অন্তৰ্গত মৰিগাঁও জিলা যোগী সন্মিলনীৰ সমিতি ভংগ কৰি তদৰ্থ সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৬ মে' ঃ** অসম প্ৰাদেশিক যোগী সন্মিলনীৰ অন্তৰ্গত মৰিগাঁও জিলা যোগী সন্মিলনীখন ভংগ কৰি কালি এখন তদৰ্থ সমিতি গঠন কৰা হয়। এই উপলক্ষে অসম প্ৰাদেশিক যোগী সন্মিলনীৰ সভাপতি ড° দীনেশ কাকতি নাথ আৰু সম্পাদক তথা অসম নাথ সাহিত্য পৰিষদৰ সম্পাদক হিৰণ্য কুমাৰ নাথৰ উপস্থিতিত মৰিগাঁও পৰাগ নিকেতনত অসম প্ৰাদেশিক যোগী সন্মিলনীৰ সভাপতি ড° নাথৰ নিৰ্দেশ অনুসৰি মৰিগাঁও জিলা যোগী সন্মিলনীৰ তদৰ্থ সমিতিখন গঠন কৰা হয়। উল্লেখ্য যে বিগত ২৪-১০-২০২১ তাৰিখে অসম প্ৰাদেশিক যোগী সন্মিলনীৰ চাংসাৰিত অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহক সভাই মৰিগাঁও জিলা যোগী সন্মিলনীখন ভংগ কৰি দিয়াৰ এক প্ৰস্তাৱ গ্ৰহণ কৰিছিল। উক্ত প্ৰস্তাৱৰ আধাৰত মৰিগাঁও জিলা যোগী সন্মিলনীখন ভংগ কৰি তদৰ্থ সমিতিখন গঠন কৰি দিয়াৰ লগতে অহা ২৬ জুনৰ পূৰ্বে অধিৱেশন অনুষ্ঠিত কৰি পূৰ্ণাংগ মৰিগাঁও জিলা যোগী সন্মিলনীখন গঠন কৰিবলৈ নিৰ্দেশনা জাৰি কৰে। আনুষ্ঠানিকভাৱে গঠন হোৱা মৰিগাঁও জিলা সন্মিলনীৰ প্ৰতিনিধিয়েহে ২৬ জুনত শিৱসাগৰত অনুষ্ঠিত হ'বলগীয়া অসম প্ৰাদেশিক যোগী সন্মিলনীৰ মধ্যকালীন অধিৱেশনত প্ৰতিনিধিত্ব কৰিব পাৰিব বুলি সভাপতি কাকতিয়ে মন্তব্য কৰে। অসম প্ৰাদেশিক যোগী সন্মিলনীৰ সভাপতিয়ে মৰিগাঁও জিলা যোগী সন্মিলনীৰ তদৰ্থ সমিতিখনত মুখ্য উপদেষ্টা গদাধৰ নাথ, সভাপতি জিতেন চন্দ্ৰ নাথ, কাৰ্যকৰী সভাপতি ডাঃ কবিন চন্দ্ৰ নাথ, উপ-সভাপতি পবিত্ৰ কুমাৰ নাথ, কল্পতৰু চৌধুৰী, লক্ষ্যজ্যোতি নাথ, সাধাৰণ সম্পাদক জিতুমণি নাথ, সহকাৰী সম্পাদক নিতুমণি নাথ, ভৱজ্যোতি নাথ, দিনমণি নাথক লৈ ২৫ জনীয়া এখন সমিতি গঠন কৰি দিয়ে।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক চামছুল হকৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৬ মে' ঃ** মৰিগাঁও জিলাৰ লাহৰিঘাট গাঁও পঞ্চায়তৰ অন্তৰ্ভুক্ত বৰখাঁবল গাঁৱৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক চামছুল হকৰ (৮২) যোৱা ১২ মে'ত গুৱাহাটী মেট্ৰো হস্পিটেলত হৃদৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে প্ৰধান শিক্ষক চামছুল হকে ২০০০ চনত চুতিয়াগাঁও প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। তেখেতৰ মৃতদেহ লাহৰিঘাট গাৰেছুৰ জামে মছজিদ প্ৰাঙ্গণত অগণন জন সমাৱেশত জানাজাৰ নামাজ সম্পন্ন কৰি উক্ত মছজিদৰ কবৰস্থানত কবৰস্থ কৰা হয়। তেখেতৰ মৃত্যুত সমগ্ৰ লাহৰিঘাট অঞ্চলত শোকৰ ছাঁ বিয়পি পৰে। মৃত্যুৰ সময়ত তেওঁৰ ২ পত্নী, ২ জন পুত্ৰ, ৫ জনী জীয়েক আৰু নাতিন-নাতিনীয়েকক ইহ সংসাৰত এৰি থৈ গৈছে। তেখেতৰ মৃত্যুত শিক্ষক সমাজৰ লগতে স্থানীয় সচেতন ব্যক্তিসকলে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰাৰ লগতে তেখেতৰ আত্মাৰ সদ্‌গতি কামনা কৰে।

# লাহৰিঘাট থানাত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আলিম উদ্দিন আহমেদৰ সংবাদ মেল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৬ মে' ঃ** কিছুদিন ধৰি একাংশ প'ৰ্টেলত লাহৰিঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আলিম উদ্দিন আহমেদে বিগত ঈদৰ পিছত কছাৰীবড়ী গাঁৱত জুৱাৰীক উৎসাহিত কৰা বুলি এটা বাতৰি সম্প্ৰচাৰ হৈ থকা বুলি অৱগত হোৱাত কালি লাহৰিঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আলিম উদ্দিন আহমেদে ২ মে'ত এই সন্দৰ্ভত এক সংবাদ মেল অনুষ্ঠিত কৰে। অৱশ্যে এই কথা অপ্ৰিয় হ'লেও সত্য যে যোৱা ডিচেম্বৰ মাহত তেওঁ লাহৰিঘাট থানাত অহাৰ পিছৰে পৰা দালালক প্ৰশ্ৰয় নিদিয়া, তীৰ, জুৱা আৰু ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আটক কৰাত সুনাম আছে। সংবাদ মেলত লাহৰিঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আলিম উদ্দিন আহমেদে কয় যে চলিত বৰ্ষৰ জানুৱাৰী মাহৰ পৰা বৰ্তমানলৈ মুঠ জুৱাৰীৰ বিৰুদ্ধে ৭ টা গোচৰ পঞ্জীয়ন, ২৪টা জুৱাৰীক জে'ল-হাজোতলৈ প্ৰেৰণ, ১০খন বাইক আৰু ৪খন গাড়ীৰ লগতে প্ৰায় ২ লাখ টকা জুৱাৰীৰ পৰা জব্দ কৰা হৈছে। তেনেস্থলত এজন ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হৈ কেনেকৈ জুৱাৰীক জুৱা খেলিবলৈ উৎসাহিত কৰিব পাৰে। ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আলিম উদ্দিন আহমেদৰ ভাবমূৰ্তিত আঘাত হানিবলৈ জুৱাৰীসকলে পৰিকল্পিত ভাৱে গৃহৰক্ষী জোৱানৰ হতুৱাই কল ৰেকৰ্ড কৰি সামাজিক মাধ্যমত প্ৰচাৰ কৰে। উল্লেখ্য, গৃহৰক্ষী জোৱানজনে বৰছলা আৰক্ষী চকীৰ হোৱা সত্ত্বেও নিজৰ বিষয়াগৰাকীক অৱগত নকৰি বাৰে বাৰে লাহৰিঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীক আমনি কৰাৰ বাবেই খঙতেই উক্ত বাক্যশাৰী প্ৰকাশ কৰে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীয়ে বুলি সংবাদ মাধ্যমক জনায়।

# এগৰাকী লেখক, কবি তথা লাট মণ্ডলৰ একক প্ৰচেষ্টাত নলবাৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত গঢ় লৈ উঠিছে বাগিচা



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১৬ মে' ঃ** নলবাৰী ৰাজহ বিষয়া কাৰ্যালয়ৰ এগৰাকী নিষ্ঠাৱান কৰ্মী। নাম তেখেতৰ কন্দৰ্প কুমাৰ দাস। তেখেত লাট মণ্ডল হোৱাৰ লগতে এগৰাকী সুদক্ষ লেখক, কবি তথা সমাজকৰ্মী। দিনটো চৰকাৰী কাৰ্যালয়ত উপস্থিত থাকি ৰাইজক সেৱা আগবঢ়োৱাৰ লগতে সন্ধিয়া সময় উলিয়াই কন্দৰ্প কুমাৰ দাসে লিখা-মিলা কৰে। সমান্তৰালভাৱে কন্দৰ্প কুমাৰ দাসৰ একক প্ৰচেষ্টাত নলবাৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পিছফালে এখন মনোমোহা বাগিচা গঢ় লৈ উঠিছে। তেখেতৰ একক প্ৰচেষ্টাত গঢ় লৈ উঠা বাগিচাখনত নানান ধৰণৰ গছ-ফুলৰ সৌন্দৰ্যই কাৰ্যালয়টোত অহা ৰাইজক আপ্লুত কৰি তোলা পৰিলক্ষিত হৈছে। যদি মানুহৰ মনত কিবা এটা কৰাৰ হেঁপাহ থাকে, তেন্তে সময় কেতিয়াও হেঙাৰ হ'ব নোৱাৰে বুলি মন্তব্য প্ৰকাশ কৰে লাট মণ্ডল, লেখক কন্দৰ্প কুমাৰ দাসে। তদুপৰি অনাগত দিনত নলবাৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত সন্মুখ ফালে সৌন্দৰ্য বৰ্ধনৰ বাবে এটি পৰিকল্পনা মনত ৰাখি থোৱা বুলি মন্তব্য প্ৰকাশ কৰাৰ লগতে অনাগত দিনত আকৌ এখন কবিতা পুথি উন্মোচনৰ যো-জা চলাইছে বুলি মত পোষণ কৰে লেখক কন্দৰ্প কুমাৰ দাসে।

# মৰিগাঁৱত সুকলমে অনুষ্ঠিত হ'ল ৰাষ্ট্ৰীয় লোক আদালত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৬ মে' ঃ** সমগ্ৰ দেশৰ লগতে মৰিগাঁও জিলাতো বিগত ১৪ মে'ত জিলা ও সত্ৰ ন্যায়ালয়ৰ চৌহদত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। বিশেষকৈ সম্পত্তি সম্পৰ্কীয়, টকা-পইচা সম্পৰ্কীয়, পাৰিবাৰিক বিবাদৰ গোচৰ সম্পৰ্কীয়, বেংকৰ ঋণ অৰ্থাৎ প্ৰি-লিটিগ্ৰেশ্বন গোচৰ সম্পৰ্কীয়, বিজুলী আৰু টেলিফোনৰ বিল পৰিশোধ নিদিয়া, যানবাহন আইন অৱমাননা কৰা, দুৰ্ঘটনা বিষয়ক, ব্যৱসায় সম্পৰ্কীয় বিচাৰাধীন হৈ থকা একাধিক গোচৰৰ খৰতকীয়া মীমাংসাৰ বাবে ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। শনিবাৰে অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় লোক আদালতৰ জৰিয়তে বিভিন্ন বেংকৰ ২,১৯১টা গোচৰৰ ভিতৰত ৫৭ টা গোচৰ মীমাংসাৰ জৰিয়তে নিষ্পত্তি কৰা হয়। মীমাংসা হোৱা বেংকৰ গোচৰসমূহৰ পৰা ২৪,৭৮,৫৩০ টকা সংগ্ৰহ হয়। আনহাতে অসম পাৱাৰ ডিষ্ট্ৰিবিউচন কোম্পানীৰ অনাদায় হৈ থকা বিলসমূহৰ ১,১৪৬ টা গোচৰৰ ভিতৰত ২৬৪টা গোচৰ নিষ্পত্তি হয়। নিষ্পত্তি হোৱা গোচৰসমূহৰ পৰা ৪৮,৩৭,৭১৯ টকা অনাদায় হৈ থকা বিদ্যুতৰ মাচুল লাভ কৰে। ইয়াৰ উপৰি বিচাৰাধীন হৈ থকা যানবাহন সম্পৰ্কীয় আৰু অন্যান্য গোচৰৰ সৰ্বমুঠ ৮৪৬ টা গোচৰৰ ভিতৰত ২৫৫ টা গোচৰ লোক আদালতৰ জৰিয়তে মীমাংসা ও নিষ্পত্তি কৰা হয়। মীমাংসা হোৱা গোচৰসমূহৰ পৰা ৪১,৭১,২০০ টকা আদায় পোৱা হয় বুলি জিলা আইন সেৱা প্ৰাধিকৰণৰ ফালৰ পৰা জানিব পৰা গৈছে।

# ভূৰাগাঁৱত ৫০টা কন্টেইনাৰসহ ২ ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৬ মে' ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱত কালি ড্ৰাগ্‌ছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান। মৰিগাঁও জিলাৰ বিশেষ শাখা আৰু ভূৰাগাঁও আৰক্ষীৰ যৌথ অভিযানত ড্ৰাগ্‌ছ সহ এজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। ভূৰাগাঁও অদলাভেটিত আৰক্ষীয়ে চলোৱা অভিযানত ৫০টা ড্ৰাগ্‌ছ ভৰ্তি কন্টেইনাৰৰ লগতে ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰীটো ভূৰাগাঁৱৰ অদলাভেটিৰ আশ্বাফুল আলম বুলি জানিব পৰা গৈছে। বৰ্তমান ধৃত সৰবৰাহকাৰীটোক ভূৰাগাঁও আৰক্ষী থানাত সোধাপোছা অব্যাহত ৰাখিছে।

# গুৱাহাটীত কনফ্লুৱেন্স মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ মে' ঃ** গুৱাহাটীত অত্যাধুনিক আচবাব আৰু গৃহসজ্জা সামগ্ৰীৰ নতুন শ্ব'ৰুম 'কনফ্লুৱেন্স' জু-ৰোডৰ জোনালীত দেওবাৰে মুকলি কৰে। উদ্যোগী নিবেদিতা শৰ্মাৰ নেতৃত্বত গঢ় লোৱা এই প্ৰতিষ্ঠানটো মুকলি কৰে অভিনেতা ৰবি শৰ্মা আৰু আইমী বৰুৱাই। মুকলি অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মিনু বণিয়া, বন্দনা বৰঠাকুৰ, অভিজিত কলিতা, বংকিম বৰঠাকুৰ, সিদ্ধাৰ্থপ্ৰতিম দত্ত। শ্ব'ৰুমটোত শেহতীয়া ডিজাইনৰ সকলো ধৰণৰ আচবাব আৰু গৃহসজ্জাৰ সামগ্ৰী উপলব্ধ হ'ব বুলি উদ্যোগী নিবেদিতা শইকীয়াই জনাইছে।



## প্ৰথম পৃষ্ঠাৰ পৰা—

### দিল্লী অপৰিকল্পিত, ৮০

চলাইছে। এই নিৰ্মাণসমূহ চালি-জাৰি চাই নিয়মীয়া কৰাৰ সুবিধা আছে। কিন্তু সকলো নিৰ্মাণকাৰ্য যদিহে অবৈধ বুলি ঘোষণা কৰা হয় তেনেহ'লে কমেও ৬৩ লাখ লোকৰ বাসগৃহ, দোকান-পোহাৰ আদি ভাঙি পেলাব লাগিব। এই সাহস বিজেপিৰ হ'বনে? উল্লেখ্য যে দিল্লীত বিজেপিশাসিত পৌৰ প্ৰশাসনে একাংশ অবৈধ নিৰ্মাণকাৰ্য আৰু বেদখলকাৰীৰ বিৰুদ্ধে বুলডোজাৰ চলাই আছে। ফলত হাজাৰ হাজাৰ লোক গৃহহীন হৈছে। নিজৰ আৰ্জিত উপাৰ্জনেৰে বাসগৃহ আদি নিৰ্মাণ কৰি সুকলমে একাংশ লোকসকল গৃহহীন হৈছে। গতিকে এই লোকসকলক বিজেপি নেতৃত্বাধীন পৌৰ প্ৰশাসনে পদপথলৈ ঠেলি দিয়া কাৰ্যৰ বিৰোধিতা কৰিছে দিল্লীৰ চৰকাৰৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে। অবৈধ নিৰ্মাণৰ বিৰুদ্ধে চলোৱা উচ্ছেদৰ সম্পৰ্কত দিল্লীৰ শাসকীয় আম আদমী পাৰ্টীয়ে আজি এখন বৈঠকৰ আয়োজন কৰে। দলৰ বিধায়ক, সাংসদ, মন্ত্ৰী আদিৰ লগতে একাংশ নেতা উপস্থিত থাকে এই বৈঠকত। মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে তীব্ৰ ভাষাৰে বিজেপি চৰকাৰক সমালোচনা কৰে। কেন্দ্ৰৰ শাসকীয় বিজেপিৰ শক্তিৰে বলীয়ান হৈ পৌৰ প্ৰশাসনৰ দায়িত্বত থকা বিজেপিৰ পাৰিষদসকলে ৰাজধানী প্ৰদেশখনৰ ৬৩ লাখ বাসিন্দাৰ ঘৰ, দোকান পোহাৰ আদি ভাঙি দিব পাৰিব নেকি বুলি ওলোটাই প্ৰশ্ন কৰা দেখা গ'ল। উল্লেখ্য যে এনে উচ্ছেদৰ বিৰোধিতা কৰাৰ বাবে আম আদমীৰ বিধায়কক কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছিল। যোৱা ১৫ বছৰ ধৰি দিল্লীৰ পৌৰ প্ৰশাসনত বিজেপিয়ে কাৰ্যনিৰ্বাহ কৰি আছে। এই সময়ছোৱাত তেওঁলোকে নে টেন লৈ একাংশ লোকক ঘৰ নিৰ্মাণ, বিদ্যুৎ সংযোগ, বিপণীৰ অনুজ্ঞাপত্ৰ আদি প্ৰদান কৰিছিল। গতিকে অবৈধ প্ৰতিষ্ঠানৰ বিপৰীতে বিজেপিয়ে দিয়া অনুজ্ঞাপত্ৰ আদি কাৰ্য কেনেকৈ বৈধ হ'ল বুলি কেজৰিৱালে প্ৰশ্ন উত্থাপন কৰিছে।

### এল আৰ বিষ্ণই মেঘালয়ৰ

আৰ বিষ্ণই নিযুক্ত হৈছে মেঘালয়ৰ ডিজিপি হিচাপে। জ্যেষ্ঠ আৰক্ষী বিষয়াগৰাকীয়ে অসমত দীৰ্ঘদিন দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও কেন্দ্ৰীয় চৰকাৰৰ ডেপুটেচনত কিছু বছৰ সেৱা আগবঢ়াইছিল। হাৰিয়ানা প্ৰদেশৰ ফাতেহবাদ জিলাৰ অন্তৰ্গত চিন্দাৰ গাঁৱৰ বাসিন্দা এইগৰাকী দক্ষ বিষয়াৰ নতুন নিযুক্তিৰে অসম আৰক্ষীও সন্তোষ বিয়পাইছে।

### গাৰ নোম লৰাৰ পৰা নাই উচ্চ

উদঙাই দিয়াৰ পিছতো বিভাগীয় কৰ্তৃপক্ষ অথবা চৰকাৰে বিষয়টোৰ সন্দৰ্ভত নীৰৱ ভূমিকা পালন কৰা বিষয়টোৱে ইয়াকে প্ৰতিপন্ন কৰিছে। কোনো ধৰণৰ যোগ্যতা নোহোৱাকৈ কেৱল ধনৰ বলত চাকৰি পোৱা একাংশ কৰ্মচাৰীয়ে বিভাগটোত নিৰ্বিঘ্নে চাকৰি কৰি চৰকাৰী দৰমহা লৈ অহাৰ পিছতো সংশ্লিষ্ট কৰ্তৃপক্ষই এই কৰ্মচাৰীসকলৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব নিবিচৰা বিষয়টোৱে বিভাগটোত চলি অহা দুৰ্নীতি অনিয়ম বোধৰ প্ৰতি যে কোনো আগ্ৰহ নাই সেয়া ইতিমধ্যে প্ৰমাণিত হৈছে। এই দুৰ্নীতিত আমোলাৰ পৰা বিষয়ালৈকে জড়িত হোৱা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে শিৱসাগৰ জিলা স্বাস্থ্য বিভাগত হেল্থ এডুকেটৰ, এল ডি এ, চতুৰ্থ বৰ্গ আদি বিভিন্ন পদত একাংশ কৰ্মচাৰীয়ে নিযুক্তি-পত্ৰ অবিহনেই চাকৰি কৰি অহাৰ তথ্য সংবাদ মাধ্যমত ফাদিল হোৱাৰ পিছতো কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষৰ। নাজিৰা মহকুমাতে এনে পদত চাকৰি কৰা জনৈক মযুৰী বৰুৱা, তপন ভূঞা, আনিশা দুৱৰা, স্মিতা বৰুৱা, দীপজ্যোতি টাইৰাই আদি কৰ্মচাৰীৰ বিৰুদ্ধে কোনো পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰা বিষয়টোৱে বিভাগটোত দুৰ্নীতিৰ বিৰুদ্ধে নহয় বৰঞ্চ ইয়াৰ সপক্ষেহে অৱস্থান কৰা পৰিলক্ষিত হৈছে। কেৱল উপৰোক্ত কৰ্মচাৰীকেইজনেই নহয় যোৱা যোৰ শিৱসাগৰ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ত নিযুক্তি-পত্ৰ অবিহনেই নিৰ্বিঘ্নে চাকৰি কৰি আছে কৰ্মচাৰীয়ে। আনকি কাৰ্যালয়টোত কৰ্মৰত দিবাকৰ চিৰিং নামৰ উচ্চবৰ্গৰ প্ৰবীণ কৰ্মচাৰীৰ নামো এই নিযুক্তি কেলেংকাৰিৰ সৈতে সাঙোৰ খাই পৰিছে। দিবাকৰ চিৰিঙৰ বাবেই পুত্ৰৰ লগতে ভনেৰ ৰাজখোৱা নামৰ জোঁৱায়েকেও নিযুক্তি-পত্ৰ নোহোৱাকৈ বহুত বছৰ ধৰি বিভাগটোত চাকৰি কৰি আহিছে বুলি এক বিশ্বস্ত সূত্ৰত প্ৰকাশ। শিৱসাগৰ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ অধীনত গৌৰী, চেতিয়া, হাজৰিকা, বৰুৱা, দত্ত, ভৰালী আদিয়ে চাকৰি কৰি আহিছে নিযুক্তি-পত্ৰ অবিহনেই। এক আৰটিআই তথ্য অনুসৰি উপৰোক্ত লোকসকলক বিভিন্ন প্ৰান্তৰ পৰা শিৱসাগৰলৈ বদলি কৰা বুলি দেখুওৱা হৈছে যদিও প্ৰকৃততে এইসকল কৰ্মচাৰীৰ বিভাগীয় নিযুক্তি-পত্ৰ নাই। নাজিৰাত কৰ্মৰত মযুৰী বৰুৱাক কাছাৰৰ পৰা নাজিৰালৈ বদলি হৈ অহা দেখুওৱা হৈছে যদিও বৰুৱাই কোনো কালেই কাছাৰত চাকৰি কৰাৰ নজিৰ নাই। তেনেদৰে গগৈ উপাধিৰ এগৰাকী মহিলা কৰ্মচাৰীক বদলি, শিৱসাগৰ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ত কৰ্মৰত বৰুৱা উপাধিৰ আন এগৰাকী মহিলাক নগাঁৱৰ জিলাৰ পৰা শিৱসাগৰলৈ বদলি হৈ অহা, ভৰালী নামৰ আন এগৰাকী মহিলাক ডিব্ৰুগড়ৰ পৰা শিৱসাগৰলৈ বদলি, দত্ত উপাধিৰ আন এগৰাকী মহিলাক মিউচুৱেল ট্ৰান্সফাৰ আদি দেখুৱাই পাকে-প্ৰকাৰে ইয়াক বিভাগীয় প্ৰক্ৰিয়াৰ অধীনত সুৰক্ষিত দেখুওৱা হৈছে যদিও উক্ত কৰ্মচাৰীসকলৰ কোনো ধৰণৰ বৈধ নিযুক্তি-পত্ৰ নাই। আনফালে, এইসকল কৰ্মচাৰীয়ে দৰমহা সময় মতেই লাভ কৰা বিষয়টোৱেও গভীৰ ৰহস্যৰ সৃষ্টি কৰি আহিছে আৰু এই বিষয়টোও তদন্তৰ প্ৰয়োজন আছে। কিয়নো নিযুক্তি-পত্ৰ নোহোৱাকৈয়ে কেনেকৈ এইসকল কৰ্মচাৰীৰ দৰমহা সময় মতে হৈ আহিছে আৰু এইক্ষেত্ৰত কোষাগাৰ বিষয়াৰ ভূমিকাক লৈও এক সন্দেহৰ সৃষ্টি হৈছে। আনহাতে, উক্ত নিযুক্তি কেলেংকাৰি সংঘটিত হোৱাৰ সময়ত বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা স্বাস্থ্য বিভাগৰ দায়িত্বত থকা হেতুকে উক্ত দুৰ্নীতিৰ তদন্ত হ'লে বহু আমোলা-বিষয়াৰ মুখা খোল খোৱাৰ সম্ভাৱনা আছে যাৰ বাবে ই চৰকাৰখনক অস্বস্তিত পেলাব বাবেই এই কেলেংকাৰিৰ তথ্য সংবাদ মাধ্যমে উদ্‌ঘাটিত কৰাৰ কোনো কাৰ্যব্যৱস্থা গ্ৰহণ কৰা নাই। এই ভুৱা নিযুক্তি সন্দৰ্ভত শিৱসাগৰ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ভূপেন কুমাৰ দাসক প্ৰশ্ন কৰাত বৰ্তমানলৈকে এই সন্দৰ্ভত উৰ্দ্ধতন কৰ্তৃপক্ষৰ পৰা কোনো পত্ৰ পোৱা নাই বুলি জানিবলৈ দিয়ে। শিৱসাগৰ জিলাৰ বিভিন্ন স্বাস্থ্য খণ্ডত এইসকল ভুৱা কৰ্মচাৰীৰ বিৰুদ্ধে এতিয়া ৰাজ্যৰ স্বাস্থ্য বিভাগে কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

### বিবাহৰ এসপ্তাহৰ পিছতে

তৃতীয় খণ্ডৰ ইব্ৰাহিম আলীৰ কন্যা মমতাজ খাতুনৰ বৰপেটা জিলাৰ চেংগালীয়াত আবু বক্কৰৰ পুত্ৰ জাকিৰ হুছেইনৰ লগত এসপ্তাহ আগতে বিবাহ সম্পন্ন হৈছিল। স্বামীগৃহৰ পৰা তিনি দিন আগতে স্বামীসহ ন-বোৱাৰীগৰাকীয়ে পিতৃগৃহত আহিছিল যদিও কালি স্বামীয়ে পত্নীক থৈ নিজৰ ঘৰলৈ যায়। আজি দুপৰীয়া ন-বোৱাৰীগৰাকীয়ে নিজকে ধূৰাকৰ ঘৰত চিপ লৈ আত্মহত্যা কৰে। ঘটনাস্থলীত কোকিলা আৰক্ষী নিৰীক্ষণ চকীৰ আৰক্ষী উপস্থিত হৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহটো বৰপেটালৈ প্ৰেৰণ কৰে। বিবাহৰ এসপ্তাহ পিছত ন-বোৱাৰীৰ আত্মহত্যাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। কি কাৰণত ন-বোৱাৰীগৰাকীয়ে আত্মহত্যাৰ দৰে চৰম পথ বাছি ল'লে সেয়া এতিয়াও স্পষ্ট হোৱা নাই।

### লুটিলে আঢ়ৈ লাখৰ সামগ্ৰী

বজাৰখনৰ ব্যৱসায়ীসকলৰ ভীতিগ্ৰস্ত কৰি তোলাৰ লগতে অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে বৰপুৰৰ দৈনিক বজাৰৰ দোকানী লক্ষ্যজিৎ চমুৱাৰ 'কাকু কমিউনিকেচন' নামৰ দোকানখনত চোৰে যোৱানিশা দোকানৰ ওপৰৰ টিন কাটি ভিতৰত প্ৰৱেশ কৰি প্ৰায় ৩৬টা ম'বাইল ফোন, ৭টা টিভি আৰু বিভিন্ন মূল্যবান সামগ্ৰী লৈ উধাও হয়। লক্ষ্যজিৎ চমুৱাই জানিবলৈ দিয়া মতে চোৰে তেওঁৰ দোকানৰ পৰা প্ৰায় ২ লাখ ৫০ হেজাৰ টকাৰ সা-সামগ্ৰী চুৰি কৰি নিয়ে। উল্লেখ্য যে বৰপুৰৰ দৈনিক বজাৰত নৈশ পহৰা থকা সত্ত্বেও দোকানখনত চোৰে কেনেকৈ চুৰি কাৰ্য সংঘটিত কৰিবলৈ পালে তাকে লৈ ব্যৱসায়ীৰ মাজত এতিয়া সৰৰ চৰ্চা চলিছে। ইতিমধ্যে যুৱকজনে ঘটনা সন্দৰ্ভত নগাঁও ইটাচালী টাউন আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিছে আৰু আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে।

### ব্ৰিটেইনৰ লৌহ নেত্ৰী

আৰু যশ প্ৰধানমন্ত্ৰী মাৰ্গাৰেটৰ জৰিয়তে বিশ্বাসীয়ে পুনৰ স্বীকাৰ কৰিছিল। কিন্তু এইগৰাকীনেত্ৰীৰ ৮৭ বছৰ বয়সত ২০১৩ চনৰ ৮ এপ্ৰিল তাৰিখে মৃত্যু হৈছিল। ইয়াৰ পিছত শেহতীয়াকৈ তেওঁৰ গৃহ চহৰ লণ্ডনৰ গ্ৰন্থম নামৰ স্থানত এটা পূৰ্ণাবয়ৱ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছিল। কিন্তু দুষ্কৃতিকাৰীয়ে এই প্ৰতিমূৰ্তিলৈ সঘনে কণী, বিলাহী আদি নিক্ষেপ কৰি প্ৰতিমূৰ্তিটো আপচু কৰি তুলিছে। লগতে প্ৰতিমূৰ্তিটোলৈ শিল, লাঠী আদি নিক্ষেপ কৰি ক্ষতিগ্ৰস্ত কৰিবলৈ চেষ্টা কৰা দেখা গৈছে। এসময়ৰ এগৰাকী শক্তিশালী ৰাষ্ট্ৰ নেত্ৰীৰ প্ৰতিমূৰ্তিলৈ এনেদৰে অপমানজনকভাৱে নিজৰ দেশৰ নাগৰিকে প্ৰদৰ্শন কৰা আচৰণক লৈ এতিয়া সমগ্ৰ গ্ৰেট ব্ৰিটেইনত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## কামপুৰত বানৰ কবলত প্ৰায় ৫০ গাঁও



কামপুৰ ৰাজহ চক্ৰৰ ইখনৰ পাছত সিখনকৈ গাঁও। প্ৰায় ৫০খন গাঁও এতিয়া বানৰ কবলত। কামপুৰ গাৰোখুন্দাৰ মথাউৰি ভঙাৰ ফলত চাইবুক গাঁওকে ধৰি কেইবাখনো গাঁও জলমগ্ন হৈ পৰিছে। আনহাতে, প্ৰেমাজানৰ মথাউৰি ভঙাৰ ফলত কপিলী নৈৰ বাঢ়নী পানীয়ে গোসাঁইগাঁৱত এক অভাৱনীয় পৰিৱেশৰ সৃষ্টি কৰিছে। গোসাঁইগাঁৱৰ পথৰ ওপৰেৰে তীব্ৰ বেগত পানী বাগৰাৰ ফলত অঞ্চলৰ ৰাইজৰ ঘৰে ঘৰে এতিয়া এবুকু পানী হোৱা পৰিলক্ষিত হৈছে। আনহাতে, কপিলীৰ নদীৰ ভয়াৱহভাৱে পুনৰ ভাঙি নিলে সৰুপথাৰ ৪৮ ব্লকৰ মথাউৰি। জলমগ্ন হৈ পৰিছে খকনজুৰি, পুব ডেকেৰুৱা, পশ্চিম ডেকেৰুৱা, ভেৰভেৰিকে ধৰি বহুকেইখন গাঁও। ইপিনে আজি অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই কামপুৰৰ বানপৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে কামপুৰত উপস্থিত হয়হি। মন্ত্ৰী গৰাকীয়ে কামপুৰৰ ভলভলীয়া, গোসাঁইগাঁও, চাইবুক গাঁৱকে ধৰি কেইবাটাও বানবিধ্বস্ত অঞ্চলত বানপৰিস্থিতিৰ বুজ লোৱাৰ লগতে বন্যাৰ্তৰ লগত মতবিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ভগ্ন মথাউৰি পৰিদৰ্শন কৰি শীঘ্ৰে মথাউৰিসমূহ মেৰামতি কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনায়। উল্লেখ্য, আজি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়া মতে কামপুৰত কপিলী নদীৰ বানে ভঙা মাথাউৰিসমূহ জলস্পদ বিভাগৰ নহয় সেয়া পঞ্চায়তৰ অধীনত নিৰ্মাণ হোৱা মথাউৰিহে। কামপুৰৰ বানৰ ভয়াৱহতাৰ মাজতেই কামপুৰত আজি বিয়লি বানত উটি গ'ল দুজন কিশোৰ। কামপুৰ কুঁহিমাৰীত সংঘটিত হয় এই শোকাৱহ ঘটনা। কিশোৰ দুজন বিনন্দ নাথ আৰু আশিস নাথ। ইয়াৰে এজনক স্থানীয় ৰাইজে তৎপৰতাৰে জীৱন্তে উদ্ধাৰ কৰিলে যদিও আনজন এতিয়াও সন্ধানহীন হৈ আছে। আশিস নাথক স্থানীয় ৰাইজে উদ্ধাৰ কৰিবলৈ সক্ষম হ'ল যদিও বিনন্দ নাথ বৰ্তমানো সন্ধানহীন হৈ আছে। উল্লেখ্য যে বানপানী চাবলৈ আহি দুৰ্ভাগ্যজনকভাৱে পানীত পিছলি পৰিছিল দুই কিশোৰ। ইতিমধ্যে সন্ধানহীন কিশোৰজনৰ সন্ধান উলিওৱাৰ উদ্দেশ্যে ঘটনাস্থলীত এছ ডি আৰ এফ বাহিনীৰ দলে অভিযান চলাইছে।

## ত্ৰিপুৰাত ১১ কেবিনেট মন্ত্ৰীৰ

সোমবাৰে আগৰতলাত বিজেপিৰ পৰা ৯জন আৰু আইপিএফটিৰ দুজন বিধায়কে শপতগ্ৰহণ কৰে। ৰাজ্যপাল সত্যদেও নাৰায়ণ আৰ্যই ৰাজভৱনত এক অনুষ্ঠানত ১১জন মন্ত্ৰীক শপতগ্ৰহণ কৰোৱায়। ১১জন মন্ত্ৰীৰ ভিতৰত ৯জন শনিবাৰে পদত্যাগ কৰা প্ৰাক্তন মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱৰ মন্ত্ৰীসভাত আছিল। শপতগ্ৰহণ কৰা মন্ত্ৰীসকল হৈছে জিষ্ণু দেৱ বৰ্মা (উপ মুখ্যমন্ত্ৰী), ৰতন লাল নাথ, প্ৰাণজিৎ সিং ৰয়, মনোজ দেৱন্তী, সান্ত্বনা চাকমা, ৰামপ্ৰসাদ পল, ভগৱান চন্দ্ৰ দাস, সুশান্ত চৌধুৰী, ৰামপাদা জামাতিয়া, নৰেন্দ্ৰ চন্দ্ৰ দেৱবাৰ্মা আৰু প্ৰেম কুমাৰ ৰিয়াং। সান্ত্বনা চাকমা মন্ত্ৰীসভাৰ একমাত্ৰ মহিলা মন্ত্ৰী। আজি শপতগ্ৰহণ কৰা জামাতিয়া আৰু ৰিয়াং প্ৰবীণ জনজাতীয় নেতা। ইপিনে প্ৰধান বিৰোধী দল চিপিআই-এম নেতৃত্বাধীন বাঁও মৰ্চা, কংগ্ৰেছ আৰু অন্যান্য ৰাজনৈতিক দলে শপতগ্ৰহণ অনুষ্ঠান বৰ্জন কৰে। উল্লেখ্য, ৬০জনীয়া ত্ৰিপুৰা বিধানসভাৰ নিৰ্বাচন ২০২৩ চনৰ জানুৱাৰী-ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব।

## ভাৰতৰ ৰপ্তানিত নিষেধাজ্ঞাৰ

ঘেঁহুৰ ঘৰুৱা বজাৰত মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে তাৎক্ষণিকভাৱে ঘেঁহু ৰপ্তানি কৰাটো নিষিদ্ধ কৰিছে ভাৰত চৰকাৰে। এক চৰকাৰী জাননীত এই কথা প্ৰকাশ কৰা হৈছিল। বৈদেশিক বাণিজ্য সঞ্চালকালয়ে কয় যে ভাৰত চৰকাৰে দেশৰ খাদ্য সুৰক্ষাৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ এই ব্যৱস্থা গ্ৰহণ কৰিছে। ঘেঁহুৰ ৰপ্তানি বন্ধ কৰিলেও ভাৰতে পিঁয়াজৰ বীজৰ ৰপ্তানিৰ ক্ষেত্ৰত থকা নিয়মসমূহ শিথিল কৰাৰ পোষকতা কৰিছে। সেই মৰ্মে বিদেশলৈ ভাৰতে অধিক হাৰত পিঁয়াজৰ বীজ ৰপ্তানি কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য, পিঁয়াজৰ বীজৰ ৰপ্তানিৰ ক্ষেত্ৰত ভাৰতে পূৰ্বে নিষেধাজ্ঞা জাৰি কৰিছিল। এতিয়া পিঁয়াজৰ বীজৰ ৰপ্তানিৰ ক্ষেত্ৰত নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰাৰ সম্ভাৱনা আছে। ভাৰতে প্ৰধানকৈ চুবুৰীয়া দেশসমূহলৈ ঘেঁহু ৰপ্তানি কৰি আহিছিল। বাংলাদেশেই ভাৰতৰ পৰা সৰ্বাধিক অংশ ৫৪ শতাংশতকৈ অধিক ঘেঁহু ক্ৰয় কৰি আহিছে। ভাৰতে য়েমেন, আফগানিস্তান, কাটাৰ আৰু ইণ্ডোনেছিয়াৰ দৰে দেশলৈয়ো ঘেঁহু ৰপ্তানি কৰি আহিছে।

## ১৩ দিনত ৩৯ তীৰ্থযাত্ৰীৰ কৰুণ

অনুৰাগী, দৰ্শনাৰ্থী আৰু তীৰ্থযাত্ৰীয়ে ভিৰ কৰিছেহি চৰধাম যাত্ৰাত। স্থানীয় ব্যৱস্থাপনা সমিতি আৰু উত্তৰাখণ্ড চৰকাৰে তীৰ্থযাত্ৰীসকলৰ স্বাস্থ্য পৰীক্ষা, খাদ্য আৰু পানীৰ যোগান, সুৰক্ষা আদি কটকটীয়া কৰি তুলিছে। কিন্তু ইয়াৰ মাজতে নিতৌ একাধিক তীৰ্থযাত্ৰীৰ কৰুণ মৃত্যুৰ সংবাদ আহি আছে। সমদলৰ পৰা ক্ৰমান্বয়ে ঊৰ্ধলৈ যাত্ৰা আৰম্ভ কৰাৰ লগে লগে বায়ুৰ চাপ নিম্নগামী হোৱাৰ ফলত কেতবোৰ ৰোগৰ উপশম হোৱা বুলি প্ৰকাশ পাইছে। ফলত তেজৰ নিম্নচাপ, হৃদযন্ত্ৰ বন্ধ হোৱা আদি ৰোগত আক্ৰান্ত হৈ বৰ্তমানলৈকে ৩৯ জন তীৰ্থযাত্ৰীৰ কৰুণ মৃত্যু হোৱা বুলি প্ৰকাশ পাইছে। মুঠৰ ওপৰত এইবাৰৰ চৰধাম যাত্ৰা মৃত্যুৰ হাতবাউলি হৈ পৰা কাৰ্যই বিভিন্ন মহলত সৃষ্টি কৰিছে ব্যাপক প্ৰতিক্ৰিয়াৰ।

## জ্ঞানবাপী মছজিদৰ গাঁথনিৰ

নিযুক্তি দিয়া অধ্যয়ন সমিতিৰ অন্যতম সদস্য তথা অধিবক্তা চুহানলাল আৰ্যই সংবাদ মাধ্যমৰ আগত কয় যে আজি শিৱলিংগৰ অৱস্থিতি ধৰা পৰিছে আৰু ইমানদিন ধৰি ভগৱান শিৱই যেন এইখন ক্ষণটোলৈ অপেক্ষা কৰি আছিল। গতিকে তিনিদিন ধৰি চলোৱা অধ্যয়নৰ পিছত যিসমূহ স্থানত শিৱলিংগ আৰু মন্দিৰৰ ভগ্নাৱশেষ ওলাইছে সেই স্থানসমূহত অন্য দৰ্শনাৰ্থীৰ প্ৰৱেশ বাৰণ কৰি ছীল কৰি দিয়া হৈছে। এই কাৰ্যত স্থানীয় দণ্ডাধীশ, আৰক্ষী আয়ুক্ত আৰু চি আৰ পি এফৰ শীৰ্ষ বিষয়াক তদাৰক কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশ দিছিল। উল্লেখ্য যে মোগল সম্ৰাট ঔৰংজেবৰ দিনত এই মছজিদ নিৰ্মাণ কৰা হৈছিল। অথচ ইয়াত থকা মন্দিৰটো আছিল কাশী বিশ্বনাথ মন্দিৰৰ এটা অংশ। গতিকে মন্দিৰ ঢাকি ৰাখি মছজিদ নিৰ্মাণ কৰি শ শ বছৰ ধৰি হিন্দু ধৰ্মীয় লোকসকলক বঞ্চিত কৰি ৰখা বুলি অভিযোগ উত্থাপিত হৈছে।

## বাক্সাৰ লাবদাংগুৰিত

বন্যহস্তীয়ে। উল্লেখ্য যে নেৰানেপেৰা বৰষুণৰ ফলত যোৱা তিনি দিন ধৰি অঞ্চলটোত বিদ্যুৎ সংযোগ ব্যাহত হৈ থকাৰ সুযোগ গ্ৰহণ কৰি বন্যহস্তীটোৱে তাণ্ডৱ চলোৱা বুলি ৰাইজে জানিবলৈ দিয়ে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া অঞ্চলটোত প্ৰায়েই বন্যহস্তীৰ তাণ্ডৱ অব্যাহত থাকে যদিও বন বিভাগৰ লোকেও এইক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰে স্থানীয় লোকে।

## বিৰিয়ানীৰ দোকানলৈ

বিৰিয়ানী যোগান ধৰাৰ বাবে এই বিপণীখনত নিতৌ গ্ৰাহকৰ ভিৰ হৈ থাকে। এই বিপণীখনত সাত বছৰৰ পূৰ্বেও গ্ৰেনেড নিক্ষেপ কৰা হৈছিল। নৰ্থ ২৪ পৰগণা জিলাত অৱস্থিত বিপণীখনলৈ পাঁচ জাঁই গুলী চলোৱা বুলি প্ৰকাশ পাইছে। আহত এজনৰ বুকুত গুলীয়ে আঘাত কৰে আৰু আনজনৰ হাতত গুলী লাগে বুলি কোৱা হৈছে। জনবহুল অঞ্চলটোত আৰক্ষীৰ তহলৰ মাজতো বিৰিয়ানী দোকানলৈ গুলীচালনা কৰা কাৰ্য ব্যৱসায়িক সংঘাত বুলি ধাৰণা কৰা হৈছে।

## মহিলা বিষয়াৰে গৃহমন্ত্ৰী

বিশেষ ফটো সামাজিক মাধ্যমত শ্বেয়াৰ কৰিছিল। আহমেদাবাদ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা চলচ্চিত্ৰ নিৰ্মাতাজন হৈছে অৱিনাশ দাস। ফটোখনত পূজা সিংহল নামৰ এগৰাকী আইএএছ বিষয়াৰ স'তে অমিত শ্বাহক দেখা গৈছে। উল্লেখ্য যে অবৈধ বিত্তীয় লেনদেনৰ অভিযোগত ঝাৰখণ্ডৰ এই আইএএছ বিষয়াগৰাকীক ইডিয়ে কিছুদিন পূৰ্বে গ্ৰেপ্তাৰ কৰিছিল। উল্লেখ্য, এনফৰ্চমেণ্ট সঞ্চালকালয়ে ঝাৰখণ্ডৰ আইএএছ বিষয়া পূজা সিংঘলক দুৰ্নীতিৰ গোচৰত গ্ৰেপ্তাৰ কৰিছিল। এনফৰ্চমেণ্ট সঞ্চালকালয়ে শুকুৰবাৰে ঝাৰখণ্ডৰ খনি সচিব পূজা সিংঘল আৰু তেওঁৰ পৰিয়ালকে ধৰি একাধিক চৌহদত অভিযান চলাইছিল। ঝাৰখণ্ডৰ খনি সচিব পূজা সিংঘলৰ বিৰুদ্ধে এম জি এনৰেগৰ পুঁজি আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন হৈছিল। ২০০৮-১১ বৰ্ষত ৰাজ্যখনৰ খুণ্টি জিলাত ১৮ কোটি টকাৰ এম জি এনআৰইজিএ পুঁজি আত্মসাৎ কৰাৰ অভিযোগ উঠাৰ পিছতে বিষয়াগৰাকীৰ বিৰুদ্ধে তদন্ত আৰম্ভ কৰা হৈছিল। ইডিয়ে ৰাজ্যখনৰ ৰাজধানী ৰাঁচীত তালাচী চলাই দুটা চৌহদৰ পৰা মুঠ ১৯.৩১ কোটি নগদ ধন জব্দ কৰিছিল। ৰাঁচীস্থিত চাৰ্টাৰ্ড একাউনটেণ্ট আৰু ফাইনেন্সিয়েল এড্‌ভাইজৰৰ চৌহদৰ পৰা প্ৰায় ১৭.৫১ কোটি নগদ ধন উদ্ধাৰ কৰা হৈছিল। আইএএছ বিষয়া আৰু তেওঁৰ পৰিয়ালৰ লোকে পুঁজিৰ ধন আত্মসাৎ কৰাত উক্ত চাৰ্টাৰ্ড একাউনটেণ্ট আৰু ফাইনেন্সিয়েল এড্‌ভাইজাৰগৰাকীয়ে সহায় কৰাৰ অভিযোগ উঠিছিল। আৰক্ষীয়ে জনোৱা মতে, ফটোগ্ৰাফখন পাঁচ বছৰৰ পুৰণি আৰু চলচ্চিত্ৰ নিৰ্মাতা দাসে যোৱা ৮ মে' তাৰিখে ইয়াক টুইটাৰত শ্বেয়াৰ কৰে। ইয়াৰ দ্বাৰা গৃহমন্ত্ৰীজনৰ ভাবমূৰ্তি ম্লান কৰা হৈছে। তদুপৰি এগৰাকী মহিলাই দেশৰ জাতীয় পতাকা পৰিধান কৰি থকাৰ ফটো ফেচবুকত প'ষ্ট কৰাৰ বাবেও দাসৰ ওপৰত আইনী ব্যৱস্থা লোৱা হৈছে। আৰক্ষীয়ে জনোৱা মতে, ইয়াৰ দ্বাৰা জাতীয় পতাকাক অপমান কৰা হৈছে। উল্লেখ্য যে ২০১৭ চনত আনাৰকলী অৱ আৰাহ নামৰ চিনেমাখনৰ নিৰ্মাণেৰে অৱিনাশ দাসে জনপ্ৰিয়তা লাভ কৰিছিল।

## হালোৱাটিং আৰক্ষীয়ে পুনৰ

সুৰাৰ বটল জব্দ কৰাৰ লগতে আন ৪৮ টা বিয়েৰৰ বটল জব্দ কৰে। ইয়াৰ পূৰ্বে যোৱা ৬ মে'ৰ দিনা হালোৱাটিং থানাৰ আৰক্ষীয়ে ৭৮ কাৰ্টন অৰুণাচলী সুৰা জব্দ কৰিবলৈ সক্ষম হৈছিল। উক্ত দিনা এ এচ ০৬ এল ০৯৮৮ নম্বৰৰ বলেৰ গাড়ীখনে উক্ত অৰুণাচলী সুৰা নাগালেণ্ডলৈ নিয়াৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখাৰ সময়ত এজোপা গছত খুন্দা মাৰি দুৰ্ঘটনাগ্ৰস্থ হৈছিল। এনে এক সময়তেই আৰক্ষীয়ে গাড়ীখন জব্দ কৰাৰ লগতে বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰা জব্দ কৰিবলৈ সক্ষম হয়। কিন্তু আজি পৰ্যন্ত অৰুণাচলী সুৰাৰ অবৈধ ব্যৱসায় অব্যাহত ৰখা কুখ্যাত চক্ৰটোৰ এগৰাকী লোককো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই। ৰাজহুৱা অভিযোগ অনুসৰি চন্দন, নকুল, স্বপ্নিলকে ধৰি ভালেসংখ্যক লোকে অৰুণাচলী সুৰা ব্যৱসায় অব্যাহত ৰাখিছে। এই চক্ৰটোৱে ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথক অবৈধ সুৰা পৰিবহনৰ অন্যতম কৰিডৰ ৰূপে ব্যৱহাৰ কৰি আহিছে। জাঁজীৰ পৰা নাগালেণ্ডলৈকে থকা এই পথটোৰেদি পুৱাৰ পৰা নিশালৈকে শ শ গাড়ী চলাচল কৰে। বিশেষকৈ টাটাচুমু, বলেৰ', পিকাপ ভান, ট্ৰাকৰ যোগেদি এই চক্ৰটোৱে নাগালেণ্ডলৈ দৈনিক অভিনৱ পন্থাৰে অৰুণাচলী সুৰা প্ৰেৰণ কৰি আহিছে। পাচলি, দাইল, চাউল, মাছ কঢ়িওৱা গাড়ীটো এই চক্ৰটোৱে অৰুণাচলী সুৰা নাগালেণ্ডলৈ প্ৰেৰণ কৰি ৰমৰমীয়া ব্যৱসায় অব্যাহত ৰাখিছে। আমগুৰি আৰু হালোৱাটিঙৰ কেইবাটাও চক্ৰই অৰুণাচলৰ বান্দৰদেৱাৰ পৰা ট্ৰাকে ট্ৰাকে সুৰা ক্ৰয় কৰি আনি গোপন স্থানত মজুত ৰাখে। বিশেষকৈ গৌৰীসাগৰৰ পৰা জাঁজী হৈ আমগুৰিলৈকে গোপন স্থানত মজুত ৰখা অৰুণাচলী সুৰাসমূহ সময় আৰু সুযোগ চাই আমগুৰিৰ লগতে হালোৱাটিং থানাৰ সন্মুখেদি নাগালেণ্ডলৈ প্ৰেৰণ কৰি কোটি টকীয়া ব্যৱসায় অব্যাহত ৰাখিছে। উত্থাপিত অভিযোগ অনুসৰি শিৱসাগৰৰ দৰিকাপাৰৰ পৰা জাঁজী আৰু আমগুৰিৰ কেইবা গৰাকীও ব্যক্তিয়ে বৈধ সুৰাৰ সমান্তৰালকৈ অবৈধ সুৰাৰ ব্যৱসায়ো চলাই আহিছে। অথচ আবকাৰী বিভাগে জিলাখনৰ বিভিন্ন প্ৰান্তত থকা সুৰাৰ বিপনী আৰু সুৰা জমাৰখা স্থান সমূহত অভিযান চলোৱা দৃষ্টান্ত বিৰল। উল্লেখ্য যে জাঁজীৰ পৰা আমগুৰিলৈ সোমাই যোৱা ৰাষ্ট্ৰীয় ঘাইপথত আৰক্ষীৰ এখন চেক গেট আছে। ইয়াৰোপৰি আমগুৰি আৰু হালোৱাটিং থানাৰ সন্মুখটো নিয়মীয়া তালাচীৰ একোখনকৈ চেক গেট আছে। এনে পৰিস্থিতিত অবৈধ সুৰা ব্যৱসায় সকলে কিদৰে অৰুণাচলী সুৰা নাগালেণ্ডলৈ প্ৰেৰণ কৰিবলৈ সক্ষম হৈছে তাক লৈ জনসাধাৰণে প্ৰশ্ন উত্থাপন কৰিছে। যোৱা দহটা দিনৰ ভিতৰত হালোৱাটিং থানাৰ আৰক্ষীয়ে দুখনকৈ গাড়ী জব্দ কৰাৰ লগতে উক্ত গাড়ীত থকা বৃহৎ পৰিমাণৰ অবৈধ সুৰা জব্দ কৰাত জনসাধাৰণে সন্তোষ্টি প্ৰকাশ কৰিছে। কিন্তু অবৈধ সুৰা ব্যৱসায়ীৰ নেপথ্যত থকা ব্যক্তিসকলক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হ'বনে নাই ই হৈ পৰিছে লাখটকীয়া প্ৰশ্ন।

## বৰপথাৰৰ গড়কাপ্তানী পথৰ

পথছোৱাৰ প্ৰায় ৩-৪ কিলোমিটাৰ অতিসম্প্ৰতি এনে ৰূপ ধাৰণ কৰিছে যে যান-বাহনতো দূৰৰে কথা পথছোৱাৰে খোজকাঢ়ি যোৱাটোও হৈ পৰিছে বিপজ্জনক। পথছোৱাৰ মাজত সৃষ্টি হৈছে একো একোটা পুখুৰীসদৃশ্য প্ৰকাণ্ড প্ৰকাণ্ড গাঁত। উল্লেখ্য যে বৰপথাৰৰ পৰা বৰালিমাৰী বজাৰলৈ যোৱা এইটোৱেই একমাত্ৰ মূল পথ বুলি ক'ব পাৰি। পথছোৱাৰ প্ৰকাণ্ড প্ৰকাণ্ড গাঁতবোৰ তেনেই পৰি ৰোৱাত সম্প্ৰতি পথছোৱাৰে যাতায়াত অব্যাহত ৰখাত বিঘ্নিত হৈ পৰিছে। পথচাৰী তথা পথ সংলগ্ন স্থায়ী একাংশ লোকে সাংবাদিকৰ লগত হোৱা কথা-বতৰাত এই পথছোৱাৰে বৃহত্তৰ অঞ্চলৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাৰ্থী, শিক্ষকৰ লগতে বিভিন্ন চিকিৎসালয়ৰ স্বাস্থ্য কৰ্মী আদি অন্যান্য পথচাৰীসকলে বিপদাপন্নভাৱে যাতায়াত কৰিব লগা হয়। আনহাতে, পথছোৱাৰে জৰুৰীকালীন সেৱা - এম্বুলেন্স আদি যান-বাহন অহা-যোৱাটো কল্পনাৰ বাহিৰত বুলি স্থায়ী ৰাইজে সাংবাদিকৰ আগত মত প্ৰকাশ কৰে। স্থায়ী ৰাইজ তথা পথচাৰীয়ে যথাসম্ভৱ শীঘ্ৰে পথছোৱাৰ মেৰামতি কৰিবলৈ স্থায়ী পঞ্চায়ত তথা বিভাগীয় গড়কাপ্তানী বিভাগক দাবী জনায়। ইফালে, পথছোৱাৰ নিচেই কাষত অৱস্থিত ভালেকেইখন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকল চিন্তিত হৈ পৰিছে। কাৰণ সমাগত গুণোৎসৱ পৰীক্ষা। নেৰা-নেপেৰা বৰষুণ দিয়াত পথছোৱাৰ এনে অৱস্থা বুলি জানিবলৈ দিয়ে।

## ৩ ব্যক্তিৰ পৰা সৰকালে ২২

মাধুৰ্য বৰা (৪০) বুলি জানিব পৰা গৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি মাধুৰ্য বৰাই জয়সাগৰৰ সমীপৰ জোনাকী নগৰৰ ৰূপহী পথাৰত থকা এবিঘা ১৮ লেচা মাটি বিক্ৰীৰ নামত তিনি ব্যক্তিৰ পৰা সৰকাই এই বৃহৎ ধনৰাশি। তথ্য অনুসৰি ৰূপহী পথাৰৰ উক্ত মাটি ডোখৰ বিক্ৰী কৰিম বুলি মগৰাহাট নিৱাসী মণিমালা বৰুৱা নামৰ মহিলাগৰাকীৰ পৰা ২০২০ চনৰ ১৮ নৱেম্বৰ তাৰিখে আগধন হিচাপে কেইবাটাও কিস্তিত মুঠ ১৩ লাখ ৮০ হাজাৰ টকা আদায় লয়। ইমান এক বৃহৎ পৰিমাণৰ ম্যাদী মাটি বিক্ৰীৰ বাবদ মণিমালা বৰুৱাৰ পৰা আগধন লোৱাৰ পিছতো মাটি গতাই নিদিয়াৰ লগতে আগধনৰ টকা ঘূৰাই নিদিয়ে। ইফালে উক্ত একে ডোখৰ মাটি বিক্ৰী কৰিম বুলি ইয়াৰ পূৰ্বেই আমোলাপট্টীৰ ৰবীন দাস নামৰ ব্যক্তিগৰাকীৰ পৰা ২০১৯ চনৰ ১৪ আগষ্টৰ দিনা মাধুৰ্য বৰাই আঢ়ৈ লাখ টকা আগধন হিচাপে লোৱাৰ লগতে থানামুখৰ নিৱাসী হেমন্ত দাস নামৰ ব্যক্তিগৰাকীৰ পৰাও একে ডোখৰ মাটি বিক্ৰী কৰিম বুলি পাঁচ লাখ টকা আগধন আদায় লৈছিল ধৃত মাধুৰ্য বৰাই। চকৰ লগতে নগদ ধন আদায় লোৱাৰ সময়ত প্ৰৱঞ্চক মাধুৰ্য বৰাই তিনিওটা পক্ষৰ সৈতে সুকীয়া সুকীয়াকৈ একোখনকৈ এগ্ৰিমেণ্ট কৰিছিল। এনেদৰে তিনিওটা পক্ষৰ পৰা মাটি বিক্ৰী কৰিম বুলি ধন আদায় লোৱাৰ পিছত মাধুৰ্যই মাটিও চমজাই নিদিয়াৰ লগতে এক প্ৰকাৰৰ আত্মগোপন কৰে। অৱশেষত ভুক্তভোগী পক্ষই জয়সাগৰ আৰক্ষী চকীত এই সন্দৰ্ভত ন্যায় বিচাৰি এজাহাৰ দাখিলৰ পিছতেই সহঃ উপ-পৰিদৰ্শক লোকনাথ বসুমতাৰীয়ে মাধুৰ্য বৰাক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ জেৰাত ধৃত প্ৰৱঞ্চক মাধুৰ্য বৰাই এই জালিয়াতিৰ কথা স্বীকাৰ কৰাৰ লগতে অনুসন্ধানত পোহৰলৈ আহে লেনদেনৰ সমস্ত তথ্য। আৰক্ষীয়ে ভুক্তভোগী পৰিয়ালকেইটাই দাখিল কৰা ২৯৪/২০২২ নম্বৰৰ গোচৰৰ ভিত্তিত ভাৰতীয় দণ্ডবিধি আইন ২৯৪ / ৪২০ ধাৰাত গ্ৰেপ্তাৰ কৰি আজি বিয়লি আদালতত হাজিৰ কৰাত আদালতে প্ৰৱঞ্চক মাধুৰ্যক জে'ললৈ প্ৰেৰণ কৰে।

## তেজপুৰৰ বিহগুৰি আৰু

কুকুৰবস্তি, ডেকাচুবুৰি, গণক চুবুৰি, বৰা চুবুৰি, ছিঙা চুবুৰি, মোৱামাৰীকে ধৰি বিস্তীৰ্ণ অঞ্চলত বাঢ়নী পানীয়ে কৃষিপথাৰ তথা শতাধিক বাসগৃহ বুৰাই পেলাইছে। প্লাৱিত হোৱা গাঁওসমূহৰ বহু লোক ওখ ঠাইত আৰু বিদ্যালয়ত আশ্ৰয় গ্ৰহণ কৰিছে যদিও জিলা প্ৰশাসনৰ তৰফৰ পৰা কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপিত কৰিছে। ইফালে খোলাকাটি, ডিপোটাৰ বহু পৰিয়ালৰ বাসগৃহ ইতিমধ্যে বাঢ়নী পানীত বুৰ গৈছে। কৃষিপ্ৰধান অঞ্চলসমূহত বাম খেতি সম্পূৰ্ণৰূপে নষ্ট হোৱাৰ উপৰি কালিৰে পৰা বানৰ কবলত আবদ্ধ হৈ পৰা লোকসকলৰ সাধাৰণ খবৰ এটাও প্ৰশাসনৰ ফালৰ পৰা লোৱা হোৱা নাই বুলি অভিযোগ উঠাৰ লগতে সম্প্ৰতি বানাক্ৰান্ত অঞ্চলসমূহত পশুখাদ্যৰ অভাৱ ঘটিছে। উল্লেখ্য যে, ডিপোটা আৰু ঘগৰা নৈৰ বাঢ়নী পানী এইবাৰ নতুন নতুন অঞ্চলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে, দুৰুং, বিন্দুকুৰি আৰু ঘগৰা চাহ বাগিচাৰ বহু অংশ এইবাৰ প্ৰথমবাৰলৈ প্লাৱিত হৈছে। যোৱা এটা বছৰৰ ভিতৰত বাঢ়নীপানী ওলাই যাব পৰা নাই। ডিপোটা, ন-আলিমূৰকে ধৰি সমীপৱৰ্তী অঞ্চলৰ লগতে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে আজি দুপৰীয়াৰ পৰা পানী বাগৰাৰ ফলত কিছু যান-জঁটৰ সৃষ্টি হৈছে। আনহাতে, ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ঘগৰালৈ যোৱা গড়কাপ্তানী বিভাগৰ পথটো সম্পূৰ্ণভাৱে ডুব যোৱাৰ ফলত যাতায়াত বন্ধ হৈ পৰিছে। ইফালে বিন্দুকুৰি আৰু বান্দৰমাৰীৰ মাজৰ গড়কাপ্তানী বিভাগৰ পথটো সম্পূৰ্ণভাৱে ডুব যোৱাৰ লগতে কেইবা ঠাইতো পথটোৰ ক্ষতি সাধন হৈছে। আনহাতে, ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ কৃষিপথাৰত বিভিন্ন উদ্যোগ, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু বাসগৃহ নিৰ্মাণ কৰা হৈছে আৰু ইয়াৰে পৰিণতিত বৰ্তমান পানী ওলাই যাব নোৱৰাত নতুন নতুন স্থান বিপজ্জনকভাৱে প্লাৱিত কৰিছে। আনকি বৰ্তমান ডিপোটাত সেউজ প্ৰাধিকৰণৰ আউটিত পৰা ভূমিতো বৃহৎ নিৰ্মাণকাৰ্য চলি আছে। উল্লেখ্য যে, ডিপোটা নৈৰ বাঢ়নী পানী বৰ্তমান উভতি বৈ তেজপুৰৰ বৃহত্তৰ গৰৈমাৰী অঞ্চলৰ বহু অংশ প্লাৱিত কৰিছে। আজি পুৱাৰে পৰাই এই অঞ্চলৰ বহু বাসগৃহ বানত বুৰ যোৱাৰ লগতে শালনিবাৰী বায়ু সেনাৰ ঘাটিলৈ যোৱা পথৰ লগতে হলেশ্বৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ তথা ইয়াৰ আৱাস গৃহসমূহ, এছ এছ বি প্ৰশিক্ষণ কেন্দ্ৰ বানৰ কবলত পৰিছে। এই আকস্মিক বানৰ কবলত পৰা অঞ্চলসমূহৰ ৰাইজে আজি স্থানীয় সমাজকৰ্মী দীপক শইকীয়াৰ নেতৃত্বত হাতে হাতে দা, কোৰ আদি লৈ বহুকেইটা নলা পৰিষ্কাৰ কৰাৰ লগতে পানী নিষ্কাশন হ'বৰ বাবে একাধিক স্থানত নৰ্দমা পৰিষ্কাৰ কৰে যদিও পানী বৰ্তমানেও বাঢ়িয়েই আছে।

## প্ৰশান্ত ৰাজগুৰুলৈ পৰাগ

মুখ্য সম্পাদক প্ৰশান্ত ৰাজগুৰুক প্ৰদান কৰিব বিজ্ঞানী-লেখক ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব সাহিত্যিক, কবি সমীৰ তাঁতী। জ্যেষ্ঠ সাংবাদিক দিলীপ চন্দনে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰিবলগীয়া অনুষ্ঠানত পৰাগ কুমাৰ দাস স্মাৰক বক্তৃতা প্ৰদান কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ডীন অৱ ছায়েন্স'ৰ অধ্যাপক দ্বিপেন বেজবৰুৱাই। উক্ত অনুষ্ঠানতে প্ৰয়াত সাহিত্যিক, নাট্যকাৰ মহেন্দ্ৰ বৰঠাকুৰৰ পত্নী বিবি বৰঠাকুৰক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। উল্লেখ্য যে পৰাগ কুমাৰ দাস সতীৰ্থ মঞ্চৰ হৈ মনোৰম গগৈ, কিশোৰ কুমাৰ ভট্টাচাৰ্য, মনোজ কুমাৰ নাথ, ধৈৰ্য হাজৰিকা আৰু বেদব্ৰত বৰাই উক্ত অনুষ্ঠানলৈ সকলোকে সাদৰেৰে আমন্ত্ৰণ জনাইছে।

## ১ ব্যক্তি, ১ পদবী, ১ পৰিয়াল

ৰাষ্ট্ৰীয় পৰ্যায়ত কংগ্ৰেছৰ বিভিন্ন নেতা আৰু কৰ্মীৰ কাম-কাজৰ সম্পৰ্কে সাধাৰণ ৰাইজৰ মনোভাব জানিবৰ বাবেই পাব্লিক ইনছাইড ডিপাৰ্টমেণ্ট গঠন কৰা হৈছে। আনহাতে কংগ্ৰেছে নেচনেল ট্ৰেইনিং ইনষ্টিটিউট স্থাপন কৰিব য'ত ৰাজনৈতিক নেতা আৰু কৰ্মী আদিক প্ৰশিক্ষণ দিয়া হ'ব। এই প্ৰতিষ্ঠানটোৰ নাম হ'ব ৰাজীৱ গান্ধী ইনষ্টিটিউট অৱ ডেভেলপমেণ্ট ষ্টাডিজ। প্ৰতিষ্ঠানটো কেৰালাত স্থাপন কৰা হ'ব। আনহাতে সৰ্বভাৰতীয় পৰ্যায়ত ইলেকচন পৰিচালনাৰ বাবে কংগ্ৰেছ দলে নিজাকৈ ইলেকচন মেনেজমেণ্ট ডিপাৰ্টমেণ্ট গঠন কৰিব। উল্লেখ্য যে পৰিয়ালকেন্দ্ৰিক ৰাজনৈতিক দলৰ কলংক মোহাৰিবলৈ এইবাৰ এটা পৰিয়ালত এজন ব্যক্তিকহে দলীয় টিকট দিয়াৰ সিদ্ধান্ত লৈছে। আনহাতে দলৰ কেন্দ্ৰীয় কমিটী, ৰাজ্যিক কমিটী আৰু জিলা সমিতিসমূহৰ কাম-কাজৰ ব্যাপক মূল্যায়ন কৰা হ'ব। বিষয়ববীয়াসকলে দলৰ বাবে কৰা কাম-কাজৰ খতিয়ান লোৱা হ'ব। বিষয়ববীয়াসমূহৰ পঞ্চাশ শতাংশ পদ পঞ্চাছ বছৰৰ অনূৰ্ধ লোকৰ বাংব সংৰক্ষণ কৰা হ'ব। ইফালে কোনো ব্যক্তিয়ে দলৰ মজিয়াত এটা পদবী পাঁচ বছৰতকৈ অধিক কাল খামুচি থাকিব নোৱাৰিব। নতুন প্ৰজন্মৰ লোকক সুবিধা দিয়াৰ বাবেই এই সিদ্ধান্ত দিয়া হৈছে। ইফালে এজন ব্যক্তি, এটা পৰিয়াল, এটা পদবী আৰু এটা টিকট নীতি গ্ৰহণ কৰা হৈছে। পাঁচ বছৰৰ পিছতহে এটা পৰিয়ালৰ দ্বিতীয় ব্যক্তিয়ে টিকট পোৱাৰ সম্ভাৱনা থাকে। উল্লেখ্য যে কেন্দ্ৰীয় সমিতিৰ পৰা ৰাজ্যিক, ৰাষ্ট্ৰীয়, জিলা, ব্লক, বুথ কমিটিলৈকে ৫০ শতাংশ পদবী ৫০ বছৰ অনুৰ্ধসকলৰ বাবে সংৰক্ষণৰ সিদ্ধান্ত লৈছে। ইয়াৰ উপৰিও আগন্তুক লোকসভাৰ নিৰ্বাচনৰ প্ৰতি অহা ১৫ জুনৰ পৰা দলটোৱে পদযাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰিব। সমান্তৰালভাৱে মূল্য বৃদ্ধিৰ বিৰুদ্ধেও ৰাষ্ট্ৰজুৰি প্ৰতিবাদী কাৰ্যসূচী প্ৰদান কৰিব। ৰাহুল গান্ধী আৰু ছোনিয়া গান্ধীয়েও এই পদযাত্ৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব বুলি ঘোষণা কৰা হৈছে।

## মাজুলী-যোৰহাট সংযোগী

এই দলং সময় মতে নিৰ্মাণ কাৰ্য শেষ হ'ব লাগিব আৰু যিসমূহ আসোঁৱাহ আছে এই সম্পৰ্কত উচ্চ পৰ্যায়ৰ তদন্ত কৰি বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা কৰি মাজুলীবাসীক শংকামুক্ত কৰিবলৈ আহ্বান জনায়। বক্তব্য প্ৰদান কৰি আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক পৱিত্ৰ গোস্বামীয়ে বক্তব্য প্ৰসংগত ফেৰীৰ ভাৰা কোনো কাৰণত আভ্যন্তৰীণ জলপৰিবহণ বিভাগে যাতে দুগুণ ভাৰা বৃদ্ধি নহয়। এই সিদ্ধান্ত যাতে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে সলনি কৰে তাৰ বাবে আহ্বান জনায়। সভাত অসম জাতীয়তাবাদী যুৱ পৰিষদৰ জিলা সমিতিৰ সভাপতি মুনিন্দ্ৰ ভূঞাই এই দলঙৰ আসোঁৱাহ দূৰ কৰিবৰ বাবে বিভাগ তথা চৰকাৰে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে দলঙৰ খুঁটাসমূহ বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা কৰিব লাগে বুলি বক্তব্য আগবঢ়ায়। সভাত সাহিত্য সভাৰ প্ৰভাত বুঢ়াভকত, জ্যেষ্ঠ নাগৰিক সন্থাৰ হৈ উমাকান্ত ৰাজখোৱা, সমাজকৰ্মী বীৰেন শইকীয়া, অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সভাপতি বিকাশ দাস, কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সম্পাদক নীলকমল শইকীয়া, সাংবাদিক সন্থাৰ সম্পাদক দীপু বৰা, শিক্ষা কোষৰ সভাপতি ঘনকান্ত নাথ, সম্পাদক ৰঞ্জিত সেন, পূব মাজুলী মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ড° অৰূপ কুমাৰ বৰা, মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° আনন্দ হাজৰিকা, জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, মাজুলী আউনীআটী হেমচন্দ্ৰ উঃমাঃবিঃৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কৰুণা বৰা, প্ৰাক্তন আছু নেতা দুলাল ভূঞা, ভৰত দত্ত, সমাজকৰ্মী প্ৰতাপ বৰুৱাৰ লগতে মাজুলীৰ বহু বিশিষ্ট নাগৰিক, শিক্ষাবিদ, বিভিন্ন সংগঠনৰ নেতৃবৃন্দ, সাংবাদিক সন্থা, আপকুৰ বিষয়ববীয়াসকল উপস্থিত থাকি মনৰ ভাব ব্যক্ত কৰাৰ লগতে কেইটামান সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিশেষকৈ মাজুলী-যোৰহাট সংযোগী দলঙৰ বিসংগতি থকা ৮ আৰু ১১ নম্বৰ খুঁটাৰ লগতে বাকী ১০টা খুঁটাও উচ্চ পৰ্যায়ৰ বিশেষজ্ঞই পৰীক্ষা কৰি ১৫ দিনৰ ভিতৰত প্ৰতিবেদন ৰাজহুৱা কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। লগতে দলং নিৰ্মাণৰ কাম স্থবিৰ নকৰি বিজ্ঞানসন্মতভাৱে বিশেষজ্ঞৰ উপস্থিতিত দলং নিৰ্মাণ কৰি নিৰ্দিষ্ট সময়ৰ ভিতৰত নিৰ্মাণকাৰ্য সম্পন্ন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। লগতে মাজুলী-যোৰহাট সংযোগী ফেৰী সেৱাৰ যি দুগুণ ভাৰা বৃদ্ধি হৈছে এই সিদ্ধান্ত আভ্যন্তৰীণ জলপৰিবহণ বিভাগে শীঘ্ৰে বাতিলৰ বাবে সভাই দাবী জনাইছে। এই প্ৰস্তাৱসমূহ মাজুলীৰ বিধায়কগৰাকীৰ যোগেদি মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰীলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে নাগৰিক সভাই।



*ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীত উটি অহা খৰি সংগ্ৰহত ব্যস্ত একাংশ লোক, তেজপুৰত*

লেখক হেমন্ত বেজবৰুৱাৰ বিৰুদ্ধে শিৱসাগৰত সংবাদমেলৰ আয়োজন কৰি তীৰ্যক মন্তব্যৰে সমালোচনা পৰ্বতাৰোহীৰ

# উত্থাপন কৰা অভিযোগ শীঘ্ৰে তথ্য সহকাৰে প্ৰমাণ কৰিব নোৱাৰিলে লেখক হেমন্ত বেজবৰুৱা আদালতত থিয় হ'বলৈ প্ৰস্তুত হওক ঃ নৱ ফুকন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৬ মে'ঃ** ২০১৬ চনত ভাৰত, চীন, ইৰান, কোৰিয়া আদি আন্তঃৰাষ্ট্ৰীয় ১৪ জনীয়া পৰ্বতাৰোহী দলটোক নেতৃত্ব দিয়া অসম সন্তান তথা শিৱসাগৰ জিলাৰ চেপন শান্তিবন পথৰ নিবাসী নৱ ফুকনৰ বিৰুদ্ধে বাতৰি কাকতত সমালোচনা। আজি এখন অসমৰ আগশাৰীৰ বাতৰি কাকতত হেমন্ত বেজবৰুৱা নামৰ এগৰাকী লেখকৰ এভাৰেষ্টত অসমীয়া নামৰ প্ৰকাশ পোৱা লেখাটিত নৱ ফুকনক চূড়ান্তভাৱে সমালোচনা কৰা পৰিলক্ষিত হৈছে ।যাক লৈ এতিয়া সৰ্বত্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। উক্ত লেখাটোত লেখক গৰাকীয়ে সমালোচনাৰ নামত ২০১৬ চনত এটা আন্তঃৰাষ্ট্ৰীয় পৰ্বতাৰোহী দলক নেতৃত্ব দিয়া নৱ ফুকনৰ সন্দৰ্ভত উল্লেখ কৰিছে যে ২০১৬ চনত নৱ ফুকন নামৰ এজনে এনে এক কমাৰ্চিয়েল অভিযানত অংশ লৈ এভাৰেষ্ট আৰোহণ কৰে। কিন্তু দুখৰ বিষয় যে, তেওঁৰ লগত থকা ভাৰতৰ আন দুজন পৰ্বতাৰোহীৰ সম্পৰ্কত এভাৰেষ্ট আৰোহণ নকৰাকৈ আৰোহণ কৰা বুলি দিয়া ভুৱা তথ্যৰ বাবে নেপাল চৰকাৰে তদন্ত চলাই যোৱা বছৰ ফেব্ৰুৱাৰী মাহত নৱ ফুকনসহ তেওঁৰ লগত থকা আন দুজন ব্যক্তি ক্ৰমে নৰেন্দ্ৰ সিং যাদৱ আৰু সীমাৰাণী গোস্বামীক ছবছৰৰ বাবে নেপালৰ যিকোনো শৃংগত অৰোহণ চলোৱাত নিষেধাজ্ঞা আৰোপ কৰে। এজন ট্যুৰিষ্ট ক্লাইম্বাৰৰ এনে কাৰ্যত অসমৰ পৰ্বতাৰোহণ জগতখনক লজ্জিত কৰাই নহয়, অস্বস্তিতো পেলাইছিল বুলি লেখাটোত উল্লেখ কৰিছে। হেমন্ত বেজবৰুৱাৰ এই লেখনিক লৈ আজি সৰৱ হৈ পৰে ২০১৬ চনত ভাৰত, চীন, ইৰান, কোৰিয়া আদি আন্তঃৰাষ্ট্ৰীয় ১৪ জনীয়া পৰ্বতাৰোহী দলটোক নেতৃত্ব দিয়া নৱ ফুকন। শিৱসাগৰ প্ৰেছ ক্লাৱত এক সংবাদমেল আয়োজন কৰি নৱ ফুকনে লেখক হেমন্ত বেজবৰুৱাক তীৰ্যক মন্তব্যৰে সমালোচনা কৰি কয় যে হেমন্ত বেজবৰুৱা কোন হয় মই চিনি নাপাওঁ। তেওঁ কাৰ স্বাৰ্থ সিদ্ধি কৰিবলৈ মোৰ কেৰিয়াৰ ধ্বংস কৰাৰ চেষ্টা চলাইছে সেয়া এক ৰহস্যৰ বিষয়। কিন্তু মোৰ পৰ্বতাৰোহণৰ সবিশেষ নজনাকৈ মোৰ বিৰুদ্ধে যি হেমন্ত বেজবৰুৱাই মনেসজা লেখনি লিখি মোক অসমৰ জনসাধাৰণৰ আগত লজ্জানত কৰিবলৈ চেষ্টা কৰিলে, ইয়াৰ বিৰুদ্ধে মই আদালতৰ কাষ চাপিম। তেওঁ সংবাদমেলখনত উল্লেখ কৰে যে- ২০১৬ চনত তেওঁৰ নেতৃত্বত এভাৰেষ্ট শৃংগ আৰোহণলৈ যোৱা আন্তঃৰাষ্ট্ৰীয় ১৪ জনীয়া পৰ্বতাৰোহী দলটোৰ এগৰাকী সদস্য আছিল হাৰিয়াণাৰ নৰেন্দ্ৰ সিং। সেই সময়ত দলটোৰ সদস্য নৰেন্দ্ৰ সিঙৰ পৰ্যাপ্ত পৰিমাণৰ নিজৰ লগত অক্সিজেন মজুত নথকাৰ বাবে তেওঁ এভাৰেষ্ট শৃংগ আৰোহণ কৰিব পৰা নাছিল। যাৰ বাবে দলটোৰ নেতৃত্বত থকা নৱ ফুকনে নৰেন্দ্ৰ সিঙক এভাৰেষ্ট শৃংগৰ পৰা কেইবা কিলোমিটাৰ আঁতৰত এৰি থৈ ১৩ জনীয়া সদস্যৰ দলটোক লৈ এভাৰেষ্ট আৰোহণ কৰিছিল। পৰৱৰ্তী সময়ত ১৩ জনীয়া দলটো উভতি আহোঁতে কেম্পৰ পৰা নৰেন্দ্ৰ সিঙক লগত লৈ আহে। কিন্তু ২৯ আগষ্ট, ২০২০ বৰ্ষত দেশৰ ৰাষ্ট্ৰপতিয়ে টেনজিং নৰ্গে নেচনেল এডভেঞ্চাৰ এৱাৰ্ড-২০১৯ প্ৰদান কৰিবলগীয়া তালিকাত এভাৰেষ্ট শৃংগ আৰোহণ কৰিব নোৱাৰা নৰেন্দ্ৰ সিঙৰ নাম অন্তৰ্ভুক্ত হোৱাত নৱ ফুকনেই প্ৰথমেই নৰেন্দ্ৰ সিঙে ভুৱাকৈ এই সন্মানীয় এৱাৰ্ড ল'বলৈ চেষ্টা চলাইছে বুলি সৰৱ হৈ পৰিছিল। আনকি তেওঁ ২৪ আগষ্ট, ২০২০ বৰ্ষত শিৱসাগৰ প্ৰেছ ক্লাৱত এখনি সংবাদমেলৰ আয়োজন কৰি নৰেন্দ্ৰ সিং এগৰাকী ভুৱা পৰ্বতাৰোহী বুলি ঘোষণা কৰিছিল। তেওঁৰ এই সংবাদমেলৰ পিছতেই ৰাষ্ট্ৰপতিয়ে প্ৰদান কৰিব লগীয়া টেনজিং নৰ্গে নেচনেল এডভেঞ্চাৰ এৱাৰ্ড-২০১৯ ৰ পৰা নৰেন্দ্ৰ সিঙৰ নাম বাদ পৰিছিল। পৰৱৰ্তী সময়ত নেপাল চৰকাৰে ভুৱা এভাৰেষ্ট শৃংগ আৰোহণকাৰী নৰেন্দ্ৰ সিং তেওঁৰ দলটোৰ সদস্য হোৱাৰ বাবেই তেওঁক নেপালৰ পৰ্বত আৰোহণত ছয় বছৰৰ বাবে নিষেধাজ্ঞা লগাইছিল বুলি উল্লেখ কৰে। নৱ ফুকনে কয় যে ইয়াত ভুৱা প্ৰমাণ পত্ৰ দিয়াৰ কোনো প্ৰশ্নই নুঠে। যিহেতু এৱাৰ্ড গ্ৰহণ কৰাৰ ক্ষেত্ৰত প্ৰথম ময়েই ইয়াৰ তীব্ৰ বিৰোধিতা কৰাৰ লগতে ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাত ভুৱা এভাৰেষ্ট আৰোহণকাৰী নৰেন্দ্ৰ সিঙে এই সন্মানীয় টেনজিং নৰ্গে নেচনেল এডভেঞ্চাৰ এৱাৰ্ড-২০১৯ ল'বলৈ আমি বিফল কৰিছিলো। তেনে ক্ষেত্ৰত সবিশেষ অধ্যয়ন নকৰাকৈ হেমন্ত বেজবৰুৱাই যি লেখা মোৰ বিৰুদ্ধে লিখিলে ইয়াক শীঘ্ৰে তথ্য সহকাৰে প্ৰমাণ কৰিবলৈ নৱ ফুকনে হেমন্ত বেজবৰুৱাক প্ৰত্যাহ্বান জনায় আজিৰ এই সংবাদমেল যোগেদি। অন্যথা হেমন্ত বেজবৰুৱাৰ এই লেখনিৰ বিৰুদ্ধে শীঘ্ৰেই আদালতৰ কাষ চাপিব বুলি নৱ ফুকনে সকীয়াই দিয়ে লেখক হেমন্ত বেজবৰুৱাক।



# থাওৰা সমষ্টিত জল জীৱন আঁচনিৰ নামত ঠিকাদাৰৰ কাণ্ড ঃ পথৰ ওপৰত গাঁত খান্দি জনজীৱনলৈ ভাবুকি ঃ ৰাইজৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১৬ মে'ঃ** ঘৰ ঘৰ নল, ঘৰ ঘৰ জল, ভাৰত চৰকাৰৰ এখন অভিলাষী আঁচনি হৈছে জল জীৱন মিছন। এতিয়া এই আঁচনিৰ নামত শিৱসাগৰ জিলাৰ অন্তৰ্গত বিভিন্ন প্ৰান্তত লগতে থাওৰা সমষ্টিত ঠিকাদাৰৰ লুণ্ঠনৰ অবিৰত প্ৰতিযোগিতা চলাৰ গুৰুতৰ অভিযোগ উঠিছে। জিলাখনৰ থাওৰাত এই আঁচনিৰ সৰহ সংখ্যক ঠিকাদাৰে কামত পাল মৰাৰ লগতে হকে-বিহকে অতি নিম্ন মানৰ সামগ্ৰী ব্যৱহাৰ কৰি ধন লুণ্ঠন কৰাৰ লগতে জনজীৱনলৈ ভাবুকি কঢ়িয়াই পথৰ ওপৰত গাঁত খান্দি একো একোটা পথ মৃত্যুদূত পৰিণত কৰাৰহে গুৰুতৰ অভিযোগ উঠিছে। অভিযোগ অনুসৰি ডিমৌ উন্নয়ন খণ্ডৰ অন্তৰ্গত আঠাবাৰী গাঁও পঞ্চায়তৰ ৫নেং ৱাৰ্ডত বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ বাবে জল জীৱন মিছনৰ জৰিয়তে ঠিকাদাৰে কাম কৰি আছে। ঠিকাদাৰ, বিভাগীয় কৰ্তৃপক্ষৰ গোপন বুজাবুজি আৰু চূড়ান্ত মইমতালিৰ বাবে বৰ্তমান এই ৰাইজ যমৰ যন্ত্ৰণা ভোগ কৰিবলৈ বাধ্য হৈছে সাধাৰণ জনসাধাৰণ। সামান্য এজাক বৰষুণৰ ফলত হোৱা বোকা-পানীৰ বাবে দৈনিক এই এলেকাবোৰত সৰু-বৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ লগতে জৰুৰীকালীন অৱস্থাত লোক ঘৰৰ পৰা ওলাই যাবলৈ সক্ষম নহয় বুলি ৰাইজে অভিযোগ কৰিছে। ঘৰ ঘৰ নল, ঘৰ ঘৰ জল দিয়াৰ নামত ব্যাপক অনিয়মৰ আশ্ৰয় গ্ৰহণ কৰি চৰকাৰী সকলো নীতি-নিৰ্দেশনা ভৰিৰে মোহাৰি ঠিকাদাৰে নিজৰ খেয়াল-খুচি মতে আঠাবাৰীকে ধৰি সমষ্টিৰ প্ৰায়বোৰ গাঁও অঞ্চলত পানী যোগানৰ পাইপ সংযোগ কৰাৰ নামত বিভিন্ন পথৰ ওপৰত খননকাৰ্য চলাই মুকলিকৈ এৰি দিয়াৰ ফলত যাতায়াতৰ ক্ষেত্ৰত ৰাইজৰ বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হৈছে। ইফালে জল জীৱন মিছনৰ বিভাগীয় কৰ্তৃপক্ষৰ নিৰ্দেশনা অনুসৰি পানী যোগানৰ মূল পাইপ তিনি ফুট পুতিব লাগে আৰু প্ৰতি ঘৰ ব্যক্তিৰ ঘৰত পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে যদিও ঠিকাদাৰে নিজৰ খেয়াল-খুচি মতে পথ ওপৰত মাত্ৰ এক ফুট গাঁত খান্দি পাইপ পোতাৰ লগতে হিতাধিকাৰীৰ ঘৰত পানী যোগান ধৰাৰ সলনি ৰাস্তাৰ কাষতে পানী টেপ দিয়াৰ গুৰুতৰ অভিযোগ তুলিছে। ৰাইজৰ অভিযোগ অনুসৰি ঠিকাদাৰে অধিক মুনাফা আদায় কৰাৰ বাবে প্ৰধানমন্ত্ৰীৰ সপোনৰ অভিলাষী আঁচনি জল জীৱন মিছন আজি ৰাইজৰ বাবে কাল ৰূপ ধাৰণ কৰিছে ।ইফালে আঠাবাৰীকে ধৰি থাওৰা সমষ্টিত জল জীৱনৰ নামত সংঘটিত হৈ থকা অনিয়ম আৰু দুৰ্নীতিৰ এক উচিত তদন্ত কৰি এই আঁচনি সফল ৰূপায়ণত এক ক্ষিপ্ৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ জিলা উপায়ুক্ত আৰু স্থানীয় বিধায়কক ব্যৱস্থা ল'বলৈ ৰাইজে আহ্বান জনাইছে।

জামুগুৰিহাটত কৃত্ৰিম বানত বুৰ গ'ল দহখনৰো অধিক গাঁও

# পানী সোমাল ঐতিহ্যমণ্ডিত জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদত



**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৬ মে'ঃ** যোৱা কেইবাদিনো ধৰি অহা থকা নেৰানেপেৰা বৰষুণৰ ফলত কৃত্ৰিম বানৰ কবলত পৰিছে জামুগুৰিহাটৰ দহখনৰো অধিক গাঁও। মাধৱ, কোঁচগাঁও, পাতলবুচক, নন্দিকেশ্বৰ, বৰাচুক, জামুগুৰি নগৰকে ধৰি বহু অঞ্চল এতিয়া পানীৰ তলত বুৰ গৈছে। চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণকাৰী সংস্থা ছিমপ্লেক্স কোম্পানীয়ে বৰষুণৰ জমা হোৱা পানী ওলাই যাবৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবেই পোন প্ৰথমবাৰৰ বাবে জামুগুৰিহাটত কৃত্ৰিম বানৰ সৃষ্টি হৈছে। জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগতে কেইবাখনো বিদ্যালয়ৰ চৌহদ এতিয়া পানীৰ তলত। দিনৰ ভাগত চতিয়াৰ বিধায়ক পদ্ম হাজৰিকা উপস্থিতি হৈ বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে পানী ওলাই যাবৰ বাবে বিভিন্ন স্থানত জাবৰ আবদ্ধ হৈ নলাসমূহ জেচিবি লগাই পৰিষ্কাৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে।

# লাহৰিঘাট এইচ এছ স্কুলত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৬ মে'ঃ** মৰিগাঁও জিলাৰ লাহৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি দিনৰ ৩ বজাত বিদ্যালয়ৰ শিক্ষক গোট আৰু পৰিচালনা সমিতিৰ উপস্থিতিত উক্ত বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলক লৈ এখনি সন্মিলন অনুষ্ঠিত হয়। সন্মিলনৰ সভাখন সঞ্চালনা কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ আমিনুল হক মল্লিকে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সহ শিক্ষক বঞ্জিত কুমাৰ বৰদলৈয়ে। সভাত বিশেষভাৱে বিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু শৈক্ষিক দিশৰ ওপৰত আলোচনা কৰা হয়। সভাত শিক্ষক গোটৰ হৈ বিষয় শিক্ষক নুৰ হুছেইন, প্ৰাক্তন অৱসৰপ্ৰাপ্ত অধ্যক্ষ অতীন চন্দ্ৰ বৰা, পৰিচালনা সমিতিৰ সভাপতি ফাইজুল ইছলাম, প্ৰাক্তন ছাত্ৰ খাইৰুল ইছলাম, হাৰুণ অল ৰাশিদ খান আৰু ছফিকুল ইছলামে সন্মিলনত প্ৰথমবাৰ এনে সন্মিলন অনুষ্ঠিত কৰাৰ বাবে বিদ্যালয় কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আৱেগিক বক্তব্য প্ৰদান কৰে। সভাত এখন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক লৈ ৪ জন উপদেষ্টা ক্ৰমে আবুল বাশাৰ, হাৰুণ অল ৰাশিদ খান, মাণিক ৰয় আৰু তমিজ উদ্দিন আহমেদ সহ ১৩ জনীয়া কাৰ্যবাহী সমিতি গঠন কৰা হয়। ১৩ জনীয়া কাৰ্যবাহী সমিতি ক্ৰমে সভাপতি ছফিকুল ইছলাম, উপ সভাপতি ৰাধে ৰমণ দত্ত, সম্পাদক খাইৰুল ইছলাম, সহকাৰী সম্পাদক আবুল কালাম আৰু বাকী ৯ জনক কাৰ্যবাহী সদস্য হিচাপে লৈ মুঠ ১৭ জনীয়া কমিটী গঠন কৰা হয়।




# ঘগ্ৰাপাৰৰ চটাইবাৰীত 'ৰাইজৰ সদন' অনুষ্ঠানত বিধায়ক জয়ন্ত মল্ল বৰুৱা



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৬ মে'ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ মণ্ডলৰ অন্তৰ্গত ১৯ নং চটাইবাৰী গাঁও পঞ্চায়তত আজি ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰৰ বৰ্ষপূৰ্তি উপলক্ষে বিভিন্ন উন্নয়ন মূলক আঁচনিৰ শুভাৰম্ভ অনুষ্ঠানৰ লগতে পঞ্চায়ত খনৰ অন্তৰ্গত ৰাইজৰ অভাৱ-অভিযোগৰ বুজ লোৱাৰ উদ্দেশ্যে নলবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰী ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাই 'ৰাইজৰ সদন' অনুষ্ঠানত উপস্থিত থাকে। আজি দুপৰীয়া প্ৰতিকূল বতৰোকো নেওচি চটাইবাৰী নামঘৰ বাকৰিত অনুষ্ঠিত হোৱা সভাখনৰ আঁত ধৰে বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক বিজয় বৰ্মণে। অনুষ্ঠানত বিধায়ক জয়ন্ত মল্ল বৰুৱাৰ ভাষণত কয় যে বিজেপি মিত্ৰজোঁট চৰকাৰখনে সকলো ৰাইজৰে উন্নয়নৰ বাবে কাম কৰি আহিছে বুলি উল্লেখ কৰি চটাইবাৰী অঞ্চল ৰাইজৰ অভাৱ-অভিযোগ যদি কিবা আছে আগন্তুক দিনত দূৰ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। অনুষ্ঠানটোত পঞ্চায়ত সভাপতি দীপুল পাটোৱাৰী, কাউন্সিলাৰ মিনি ডেকা, বিজেপি নেতা তথা নলবাৰী আই টি ডি পিৰ নলবাৰী বিজেপিৰ সম্পাদক নন্দলাল সৰকাৰ, অধ্যক্ষ বিনয় বড়ো, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাৰ লগতে বিভিন্ন বিভাগৰ বিভাগীয় বিষয়ববীয়াৰ উপৰি প্ৰায় পাঁচ শতাধিক দলীয় নেতা-কৰ্মী আৰু ৰাইজে অংশগ্ৰহণ কৰে।

# হঠাৎ শাৰীৰিকভাৱে অসুস্থ সাংবাদিক ইমদাদ আলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ মে'ঃ** শুক্ৰবাৰে হঠাৎ শাৰীৰিকভাৱে অসুস্থ হৈ পৰে সাংবাদিক ইমদাদ আলী। বৰ্তমান সাংবাদিক ইমদাদ আলী গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। চিকিৎসকৰ মতে অতিশীঘ্ৰেই সাংবাদিকজন সুস্থ হৈ উঠিব। গ্ৰেছট্ৰিক আলচাৰত ভুগিছে ইমদাদ আলী। চিকিৎসকৰ মতে বিশেষ চিন্তাৰ কোনো কাৰণ নাই। বিভিন্নজনে তেওঁৰ স্বাস্থ্যৰ বুজ ল'বলৈ উপস্থিত হ'লগৈ জিএমচিএইচত। সকলোৱে অতি শীঘ্ৰেই তেওঁৰ আশু-আৰোগ্য কামনা কৰিছে। উল্লেখ্য যে সাংবাদিক ইমদাদ আলী বৰ্তমান দিশপুৰ প্ৰেছ ক্লাৱৰ উপ-সভাপতিৰ লগতে দৈনন্দিন বাৰ্তাৰ ডিজিটেল মাধ্যম ডিবি নিউজৰ পৰিচালন সম্পাদকৰ দায়িত্বত আছে। সাংবাদিকজন সোনকালে সুস্থ হৈ পুনৰ ন ন কৰ্ম কৰাৰ আশা সকলোৰে। দৈনন্দিন বাৰ্তা গোষ্ঠীৰ ফালৰ পৰাও সাংবাদিক ইমদাদ আলীৰ আশু-আৰোগ্য কামনা কৰিছোঁ। সুস্থ হৈ যাতে পুনৰ ন উদ্যমেৰে মানৱ সেৱা কৰিব পাৰে।



# বঙাইগাঁও-শালবাৰী গড়কাপ্তানী পথৰ জৰাজীৰ্ণ অৱস্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বইটামাৰী, ১৬ মে'ঃ** বঙাইগাঁও চহৰ ছহিদ বেদীৰ পৰা বইটামাৰীৰ শালবাৰী ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী গড়কাপ্তানী পথটোৰ দুৰৱস্থাৰ বাবে সাধাৰণ জনতাই দুৰ্ভোগ ভুগিছে । দীৰ্ঘদিন ধৰি পথটোৰ অধিকাংশ জৰাজীৰ্ণ হৈ থকাত এই পথেৰে যাতায়াত কৰাটো বিপদসংকুল তথা কষ্টদায়ক হৈ পৰিছে । বইটামাৰী অঞ্চলৰ ৰঘুনন্দনপুৰ, কাশাৰপাৰা, সজনাভিটা, আমগুৰী, বাঁশবাৰী, ডেকলিমাৰী, ধলাগাঁৱৰ উপৰি নগৰীয়াগাঁও, মূলাগাঁও, বৰ্ষণগাঁও আদি ঠাইত পথটো ভাগি ডাঙৰ ডাঙৰ গাঁত সৃষ্টি হোৱাৰ উপৰি জৰাজীৰ্ণ হৈ যাতায়াতৰ অনুপযোগী হৈ পৰিছে । এজাক বৰষুণতে পুখুৰী সদৃশ পৰিৱেশৰ সৃষ্টি হয় ।উল্লেখ্য যে এই গুৰুত্বপূৰ্ণ পথটোৰে প্ৰতিদিনে হাজাৰ হাজাৰ মানুহে বঙাইগাঁও চহৰলৈ অহা-যোৱা কৰে । বহু অঞ্চলৰ লোকৰ বাবে এইটোৱে বঙাইগাঁও সংযোগী একমাত্ৰ গুৰুত্বপূৰ্ণ পথ । শিক্ষা-দীক্ষা, ব্যৱসায় তথা বিভিন্ন কামত লোকসকলে প্ৰতিদিনে বিপদসংকুল ভাৱে এই পথেৰে অহা-যোৱা কৰে ।যাতায়াত কৰা মানুহ তথা যান-বাহনৰ সংখ্যাৰ অনুপাতে পথটো বহু ঠেক আৰু জৰাজীৰ্ণ বাবে বাহন চালকসকলৰো বহু সমস্যা হয় ।প্ৰায়েই পথটোত এনে কাৰণত দুৰ্ঘটনা হয় ।পথটোত বহু শিশু-মহিলা যান-বাহনৰ পৰা পৰি আহত হ'ব লগা হৈছে ।বছৰ বছৰ ধৰি ৰাইজে পথটো বহলকৰণ আৰু ভালকৈ নিৰ্মাণৰ বাবে দাবী জনাই আহিছে । 'অসম মালা' আঁচনিৰ অধীনত পথটো বহলকৈ নিৰ্মাণ হ'ব বুলি বিভাগীয়ভাৱে কেইবাবাৰো জৰীপ তথা মাটিৰ জোখ-মাপ হ'ল যদিও 'অসম মালা'ৰ অধীনত পথ নিৰ্মাণৰ কাম আজিলৈ আৰম্ভ নহ'ল । প্ৰক্ৰিয়াটো অতি লেহেমীয়া হৈ পৰিছে । বৰ্তমান পথটোৰ অৱস্থা অধিক শোচনীয় হৈ পৰিছে । যাতায়াতৰ বাবে অনুপযোগী হৈ পৰিছে পথটো । বঙাইগাঁও কেবিনেট বৈঠকৰ পূৰ্বে পথটোৰ ডাঙৰ ডাঙৰ গাঁতবোৰত নিশাৰ ভিতৰতে অলপ শিল-বালি ছটিয়াই দায় সামৰা বঙাইগাঁও লোকনিৰ্মাণ বিভাগে কিন্তু বৰ্তমানে পথটোৰ মেৰামতিৰ কোনো ব্যৱস্থা লোৱা নাই ।ক্ষুব্ধ বৃহত্তৰ অঞ্চলৰ ৰাইজে অনতি পলমে প্ৰস্তাৱিত 'অসম মালা' আঁচনিৰ অধীনত বহলকৈ পথটো নিৰ্মাণৰ ব্যৱস্থা ল'বলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

# জি আই এম টিত তিনিদিনীয়া টেকমিলাপ-২০২২ৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৬ মে'ঃ** গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ আজাৰাস্থিত গিৰিজানন্দা চৌধুৰী ইনষ্টিটিউট অৱ মেনেজমেণ্ট টেকনোলজী চমুকৈ জি আই এম টিত প্ৰথম বাৰৰ বাবে ১২ মে'ৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত 'টেকমিলাপ-২০২২'ৰ ১৪ মে'ৰ নিশা সাংস্কৃতিক অনুষ্ঠানেৰে সামৰণি পৰে । ১২ মে'ত বন্তি প্ৰজ্বলনেৰে টেকমিলাপ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ একাডেমী চ'ছাইটিৰ সভাপতি ৰাতুল দাসে ।এই উপলক্ষে জি আই এম টিৰ অধ্যক্ষ অধ্যাপক থুলেশ্বৰ নাথৰ আদৰণি ভাষণৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাগ লৈ মহানগৰ আৰক্ষীৰ গুৱাহাটী পশ্চিম জিলাৰ উপ আৰক্ষী আয়ুক্ত নৱনীত মহন্তই অসমৰ কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰখনত অৱদান আগবঢ়াই অহা জি আই এম টিয়ে ছাত্ৰ-ছাত্ৰীসকলক পুনৰ এখন প্লেটফৰ্ম দিয়াৰ বাবে এনেধৰণৰ অনুষ্ঠান-প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে প্ৰতিষ্ঠানখনৰ শলাগ লয় ।অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে আই আই টি, গুৱাহাটীৰ উপ-সঞ্চালক অধ্যাপক শশীন্দ্ৰ কুমাৰ কাকতিয়ে ভাগ লৈ কাৰিকৰী শিক্ষাৰ প্ৰয়োজনীয়তা আদিৰ ওপৰত ব্যাখ্যা দাঙি ধৰে ।আনহাতে টেকমিলাপৰ লগত সংগতি ৰাখি অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাত গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ প্ৰায় পাঁচশ ছাত্ৰ - ছাত্ৰীয়ে ভাগ লয় । ১৪ মে'ৰ বিয়লি অনুষ্ঠিত সামৰণী অনুষ্ঠানত প্ৰতিযোগিতাৰ বিজয়ীসকলক বঁটা আৰু মানপত্ৰসমূহ বিতৰণ কৰা হয় । সন্ধিয়া অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে বিশিষ্ট শিল্পী তন্ময় শইকীয়াই ।অনুষ্ঠানত কেবাজনো ছাত্ৰ - ছাত্ৰীৰ উপৰি আমন্ত্ৰিত শিল্পীয়ে নৃত্য প্ৰদৰ্শন আৰু সংগীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে।

# ভয়াৱহ খহনীয়াৰ কবলত লেঙেৰী মৌজাৰ ২নং ভৰালীবাৰী কলিতাগাঁও ঃ চপৰা-চপৰে খহিছে নদীৰ গৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৬ মে'ঃ** ডিব্ৰুগড় জিলাৰ টিংখাং সমষ্টিৰ অন্তৰ্গত লেঙেৰী মৌজাৰ অধীনৰ ২নং ভৰালীবাৰী কলিতা গাঁওখনত বৰ্তমান বুঢ়ীদিহিং নদীৰ ভয়ানক গৰাখহনীয়াই বহু খেতিপথাৰ খহাই নিয়াৰ উপৰিও গাঁওখনৰ উজনিৰ ১৫টা মান পৰিয়ালৰ ঘৰৰ ভেটি উছন হোৱাৰ উপক্ৰম ঘটিছে। যোৱা কেবাদিনো ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত হৰেঘাটৰ চাপৰিৰ উজনিলৈ ২কিঃমিঃ বাদ দি বাকী ডেৰ কিঃমিঃ অংশত ভয়ানক গৰাখহনীয়াই গাঁওখন কেবাশ বিঘা কৃষিভূমি খহাই নি খেতিয়কৰ সপোন চূৰমাৰ কৰি হাহাকাৰ কৰি তুলিছে। আনহাতে লেঙেৰী মৌজাৰ ৰমাই লাছন গাঁৱৰ পৰা ২কিঃমিঃ অংশ বাদ নামনিলৈ গাঁওখনৰ উজনি অংশত বৰ্তমান খহনীয়াই গাঁৱৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। ডিব্ৰুগড় জিলাৰ ভিতৰতেই টিংখাং সমষ্টিৰ লেঙেৰী মৌজাৰ অন্তৰ্গত ভৰালীবাৰী কলিতা গাঁৱৰ বুঢ়ীদিহিং নদীৰ গৰাখহনীয়াই বৰ্তমান এক আতংকময় পৰিস্থিতিৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। স্থানীয় ৰাইজে অনতিপলমে খহনীয়া হোৱা দুয়ো ঠাইতে বাঁহৰ পাৰ্কুপাইনৰ ব্যৱস্থা গ্ৰহণ ৰাইজক নিৰাপত্তা নিশ্চিত কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ বাবে টিংখাং সমষ্টিৰ বিধায়ক তথা ডিব্ৰুগড় জলসম্পদ বিভাগক দাবী জনাইছে।



# মাজুলী-যোৰহাট সংযোগী দলং সন্দৰ্ভত মাজুলী জিলা ছাত্ৰ সন্থাৰ নাগৰিক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৬ মে'ঃ** নিৰ্মীয়মাণ মাজুলী-যোৰহাট সংযোগী দলঙৰ দুটা খুঁটাত বিসংগতি দেখাৰ লগে লগে সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই তৎপৰতাৰে মাজুলীৰ সমূহ সংগঠন আৰু ৰাইজক একত্ৰিত কৰি আজি এখন নাগৰিক সভা অনুষ্ঠিত কৰে । জিলা ছাত্ৰ সন্থাৰ সভাপতি অজিত হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক বিতোপন শৰ্মাই। সভাত আছুৰ সাংগঠনিক সম্পাদক সূৰ্য কুমাৰ ভূঞাই নিৰ্মীয়মাণ দলং মাজুলীবাসীৰ প্ৰাপ্য । এই দলং সময়মতে নিৰ্মাণ কাৰ্য শেষ হ'ব লাগিব আৰু যিসমূহ আসোঁৱাহ আছে এই সম্পৰ্কত উচ্চ পৰ্যায়ৰ তদন্ত কৰি বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা কৰি মাজুলীবাসীক শংকামুক্ত কৰিবলৈ আহ্বান জনায় ।আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক পবিত্ৰ গোস্বামীয়ে বক্তব্য প্ৰসংগত ফেৰী ভাড়া কোনো কাৰণত আভ্যন্তৰীণ জল পৰিবহণ বিভাগে দুগুণ বৃদ্ধি কৰিব নোৱাৰিব বুলি উল্লেখ কৰে ।এই সিদ্ধান্ত যাতে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে সলনি কৰে তাৰ বাবে আহ্বান জনায় ।সভাত অসম জাতীয়তাবাদী যুব পৰিষদৰ জিলা সমিতিৰ সভাপতি মুনিন্দ্ৰ ভূঞাই এই দলঙৰ আসোঁৱাহ দূৰ কৰিবৰ বাবে বিভাগ তথা চৰকাৰে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে দলঙৰ খুঁটাসমূহ বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা কৰিব লাগে বুলি বক্তব্য আগবঢ়ায় ।সভাত সাহিত্য সভাৰ প্ৰভাত বৰা বুঢ়াভকত, জ্যেষ্ঠ নাগৰিক সন্থাৰ হৈ উমাকান্ত ৰাজখোৱা, সমাজকৰ্মী বীৰেন শইকীয়া, অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সভাপতি বিকাশ দাস, কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ সম্পাদক নীলকমল শইকীয়া, সাংবাদিক সন্থাৰ সম্পাদক দীপু বৰা, শিক্ষা কোষৰ সভাপতি ঘনকান্ত নাথ, সম্পাদক ৰঞ্জিত সেন, পূব মাজুলী মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ডঃ অৰূপ কুমাৰ বৰা, মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ আনন্দ হাজৰিকা, জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, মাজুলী আউনীআটী হেমচন্দ্ৰ উঃমাঃবিঃৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কৰুণা বৰা, প্ৰাক্তন আছু নেতা দুলাল ভূঞা, ভৰত দত্ত, সমাজকৰ্মী প্ৰতাপ বৰুৱাৰ লগতে মাজুলীৰ বহু বিশিষ্ট নাগৰিক, শিক্ষাবিদ, বিভিন্ন সংগঠনৰ নেতৃবৃন্দ, সাংবাদিক সন্থা, আপকুৰ বিষয়ববীয়াসকল উপস্থিত থাকি মনৰ ভাব ব্যক্ত কৰাৰ লগতে কেইটামান সিদ্ধান্তগ্ৰহণ কৰা হয় ।বিশেষকৈ মাজুলী-যোৰহাট সংযোগী দলঙৰ বিসংগতি থকা ৮ আৰু ১১ নম্বৰ খুঁটাৰ লগতে বাকী ১০ টা খুঁটাও উচ্চ পৰ্যায়ৰ বিশেষজ্ঞই পৰীক্ষা কৰি ১৫ দিনৰ ভিতৰত প্ৰতিবেদন ৰাজহুৱা কৰা, লগতে দলং নিৰ্মাণ কাম স্থবিৰ নকৰি বিজ্ঞানসন্মত ভাৱে বিশেষজ্ঞৰ উপস্থিতিত দলং নিৰ্মাণ কৰি নিৰ্দিষ্ট সময়ৰ ভিতৰত নিৰ্মাণকাৰ্য সম্পন্ন কৰা, লগতে মাজুলী-যোৰহাট সংযোগী ফেৰী সেৱাৰ যি দুগুণ ভাড়া বৃদ্ধি হৈছে এই সিদ্ধান্ত আভ্যন্তৰীণ জল পৰিবহণ বিভাগে শীঘ্ৰে বাতিলৰ বাবে সভাই দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰে । এই প্ৰস্তাৱসমূহ মাজুলীৰ বিধায়কগৰাকীৰ যোগেদি মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰীলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে নাগৰিক সভাই।



# ডিমৌৰ নহাটত এইচ আই ভি, টিবিৰ বৃহৎ সজাগতা সভাৰ লগতে ৰক্ত পৰীক্ষা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১৬ মে'ঃ** অসম ৰাজ্যিক এইড্ছ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত আৰু শিৱসাগৰ জিলাৰ ভ্ৰাম্যমাণ চিকিৎসক দল, ৰাষ্ট্ৰীয় যক্ষ্মা ৰোগ নিৰ্মূল কাৰ্যসূচী আৰু ভাগ্যলক্ষ্মী আঞ্চলিক শিশু কল্যাণ কেন্দ্ৰৰ অধীনত ৰূপায়িত এইচ আই ভি, এইড্ছ প্ৰকল্প লাইফ লাইনৰ সহযোগত অলপতে নহাট গাঁও পঞ্চায়ত কাৰ্যালয়ত এখন এইচ আই ভি / এইডছ আৰু টিবিৰ সজাগতা সভা আৰু ৰক্ত পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয়। এই সজাগতা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নহাট গাঁও পঞ্চায়তৰ সভানেত্ৰী পুষ্পা গগৈ, সমাজকৰ্মী সুনীল গগৈ, ভাগ্যলক্ষ্মী আঞ্চলিক শিশু কল্যাণ কেন্দ্ৰৰ সুনীল চুংক্ৰাং আৰু পঞ্চায়তৰ বিষয়-ববীয়া, ৰাইজ। অৰ্ধ শতাধিক লোকে অংশগ্ৰহণ কৰা সজাগতা সভাত অসম ৰাজ্যিক এইড্ছ নিয়ন্ত্ৰণ সমিতিৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকে গোপাল পাণ্ডে। গোপাল পাণ্ডেই ভাষণত কয় যে এইচ আই ভি ভাইৰাছে মানুহৰ শৰীৰত প্ৰৱেশ কৰাৰ পিছৰে পৰা ক্ৰমান্বয়ে শৰীৰৰ ৰোগ প্ৰতিৰোধক ক্ষমতা হ্ৰাস হ'বলৈ ধৰে। এজন সুস্থ ব্যক্তিৰ শৰীৰত থকা তেজৰ প্ৰতি কিউবিক মিলি লিটাৰত ৫০০ ৰ পৰা ১৫০০ চিডি ফৰ চেল থাকে আৰু এই বিলাকেই হৈছে ৰোগ প্ৰতিৰোধী কোষ। এইচ আই ভি ভাইৰাছে এই কোষ বিলাকক আক্ৰমণৰ লক্ষ্য কৰি লয় আৰু ক্ৰমান্বয়ে ধ্বংস কৰিবলৈ ধৰে। এনেদৰে ধ্বংস কৰি একেবাৰে নিম্নতম পৰ্যায়লৈ নিবৰ বাবে প্ৰায় ৭ৰ পৰা ১০ বছৰ পৰ্যন্ত সময় লাগে বুলি কয়। তেওঁ লগতে কয় যে এইচ আই ভিৰ দ্বাৰা সংক্ৰমিত হ'লেও ৰোগ প্ৰতিৰোধী কোষৰ সংখ্যা নিম্নগামী নোহোৱা পৰ্যন্ত সংক্ৰমিত ব্যক্তিৰ শৰীৰত কোনো ধৰণৰ লক্ষণে দেখা নিদিয়ে কিন্তু নিম্নগামী পৰ্যায় অতিক্ৰম কৰাৰ লগে লগে সেই সংক্ৰমিত ব্যক্তিৰ শৰীৰত বিভিন্ন ধৰণৰ বেমাৰৰ লক্ষণ দেখা দিব পাৰে আৰু এই লক্ষণ দেখা দিয়া পৰ্যায়টোকে এইড্ছ হোৱা বুলি কোৱা হয়। এইচ আই ভি ভাইৰাছ কেইবাটাও মাধ্যমেৰে মানুহৰ শৰীৰত প্ৰৱেশ কৰাৰ বিষয়ে বিতংকৈ প্ৰকাশ কৰি লগতে কয় যে এইচ আই ভি সংক্ৰমিত ব্যক্তিয়ে ব্যৱহাৰ কৰা নিডল ছিৰিঞ্জ পৰিশোধন নকৰাকৈ ব্যৱহাৰ কৰিলে আৰু এইচ আই ভি সংক্ৰমিত গৰ্ভৱতী মাতৃৰ পৰা গৰ্ভস্থ শিশুৰে গৰ্ভত থকা কালত বা প্ৰসৱৰ সময়ত আৰু জন্মৰ পিছত মাকৰ গাখীৰ সেৱন কৰাৰ ফলত এইচ আই ভিৰ দ্বাৰা সংক্ৰমিত হ'ব পাৰে যদিও গৰ্ভধাৰণ কৰাৰ পূৰ্বৰে পৰা বাবে গৰ্ভধাৰণৰ প্ৰাৰম্ভিক কালত এইচ আই ভি সংক্ৰমিত মাতৃগৰাকীয়ে উপযুক্ত চিকিৎসা গ্ৰহণ কৰিলে গৰ্ভস্থ শিশুটিয়েও এইচ আই ভি সংক্ৰমিত নোহোৱাকৈ জন্ম গ্ৰহণ কৰিব পাৰে বুলি কয়। ড্ৰাগ ইউজাৰ (আই ডি ইউ) সকলে একেটা নিডল ছিৰিঞ্জ ব্যৱহাৰ কৰাৰ ফলত অধিক হাৰত এইচ আই ভি দ্বাৰা সংক্ৰমিত হোৱা হোৱাৰ বিষয়ে কয়। সাধাৰণতে সদ্য এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ তেজৰ নমুনা পৰীক্ষা কৰিলেও প্ৰায় তিনি মাহলৈকে সেই তেজত এইচ আই ভি ভাইৰাছ ধৰা নপৰে, এই সময়ছোৱাকে উইণ্ড পিৰিয়ড বুলি কোৱা হয়, কেতিয়াবা উইণ্ড পিৰিয়ডৰ সময় তিনি মাহতকৈ কম-বেছি হ'ব পাৰে ।এই সময়ছোৱাৰ এইচ আই ভি সংক্ৰমিত ব্যক্তিয়ে আনক তেজ দিলে, তেজ গ্ৰহণ কৰোতাজনেও এইচ আই ভি ৰ দ্বাৰা সংক্ৰমিত হব পাৰে বুলি কয়। এইচ আই ভি ভাইৰাছক ধ্বংস কৰিব পৰা কোনো ধৰণৰ ঔষধ বৰ্তমান লৈকে আৱিষ্কাৰ হোৱা নাই যদিও ইয়াক প্ৰতিৰোধ কৰিব পৰা ফলপ্ৰসূ চিকিৎসা পদ্ধতি আছে যাক এন্টি ৰেট্ৰ ভাইৰেল থেৰাপী (এ আৰ টি) বুলি কোৱা হয় । বৰ্তমান 'টেষ্ট এণ্ড ট্ৰিট পলিচী'ৰ জৰিয়তে এইচ আই ভি ভাইৰাছৰ দ্বাৰা আক্ৰান্ত বুলি নিশ্চিত হোৱাৰ লগে এ আৰ টি কেন্দ্ৰত পঞ্জীয়ন কৰি কেইটামান যাৱতীয় পৰীক্ষা কৰাৰ পিছত এ আৰ টি ঔষধ বিনামূলীয়াকৈ প্ৰদান কৰা হয় ।অসমৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত থকা এই আৰ টি কেন্দ্ৰত এই সুবিধা আছে । এ আৰ টি ঔষধ চিকিৎসকৰ পৰামৰ্শ অনুসৰি নিয়মীয়াকৈ আৰু যতি নপৰাকৈ যাৱজ্জীৱনলৈ থাকিব লাগে । এ আৰ টি ঔষধে এইচ আই ভি ভাইৰাছক শৰীৰত বিস্তাৰ লাভ কৰাত বাধা দিয়াৰ কথা প্ৰকাশ কৰে । তেওঁ এইচ আই ভি ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হব পৰা কাম-কাজৰ লগত জড়িত ব্যক্তিসকলে প্ৰতি ৬ মাহৰ মূৰে-মূৰে ৰক্ত পৰীক্ষা কৰাটো অতি প্ৰয়োজন বুলি উল্লেখ কৰে। যক্ষ্মা ৰোগৰ লক্ষণৰ সম্পৰ্কত কয় যে দুই সপ্তাহতকৈ অধিক কাহ, গধূলি গধূলি জ্বৰ, ৰাতি ঘামি থকা, ওজন কমি যোৱা আৰু ভোক নলগা আদি লক্ষণ দেখা দিলে যক্ষ্মা ৰোগৰ পৰীক্ষা কৰাব লাগে । শিবিৰত ৪৮ জন লোকক বিনামূলীয়া চিকিৎসা প্ৰদান কৰাৰ লগতে ৩১ জন ব্যক্তিৰ এইচ আই ভিৰ বাবে তেজৰ নমুনা পৰীক্ষা কৰা হয় । চিকিৎসা সেৱা আগ বঢ়ায় ভ্ৰাম্যমাণ চিকিৎসক দলৰ ডা: মৌচুম ৰয়, লেবৰটৰী টেকনিচিয়ান পাৰ্থ প্ৰতিম বৰুৱা, এ এন এম ক্ৰমে কুইন দাস আৰু পিংকি নেওগ তথা ফাৰ্মাচিষ্ট অনুপম গগৈয়ে। এইচ আই ভি/ এইড্ছ নিয়ন্ত্ৰণ প্ৰকল্প লাইফ লাইনৰ অ' আৰ ডব্লিউ ক্ৰমে পংকজ গগৈ আৰু অংশুমান দাস, ক্ষেত্ৰ সহায়ক ৰাজক আলী উপস্থিত থাকি ৰক্ত পৰীক্ষা সম্পাদন কৰে।

## সত্য হ’ল দৈনন্দিন বাৰ্তাৰ বাতৰি

# ধাৰাসাৰ বৰষুণত দিমীলা নদীৰ বানে ছিগা মথাউৰিৰে বাঢ়নী পানী সোমাই বুৰাই পেলালে কেইবাখনো গাঁৱৰ খেতিপথাৰ

## দুৰ্বল মথাউৰিক লৈ শংকিত ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৬ মে’ ঃ** ২০০৪ চনতে পশ্চিম দৰঙৰ দুৰ্দুৰীয়াৰ সমীপত দিমীলা নদীৰ বাঢ়নী পানীৰ তীব্ৰ সোঁতে পূব প্ৰান্তৰ মথাউৰিটোৰ প্ৰায় পঞ্চাশ মিটাৰ দৈৰ্ঘ্যজুৰি ছিঙি নি বিস্তৃৰ ক্ষতিগ্ৰস্ত কৰিছিল দুৰ্দুৰীয়া, নাওপোটা, বগাচলা, ঘোপেলী, চমুখাকে ধৰি প্ৰায় পোন্ধৰখনমান গাঁও। যাৰ পিছত আজি সুদীৰ্ঘ ওঠৰ বছৰে মেৰামতি নোহোৱাকৈ পৰি থকাত বাৰিষা সময়ত পানীৰ কবলত অঞ্চলটোৰ কৃষক ৰাইজে বাৰিষা শালিধানৰ খেতিৰ পৰা বঞ্চিত হৈ আহিছে। খৰালি কালত কৰা সৰিয়হৰ খেতিৰে জীয়াই আছে এইসকল লোক। বছৰে বছৰে শালিধানৰ খেতিৰ পৰা বঞ্চিত হৈ অহা অঞ্চলটোৰ কৃষক ৰাইজ দুৰ্ভিক্ষৰ কবলত পৰি কক্‌বকাই থকাৰ পিছতো আজিলৈ কোনো এখন চৰকাৰে ছিগা মথাউৰিটো মেৰামতিৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। আশ্চৰ্যজনক কথা যে কেইবাজনো মন্ত্ৰী, বিধায়কে উল্লিখিত মথাউৰিৰ ছিগা অংশটি পৰিদৰ্শন কৰি যোৱাৰ পিছতো নহ’ল একো ব্যৱস্থা। যোৱা ডিচেম্বৰত বৰ্তমানৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়েও পৰিদৰ্শন কৰি যোৱাত ৰাইজে কিছু পৰিমাণে আশা দেখিবলৈ পাইছিল যদিও তেনে আশাত চেঁচা পানী পৰা যেন হৈ পৰিল। যোৱা তিনিটা দিন হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত দিমীলা নদীৰ পানী ফেনে-ফোটোকাৰে বৈ অহাত উন্মুক্ত হৈ থকা মথাউৰিৰ ছিগা অংশৰে বাঢ়নী পানীৰ ওভতনি সোঁতে অঞ্চলটোৰ কেইবাখনো গাঁৱৰ খেতিপথাৰ বুৰাই পেলাইছে। ইফালে ঠায়ে ঠায়ে মথাউৰিৰ ওপৰেৰে পানী বৈ যোৱাৰ উপক্ৰম ঘটাত ৰাইজ শংকিত হৈ পৰিছে। বাতৰি যুগুতোৱা সময়লৈকে বিভাগৰ কোনো বিষয়া-কৰ্মচাৰীয়ে খবৰ লোৱা নাই বুলি অভিযোগ উত্থাপন হৈছে।



# শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰত পথ-সুৰক্ষাৰ নীতি-নিয়ম মানি চলাৰ শপত ল’লে সহস্ৰাধিক কুমাৰ-কুমাৰীয়ে

### প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ স্বৰ্ণিম ভাৰত পথ সুৰক্ষা বাইক ৰেলী, অংশগ্ৰহণকাৰীসকলক উষ্ম আদৰণি সহকাৰী পৰিবহণ আয়ুক্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৬ মে’ ঃ** মহত্ত্বপূৰ্ণ জীৱনৰ সন্ধান আৰু সাধনাৰ বাবে প্ৰয়োজন জীৱনৰ সুৰক্ষাৰ। জীৱন ৰক্ষাৰ বাবে প্ৰয়োজন পথ সুৰক্ষাৰ। এই মূল মন্ত্ৰৰে প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ সহস্ৰাধিক ব্ৰহ্মকুমাৰ-কুমাৰীয়ে ৰাজ্যৰ পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু সহকাৰী পৰিবহণ আয়ুক্ত গৌতম দাসৰ উপস্থিতিত ১৫ মে’ত শপত ল’লে যাতায়াতৰ সময়ত পথ সুৰক্ষাৰ নীতি-নিয়মসমূহ মানি চলাৰ। নিজৰ লগতে আপোনজনকো পথ সুৰক্ষাৰ নিৰ্দেশনা মানি চলিবলৈ বাধ্য কৰাৰ বাবেও কুমাৰ-কুমাৰীসকলে একেমুখে অংগীকাৰ কৰে। উল্লেখ্য যে, প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ে আজাদী কা অমৃত মহোৎসৱ উদ্‌যাপনৰ অংশ হিচাপে অসমৰ ১৩খন জিলাত স্বৰ্ণিম ভাৰত পথ সুৰক্ষা বাইক ৰেলী উলিয়ায়। এই বাইক ৰেলী উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ব্ৰহ্মকুমাৰী শীলা ভনীয়ে জীৱন ৰক্ষাত পথ সুৰক্ষাৰ প্ৰভাৱ আৰু এই সন্দৰ্ভত সকলো সময়তে মানি চলিবলগীয়া বাণীসমূহ ব্যাখ্যা কৰে। ইয়াৰ মাজতে পথ সুৰক্ষা বিষয়ত সকলোকে সজাগ কৰি সমৱেত সকলোকে ব্ৰহ্মকুমাৰ প্ৰতাপ ভায়ে পথ সুৰক্ষাৰ সজাগতাৰ শপত বাক্য পাঠ কৰায়। সভাত ভাষণ দি পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ে পথ সুৰক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা এই ব্যতিক্ৰমী কাৰ্যসূচীৰ উচ্চ প্ৰশংসা কৰি সমাজত ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিব বুলি মন্তব্য কৰে। ইয়াৰ পিছতে ৰাজ্যৰ পৰিবহণ মন্ত্ৰীগৰাকীয়ে ফ্লেগ অফ কৰি আগন্তুক ২২ মে’লৈক অসমৰ ১৩খন জিলাত অব্যাহত থাকিবলগীয়া বাইক ৰেলীৰ শুভাৰম্ভ কৰে। সহকাৰী পৰিবহণ আয়ুক্ত গৌতম দাসে এই ব্যতিক্ৰমী বাইক ৰেলীয়ে পথচাৰীকে ধৰি সকলো শ্ৰেণীৰ যান-বাহন ব্যৱহাৰকাৰীকে যাতায়াতৰ সময়ত অধিক সজাগ আৰু সচেতন কৰাৰ লগতে জীৱনৰ সুৰক্ষাৰ বাবে সকলোকে ভবাই তুলিব বুলি মন্তব্য কৰে । ইফালে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ পৰা আগুৱাই অহা বাইক ৰেলীৰ অংশগ্ৰহণকাৰীসকলক কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত সহকাৰী পৰিবহণ আয়ুক্তগৰাকীয়ে উষ্ম আদৰণি জনায়। এই উপলক্ষে কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত এক সজাগতা সভাত ভাই সুৰেশ শৰ্মা আৰু মৌচুমী ভনীয়ে সকলোকে উদ্দেশ্যি পথ সুৰক্ষাৰ বিভিন্ন নীতি-নিৰ্দেশনাৰ কথা উল্লেখ কৰে। সভাত পৰিবহণ প্ৰাধিকাৰী ৰফিকুল হুছেইনে অংশগ্ৰহণকাৰীসকলৰ শলাগ লয়।

# ৰৌতাৰ ঠিকাদাৰ, ইউপিপিএল ৰাজনৈতিক দলৰ কৰ্মী চমলা দৈমাৰীক সমাজসেৱা বঁটা প্ৰদান

### আৰোহণ আৰ্টিষ্ট গীল্ডৰ, কৃতজ্ঞতা স্বীকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ১৬ মে’ ঃ** ৰাজ্যখনৰ বেচৰকাৰী অনুষ্ঠান আৰোহণ আৰ্টিষ্ট গীল্ডৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত গুৱাহাটীৰ মাজমজিয়াত অৱস্থিত উজানবজাৰৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰৰ প্ৰেক্ষাগৃহত কালি ১৫ মে’ত অনুষ্ঠিত ২২সংখ্যক বাৰ্ষিক ব’হাগ সামৰণি আৰু অসমীয়া জাতীয় সাংস্কৃতিক সমাৰোহৰ লগতে আৰোহণ বঁটা প্ৰদান অনুষ্ঠানত বিটিআৰৰ ওদালগুৰি জিলাৰ ৰৌতা চাৰিআলিৰ সমীপৱৰ্তী বালিসিহা জংঘল গাঁৱৰ প্ৰয়াত ৰাখেব দৈমাৰী আৰু প্ৰয়াত চুক্তি দৈমাৰীৰ একমাত্ৰ পুত্ৰ তথা ১৯৭৪ চনত বালিসিহা জংঘল গাঁৱত জন্মলাভ কৰা ৰৌতাৰ সমাজকৰ্মী, ঠিকাদাৰ, ইউ পি পি এল ৰাজনৈতিক দলৰ কৰ্মী চমলা দৈমাৰীয়ে গ্ৰহণ কৰে সন্মানজনক বঁটা। উক্ত বঁটাৰ বাবত সমাজ সেৱকগৰাকীক গামোচা, চেলেং চাদৰ, জাপি, প্ৰশস্তি-পত্ৰ, আৰোহণ সমাজ সেৱকৰ বঁটাৰে সন্মানিত কৰে। ৰৌতা অঞ্চলটোৰ ৫০০ চকু ৰোগীক বিনামূলীয়াভাৱে চিকিৎসা প্ৰদানৰ ব্যৱস্থাকে ধৰি সমাজৰ বহুতো ক্ষেত্ৰতে সহায় আগবঢ়াই অহা চমলা দৈমাৰীয়ে ২০২২ চনৰ ৰাজ্যখনৰ সন্মানজনক আৰোহণ সমাজসেৱকৰ বঁটা গ্ৰহণ কৰি আৱেগিক হৈ সাংবাদিকৰ আগত কয়— বেচৰকাৰী অনুষ্ঠান আৰোহণ আৰ্টিষ্ট গীল্ডৰ কৃতজ্ঞতা স্বীকাৰ কৰিলোঁ। গতিকে এই সন্মানজনক বঁটা গ্ৰহণ কৰিলোঁ যেতিয়া মোৰ কামো বাঢ়িল। আগতকৈ আৰু বেছি উদ্যমেৰে সমাজৰ কাম কৰি সমাজখনক আগবঢ়াব লৈ যোৱাৰ কাৰণে অনুষ্ঠানটোৱে অনুপ্ৰাণিত হে কৰালে। তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

# হাজোৰ হালোগাঁৱত শ্ৰীশ্ৰী মা মনসা পূজাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১৬ মে’ ঃ** বিগত বৰ্ষৰ দৰে এইবেলিও হালোগাঁও উজীৰ চুবা ৰাইজ গয়ৰহৰ উদ্যোগত ১৯ মে’ৰ পৰা তিনিদিনীয়াকৈ শ্ৰীশ্ৰীমা মনসা পূজাৰ আয়োজন কৰিছে। ইতিমধ্যে লংকেশ্বৰ উজীৰক সভাপতি, ভূপেশ উজীৰক সম্পাদক আৰু অঞ্জন উজীৰক সহকাৰী সম্পাদক হিচাপে লৈ উদ্‌যাপন সমিতিখন গঠন কৰিছে। কাৰ্যসূচী অনুসৰি ১৯ মে’ৰ সন্ধিয়া মা মনসা মন্দিৰত বন্তি প্ৰজ্বলন কৰাৰ পাছত প্ৰতিমা স্থাপন, দেৱীৰ আমন্ত্ৰণ আৰু অধিবাস। নিশা ন বজাত প্ৰসাদ বিতৰণ। ২০ মে’ৰ পুৱা জলযাত্ৰাৰ পাছত পূজা আৰম্ভ। ন বজাৰ পৰা ভক্তপ্ৰাণ ৰাইজৰ মনোকামনা পূৰণাৰ্থে দেৱীৰ ওচৰত বন্তি প্ৰজ্বলন। দিনৰ এক বজাত শান্তি প্ৰদান, স্তোত্ৰ পাঠ আৰু ৰাজহুৱা পুষ্পাঞ্জলিৰ পাছত প্ৰসাদ বিতৰণ কৰিব। দুই বজাত ভোগ বিতৰণ, তিনি বজাত মহিলাৰ ওজাপালি আৰু সন্ধিয়া সাত বজাত দেওধা প্ৰদৰ্শন, আৰতি বৰণ। ২১ মে’ৰ পুৱা আঠ বজাত পূজা আৰম্ভ, দহ বজাত ৰাজহুৱা পুষ্পাঞ্জলি, প্ৰসাদ বিতৰণ। বিয়লি দুই বজাত ঘট বিসৰ্জনৰ পাছত সন্ধিয়া মা মনসা মন্দিৰত নাম-প্ৰসংগ অনুষ্ঠিত হ’ব। পূজাৰ সকলো কাৰ্যসূচীত ভক্তপ্ৰাণ ৰাইজৰ সহযোগ আৰু উপস্থিতি উদ্যোক্তা কমিটীয়ে শ্ৰদ্ধাৰে কামনা কৰিছে।

## হাজোৰ বিজেপিৰ বুথ সভাপতি ৰবীন্দ্ৰ ভৰালীৰ মৃত্যু ঃ অঞ্চলজুৰি শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১৬ মে’ ঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামদিয়াৰ কমাৰটোলা নিৱাসী ৰবীন্দ্ৰ ভৰালী আৰু ইহসংসাৰত নাই। জানিব পৰা মতে তেওঁ দীৰ্ঘদিন ধৰি দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল যদিও ১১ মে’ৰ নিশাৰ ভাগত তেওঁৰ নিজা বাসভৱনত মৃত্যু হয়। তেওঁ এখন ফামাৰ্চী দি জীৱন নিৰ্বাহ কৰাৰ সমান্তৰালকৈ ভাৰতীয় জনতা পাৰ্টীৰ এগৰাকী সক্ৰিয় কৰ্মীৰ লগতে বুথ সভাপতি হোৱাৰ উপৰি কমাৰটোলা গোপী বল্লভ সত্ৰ, জগন্নাথ পুথিভঁৰাল আৰু যুৱ সংঘৰ সৈতে নিবিড়ভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে ৩নং পঞ্চতীৰ্থ জিলা পৰিষদৰ সদস্য বিপুল দাস, হাজো আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী জোনালী ডেকা পাঠক, হাজো মণ্ডল বিজেপিৰ সভাপতি ভূপেন কলিতা, হাজো মণ্ডল বিজেপিৰ উপ-সভাপতি বিষ্ণু প্ৰসাদ পাঠক, হাজো মণ্ডল যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক পংকজ দাস, হাজো মণ্ডল কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক অনিৰুদ্ধ ডেকা, উত্তৰ কামৰূপ জিলা ছ’চিয়েল মিডিয়াৰ আহ্বায়ক গজেন্দ্ৰ ভৰালী, উত্তৰ কামৰূপ জিলা যুৱ মৰ্চাৰ আই টি বিভাগৰ সহঃ আহ্বায়ক অৰূপ কাকতি, সমাজকৰ্মী গোলোক ভৰালী, দিলীপ ঠাকুৰীয়াৰ লগতে ভিন্ন অনুষ্ঠানৰ ব্যক্তি, একাধিক দলীয় কাৰ্যকৰ্তা উপস্থিত থাকি তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সমান্তৰালভাৱে লগতে হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, ৰাজ্যিক বিজেপিৰ মেডিকেল ছেলৰ সহঃ আহ্বায়ক ডাঃ বেদব্ৰত পাঠক, এমট্ৰন গুৱাহাটীৰ উপ-প্ৰবন্ধক দিনমণি ভাণ্ডাৰ কায়স্থ, শ্বহীদ খগেন ভৰালী পঞ্চায়তৰ সভানেত্ৰী দীপাঞ্জলি ভৰালীকে প্ৰমুখ্য কৰি বিভিন্ন দল-সংগঠনে তেওঁৰ আত্মাৰ চিৰশান্তি কামনাৰে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, কন্যা, পুত্ৰসহ বহুতো আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# আৰ্তজনক নিঃস্বাৰ্থ সহায়েৰে সমাদৃত গহপুৰৰ জ্যেষ্ঠ সাংবাদিক ভুৱন শইকীয়াক অৰুণাচল প্ৰদেশ নাহৰলগুন কৃষ্টি কেন্দ্ৰৰ ৰাজহুৱা সম্বৰ্ধনা

### ২২বছৰীয়া সাংবাদিকতাৰ যাত্ৰাৰ আনুষ্ঠানিক স্বীকৃতি




**দৈনন্দিন বাৰ্তাৰ সেৱা, হেলেম, ১৬ মে’ ঃ** সাংবাদিকতাৰ উপৰি আৰ্তজনক নিঃস্বাৰ্থভাৱে সহায় কৰি সমাদৃত হৈ অহা গহপুৰৰ জ্যেষ্ঠ সাংবাদিক, যুৱ সমাজকৰ্মী ভুৱন শইকীয়াক যোৱানিশা অৰুণাচল প্ৰদেশৰ নাহৰলগুনত অনুষ্ঠিত বিহু সন্মিলনত ‘কৃষ্টি কেন্দ্ৰ ৰঙালী বিহু সন্মিলন-২০২২’-এ আনুষ্ঠানিকভাৱে ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰে। অসমৰ সংবাদ জগতলৈ নিষ্ঠা আৰু সততাৰে ২২ বছৰে আগবঢ়াই অহা সেৱাৰ লগতে স্বাস্থ্যজনিত সমস্যাত ভোগা দৰিদ্ৰ পৰিয়ালৰ ৰোগীসকলৰ প্ৰতি আগবঢ়াই অহা নিঃস্বাৰ্থ সহায় আৰু অসম-অৰুণাচলৰ মাজত সমন্বয়ৰ বাতাবৰণ দৃঢ় কৰাৰ ক্ষেত্ৰত একনিষ্ঠভাৱে কাম কৰি অহাৰ বাবে সাংবাদিক ভুৱন শইকীয়াক এই সন্মান প্ৰদান কৰে নাহৰলগুন কৃষ্টি কেন্দ্ৰ ৰঙালী বিহু সন্মিলনে। যোৱানিশা এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত সাংবাদিক ভুৱন শইকীয়াক এখন ফুলাম গামোচা, এটা জাপি, এটা স্মাৰক আৰু এখন সম্বৰ্ধনা-পত্ৰৰে এই সন্মান প্ৰদান কৰে নাহৰলগুন কৃষ্টি কেন্দ্ৰ ৰঙালী বিহু সন্মিলনে। নাহৰলগুন কৃষ্টি কেন্দ্ৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি বিপুল কলিতা আৰু সম্পাদক ভুৱন বৰগোহাঁইৰ স্বাক্ষৰসম্বলিত সম্বৰ্ধনা-পত্ৰখনত সাংবাদিক ভুৱন শইকীয়াৰ সমাজসেৱা আৰু ২২ বছৰীয়া সাংবাদিকতা যাত্ৰাৰ চমু আলোকপাত কৰা হৈছে। উল্লেখ্য যে, ২০০০ চনত ‘আজি’ কাকতৰ জৰিয়তে অসমৰ সাংবাদিকতাৰ ক্ষেত্ৰত খোজ পেলোৱা গহপুৰ নগৰৰ টঙনাগাঁও নিৱাসী ভুৱন শইকীয়াই পিছলৈ মহাজাতি, অসমীয়া জনমত, নতুন দিন, অসমীয়া প্ৰতিদিন, নতুন সময়, অসমীয়া খবৰ, আজিৰ অসম, দ্য ছেণ্টিনেল, আছাম টকছ্‌ আদি সংবাদ প্ৰতিষ্ঠানৰ লগত জড়িত হৈ পৰিছিল। ২০১৯ চনৰ পৰা লাইভ ছেভেন ছিক্সটিৰ্থ্ৰ মুখ্য সম্পাদকৰ দায়িত্ব পৰিচালনা কৰি অহা ভুৱন শইকীয়া ২০১৫ চনৰ পৰা ২০১৭ চনলৈকে অবিভক্ত শোণিতপুৰ জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদকৰ দায়িত্বত আছিল। বৰ্তমান সদৌ অসম সাংবাদিক সন্থাৰ কাৰ্যকৰী সদস্য হিচাপে থকা ভুৱন শইকীয়াক নাহৰলগুন কৃষ্টি কেন্দ্ৰ ৰঙালী বিহু সন্মিলনে ৰাজহুৱাকৈ সম্বৰ্ধনা জনোৱাত সন্তোষ প্ৰকাশ কৰিছে গহপুৰৰ বৌদ্ধিক মহলে।

# এছিয়া স্কলাৰ্ছ নেটৱৰ্কৰ বাবে ইউএছটিএম আৰু এএএছৰ মাজত চুক্তি স্বাক্ষৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ মে’ ঃ** এছিয়াৰ দেশসমূহৰ সৈতে জড়িত বিভিন্ন পাণ্ডিত্যপূৰ্ণ, অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিক কাৰ্যকলাপত পণ্ডিতসকলক উদ্যোগ ল’বলৈ আৰু নেতৃত্ব দিবলৈ সক্ষম কৰাৰ বিশ্বব্যাপী দৃষ্টিভংগীৰে, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিশ্ববিদ্যালয় মেঘালয়ে (ইউএছটিএম) নতুন দিল্লীৰ এছিয়া স্কলাৰ (এএএছ) সংগঠনৰ সৈতে হাত মিলাইছে আৰু কালি এক বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে। এই বুজাবুজি চুক্তিত ইউএছটিএমৰ উপাচাৰ্য অধ্যাপক জি ডি শৰ্মা আৰু এএএছৰ সভাপতি অধ্যাপক চৰণ সিঙে ইউএছটিএমৰ আচাৰ্য মাহবুবুল হক আৰু এছিয়া স্কলাৰ আৰু ইউএছটিএমৰ অন্যান্য গণ্যমান্য ব্যক্তিসকলৰ উপস্থিতিত স্বাক্ষৰ কৰে। এই সন্দৰ্ভত ভাষণ প্ৰদান কৰি এএএছৰ সভাপতি অধ্যাপক চৰণ সিঙে কয়— ‘মই ইউএছটিএম নেতৃত্বৰ আন্তঃগাঁথনি আৰু গতিশীলতাত প্ৰভাৱিত হৈছো আৰু এএএছ আৰু ইউএছটিএমৰ মাজত অংশীদাৰিত্ব গঢ়ি তুলিবলৈ পাই সুখী। মই ইউএছটিএমৰ সৈতে যুটীয়া কামৰ সৈতে আমাৰ বুজাবুজি চুক্তি কাৰ্যকৰী কৰাৰ বাবে আশাবাদী’। এএএছে ২০০৫ চনৰ নৱেম্বৰৰ পৰা ভাৰতৰ ৰাষ্ট্ৰীয় স্বাৰ্থত আৰু বিশ্বব্যাপী শান্তি আৰু সম্প্ৰীতিৰ বাবে কাম কৰি আহিছে বুলি তেওঁ কয়। ইউএছটিএমৰ উপাচাৰ্য অধ্যাপক জি ডি শৰ্মাই কয় যে এছিয়ান স্কলাৰ্ছৰ সংগঠনৰ সৈতে হোৱা চুক্তিয়ে এছিয়াৰ বিশ্বায়নৰ লক্ষ্যৰে ইউএছটিএম আৰু এএএছৰ মাজত শৈক্ষিক, গৱেষণা, শৈক্ষিক, প্ৰকাশন আৰু দীৰ্ঘম্যাদী অংশীদাৰিত্ব স্থাপনত সহায় কৰিব। ই আন্তৰ্জাতিক সন্মিলন, ছেমিনাৰ, ৱেবিনাৰ আৰু কৰ্মশালা, এছিয়াৰ দেশসমূহৰ পৰম্পৰা, সংস্কৃতি আৰু ৰাজনীতি আৰু তেওঁলোকৰ বিশ্বব্যাপী স্থিতিৰ বিষয়ে প্ৰকাশনক সমৰ্থন কৰিব। বুজাবুজি চুক্তি অনুসৰি, দুয়োটা সংগঠনে তেওঁলোকৰ পণ্ডিত আৰু বিশেষজ্ঞসকলক পেছাদাৰী বিনিময় ৰূপায়ণৰ সুবিধাৰ বাবে পৰামৰ্শ দিব। তেওঁলোকে দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াৰ ওপৰত গুৰুত্ব দিয়া ভাৰতীয় অধ্যয়ন আৰু উত্তৰ-পূব ভাৰতৰ বাবে প্ৰাসংগিক বিষয়সমূহৰ লগতে পাৰস্পৰিক উদ্বেগ আৰু স্বাৰ্থৰ বিষয়সমূহৰ ওপৰত গুৰুত্ব দিয়া প্ৰকল্পৰ অংশ হ’বলৈ সন্মত হৈছে। লগতে এইটোও সন্মত হৈছিল যে প্ৰতিটো পক্ষই তেওঁলোকৰ গৱেষণা কঢ়িয়াই নিয়াত আগ্ৰহী পণ্ডিতসকলক পৰামৰ্শ দিব, দ্বিপাক্ষিক সম্পৰ্ক/অধ্যয়ন সম্প্ৰসাৰণৰ বাবে ব্যক্তি/প্ৰতিষ্ঠানৰ সৈতে ইজনে সিজনৰ সৈতে পৰিচয় কৰাব আৰু কিতাপ আৰু আলোচনী প্ৰকাশত সহযোগিতা কৰিব, পাৰস্পৰিক স্বাৰ্থৰ গৱেষণা সামগ্ৰী বিনিময় কৰিব।

# বকোৰ দিলিঙাৰ তিনি যুৱক আৰক্ষী বিভাগৰ কৰ্মী হ’ল

### কঠোৰ পৰিশ্ৰমৰ ফল লাভ কৰি উল্লসিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৬ মে’ ঃ** অসম চৰকাৰৰ সদ্যঘোষিত আৰক্ষী বিভাগৰ নিযুক্তি প্ৰক্ৰিয়াত কামৰূপ জিলাৰ বকো ৰাজহ চক্ৰৰ অন্তৰ্গত বেকেলী মৌজাৰ দিলিঙা গাঁৱৰ তিনিগৰাকী যুৱক নিৰ্বাচিত হোৱাৰ খবৰে অঞ্চলটোক গৌৰৱান্বিত কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি বকো থানাৰ অধীনৰ দিলিঙা গাঁৱৰ বাসিন্দা মতি দাসৰ পুত্ৰ দৰিদ্ৰ পৰিয়ালৰ শিক্ষিত যুৱক উৎপল দাস, প্ৰেমোধৰ ৰাভাৰ পুত্ৰ ৰামপ্ৰসাদ ৰাভা আৰু দিলীপ দাসৰ পুত্ৰ গিৰিধৰ দাসে আৰক্ষী বিভাগৰ চাকৰিত মনোনীত হৈছে। এই খবৰে অঞ্চলটোত আনন্দৰ বন্যা বোৱাইছে। ইফালে আজি চাকৰিপ্ৰাৰ্থী কেইগৰাকীক বন্ধু-বান্ধৱসকলে বিহুৱানেৰে উষ্ম সম্ভাষণ জনাই চাকৰিৰ যাৱতীয় কাম-কাজবোৰ কৰিবলৈ পঠায় দিয়ে। আনহাতে, কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ ফলত দিন-ৰাতি অনুশীলন কৰি উৎপল, ৰামপ্ৰসাদ আৰু গিৰিধৰহঁতে আৰক্ষীত চাকৰি পাৱলৈ সক্ষম হৈছে।

# বকোৰ ৰাজাবাৰী ইয়ং ব্লু ক্লাবৰ উদ্যোগত আয়োজন কৰা মুকলি ব’হাগী বিদায় সন্মিলনত উছাহেৰে নাচিলে বিহুবলিয়া ৰাইজে

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৬ মে’ ঃ** সম্প্ৰতি ৰাজ্যত বাপতি সাহোন ৰঙালী বিহু উদ্‌যাপন পৰ্ব চলি আছে। ব’হাগ মাহৰ শেষৰ ফালে আয়োজন কৰে ব’হাগী বিদায় অনুষ্ঠান। সেয়েহে বিগত বছৰবোৰৰ দৰে এই বৰ্ষও কামৰূপ জিলাৰ বকো থানাৰ অন্তৰ্গত কালিয়াবড়ী গাঁৱৰ ৰাজাবাৰীত আয়োজন কৰা হৈছে ৰঙালী বিহুৰ ব’হাগী বিদায় সন্মিলন। ৩১ ব’হাগ অৰ্থাৎ ১৫ মে’ৰ দিনা দিনৰ ভাগত বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা হয় ৰঙালী বিহুৰ মুকলি ব’হাগী বিদায় উৎসৱ। ৰাজাবাৰী ইয়ং ব্লু ক্লাবৰ সভাপতি তপন বড়ো, উপ-সভাপতি প্ৰণৱ বড়ো আৰু সম্পাদক উৎপল বড়োই জনোৱা মতে, এইবেলি ৰাজাবাৰী ইয়ং ব্লু ক্লাবৰ সৌজন্যত সোতৰসংখ্যক বৰ্ষৰ বাবে আয়োজন কৰা হৈছে ব’হাগী বিদায় সন্মিলন। ব’হাগী বিদায় সন্মিলন উদ্‌যাপন সমিতিৰ জ্যেষ্ঠ কৰ্মী যজিত বড়ো, গৌতম বড়ো আৰু আমন্ত্ৰিত কণ্ঠশিল্পীৰ দাতা অশোক বড়োই জনোৱা মতে বৃহত্তৰ অঞ্চলটোৰ



ৰাইজৰ সহযোগত আয়োজন কৰা বিহুৰ ব’হাগী বিদায় সন্মিলনৰ লগত সংগতি ৰাখি আয়োজন কৰা হ’ব ভিন্ন খেল-ধেমালি প্ৰতিযোগিতা। পুৰুষ আৰু মহিলাৰ ৰছী টনা প্ৰতিযোগিতা আৰু তেলগছ বগোৱা প্ৰতিযোগিতা। ৰাজাবাৰীৰ খেলপথাৰত আজি দিনৰ ভাগতে আয়োজন কৰা হৈছে ব’হাগী বিদায় সন্মিলনৰ সাংস্কৃতিক অনুষ্ঠান। সাংস্কৃতিক অনুষ্ঠানত দৰদী কণ্ঠশিল্পী প্ৰদীপ ৰাজ আৰু হিয়াস্মিতাৰ গীতৰ শৰাই আৰু বিহু হুঁচৰি দল, বহুৰঙীৰ লগতে বিহু নৃত্য পৰিৱেশন কৰা হয়। ইফালে ব’হাগী বিদায় সন্মিলন উপভোগ কৰিবলৈ উপস্থিত থাকে বিশিষ্ট সমাজকৰ্মী তথা কবি-সাহিত্যিক প্ৰফুল্ল দলৈ, প্ৰদীপ নাথ, তৰুণ বড়ো, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ বকোৰ কাৰ্যবাহী পাৰিষদ সুমিত ৰাভাকে ধৰি বহুসংখ্যক বিশিষ্ট অতিথি।

# বৰষুণত ভাগি পৰিল চেঙেলীয়াঝাৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পকী বেৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৬ মে’ ঃ** বিতৰ্কই যেন সহলগৰী দৰঙৰ পাথৰিঘাট মহকুমা স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ চেঙেলীয়াঝাৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ। ১৯৯২ চনতে স্থাপিত তথা প্ৰায় তেৰখন গাঁওবাসী কৃষিজীৱী ৰাইজৰ স্বাস্থ্য সেৱা গ্ৰহণৰ স্থলী চেঙেলীয়াঝাৰ স্বাস্থ্য কেন্দ্ৰত আজিকোপতি নিযুক্তি দিয়া নহ’ল এগৰাকী স্থায়ী চিকিৎসক। আনহাতে, কৰ্মচাৰীসকলৰ উপস্থিতিক লৈ কৰ্মচাৰী আৰু পৰিচালনা সমিতি আৰু সচেতন লোকসকলৰ মাজত সঘনাই হৈ আহিছে তীব্ৰ বিতৰ্ক। আন্তঃগাঁথনিৰ নামত গোটেই চৌহদটোত আজিলৈ হৈ নুঠিল পকী বেৰ। গৰু-ছাগলী আদিৰ পৰা ৰক্ষা পাবলৈ স্বাস্থ্য কেন্দ্ৰটোত প্ৰায় পাঁচ বছৰমান আগতে কিছু ঠাই পকী বেৰ দিয়া হৈছিল যদিও কামবোৰ পালমৰা ধৰণে কৰা বুলি সচেতন লোকসকলে অভিযোগ কৰিছিল সেই সময়ত। পিছে তেনে অভিযোগক বিভাগে গুৰুত্বই নিদি হিচাপ মিলাই ধনসমূহ মুকলি দিয়াৰ পিছত ৰাইজৰ তেনে অভিযোগ তথা আকাংক্ষা আজি বাস্তৱত পৰিণত হ’ল। কিয়নো সচেতন লোকসকলে পকীবেৰ নিৰ্মাণৰ সময়ত কৰা অনিয়মৰ অভিযোগ তথা হ’ব পৰা আশংকা অনুসৰি কালি পুৱা পকী বেৰ এখন ভাগি পৰে। ইফালে গোপনে বনাই লোৱা টেবুল পৰিচালনা সমিতিৰ কাম-কাজক লৈয়ো সচেতন মহল একেবাৰে সন্তুষ্ট নহয়। অভিযোগ অনুসৰি সময়ে সময়ে স্বাস্থ্য কেন্দ্ৰটোৰ উন্নয়নৰ বাবে বিভাগৰ পৰা আবণ্টন হোৱা ধনৰাশি সদ্ব্যৱহাৰক লৈ একাংশ সচেতন লোক সন্দিহান হৈ পৰা বুলি প্ৰকাশ।


# লুইতপৰীয়া আঞ্চলিক সাহিত্য সভাৰ সাধাৰণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১৬ মে’ ঃ** কামৰূপ জিলা সাহিত্য সভাৰ অন্তৰ্গত লুইতপৰীয়া আঞ্চলিক শাখা সাহিত্য সভাৰ এখন সাধাৰণ সভা কালি সম্পন্ন হয়। লুইতপৰীয়া আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি পৱিত্ৰ ভাণ্ডাৰ কায়স্থৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দিনেশ কলিতাই। সভাত অংশগ্ৰহণ কৰি কামৰূপ জিলা সাহিত্য সভাৰ দ্বাৰা সমাজ ৰত্ন বঁটাপ্ৰাপক তথা লুইতপৰীয়া আঞ্চলিক শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দিনমণি ভাণ্ডাৰ কায়স্থই অসম সাহিত্য সভাৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত ব্যক্ত কৰি অঞ্চলটোৰ নৱ-প্ৰজন্মক সাহিত্যৰ প্ৰতি আকৃষ্ট কৰিবলৈ সাহিত্য সভাই ইতিবাচক চিন্তা-চৰ্চাৰে কেতবোৰ কাৰ্যসূচী যুগত কৰাতো নিতান্তই প্ৰয়োজনীয় বুলি ভাষণত উল্লেখ কৰে। এইক্ষেত্ৰত তেওঁ সকলো সময়তে সহায়-সহযোগিতা আগবঢ়াব বুলিও মন্তব্য কৰে এমট্ৰনৰ উপ-প্ৰবন্ধক ভাণ্ডাৰ কায়স্থই। সভাত ক্ষেত্ৰী হাৰদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মনোৰঞ্জন মেধি, উপ-সভাপতি ৰমণী কলিতা, শশীকান্ত কলিতা, মহেশ কলিতা,বাসু কলিতা, প্ৰাক্তন সম্পাদক প্ৰভাত কলিতা, সুভাষ কলিতা, প্ৰবীণ কলিতা, দশৰথ কলিতা, অমূল্য কলিতাকে ধৰি কেইবাজনো লোকে গঠনমূলক ভাষণ দিয়ে। সভাত অংকুমণি কলিতা আৰু ৰমণী পাটোৱাৰীক সাহিত্য সভাৰ আজীৱন সদস্যৰ মানপত্ৰ প্ৰদান কৰা হয়। সভাত লুইতপৰীয়া আঞ্চলিক শাখা সাহিত্য সভাৰ পত্ৰিকা প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

### হাজো-দামপুৰৰ হেদায়ৎ আলীৰ এভাৰেষ্ট শৃংগ আৰোহণ

# এভাৰেষ্ট জয় কৰা সপ্তমজন অসমীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১৬ মে’ ঃ** এভাৰেষ্ট জয় কৰা সপ্তমগৰাকী অসমীয়া হিচাপে পৰিগণিত হৈছে হাজো-দামপুৰৰ হেদায়ৎ আলী। এই সন্মান অৰ্জনেৰে হেদায়ৎ আলীয়ে হাজোলৈ কঢ়িয়াই আনিছে গৌৰৱ। সম্প্ৰতি হাজো-দামপুৰৰ সু-সন্তান হেদায়েৎ আলীক লৈ আনন্দ। হাজোৰ দামপুৰৰ সু-সন্তান হেদায়ৎ আলী বৰ্তমান আমেৰিকাৰ কেলিফ্ৰনিয়াৰৰ বাসিন্দা। হেদায়েৎ আলীয়ে এভাৰেষ্ট শৃংগ আৰোহণ কৰাৰ খবৰ বিয়পি পৰাৰ লগে লগে হেদায়েৎ আলীৰ পিতৃগৃহ দামপুৰত আনন্দৰ বন্যা। এই খবৰ সদৰী হোৱাৰ পিছতে দামপুৰৰ ড্ৰীম ফুটবল একাডেমীৰ তৰফৰ পৰা আলীলৈ জনাইছে অভিনন্দন। উল্লেখ্য যে, হেদায়েৎ আলীৰ পিতৃ চৈয়াদুল্লা আলী জনসংযোগ বিভাগৰ কৰ্মচাৰী। সেই সূত্ৰে হেদায়ৎ আলীয়ে ডিফুৰ ধৰমনালা এল পি স্কুলত অধ্যযন কৰাৰ পিছত গোৱালপাৰা সৈনিক স্কুলত নামভৰ্তি কৰিছিল। তাৰ পিছত যোৰহাট ইঞ্জিনিয়াৰিং কলেজৰ পৰা ছফ্‌ট ৱেৰ ইঞ্জিনিয়াৰিং পাছ কৰি ১৯৯৮ চনত আমেৰিকাত চাকৰিত যোগদান কৰে। তেতিয়াৰ পৰাই আমেৰিকাত বসতি কৰি আছে হেদায়েৎ আলী।



# লাভলীনাৰ পাছত বিশ্ব বক্সিং চেম্পিয়নশ্বিপত ব্যৰ্থ অংকুশিতা



**নতুন দিল্লী, ১৬ মে' ঃ** মহিলা বিশ্ব বক্সিঙত অন্ত পৰিল অসমৰ প্ৰত্যাহ্বান । প্ৰথমে লাভলীনা বৰগোঁহাই আৰু ইয়াৰ পাছতে অংকুশিতা বড়োৱে তুৰস্কৰ ইস্তানবুলত চলি থকা মহিলা বিশ্ব বক্সিং চেম্পিয়নশ্বিপৰ পৰা পদক লাভ নকৰাকৈয়ে অভিযান সামৰিব লগা হ'ল। যোৱানিশা ৬৬ কেজি ওজন শাখাত অংকুশিতাই পোলেণ্ডৰ এনিটা ৰিগেলস্কাৰ বিৰুদ্ধে ০-৫ ব্যৱধানত পৰাস্ত হয় । এই পৰাজয়ৰ কাৰণ অংকুশিতাই কয় যে কোভিড মহামাৰীৰ বাবে ৰাষ্ট্ৰজুৰি ঘোষণা কৰা লকডাউনৰ সময়ত অনুশীলন কৰিবলৈ সুযোগ লাভ নকৰাৰ বাবেই তেওঁ প্ৰত্যাশা অনুসৰি খেলিব নোৱাৰিলে। উল্লেখ্য যে দ্বাদশ এই মহিলা বিশ্ব বক্সিং চেম্পিয়নশ্বিপত ভাৰতীয় মহিলাৰ অভিযান অৱশ্যে অব্যাহত আছে ।লক্ষ্যণীয় যে, টকিঅ' অলিম্পিকত পদকজয়ী ভাৰতৰ একমাত্ৰ বক্সাৰ লাভলীনা বৰগোঁহাই আৰু যুব বিশ্ব বক্সিঙত স্বৰ্ণ পদকৰ লগতে শ্ৰেষ্ঠ বক্সাৰৰ আখ্যা পোৱা অংকুশিতা বড়োৰ পৰা যথেষ্ট আশা কৰাৰ সত্ত্বেও তেওঁলোকে প্ৰত্যাশা অনুসৰি খেলিব নোৱাৰিলে । যাৰ বাবে দুয়োগৰাকী অসম সন্তানে পদক অবিহনে বিশ্ব বক্সিঙত অভিযান সামৰিব লগা হ'ল ।

# সংবিধান ভংগ কৰি পুনৰ চকী দখলৰ চেষ্টা, মঙলদৈ ক্ৰীড়া সন্থাৰ ভিতৰচ'ৰাত ক্ষোভৰ জুই

**গুৱাহাটী, ১৬ মে' ঃ** ঐতিহ্যমণ্ডিত মঙলদৈ ক্ৰীড়া সন্থাৰ কাৰ্যনিৰ্বাহক সমিতিৰ একাংশ শীৰ্ষস্থানীয় বিষয়ববীয়াই বিগত কাৰ্যকালত সন্থাৰ সংবিধানক ভৰিৰে গচকি বহু অনিয়ম সংঘটিত কৰাৰ গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপিত হৈ আহিছে। ইতিমধ্যে এই বিষয়ে প্ৰচাৰ মাধ্যম আৰু সচেতন মহলৰ মাজত বিষয়টো চৰ্চিত হৈ আহিছে। এই সংক্ৰান্তত বহু ক্ৰীড়া সংগঠক, ক্ৰীড়াপ্ৰেমী ৰাইজৰ উপৰিও ক্ৰীড়া সন্থাৰ গৰিষ্ঠসংখ্যক কাৰ্যনিৰ্বাহকে পুৰণা সমিতিখন ভংগ কৰি অনতিপলমে এখন নতুন সমিতি গঠন কৰাৰ দাবীও উত্থাপন কৰিছে। অভিযোগ মতে ২০২১ ৰ ২৪ অক্টোবৰতেই চাৰিবছৰীয়া কাৰ্যকালৰ ম্যাদ উকলা সমিতিখনে ছমাহৰ অতিৰিক্ত কাৰ্যকাল সংবিধানৰ ধাৰা ভংগ কৰি বঢ়াই লৈছিল। আচলতে কাৰ্যকাল বৃদ্ধি কৰিবলৈ হলে কাৰ্যনিৰ্বাহক অনুষ্ঠিত কৰি গৰিষ্ঠসংখ্যক সদস্যৰ সন্মতি লোৱাৰ প্ৰয়োজন আছিল । আনহাতে অসাংবিধানিকভাবে কাৰ্যকাল বৃদ্ধি কৰাৰ পাছতো যোৱা ২৪ এপ্ৰিলত সেই সময়ো উকলি গ'ল । কিন্তু আজিলৈকে সাধাৰণ সভা অনুষ্ঠিত নকৰি সমিতিৰ একাংশই নিকৃষ্ট ৰাজনীতিৰে পুনৰ চকী দখলৰ অযথা প্ৰয়াস কৰি ক্ৰীড়াৰ পৰিৱেশ বিনষ্ট কৰিছে বুলিও গৰিষ্ঠসংখ্যক সদস্যই অভিযোগ কৰিছে। তাৎপৰ্যপূৰ্ণ যে শচীন চহৰীয়াৰ স্মৃতিত পতা দৰং জিলা আন্তঃবিদ্যালয় ক্ৰিকেটখন বিগত তিনি বছৰে পতা নাই। বিগত আঢ়ৈ বছৰে কোনো কাৰ্যনিৰ্বাহক সভা অথবা সাধাৰণ সভা অনুষ্ঠিত নকৰাৰ লগতে কোনো আয়-ব্যয়ৰ হিচাব সমিতিখনে দাখিল কৰা নাই । গতিকে এই সময়চোৱাত গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ কোনে ল'লে, কেনেকৈ ললে, কেতিয়া ল'লে বুলিও সন্থাৰ ভিতৰচ'ৰাত চৰ্চা চলিছে। আনহাতে, বিভিন্ন বিভাগৰ ৰাজ্যিক পৰ্যায়ৰ সভাবোৰলৈ উক্ত ইভেণ্টৰ অ-আ নজনা ব্যক্তিক মঙলদৈৰ প্ৰতিনিধি হিচাবে প্ৰেৰণ কৰি হাঁহিয়াতৰ পাত্ৰ হোৱা বুলিও অভিযোগ উঠিছে । এনে বহু অভিযোগৰ মাজতে যোৱা ১৩ মে'ত এখন সভা অনুষ্ঠিত কৰি বচা-বচা কেইবাজনো খেলুৱৈক সম্বৰ্ধনা যাচি বাহ্ বাহ্ লব বিচাৰিছে বুলিও চৰ্চা লাভ কৰিছে। তদুপৰি উক্ত সভাত মাষ্টাৰ এথলীটকে ধৰি বিভিন্ন ইভেণ্টত সুনাম কঢ়িয়াই অনা বহুতক সম্বৰ্ধনা জনাবলৈ আহৰি নাপালে বুলিও চৰ্চা চলিছে । এই সভাত কাৰ্যনিৰ্বাহক ক্ৰমে বিচিত্ৰ মেধি, প্ৰদীপ তালুকদাৰ, দেবেন বৰুৱা, বিৰেণ মেধি, বিদ্যুত বৰুৱা, প্ৰকাশ ডেকা, ভূপেন হাজৰিকা, কমৰুল হক, গোবিন্দ বাগলাৰী, সঞ্জীৱ শৰ্মা, মৃদুল তামুলী, বিপুল কুমাৰ শৰ্মা, উত্তম বড়ো, গিৰিন্দ্ৰ প্ৰসাদ বৰুৱা, লক্ষণ ডেকা আৰু কে'বাজনো সদস্যৰ লগতে গৰিষ্ঠসংখ্যক ক্লাবৰ প্ৰতিনিধি উপস্থিত নথকাটোৱে গভীৰ তাৎপৰ্য বহন কৰিছে। **অম্বা মেধি পৰিয়ালৰ প্ৰতিক্ৰিয়া ঃ** ইপিনে অম্বা মেধি পৰিয়ালৰ সদস্য প্ৰবীন এথলিট তথা বিশিষ্ট ক্ৰীড়া সংগঠক বিৰেণ মেধিয়ে অম্বা মেধি পৰিয়ালক লৈ একাংই তুচ্ছ-তাচ্ছিল্য কৰিছে বুলি অভিযোগ কৰিছে আৰু তেনে নকৰিবলৈ সংশ্লিষ্ট পক্ষক আহ্বান জনাইছে। উল্লেখ্য যে ৰাজ্যখনৰ এখন মৰ্যাদাপূৰ্ণ ফুটবল প্ৰতিযোগিতা অম্বা মেধিৰ সোঁৱৰণিত অনুস্থিত হয় যিখন বৰ্তমানৰ কমিটীখনে এইবেলি অনুস্থিত কৰিবলৈ কোনো পদক্ষেপেই গ্ৰহণ নকৰিলে।

# জুনিয়ৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবে অসম ফেন্সিং দল ঘোষণা

**গুৱাহাটী, ১৬ মে' ঃ** অহা ১৭-২০ জুনত উৰিষ্যাৰ কটকত অনুস্থিত হ'ব ৰাষ্ট্ৰীয় জুনিয়ৰ (২০ বছৰৰ অনূৰ্ধ্ব) ফেন্সিং প্ৰতিযোগিতা। সেয়ে অসম ফেন্সিং সন্থাই উক্ত ৰাষ্ট্ৰীয় জুনিয়ৰ ফেন্সিং প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে অসম দলটোৰ বাচনি কৰিছে। এই বাচনি শিবিৰত অসমৰ বিভিন্ন জিলাৰ পৰা ৭০ জন প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে । এপি, ফইল আৰু ছেৱাৰ তিনিও শাখাতে ল'ৰা আৰু ছোৱালী মুঠ ২৪ জন খেলুৱৈক বাচনি কৰা হয় । বাছনি শিবিৰটো পৰিচালনা কৰে বিশ্বজিৎ মিইটেই, ললিত সিংহ আৰু মানিক বড়োৱে । ইয়াৰ লগতে শনিবাৰে অসম ফেন্সিং সন্থাৰ সভাগৃহত অসম ফেন্সিং সন্থাৰ কাৰ্যনিৰ্বাহক সভাও অনুস্থিত হৈ যায় ।সভাত সভাপতি দুৰ্গাদাস বড়ো প্ৰমুখ্যে কাৰ্যকৰী সভাপতি পংকজ লোচন দেৱ মহন্ত, উপসভাপতি বিৰাজমোহন দাস, মুনিন মজুমদাৰ, বিশ্বজিৎ দাস, পংকজ আগৰৱালা, ভেনাছ আগৰৱালা, জয় প্ৰকাশ যাদব, মনোৰঞ্জন ডেকা, অনিৰ্বাণ বেনাৰ্জী, কোষাধ্যক্ষ অংশুমান দত্ত তথা সন্থা আৰু জিলাৰ বিভিন্ন বিষয়ববীয়া উপস্থিত আছিল বুলি সদৰী কৰে অসম ফেন্সিং সন্থাৰ সাধাৰণ সম্পাদক বিপুল শৰ্মাই ।বাছনি শিবিৰৰ যোগেদি নিৰ্বাচন কৰা খেলুৱৈসকলৰ নাম হ'ল ঃ কৰিস্মিতা মৰাণ, চয়নিকা গগৈ, ছুইটি দাস, নেহা ৰাভা, পালমনি বৰগোঁহাই, দেৱীকা বৰা, স্মিতা দাস, চয়নিকা বাইলুং, সুপ্ৰীয়া বৰা, দিশা কাশ্যপ, হিমাশ্ৰী মৰাণ, তনময়ুৰী চাংমাই, লামাগাম্বা মিইটেই, ইনেশ সিংহ, হৰেশ্বৰ বছুমতাৰী, জ্যোৰ্তিময় ৰাভা, ৰাজীৱ বড়ো, দ্বীপজ্যোতি মাহাতো, ৰাহুল চৌধুৰী, দেৱৰাজ ডেকা, ৰোহিত চাহু, দিব্যজ্যোতি ভট্টাচায্য, চিভম ৰায় আৰু থইবা সিংহ।

# অসম-ত্ৰিপুৰাৰ দৃষ্টিহীন ক্ৰিকেট দলৰ মাজত প্ৰীতি ক্ৰিকেট প্ৰতিযোগিতা সম্পন্ন

**গুৱাহাটী, ১৬ মে' ঃ** গুৱাহাটীৰ নুনমাটি শোধনাগাৰ খেলপথাৰত যোৱা ১৪ আৰু ১৫ মে'ত অসম আৰু ত্ৰিপুৰাৰ দৃষ্টিহীন ক্ৰিকেট দলৰ মাজত তিনিখন প্ৰীতি ক্ৰিকেট খেল অনুষ্ঠিত হয় । প্ৰতিকূল বতৰৰ মাজতে প্ৰথমদিনা অনুষ্ঠিত ২০ অভাৰৰ এখন খেলত অসমে ১৮ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ত্ৰিপুৰাক জয়ৰ বাবে ১০০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে ।প্ৰত্যুত্তৰত ত্ৰিপুৰাই ৮ অভাৰত ৭৮ ৰাণ কৰে যদিও বেয়া বতৰৰ বাবে খেল স্থগিত ৰাখিবলগীয়া হয় । অৱশ্যে ত্ৰিপুৰাই ৮ অভাৰতে ৭৮ ৰাণ কৰাতেই দলটোক বিজয়ী ঘোষণা কৰা হয় ।ত্ৰিপুৰাৰ সুকান্ত দেবক মেন অব দ্য মেটচ ঘোষণা কৰা হয় । আনহাতে, ১৫ মে'ত দুখন খেল অনুষ্ঠিত হয় ।প্ৰথমখন খেলত নিৰ্ধাৰিত সাত অভাৰত অসমে ত্ৰিপুৰাক ৪৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে । খেলখনত ত্ৰিপুৰা বিজয়ী হয় । ত্ৰিপুৰাৰ সুশান্ত নামা মেন অব দ্য মেটচ হয় । সেইদিনাৰ দ্বিতীয়খন খেলত ত্ৰিপুৰাই ছয় অভাৰত অসম দলক জয়ৰ বাবে ৪৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে । খেলখনত অসমে ছয় উইকেটত বিজয় সাব্যস্ত কৰে । অসমৰ মঞ্জিত চৌধুৰী খেলখনত মেন অব দ্যা মেটচ হয় । লক্ষ্মীকান্ত মহন্ত আৰু তেওঁৰ পৰিয়ালে বিজয়ী দল আৰু বঁটা প্ৰাপকসকলক বঁটাসমূহ প্ৰদান কৰে।

## আই বি এ মহিলা বিশ্ব বক্সিং চেম্পিয়নশ্বিপ

# ভাৰতৰ তিনিটা পদক নিশ্চিত




**নতুন দিল্লী, ১৬ মে' ঃ** ইস্তানবুলত চলি থকা আই বি এ মহিলা বিশ্ব বক্সিং চেম্পিয়নশ্বিপৰ দ্বাদশ সংস্কৰণত ভাৰতৰ তিনি বক্সাৰে ছেমিফাইনেলত প্ৰৱেশ কৰি পদক লাভ কৰাটো নিশ্চিত কৰিছে। আজি হোৱা কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰি ছেমি ফাইনেলত স্থান লাভেৰে বিশ্ব বক্সিং চেম্পিয়নশ্বিপত ভাৰতৰ হৈ প্ৰথমটো পদক নিশ্চিত কৰে নিখাট জাৰীনে। ইংলেণ্ডৰ চাৰ্লি-ছিয়ান টেইলৰ ডেভিছনৰ বিৰুদ্ধে ৫-০ ৰ ব্যৱধানত জয়ী হয় নিখাত। তেলেংগানাৰ ২৫ বছৰীয়া বক্সাৰ গৰাকীয়ে পুনৰবাৰ নিজৰ অনন্য প্ৰদৰ্শনেৰে ৫২ কেজি কোৱাৰ্টাৰ ফাইনেলত এক আকৰ্ষণীয় জয়ৰে এইবাৰৰ প্ৰতিযোগিতাত দেশখনক প্ৰথমটো পদক অৰ্পণ কৰে। ছেমিফাইনেলত এতিয়া ব্ৰাজিলৰ কেৰ'লিন ডি আলমেইডাৰ বিৰুদ্ধে খেলিব নিখাটে। ইফালে, ভাৰতৰ মনিষাই আন এক কোৱাৰ্টাৰ ফাইনেলত উজবেকিস্তানৰ ছিটোৰা টুৰ্ডিবেকোভাক ৪-১ ত পৰাস্ত কৰি ছেমিত প্ৰৱেশ কৰিপদক লাভ কৰাটো নিশ্চিত কৰিছে। এতিয়া ইটালীৰ ইৰমা টেষ্টাৰ বিৰুদ্ধে খেলিব মনিষাই। আনহাতে, ভাৰতৰ তৃতীয়টো পদক নিশ্চিত কৰে ৬৩ কিলোগ্ৰাম শাখাৰ ছেমিত প্ৰৱেশ কৰি পাৰবিনে।



দিল্লী আৰু পঞ্জাবৰ মাজত অনুষ্ঠিত আই পি এলৰ এখন খেলত দিল্লীৰ বেটছমেনৰ শ্বট

# ছিনিয়ৰ ৰাষ্ট্ৰীয় ৰোলবলৰ বাবে অসম দল



**গুৱাহাটী, ১৬ মে' ঃ** মহাৰাষ্ট্ৰৰ পুনেত অহা ১৯-২২ মে'লৈ অনুষ্ঠিত হ'ব ১৮ সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় ৰোলবল চেম্পিয়নশ্বিপ । এই প্ৰতিযোগিতাৰ বাবে অসম ৰোলবল সন্থাই ৰাজ্যৰ পুৰুষ আৰু মহিলা দল দুটা ঘোষণা কৰিছে। অসম ৰোলবল সন্থাৰ সম্পাদক ভূমিধৰ বৰ্মনে জনোৱা অনুসৰি অসম দলৰ বাবে নিৰ্বাচিত দল দুটা হ'ল - মহিলা ঃ ৰঞ্জিতা বৰ্মন (অধিনায়কা) , এলিছা ফাৰহীন , মনীষা প্ৰধান , য়স্মিতা মহন্ত , গাৰ্গী গুপ্তা , ৰূপালী দাস , আৰু তামান্না আগৰৱাল । ইফালে পুৰুষ দলৰ সদস্যসকল হ'ল — সৌৰভ পাল (অধিনায়ক) , ৰেমু বৰদলৈ , এপলক জে বৰুৱা , অনুৰাগ বাছফৰ , শ্বেখ আয়ান ইছলাম , বি এ কাৰ্গিল , কপিল ৰাভা , হৃদয় চুৰানা আৰু সঞ্জীৱ কুমাৰ । দলৰ প্ৰশিক্ষক তথা মেনেজাৰ উকীল ৰয় , অৰ্জুন বাগলাৰী , মঞ্জু গুপ্তা।

# কাকজানত ফুটবলৰ বিশেষ প্ৰশিক্ষণ শিবিৰ আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, কাকজান, ১৬ মে' ঃ** ২০০৭ চনত কাকজান অঞ্চলৰ কেইজনমান ক্ৰীড়াপ্ৰেমীৰ উদ্যোগত গঢ় লৈ উঠা কাকজান ফুটবল প্ৰশিক্ষণ কেন্দ্ৰই ইতিমধ্যে অসমত নিজৰ যোগ্যতাৰ পৰিচয় ডাঙি ধৰিবলৈ সক্ষম হৈছে। কাকজান ক্ৰীড়া সন্থাৰ প্ৰশিক্ষক চিৰাজুল ইছলামে নিয়মিত ভাৱে ফুটবলৰ প্ৰশিক্ষণ দিয়াৰ লগতে দ্বিতীয় বাৰৰ বাবে এক বিশেষ প্ৰশিক্ষণ শিবিৰ আৰম্ভ কৰিছে । ১৩ মে'ত আৰম্ভ হোৱা এই প্ৰশিক্ষণ শিবিৰ অহা ২০ মে' লৈকে চলিব । অল ইণ্ডিয়া ফুটবল ফেডাৰেচনৰ চি লাইছেন্স প্ৰাপক প্ৰশিক্ষক তথা অসম পুলিচ দলৰ প্ৰাক্তন খেলুৱৈ লোচন শইকীয়াই এলানি প্ৰশিক্ষণ আগবঢ়াব। এই উপলক্ষে সাংবাদিক মানৱজ্যোতি বৰদলৈয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত টীয়ক পৌৰসভাৰ নৱনিৰ্বাচিত পৌৰপতি লাকি বৰবৰা গগৈ , লাহদৈগড় আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দিগন্ত নাথ, যোৰহাট জিলা ক্ৰীড়া সংস্থাৰ ফুটবল বিভাগৰ সহ : সম্পাদক দিগন্ত দত্ত, ৰূপক জ্যোতি শইকীয়া, হৃদয়ানন্দ দত্ত প্ৰমুখ্যে অভিভাৱক ক্ৰীড়া প্ৰেমী ৰাইজ উপস্থিত থাকি প্ৰশিক্ষাৰ্থী সকলক আশীৰ্বাদ প্ৰদান কৰে ।

# পেনচাক চিলাট প্ৰতিযোগিতা সমাপ্ত



**গুৱাহাটী, ১৬ মে' ঃ** ২০১৮ ত গোলাঘাট জিলা পেনচাক চিলাট সন্থা গঠন কৰাৰ পাছৰে পৰা অন্যান্য জিলাসমূহৰ লগত সমানে আগবাঢ়ি জিলাখনৰ প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীসকলক লৈ বিভিন্ন সময়ত প্ৰশিক্ষণ প্ৰদান কৰি তথা প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি অসমৰ ভিতৰতে শীৰ্ষস্থান লাভ কৰিবলৈ সক্ষম হৈছে। এই জয়যাত্ৰা অব্যাহত ৰখাৰ স্বাৰ্থত গোলাঘাট জিলা পেনচাক চিলাট সন্থাৰ উদ্যোগত দেওবাৰে সৰুপথাৰ মহাবিদ্যালয়ৰ মুহী তামুলি প্ৰেক্ষাগৃহত চতুৰ্থ সংখ্যক গোলাঘাট জিলা পেনচাক চিলাট প্ৰতিযোগিতাখনি সৰ্বমুঠ পাঁচটা শাখাত অনুষ্ঠিত হয়। প্ৰতিযোগিতাত গোলাঘাট জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শতাধিক প্ৰতিযোগিয়ে অংশগ্ৰহণ কৰে। বৰপথাৰ পৌৰসভাৰ পৌৰপতি সঞ্জীৱ বৰুৱাই শুভ উদ্বোধন কৰা প্ৰতিযোগিতাখনৰ প্ৰাকমুহূৰ্তত প্ৰতিযোগী সকলে বিভিন্ন কলা প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাখনিত সকলো প্ৰতিযোগীয়েই সুন্দৰ খেল প্ৰদৰ্শন কৰি সকলো ক্ৰীড়াপ্ৰেমী ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। এই পেনচাক চিলাট প্ৰতিযোগিতাৰ মঞ্চতেই বিশিষ্ট তথা আমন্ত্ৰিত অতিথিসকলৰ লগতে বিগত সময় ছোৱাত ৰাষ্ট্ৰীয়-আন্তৰাষ্ট্ৰীয় পৰ্যায়ত পদক লাভ কৰিবলৈ সক্ষম হোৱা গোলাঘাট জিলাৰ প্ৰতিযোগী সকলক সম্বৰ্ধনা জনায়। গোলাঘাট জিলা পেনচাক চিলাট সন্থাৰ সম্পাদক গগণ চন্দ্ৰ বড়োৱে জনোৱামতে এই প্ৰতিযোগিতাখনৰ পৰাই আগন্তুক পঞ্চম সংখ্যক সদৌ অসম পেনচাক চিলাট প্ৰতিযোগিতালৈ জিলাৰ খেলুৱৈ নিৰ্বাচিত কৰিব।

# বিশিষ্ট ফুটবল খেলুৱৈ, বন বিভাগৰ অৱসৰী বিষয়া উমেশ চন্দ্ৰ দাসৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, পশ্চিম নলবাৰী, ১৫ মে' ঃ** নলবাৰী চহৰৰ বাৰ নং ৱাৰ্ডৰ বিষ্ণুপুৰ (খাট) নিবাসী এসময়ৰ বিশিষ্ট ফুটবল খেলুৱৈ তথা অসম চৰকাৰৰ বন বিভাগৰ অৱসৰ প্ৰাপ্ত ৰেঞ্জাৰ উমেশ চন্দ্ৰ দাসৰ কালি মৃত্যু হয় ।মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৪বছৰঞ্জ। নলবাৰী ক্ৰীড়া সন্থাকে ধৰি স্থানীয় বিভিন্ন অনুষ্ঠানৰ লগত জড়িত থকা প্ৰয়াত দাস এগৰাকী বিশিষ্ট খেলুৱৈ আছিল। তেওঁ এগৰাকী সুদক্ষ ফুটবল খেলুৱৈ হোৱাৰ সু-বাদতেই বনবিভাগত চৰকাৰী চাকৰি পোৱাৰ সুযোগ পাইছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ: দুজন পুত্ৰ, তিনিগৰাকী জীয়ৰীৰ লগতে বহুআত্মীয়ক এৰি থৈ যায়। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান ,ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে।



দিল্লী আৰু পঞ্জাবৰ মাজত অনুষ্ঠিত আই পি এলৰ এখন খেলত পঞ্জাবৰ বেটছমেনৰ শ্বট

# ৰাষ্ট্ৰীয় দবাত সফলতা অসমৰ আভাস ৰম্যৰ

**গুৱাহাটী, ১৬ মে' ঃ** গুজৰাটৰ আহমেদাবাদত অনুষ্ঠিত ১৪ বছৰ অনূৰ্ধ্ব ৰাষ্ট্ৰীয় দবাত অসমৰ আভাস ৰম্য শইকীয়াই ৮.৫ পইণ্ট সংগ্ৰহ কৰি পঞ্চম স্থান অধিকাৰ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে । আভাসে ১১ ৰাউণ্ডৰ পৰা ৮.৫ পইণ্ট অৰ্জন কৰে । কেৰালাৰ জন ভেনীয়ে ন পইণ্ট সংগ্ৰহ কৰি খিতাপ অৰ্জন কৰে । আনহাতে, মহাৰাষ্ট্ৰৰ গৌৰাং বাগাৰে ন পইণ্ট সংগ্ৰহ কৰি টাইব্ৰেক স্কৰৰ ভিত্তিত দ্বিতীয় স্থান অধিকাৰ কৰে । তামিলনাদুৰ ইলামপাৰ্ঠী, ৰাজস্থানৰ য়শ ভাৰাদিয়া আৰু অসমৰ আভাস ৰম্য শইকীয়াই ৮.৫ পইণ্টকৈ সংগ্ৰহ কৰি ক্ৰমে তৃতীয়, চতুৰ্থ আৰু পঞ্চম স্থান অধিকাৰ কৰে । আনহাতে অসমৰ আমেয়া গুপ্তা আৰু ছুজেন আহমেদে অন্ধ্ৰ প্ৰদেশৰ বিজয়ৱাড়াত অনুষ্ঠিত আঠ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ ৰাষ্ট্ৰীয় দবাত সাত পইণ্টকৈ সংগ্ৰহ কৰি একাদশ আৰু দ্বাদশ স্থান অধিকাৰ কৰে । আভাস ৰম্য শইকীয়াই নগদ ৩৫ হেজাৰ টকা, ছুজেন আৰু আমেয়াই চাৰি হেজাৰকৈ পুৰস্কাৰ হিচাপে লাভ কৰে । আভাস, আমেয়াক আৰু ছুজেনৰ এই সাফল্যৰ বাবে সদৌ অসম দবা সন্থাই অভিনন্দন জনাইছে।

# ফুটবল প্ৰশিক্ষণ শিবিৰ আৰম্ভ

**গুৱাহাটী, ১৬ মে' ঃ** ২০০৭ ত কাকজান অঞ্চলৰ কেইজনমান ক্ৰিড়প্ৰেমীৰ উদ্যোগত গঢ় লৈ উঠা কাকজান ফুটবল প্ৰশিক্ষণ কেন্দ্ৰই ইতিমধ্যে অসমত নিজৰ যোগ্যতাৰ পৰিচয় ডাঙি ধৰিবলৈ সক্ষম হৈছে। নিয়মিত ভাৱে ফুটবলৰ প্ৰশিক্ষণ দিয়াৰ লগতে দ্বিতীয়বাৰৰ বাবে এক বিশেষ প্ৰশিক্ষণ শিবিৰ আৰম্ভ কৰিছে ।১৩ মে'ত আৰম্ভ হোৱা এই প্ৰশিক্ষণ শিবিৰ অহা ২০ মে' লৈকে চলিব । অল ইণ্ডিয়া ফুটবল ফেডাৰেচনৰ 'চি' লাইচেন্স প্ৰাপক প্ৰশিক্ষক তথা অসম পুলিচ দলৰ প্ৰাক্তন খেলুৱৈ লোচন শইকীয়াই শিবিৰত প্ৰশিক্ষণ দিছে। এই উপলক্ষে সাংবাদিক মানৱ জ্যোতি বৰদলৈয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত টীয়ক পৌৰসভাৰ নৱনিৰ্বাচিত পৌৰপতি লাকি বৰবৰা গগৈ , লাহদৈগড় আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দিগন্ত নাথ, যোৰহাট জিলা ক্ৰীড়া সংস্থাৰ ফুটবল বিভাগৰ সহঃসম্পাদক দিগন্ত দত্ত, ৰূপক জ্যোতি শইকীয়া, হৃদয়ানন্দ দত্ত প্ৰমুখ্যে অভিভাৱক ক্ৰীডাপ্ৰেমীৰ উপস্থিত শিবিৰ আৰম্ভ কৰে।



দিল্লী আৰু পঞ্জাবৰ মাজত অনুষ্ঠিত আই পি এলৰ এখন খেলত পঞ্জাবৰ বলাৰৰ বলিং একচন


# ১০-১২ বছৰ অনূৰ্ধ্বৰ ফুটবল প্ৰতিযোগিতা

**গুৱাহাটী, ১৬ মে' ঃ** গোলাঘাট জিলাৰ খুমটাইত আজি ১০ আৰু ১২ বছৰ অনুৰ্ধৰ ফুটবল প্ৰতিযোগিতা এখনি অনুষ্ঠিত হয়। খুমটাই ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত স্থানীয় যুৱক প্ৰশান্ত গগৈৰ একান্ত প্ৰচেষ্টাত খুমটাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত এদিনীয়াকৈ অনুষ্ঠিত কৰা প্ৰতিযোগিতা খনিত আঠটা ফুটবল দলে অংশ গ্ৰহণ কৰে। খুমটাই আৰক্ষী বিষয়া প্ৰসেন দাসে উদ্বোধন কৰা আৰম্ভণি খেলখন খুমটাই কচিং চেন্টাৰ আৰু যোগীবাৰী কচিং চেন্টাৰ মাজত অনুষ্ঠিত হয়। ডিপু কলিতা, অংশুমান গগৈ আৰু ৰাহুল কুৰ্মীয়ে পৰিচালনা কৰা প্ৰতিযোগিতা খনৰ ১০ বছৰ অনুৰ্ধৰ ফাইনেল খেলত খুমটাই ইলেভেন ষ্টাৰ দলে খুমটাই কচিং চেন্টাৰক ২-১ গ'লত পৰাজিত কৰে। ইফালে; ১২ বছৰ অনুৰ্ধৰ ফাইনেল খেলত গোলাঘাট কচিং চেন্টাৰে খুমটাই ফুটবল একাডেমীক ৩-১ গ'লত পৰাজিত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰে । উল্লেখ্য যে নেৰানেপেৰা বৰষুণৰ মাজতো বহু সংখ্যক দৰ্শকে আকৰ্ষণীয় খেল কেইখন উপভোগ কৰে আৰু শলাগ লয়।



## ছানলাইট চলচ্চিত্ৰ মহোৎসৱ-২০২২ৰ বঁটা ঘোষণা

# অতুল পাচনীলৈ শ্ৰেষ্ঠ অভিনেতা আৰু প্ৰণামী বৰালৈ শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান





**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৬ মে’ ঃ** ছানলাইট ষ্টুডিঅ’ ফিল্ম ক্লাবে আয়োজন কৰা ছানলাইট চলচ্চিত্ৰ মহোৎসৱৰ বঁটাসমূহ কালি ঘোষণা কৰা হয়। উল্লেখ্য, উক্ত মহোৎসৱৰ চলচ্চিত্ৰ প্ৰতিযোগিতা শিতানত মুঠ ৩৬খন চলচ্চিত্ৰই অংশগ্ৰহণ কৰে। চলচ্চিত্ৰ মহোৎসৱখনৰ জুৰী সদস্যসকল হৈছে ক্ৰমে মণিপুৰৰ ৰাষ্ট্ৰীয় বঁটা বিজয়ী চলচ্চিত্ৰ নিৰ্মাতা মীনা লংজাম, পুৰস্কাৰপ্ৰাপ্ত চলচ্চিত্ৰ নিৰ্মাতা নাগালেণ্ডৰ কিভিনি চোহে আৰু চলচ্চিত্ৰ নিৰ্মাতা আৰু এছ আৰ এফ টি আইৰ প্ৰাক্তন ছাত্ৰী ছিকিমৰ ত্ৰিবেণী ৰায়। আনহাতে চলচ্চিত্ৰ মহোৎসৱত সুপ্ৰিয়া প্ৰসাদৰ ‘দ্য প’ৰট্ৰেট অৱ দ্য ৱিলো অ’মেন’এ শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰে। মহৰ্ষি কাশ্যপৰ ‘মোৰ ঘোঁৰাৰ দুৰন্ত গতি’ নামৰ ছবিখনে দ্বিতীয় শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰে। ‘কথাবোৰ’ ছবিৰ বাবে শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে কেশৰজ্যোতি দাসে। মহোৎসৱত ‘মোৰ ঘোঁৰাৰ দুৰন্ত গতি’ৰ বাবে অভিনেতা অতুল পাচনীয়ে শ্ৰেষ্ঠ অভিনেতা আৰু ‘মঙহ দহাৰ গোন্ধ’ৰ বাবে অভিনেত্ৰী প্ৰণামী বৰাই শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰে। আনহাতে জুৰীৰ বিশেষ বঁটা লাভ কৰে ত্ৰিদিশা গোস্বামীৰ ‘আশ্বাবাম’ আৰু চন্দন কুমাৰৰ ‘অৰাজনৈতিক’ শীৰ্ষক ছবিয়ে। মহোৎসৱৰ অধ্যক্ষ অৰূপ মান্নাই চলচ্চিত্ৰ মহোৎসৱখনৰ সন্দৰ্ভত কয় যে এই উৎসৱ উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ চলচ্চিত্ৰ নিৰ্মাতাসকলৰ বাবে এক বৃহৎ মঞ্চস্বৰূপ। বিশেষকৈ অসমৰ পৰিপ্ৰেক্ষিতত। মহোৎসৱৰ পৰিচালক খঞ্জন কিশোৰ নাথে উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ চলচ্চিত্ৰ নিৰ্মাতাসকল আৰু অধিক সাফল্যৰ শীৰ্ষলৈ যোৱাৰ সম্ভাৱনা আছে বুলি মন্তব্য কৰে। মহোৎসৱৰ কলা পৰিচালক সুৰজ দুৱৰাই ছানলাইট ষ্টুডিঅ’ ফিল্ম ক্লাবে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ চলচ্চিত্ৰ নিৰ্মাতাসকলক উৎসাহ যোগোৱাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু ভৱিষ্যতেও এই ভূমিকা নিশ্চয় অব্যাহত থাকিব বুলি মত প্ৰকাশ কৰে। ছানলাইট ষ্টুডিঅ’ ফিল্ম ক্লাবৰ প্ৰতিষ্ঠাপক বিশিষ্ট তথ্যচিত্ৰ নিৰ্মাতা তথা পৰিচালক পাৰ্থজিৎ বৰুৱাই চলচ্চিত্ৰ মহোৎসৱখন সফল কৰি তোলাৰ বাবে জুৰীৰ সদস্যসকলৰ লগতে আয়োজক মণ্ডলীৰ সকলো সদস্যক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে এই চলচ্চিত্ৰ মহোৎসৱ গুগল মীটৰ জৰিয়তে আয়োজন কৰা হয়।

## এছিয়া স্কলাৰ্চ নেটৱৰ্কৰ বাবে ইউএছটিএম আৰু এএএছৰ মাজত চুক্তি স্বাক্ষৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ মে’ ঃ** এছিয়াৰ দেশসমূহৰ সৈতে জড়িত বিভিন্ন পাণ্ডিত্যপূৰ্ণ, অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিক কাৰ্যকলাপত পণ্ডিতসকলক উদ্যোগ ল’বলৈ আৰু নেতৃত্ব দিবলৈ সক্ষম কৰাৰ বিশ্বব্যাপী দৃষ্টিভংগীৰে, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয় মেঘালয়ে (ইউএছটিএম) নতুন দিল্লীৰ এছিয়া স্কলাৰ (এএএছ) সংগঠনৰ সৈতে হাত মিলাইছে আৰু কালি এক বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে। এই বুজাবুজি চুক্তিত ইউএছটিএমৰ উপাচাৰ্য অধ্যাপক জিডি শৰ্মা আৰু এএএছৰ সভাপতি অধ্যাপক স্বৰণ সিঙে ইউএছটিএমৰ আচাৰ্য মাহবুবুল হক আৰু এছিয়া স্কলাৰ আৰু ইউএছটিএমৰ অন্যান্য গণ্যমান্য ব্যক্তিসকলৰ উপস্থিতিত স্বাক্ষৰ কৰে। এই সন্দৰ্ভত ভাষণ প্ৰদান কৰি এএএছৰ সভাপতি অধ্যাপক স্বৰণ সিঙে কয়— ‘মই ইউএছটিএম নেতৃত্বৰ আন্তঃগাঁথনি আৰু গতিশীলতাত প্ৰভাৱিত হৈছো আৰু এএএছ আৰু ইউএছটিএমৰ মাজত অংশীদাৰিত্ব গঢ়ি তুলি বলৈ পাই সুখী। মই ইউএছটিএমৰ সৈতে যুটীয়া কামৰ সৈতে আমাৰ বুজাবুজি চুক্তি কাৰ্যকৰী কৰাৰ বাবে আশাবাদী।’ এএএছে ২০০৫ চনৰ নৱেম্বৰৰ পৰা ভাৰতৰ ৰাষ্ট্ৰীয় স্বাৰ্থত আৰু বিশ্বব্যাপী শান্তি আৰু সম্প্ৰীতিৰ বাবে কাম কৰি আহিছে বুলি তেওঁ কয়। ইউএছটিএমৰ উপাচাৰ্য অধ্যাপক জি ডি শৰ্মাই কয় যে এছিয়ান স্কলাৰ্ছৰ সংগঠনৰ সৈতে হোৱা চুক্তিয়ে এছিয়াৰ বিশ্বায়নৰ লক্ষ্যৰে ইউএছটিএম আৰু এএএছৰ মাজত শৈক্ষিক, গৱেষণা, প্ৰকাশন আৰু দীৰ্ঘম্যাদী অংশীদাৰিত্ব স্থাপনত সহায় কৰিব। ই আন্তৰ্জাতিক সন্মিলন, চেমিনাৰ, ৱেবিনাৰ আৰু কৰ্মশালা, এছিয়াৰ দেশসমূহৰ পৰম্পৰা, সংস্কৃতি আৰু ৰাজনীতি আৰু তেওঁলোকৰ বিশ্বব্যাপী স্থিতিৰ বিষয়ে প্ৰকাশনক সমৰ্থন কৰিব। বুজাবুজি চুক্তি অনুসৰি, দুয়োটা সংগঠনে তেওঁলোকৰ পণ্ডিত আৰু বিশেষজ্ঞসকলক পেছাদাৰী বিনিময় ৰূপায়ণৰ সুবিধাৰ বাবে পৰামৰ্শ দিব। তেওঁলোকে দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াৰ ওপৰত গুৰুত্ব দিয়া ভাৰতীয় অধ্যয়ন আৰু উত্তৰ-পূব ভাৰতৰ বাবে প্ৰাসংগিক বিষয়সমূহৰ লগতে পাৰস্পৰিক উদ্বেগ আৰু স্বাৰ্থৰ বিষয়সমূহৰ ওপৰত গুৰুত্ব দিয়া প্ৰকল্পৰ অংশ হ’বলৈ সন্মত হৈছে। লগতে এইটোও সন্মত হৈছিল যে প্ৰতিটো পক্ষই তেওঁলোকৰ গৱেষণা কঢ়িয়াই নিয়াত আগ্ৰহী পণ্ডিতসকলক পৰামৰ্শ দিব, দ্বিপাক্ষিক সম্পৰ্ক/অধ্যয়ন সম্প্ৰসাৰণৰ বাবে ব্যক্তি/প্ৰতিষ্ঠানৰ সৈতে ইজনে-সিজনৰ সৈতে পৰিচয় কৰাব, আৰু কিতাপ আৰু আলোচনী প্ৰকাশত সহযোগিতা কৰিব, পাৰস্পৰিক স্বাৰ্থৰ গৱেষণা সামগ্ৰী বিনিময় কৰিব।







## পূৰ্বোত্তৰ ৰাষ্ট্ৰীয় নাট সমাৰোহত মাজুলীৰ শিল্পীদলে পৰিৱেশন কৰিব নাট ‘জয়মতী’

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৬ মে’ ঃ** মাজুলী কালচাৰেল ফাউণ্ডেচনৰ প্ৰতিষ্ঠাপক ভাস্কৰজ্যোতি বৰাই কৰা নাট্যৰূপ আৰু পৰিচালনাৰে নাটক ‘জয়মতী’ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়, নতুন দিল্লীৰ দ্বাৰা আয়োজিত পূৰ্বোত্তৰ ৰাষ্ট্ৰীয় নাট সমাৰোহ ৰাজস্থানৰ বিকানেৰত পৰিৱেশন হ’ব । ৰাজস্থানৰ বিকানেৰত অনুষ্ঠিত হোৱা গাম্ভীৰ্যপূৰ্ণ নাট সমাৰোহখনিত মাজুলী কালচাৰেল ফাউণ্ডেচনৰ দ্বাৰা প্ৰযোজিত আৰু ভাস্কৰ জ্যোতি বৰাৰ দ্বাৰা পৰিচালিত নাটক ‘জয়মতী’ অহা ১৮ মে’ত মঞ্চস্থ হ’ব। জয়মতী নাটকখনিত অভিনয় কৰা শিল্পীসকল হ’ল- বিজু দুৱৰা, মৃদুল বুঢ়াগোহাঁই, সত্যজিৎ বৰা, তিলক বৰুৱা, মানস দত্ত, শান্তনু বৰা, সত্যব্ৰত দত্ত, গৌতম শইকীয়া, ৰিংকি কাকতি, কস্তুৰী বৰুৱা, মেঘনা ভূঞা, পলি ভূঞা, অনন্যা বৰুৱা, সুপ্ৰিয়া শৰ্মা, পম্পী দত্ত, সুৰুজজ্যোতি বৰা, কৌশিক বৰা, সীমা তালুকদাৰ আৰু চুমী হাজৰিকা। নাটখনিৰ সংগীত ব্যৱস্থাপনা অৰূপ কছাৰীৰ। পোহৰ পৰিকল্পনা অচিন্ত্য শইকীয়াৰ। সাজ-সজ্জা, ৰূপ-সজ্জা আৰু সহায়কৰ দায়িত্বত আছে ক্ৰমে হেমন্ত সৰকাৰ আৰু অংকুৰজ্যোতি দত্ত। নাটকখনৰ ব্যৱস্থাপনা আৰু নিয়ন্ত্ৰক মুক্তা প্ৰসাদ দত্ত। শিল্পীৰ দলটি যোৱা ১৪ মে’ত ৰাজস্থানলৈ ৰাওনা হৈছে।







শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেঞ্চি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক’লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতহে প্ৰযোজ্য হ’ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি